দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম
(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

তৃতীয় ষাণ্মাসিক

মানৱ অধিকাৰ ঃ আনুষ্ঠানিক ব্যৱস্থাসমূহ

ৰাজনীতি বিজ্ঞান

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক ধ্রুৱ প্রতীম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জ্যোতিৰাজ পাঠক, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়
ড° শান্তনু চক্রৱর্তী (অৱসৰপ্রাপ্ত), কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ **অধ্যাপক বিপুল দাস,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	হিমাশ্রী দেৱী, পূৱ কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি
২,৩,৭,১২	কৃষ্ণামণি শর্মা, জে.বি, আইন মহাবিদ্যালয়, গুৱাহাটী
৪,১০	বনস্মিতা শর্মা, গৱেষিকা ছাত্রী, গুৱাহাটী বিশ্ববিদ্যালয়
৫,৬,৯,১১,১৩ আৰু ১৪	ড° পংকজ কুমাৰ শর্মা, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়
৮	ড° মৃদুস্মিতা কাশ্যপ, এছ.আই.আৰ.ডি., গুৱাহাটী

ভাষান্তৰকাৰী

ড° প্রভাত ভূঞা, অসম বিশ্ববিদ্যালয়, ডিফু কেম্পাছ (অধ্যায় ১-৬)

শেৱালি বর্মন (অধ্যায় ৮-১১)

ধৰিত্রী গোস্বামী, গুৱাহাটী (অধ্যায় ১২-১৪)

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপক শুভ্রজিৎ কোঁৰৰ, গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ১, ২, ৩, ৪, ৫, ৬, ৭)
ড° শান্তনু চক্রৱর্তী (অৱসৰপ্রাপ্ত), কটন বিশবিবিদ্যালয় (অধ্যায় ৮, ৯, ১০, ১১, ১২, ১৩, ১৪)

ভাষা সম্পাদনা ঃ শিল্পী পৰাশৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয (অধ্যায় ১-৪)
কংকনা দেৱী, গৱেষক ছাত্রী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৫-৭, ১২-১৪)
জেউতি বড়ি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৮,৯,১০,১১)

প্রকাশ ঃ অক্টোৱৰ, ২০২৬

কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.ac.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ৰাষ্ট্ৰসংঘ আৰু মানৱ অধিকাৰ**

ৰাষ্ট্ৰসংঘৰ চনদত মানৱ অধিকাৰৰ ব্যবস্থা/সুবিধা; মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণা ঃ গৃহীতকৰণ, ব্যবস্থা/সুবিধা/বিধানসমূহ আৰু তাৎপর্য/গুৰুত্ব; মানৱ অধিকাৰ পৰিষদ

অধ্যায় ২ ঃ **মানৱ অধিকাৰ সম্পর্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তি আৰু নিয়মাবলীসমূহ-আন্তঃৰাষ্ট্ৰীয় অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তি, আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু অধিকাৰ চুক্তি আৰু ঐচ্ছিক নিয়মাবলী**

মানৱ অধিকাৰৰ অর্থ; চুক্তিসমূহৰ পটভূমি; আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ;চুক্তিৰ গ্ৰহণ; আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ ব্যৱস্থাসমূহ; আন্তঃৰাষ্ট্ৰীয়; নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ ঐচ্ছিক নিয়মাবলী; আন্তঃৰাষ্ট্ৰীয় অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তি গ্ৰহণ আৰু ব্যৱস্থাসমূহ; আন্তঃৰাষ্ট্ৰীয় অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তিৰ ঐচ্ছিক নিয়মাবলী

অধ্যায় ৩ ঃ **ৰাষ্ট্ৰসংঘৰ শৰণার্থী বিষয়ক উচ্চাযুক্ত**

আন্তঃৰাষ্ট্ৰীয় শৰণার্থী আইনৰ ঐতিহাসিক বিকাশ; মানৱ অধিকাৰ আৰু ৰাষ্ট্ৰসংঘৰ শৰণার্থী বিষয়ক উচ্চাযুক্ত; ৰাষ্ট্ৰসংঘৰ শৰণার্থী বিষয়ক উচ্চাযুক্ত (UNHCR)-ৰ সাংগঠনিক গাঁথনি; শৰণার্থীসকলৰ অধিকাৰ; ৰাষ্ট্ৰসংঘৰ শৰণার্থী বিষয়ক উচ্চাযুক্ত (UNHCR)-ৰ ভূমিকা; ভাৰতত ৰাষ্ট্ৰসংঘৰ শৰণার্থী বিষয়ক উচ্চাযুক্ত (UNHCR)-ৰ ভূমিকা

অধ্যায় ৪ ঃ **ৰাষ্ট্ৰসংঘ আৰু নাৰীৰ অধিকাৰ**

নাৰীৰ অধিকাৰৰ প্ৰচাৰ-প্ৰসাৰ আৰু সুৰক্ষাত ৰাষ্ট্ৰসংঘৰ ভূমিকা; ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা বিভিন্ন ঘোষণা আৰু চুক্তি; নাৰী বিষয়ক বিশ্ব সম্মিলনসমূহ

অধ্যায় ৫ ঃ **ৰাষ্ট্ৰসংঘ আৰু শিশুৰ অধিকাৰ**

শিশুৰ অধিকাৰ প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা, ১৯৫৯ চনৰ শিশুৰ অধিকাৰ ঘোষণা, ১৯৮৯ চনৰ শিশুৰ অধিকাৰ চুক্তি

অধ্যায় ৬ ঃ **ৰাষ্ট্ৰসংঘ আৰু খিলঞ্জীয়া জনগণ**

খিলঞ্জীয়া জনগণৰ অধিকাৰ প্ৰসাৰ আৰু সুৰক্ষাত ৰাষ্ট্ৰসংঘৰ ভূমিকা; খিলঞ্জীয়া জনগণৰ অধিকাৰ সম্পর্কীয় ৰাষ্ট্ৰসংঘৰ ঘোষণা; খিলঞ্জীয়া জনগণৰ বিষয়সমূহৰ স্থায়ী মঞ্চ

অধ্যায় ৭ ঃ **আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা (ILO) আৰু মানৱ অধিকাৰ**

আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা (ILO)ঃILO-ৰ গঠন,ILO-ৰ কার্যাৱলী,ILO-ৰ শাসন ব্যৱস্থা আৰু নীতি নির্ধাৰণ, ILO-এ নিশ্চিত কৰা মানদণ্ডসমূহ ; সংগঠন গঠনৰ স্বাধীনতা আৰু সামূহিক আলোচনাৰ অধিকাৰৰ কার্যকৰী স্বীকৃতি; সকলো ধৰণৰ বলপূর্বক আৰু বাধ্যতামূলক শ্ৰমৰ অৱসান;শিশুশ্ৰমৰ কার্যকৰী বিলোপ; নিয়োগ আৰু বৃত্তিৰ ক্ষেত্ৰত সকলো ধৰণৰ বৈষম্যৰ বিলোপ ; মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাত ILO-ৰ ভূমিকা ঃ সামাজিক সুৰক্ষা

অধ্যায় ৮ ঃ বয়োজ্যেষ্ঠ সকলৰ অধিকাৰ

বিশ্বত বৃদ্ধ জনসংখ; ভাৰতত বৃদ্ধ জনসংখ্যা; বৃদ্ধ লোকসকলৰ সমস্যা; বৃদ্ধ ব্যক্তিৰ ওপৰত নির্যাতন; বৃদ্ধাৱস্থা (বয়স বৃদ্ধি) সম্পর্কে ৰাষ্ট্রসংঘৰ প্রচেষ্টা, বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্রসংঘৰ নীতি ১৯৯১, বৃদ্ধাৱস্থাৰ ওপৰত মাদ্রিদ আন্তঃৰাষ্ট্রীয় কার্য পৰিকল্পনা, বৃদ্ধ ব্যক্তিসকলৰ মানৱ অধিকাৰ; ৰাষ্ট্রীয় পর্যায়ত প্রচেষ্টা-ভাৰতীয় দৃষ্টিভংগী; বৃদ্ধ ব্যক্তিসকলৰ অধিকাৰৰ সুৰক্ষা

অধ্যায় ৯ ঃ মানৱ অধিকাৰ আৰু বেচৰকাৰী সংস্থা (NGOs)

মানৰ অধিকাৰৰ ধাৰণা; মানৱ অধিকাৰৰ সজাগতা বৃদ্ধি আৰু মানৱ অধিকাৰ সুৰক্ষাত বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা; মানৱ অধিকাৰৰ প্রসাৰ আৰু সুৰক্ষাত এমনেষ্টি ইণ্টাৰনেচনেল-ৰ ভূমিকা; মানৱ অধিকাৰৰ প্রসাৰ আৰু সুৰক্ষাত Human Rights Watch-ৰ ভূমিকা

অধ্যায় ১০ ঃ ভাৰতত মানৱ অধিকাৰ আন্দোলন

মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র; ঔপনিৱেশিক কালত ভাৰতীয়সকলৰ মাজত মানৱ অধিকাৰ সম্পর্কে সজাগতা; ঔপনিৱেশিকোত্তৰ কালত ভাৰতত মানৱ অধিকাৰ আন্দোলন

অধ্যায় ১১ ঃ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক আৰু আইনগত গাঁথনি

ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক গাঁথনি: প্রস্তাৱনা, মৌলিক অধিকাৰ আৰু ভাৰতৰ ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি; মানৱ অধিকাৰ সুৰক্ষাত ভাৰতৰ সংসদৰ ভূমিকা; মানৱ অধিকাৰ সুৰক্ষাত ভাৰতীয় ন্যায়পালিকাৰ ভূমিকা; ভাৰতৰ ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগ, আয়োগৰ গঠন, আয়োগৰ কার্যাবলী, ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগ আৰু মানৱ অধিকাৰৰ সুৰক্ষা

অধ্যায় ১২ ঃ ভাৰতত মহিলাৰ অধিকাৰ

মহিলাৰ সৈতে জড়িত আন্তঃৰাষ্ট্রীয় সন্মিলনসমূহ; ভাৰতত মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে সাংবিধানিক ব্যৱস্থা; ভাৰতত মহিলাৰ অধিকাৰ সুৰক্ষাত বিধায়িকাৰ ভূমিকা

অধ্যায় ১৩ ঃ ভাৰতত শিশুৰ অধিকাৰ

ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে সাংবিধানিক ব্যৱস্থা; ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষাত বিধায়িকাৰ ভূমিকা; ভাৰতত শিশুশ্রমৰ সমস্যা

অধ্যায় ১৪ ঃ ভাৰতত সংঘাত আৰু মানৱ অধিকাৰ উলংঘনৰ সমস্যা

সংঘাতৰ পৰিস্থিতিত মানৱ অধিকাৰ উলংঘন; সংঘাতজনিত মানৱ অধিকাৰ উলংঘনৰ পৰিস্থিতিত ৰাজ্যৰ ভূমিকা; অ-ৰাজ্যিক সংস্থা আৰু সংঘাতকালীন মানৱ অধিকাৰ উলংঘনৰ সমস্যা

অধ্যায় ১ ঃ ৰাষ্ট্রসংঘ আৰু মানৱ অধিকাৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ৰাষ্ট্রসংঘৰ চ নদত মানৱ অধিকাৰৰ ব্যবস্থা
১.৪ মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণা ঃ গৃহীতকৰণ, ব্যবস্থা আৰু তাৎপর্য
১.৫ মানৱ অধিকাৰ পৰিষদ
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাষ্ট্রসংঘৰ চনদত সন্নিবিষ্ট মানৱ অধিকাৰ ৰ ব্যৱস্থাসমূহৰ বিষয়ে অবগত হ'ব।
- মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণা (UDHR), ইয়াৰ গৃহীতকৰণ, ব্যৱস্থা বা বিধানসমূহ আৰু গুৰুত্ব বা তাৎপর্য আলোচনা কৰিব পাৰিব।
- মানৱ অধিকাৰ পৰিষদৰ ভূমিকা বর্ণনা কৰিব পাৰিব।

১.২ পৰিচয়

সমগ্র বিশ্বৰ প্রতিজন ব্যক্তিৰ সর্ববিকাশৰ বাবে মানৱ অধিকাৰৰ প্রয়োজনতা অপৰিহার্য। ইয়াৰ উদ্দেশ্য হৈছে মানুহৰ প্রয়োজনতা আৰু আশা-আকাংক্ষা সুৰক্ষিত কৰা আৰু প্রতিজন ব্যক্তিক সকলোধৰণৰ বৈষম্য আৰু শোষণৰ পৰা ৰক্ষা কৰা। ডি. ডি. বসুৰ সংজ্ঞা মতে, "মানৱ অধিকাৰ হৈছে সেইবোৰ ন্যূনতম অধিকাৰ, যিবোৰ প্রতিজন ব্যক্তিয়ে কেৱল মানৱ পৰিয়ালৰ এজন সদস্য হোৱাৰ ভিত্তিত, আন কোনো বিবেচনা নির্বিশেষে, ৰাষ্ট্র বা অন্য কোনো ৰাজহুৱা কর্তৃপক্ষৰ বিপৰীতে লাভ কৰিব লাগে।" (Agarwal, H.O., Human Rights, 2005, p-03) ৰাষ্ট্রসংঘৰ চনদ, মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণা (UDHR) আৰু মানৱ অধিকাৰ পৰিষদ— এইবোৰ মানৱ অধিকাৰৰ বিষয়সমূহ সমাধান কৰাৰ ক্ষেত্রত আন্তঃৰাষ্ট্রীয় পর্যায়ৰ কিছুমান ঐতিহাসিক গুৰুত্বপূর্ণ পদক্ষেপ। এই অধ্যায়টোত মূলতঃ এই তিনিটা আন্তঃৰাষ্ট্রীয় মানব অধিকাৰ সুৰক্ষা ব্যৱস্থা, সিবিলাকৰৰ মুখ্য ব্যবস্থা বা বিধানসমূহ আৰু গুৰুত্ব বা তাৎপর্যৰ বিষয়ে আলোচনা কৰা হৈছে।

১.৩ ৰাষ্ট্রসংঘ চনদত মানৱ অধিকাৰৰ ব্যৱস্থাসমূহ

ৰাষ্ট্রসংঘৰ চনদ ১৯৪৫ চনৰ ২৬ জুন তাৰিখে ছান ফ্রান্সিস্কোত স্বাক্ষৰিত হৈছিল। এই চনদে ১৯৪৪ চনৰ ডাম্বার্টন ওকছ (Dumbarton Oaks)-ৰ প্রস্তাৱসমূহত উল্লেখ কৰা মানৱ অধিকাৰৰ নীতিক সমর্থন কৰে। চনদখনত মানৱ অধিকাৰৰ প্রসাৰ-প্রচাৰক প্রস্তাৰিত সাধাৰণ সভা আৰু ইয়াৰ অধীনস্থ অর্থনৈতিক আৰু সামাজিক পৰিষদে সম্পাদন কৰিবলগীয়া এক গুৰুত্বপূর্ণ কার্য হিচাপে সংক্ষিপ্তভাৱে উল্লেখ কৰা হৈছিল। ফলস্বৰূপে, ৰাষ্ট্রসংঘৰ চনদে মৌলিক মানৱ অধিকাৰ, মানৱ ব্যক্তিত্বৰ মর্যাদা আৰু মূল্য, পুৰুষ আৰু মহিলাৰ সম অধিকাৰ, আৰু সৰু-

ডাঙৰ সকলো জাতিৰ সম অধিকাৰৰ ওপৰত বিশ্বাস পুনৰ দৃঢ় কৰাৰ চেষ্টা কৰে। ইয়াৰ উপৰিও, এই চনদে চুক্তি আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ অন্যান্য উৎসৰ পৰা উদ্ভৱ হোৱা বাধ্যবাধকতাসমূহৰ প্ৰতি ন্যায় আৰু সম্মান বজাই ৰাখিব পৰা পৰিস্থিতি সৃষ্টি কৰা, সামাজিক অগ্ৰগতি আৰু অধিক স্বাধীনতাৰে উন্নত জীৱন-মান নিশ্চিত কৰাৰ লক্ষ্য গ্ৰহণ কৰে।

চনদখনৰ প্ৰস্তাৱনা আৰু মুখ্যতঃ ১, ১৩ (১)(খ), ৫৫, ৫৬, ৬২ (২), ৬৮ আৰু ৭৬ (গ) নং অনুচ্ছেদসমূহত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰচাৰ প্ৰসাৰৰ বাবে বিভিন্ন ব্যবস্থা সন্নিবিষ্ট কৰা হৈছে। তলত এইসমূহ আলোচনা কৰা হৈছে।

চনদখনৰ প্ৰস্তাৱনাত উল্লেখ আছে যে, "আমি, ৰাষ্ট্ৰসংঘৰ জনসাধাৰণে, মৌলিক মানৱ অধিকাৰ, মানৱ ব্যক্তিৰ বিশ্বাস পুনৰ দৃঢ় কৰিবলৈ সংকল্পবদ্ধ।" এই ধাৰণাই সমগ্ৰ মানৱজাতিৰ বাবে সমান মানৱ অধিকাৰ নিশ্চিত কৰাৰ আদৰ্শক মৰ্যাদা আৰু মূল্য, পুৰুষ আৰু মহিলাৰ সম অধিকাৰ, আৰু সৰু-ডাঙৰ সকলো জাতি-ৰাষ্ট্ৰৰ সম অধিকাৰৰ ওপৰত আমাৰ প্ৰকাশ কৰে।

ইয়াৰ উপৰিও, চনদৰ ১ নং অনুচ্ছেদৰ ৩ নং দফাত ৰাষ্ট্ৰসংঘৰ উদ্দেশ্যসমূহ উল্লেখ কৰা হৈছে। ইয়াত কোৱা হৈছে যে, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, বা মানবীয় আন্তঃৰাষ্ট্ৰীয় সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা গটি তোলা আৰু জাতি, লিংগ, ভাষা বা ধৰ্মৰ ভিত্তিত কোনো বৈষম্য নকৰাকৈ সকলোৰে বাবে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি সম্মান বৃদ্ধি আৰু উৎসাহিত কৰা মানৱ অধিকাৰৰ এক অন্যতম মুখ্য উদ্দেশ্য। এই ঘোষণাই মানৱ অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় আৰু সৰ্বজনীন স্বীকৃতিৰ আৱশ্যকতা সূচায়।

ইয়াৰ লগতে, ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভা আৰু অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ ওপৰত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ বাস্তবায়ন আৰু প্ৰসাৰ-প্ৰচাৰৰ দায়িত্ব অৰ্পণ কৰা হৈছে। এই প্ৰসংগত, ১৩ (১) (ক) নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে, সাধাৰণ সভাই ৰাজনৈতিক ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা বৃদ্ধি, আন্তঃৰাষ্ট্ৰীয় আইনৰ ক্ৰমাগত বিকাশ আৰু ইয়াৰ সংহিতাকৰণ উৎসাহিত কৰাৰ উদ্দেশ্যে অধ্যয়ন আৰম্ভ কৰিব আৰু পৰামৰ্শ আগবঢ়াব। আনহাতে, ১৩ (১) (খ) নং অনুচ্ছেদত উল্লেখ আছে যে, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক, আৰু স্বাস্থ্যৰ লগত জড়িত ক্ষেত্ৰসমূহত আন্তঃজাতিক সহযোগিতা বৃদ্ধি কৰাৰ লগতে জাতি, লিংগ, ভাষা বা ধৰ্মৰ ভিত্তিত কোনো বৈষম্য নকৰাকৈ সকলোৰে বাবে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ বাস্তবায়নৰ ক্ষেত্ৰত সহায়তা বৃদ্ধি কৰাৰ বাবে সাধাৰণ সভাই অধ্যয়ন চলাব আৰু পৰামৰ্শ প্ৰদান কৰিব।

অনুচ্ছেদ ৫৫ অনুসৰি, সকলো জনসাধাৰণৰ সমান অধিকাৰ আৰু আত্মনিৰ্ণয়ৰ অধিকাৰৰ নীতিক সন্মান জনাই ৰাষ্ট্ৰসমূহৰ মাজত আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক আৰু সামাজিক সহযোগিতা সুগম কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘই তলত দিয়া লক্ষ্যসমূহ প্ৰসাৰ কৰিব—

(ক) উন্নত জীবনৰ মান, পূৰ্ণ নিয়োজন আৰু অৰ্থনৈতিক আৰু সামাজিক অগ্ৰগতি আৰু উন্নয়নৰ অনুকূল পৰিস্থিতি সৃষ্টি কৰা।

(খ) আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক, স্বাস্থ্য আৰু ইয়াৰ সৈতে জড়িত সমস্যাসমূহৰ সমাধান বিচৰা; লগতে আন্তঃৰাষ্ট্ৰীয় সাংস্কৃতিক আৰু শিক্ষামূলক সহযোগিতা বৃদ্ধি কৰা।

(গ) জাতি, লিংগ, ভাষা বা ধৰ্মৰ ভিত্তিত কোনো ধৰণৰ বৈষম্য নকৰাকৈ সকলোৰে বাবে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি বিশ্বজনীন সম্মান আৰু পালন নিশ্চিত কৰা।

অনুচ্ছেদ ৫৬-ত কোৱা হৈছে যে, সকলো সদস্য ৰাষ্ট্ৰই অনুচ্ছেদ ৫৫-ত উল্লেখ কৰা উদ্দেশ্যসমূহ বাস্তবায়িত কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ সৈতে সহযোগিতাত যৌথভাৱে আৰু পৃথকভাৱে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতিবদ্ধ হ'ব।

দশম অধ্যায়ৰ অনুচ্ছেদ ৬২ (১) অনুসৰি, অৰ্থনৈতিক আৰু সামাজিক পৰিষদ (ECOSOC)-এ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, শিক্ষামূলক, স্বাস্থ্য আৰু সংশ্লিষ্ট বিষয়সমূহৰ ওপৰত প্ৰতিবেদন প্ৰস্তুত বা অধ্যয়ন আৰম্ভ কৰিব পাৰে। লগতে এই বিষয়সমূহৰ ক্ষেত্ৰত সাধাৰণ সভা , ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহ আৰু সংশ্লিষ্ট বিশেষ সংস্থাসমূহলৈ পৰামৰ্শ আগবঢ়াব পাৰে।

অনুচ্ছেদ ৬২ (২) অনুসৰি, সকলোৰে বাবে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি সন্মান বৃদ্ধি

আৰু ইয়াৰ পালন কৰাৰ উদ্দেশ্যে পৰামৰ্শ দিব পাৰে।

অনুচ্ছেদ ৬২ (৩) অনুসৰি, নিজৰ ক্ষমতাৰ আওতাত পৰা বিষয়সমূহৰ ওপৰত সাধাৰণ সভাত দাখিল কৰাৰ বাবে খচৰা চুক্তি প্ৰস্তুত কৰিব পাৰে।

ইয়াৰ ক্ষমতাৰ অন্তৰ্গত বিষয়সমূহৰ ওপৰত, ৰাষ্ট্ৰসংঘই নিৰ্ধাৰণ কৰা নিয়ম অনুসৰি, ই আন্তঃৰাষ্ট্ৰীয় সম্মিলন আহ্বান কৰিব পাৰে।

অনুচ্ছেদ ৬৮-ত কোৱা হৈছে যে অৰ্থনৈতিক আৰু সামাজিক পৰিষদে অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত আৰু মানৱ অধিকাৰৰ উন্নয়নৰ বাবে আয়োগ প্ৰতিষ্ঠা কৰিব পাৰে। ইয়াৰ উপৰি নিজৰ কাৰ্য সম্পাদনৰ বাবে প্ৰয়োজনীয় এনেধৰণৰ অন্যান্য আয়োগসমূহ গঠন কৰাৰ ক্ষমতা আছে।

অনুচ্ছেদ ৭৬-ত উল্লেখ কৰা হৈছে যে বৰ্তমান চনদৰ অনুচ্ছেদ ১-ত উল্লেখিত ৰাষ্ট্ৰসংঘৰ উদ্দেশ্যসমূহৰ সৈতে সামঞ্জস্য ৰাখি, ন্যাসভিত্তিক শাসন ব্যৱস্থাৰ মৌলিক উদ্দেশ্যসমূহৰ এটা হ'ল জাতি, লিংগ, ভাষা বা ধৰ্মৰ ভিত্তিত কোনো ধৰণৰ বৈষম্য নকৰাকৈ সকলোৱে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি সম্মান বৃদ্ধি কৰা, আৰু বিশ্বৰ জনগণৰ পাৰস্পৰিক নিৰ্ভৰশীলতাৰ স্বীকৃতি প্ৰদানক উৎসাহিত কৰা {অনুচ্ছেদ ৭৬(গ)}।

ইয়াৰ উপৰিও, ওপৰত উল্লেখ কৰা বিধানসমূহৰ বাহিৰেও,ৰাষ্ট্ৰসংঘৰ চনদৰ বিভিন্ন অনুচ্ছেদত সকলো ধৰণৰ বৈষম্যমুক্ত সকলো মানুহৰ মৰ্যাদা আৰু মৌলিক মানৱ অধিকাৰৰ সুৰক্ষাৰ কথা বাৰে বাৰে উল্লেখ কৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাষ্ট্ৰসংঘৰ চনদ কেতিয়া স্বাক্ষৰিত হৈছিল ?

প্ৰশ্ন নং ২ ঃ সকলোৱে মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ চনদৰ পূৰ্বে গৃহীত যিকোনো এটা আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ নাম লিখা।

প্ৰশ্ন নং ৩ ঃ ৰাষ্ট্ৰসংঘৰ চনদে মৌলিক মানৱ অধিকাৰ, মানুহৰ মৰ্যাদা আৰু মূল্য, পুৰুষ আৰু মহিলাৰ সম অধিকাৰ, আৰু সৰু-ডাঙৰ সকলো ৰাষ্ট্ৰৰ সম অধিকাৰৰ ওপৰত বিশ্বাস পুনৰ দঢ় কৰিবলৈ চেষ্টা কৰে। (সঁচা/মিছা)

প্ৰশ্ন নং ৪ ঃ মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ চনদৰ ব্যবস্থা বা বিধানসমূহৰ বিষয়ে সংক্ষেপে লিখা। (৫০টা শব্দৰ ভিতৰত)

১.৪ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা ঃ গৃহীতকৰণ, ব্যৱস্থা আৰু তাৎপর্য

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত নাজীসকলে সংঘটিত কৰা নৃশংস অত্যাচাৰসমূহ সম্পূৰ্ণৰূপে প্ৰকাশ পোৱাৰ পিছত বিশ্বসমাজ একমতত উপনীত হয় যে, ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখ কৰা অধিকাৰসমূহ প্ৰয়োজনমতে স্পষ্টভাৱে সংজ্ঞায়িত কৰা হোৱা নাছিল। সেয়েহে ব্যক্তিৰ মৌলিক অধিকাৰসমূহ স্পষ্টভাৱে উল্লেখ কৰা এখন ঘোষণা প্ৰস্তুত কৰাৰ সিদ্ধান্ত লোৱা হয়। বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা এখন কমিটীয়ে প্ৰস্তুত কৰিছিল, যাৰ অধ্যক্ষ আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ এলিনৰ কজভেল্ট (Eleanor Roosevelt)। এই কমিটীত চীন গণৰাজ্য, লেবানন, অষ্ট্ৰেলিয়া, চিলি, ফ্ৰান্স, ছোভিয়েট ইউনিয়ন, গ্ৰেট ব্ৰিটেইন আৰু কানাডাৰ প্ৰতিনিধিসকলো অন্তৰ্ভুক্ত আছিল।

৫৮খন সদস্য ৰাষ্ট্ৰৰ ভিতৰত ৪৮খন ৰাষ্ট্ৰই ঘোষণাৰ সপক্ষে ভোট দিয়ে, আৰু ১৯৭৮ চনৰ ১০ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ইয়াক গৃহীত কৰে। এই ঘোষণাত ৩০টা অনুচ্ছেদ আছে, য'ত বিশ্বজনীন মানব অধিকাৰসমূহ সংক্ষিপ্তভাৱে ব্যাখ্যা কৰা হৈছে। অনুচ্ছেদ ১ পৰা ২১লৈ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰসমূহ উল্লেখ কৰা হৈছে। অনুচ্ছেদ ২২ৰ পৰা ২৭লৈ অৰ্থনৈতিক আৰু সামাজিক অধিকাৰসমূহ উল্লেখ কৰা হৈছে। ইয়াৰ উপৰি অনুচ্ছেদ ২৯ত কোৱা হৈছে যে, প্ৰতিজন ব্যক্তিৰ সমাজৰ প্ৰতি কিছু কৰ্তব্য আছে, কিয়নো কেৱল সমাজৰ মাজতহে তেওঁৰ ব্যক্তিত্বৰ চূড়ান্ত আৰু সম্পূৰ্ণ বিকাশ সম্ভৱ। আকৌ অনুচ্ছেদ ৩০ত উল্লেখ কৰা হৈছে যে, কোনো ৰাষ্ট্ৰ,

গোট বা ব্যক্তিয়ে এই ঘোষণাত উল্লেখ কৰা অধিকাৰ আৰু স্বাধীনতাসমূহ হস্তক্ষেপ বা ক্ষুণ্ণ কৰিব নোৱাৰি ব। সেই অনুসৰি ঘোষণাপত্ৰৰ প্ৰস্তাৱনাও গঢ় লৈছে এনেধৰণেৰে—

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই এই বিশ্বজনীন মানৱৰ অধিকাৰ ঘোষণাক সকলো জাতি আৰু সকলো ৰাষ্ট্ৰৰ বাবে এক উমৈহতীয়া লক্ষ্যপ্ৰাপ্তিৰ মানদণ্ড হিচাপে ঘোষণা কৰে, যাতে প্ৰতিজন ব্যক্তি আৰু সমাজৰ প্ৰতিটো প্ৰতিষ্ঠানে এই ঘোষণাক সদায় মনত ৰাখি শিক্ষা আৰু শিক্ষাদানৰ জৰিয়তে এই অধিকাৰ আৰু স্বাধীনতাৰ প্ৰতি সম্মান বৃদ্ধি কৰিবলৈ চেষ্টা কৰে। লগতে, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো ক্ৰমাগত উন্নতিশীল ব্যৱস্থাৰ জৰিয়তে সদস্য ৰাষ্ট্ৰসমূহৰ জনগণৰ লগতে তেওঁলোকৰ অধীনস্থ সকলো ভূখণ্ডৰ জনগণৰ মাজতো এই অধিকাৰসমূহৰ বিশ্বজনীন স্বীকৃতি আৰু কাৰ্যকৰী পালন নিশ্চিত কৰা হয়।

মূল বিধান বা ব্যবস্থাসমূহ ঃ

মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণাৰ মূল বিধানসমূহে ওপৰত উল্লেখ কৰা উদ্দেশ্যসমূহ পুৰণ কৰাব লক্ষ্যৰে ইয়াৰ বিভিন্ন অনুচ্ছেদৰ জৰিয়তে মানৱ অধিকাৰসমূহ নিশ্চিত কৰিছে।

অনুচ্ছেদ ১ ঃ

সকলো মানুহ জন্মগতভাৱে স্বাধীন আৰু মৰ্যাদা আৰু অধিকাৰৰ ক্ষেত্ৰত সমান। তেওঁলোক যক্তি আৰু বিবেকবোধেৰে সমৃদ্ধ। সেয়েহে তেওঁলোকে পৰস্পৰৰ প্ৰতি ভাতৃত্ববোধৰ মনোভাৱেৰে আচৰণ কৰিব লাগে।

অনুচ্ছেদ ২ ঃ

এই ঘোষণাপত্ৰত উল্লেখ কৰা সকলো অধিকাৰ আৰু স্বাধীনতা জাতি, বৰ্ণ, লিংগ, ভাষা, ধৰ্ম, ৰাজনৈতিক বা অন্য মতামত, জাতীয় বা সামাজিক উৎপত্তি, সম্পত্তি, জন্ম বা আন যিকোনো মৰ্যাদাৰ ভিত্তিত কোনোধৰণৰ বৈষম্য নকৰাকৈ প্ৰতিজন ব্যক্তিয়ে লাভ কৰাৰ অধিকাৰ থাকিব। তদুপৰি, কোনো এজন ব্যক্তি যিখন দেশৰ, সেই দেশ বা ভূখণ্ডৰ ৰাজনৈতিক, আইনী বা আন্তঃৰাষ্ট্ৰীয় মৰ্যাদাৰ ভিত্তিতো কোনো বৈষম্য কৰা নহ'ব লাগিলে সেই দেশ স্বাধীন হওক, ন্যাসভূমি, স্ব-শাসনহীন বা সাৰ্বভৌমত্বৰ আন কোনো সীমাবদ্ধতাৰ অধীনতে থাকক।

অনুচ্ছেদ ৩ ঃ

প্ৰতিজন ব্যক্তিৰ জীয়াই থকা, স্বাধীনতা আৰু ব্যক্তিগত সুৰক্ষাৰ অধিকাৰ আছে।

অনুচ্ছেদ ৪ ঃ

কোনো ব্যক্তিক দাসত্বত ৰাখিব নোৱাৰিব আৰু দাস ব্যবসায় সকলো ৰূপতে নিষিদ্ধ হ'ব।

অনুচ্ছেদ ৫ ঃ

কোনো ব্যক্তিক নিৰ্যাতন কৰা নহ'ব আৰু নিষ্ঠুৰ, অমানবীয় বা অপমানজনক ব্যৱহাৰ বা শাস্তিৰ সম্মুখীন কৰা নহ'ব।

অনুচ্ছেদ ৬ ঃ

প্ৰতিজন ব্যক্তিৰ সকলো ঠাইতে আইনৰ দৃষ্টিত ব্যক্তি হিচাপে স্বীকৃতি লাভ কৰাৰ অধিকাৰ আছে।

অনুচ্ছেদ ৭ ঃ

সকলো ব্যক্তি আইনৰ আগত সমান আৰু কোনেধৰণৰ বৈষম্য নোহোৱাকৈ আইনৰ সমান সুৰক্ষা লাভ কৰাৰ অধিকাৰী।

অনুচ্ছেদ ৮ ঃ

সংবিধান বা আইনে প্ৰদান কৰা মৌলিক অধিকাৰ উলংঘন কৰা কাৰ্যৰ বিৰুদ্ধে যোগ্য ৰাষ্ট্ৰীয় ন্যায়াধিকৰণৰ ওচৰত ফলপ্ৰসু প্ৰতিকাৰ লাভ কৰাৰ অধিকাৰ প্ৰতিজন ব্যক্তিৰ আছে।

অনুচ্ছেদ ৯ ঃ

কোনো ব্যক্তিক ইচ্ছামতে (স্বেচ্ছাচাৰীতাৰে) গ্ৰেপ্তাৰ, আটক বা দেশান্তৰিত কৰা নহ'ব।

অনুচ্ছেদ ১০ ঃ

প্ৰত্যেক ব্যক্তিয়ে সম্পূৰ্ণ সমতাৰ ভিত্তিত, নিজৰ অধিকাৰ আৰু দায়িত্ব নিৰ্ধাৰণৰ ক্ষেত্ৰত বা তেওঁৰ

বিৰুদ্ধে উত্থাপিত যিকোনো অপৰাধমূলক অভিযোগৰ বিচাৰৰ ক্ষেত্ৰত, এখন স্বাধীন, নিৰপেক্ষ আৰু ন্যায়সংগত আদালতৰ দ্বাৰা ৰাজহুৱা শুনানিৰ অধিকাৰ লাভ কৰে।

অনুচ্ছেদ ১১ ঃ

(১) যিকোনো অপৰাধমূলক অভিযোগত অভিযুক্ত প্ৰতিজন ব্যক্তিক, আইনৰ অধীনত অনুষ্ঠিত এক ৰাজহুৱা বিচাৰত দোষী বুলি প্ৰমাণ নোহোৱালৈকে নিৰ্দোষ বুলি গণ্য কৰাৰ অধিকাৰ আছে। আত্মপক্ষ সমৰ্থনৰ বাবে প্ৰয়োজনীয় সকলো নিশ্চয়তাও তেওঁ লাভ কৰিব।

(২) কোনো ব্যক্তিক এনে কোনো কাৰ্য কৰা বা নকৰাৰ বাবে অপৰাধী বুলি গণ্য কৰা নহ'ব, যি কাৰ্য বা অৱহেলা সংঘটিত হোৱাৰ সময়ত ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় আইনৰ অধীনত অপৰাধ হিচাপে গণ্য কৰা হোৱা নাছিল। একেদৰে, অপৰাধ সংঘটিত হোৱাৰ সময়ত প্ৰযোজ্য শাস্তিতকৈ অধিক কঠোৰ শাস্তিও আৰোপ কৰা নহ'ব।

অনুচ্ছেদ ১২ ঃ

কোনো ব্যক্তিৰ ব্যক্তিগত জীৱন, পৰিয়াল, ঘৰ বা যোগাযোগৰ গোপনীয়তাত ইচ্ছামতে হস্তক্ষেপ আৰু তেওঁৰ সন্মান আৰু সুনামৰ ওপৰত আক্ৰমণ কৰা নহ'ব। এনে হস্তক্ষেপ বা আক্ৰমণৰ বিৰুদ্ধে আইনৰ সুৰক্ষা লাভ কৰাৰ অধিকাৰ সকলোৰে আছে।

অনুচ্ছেদ ১৩ ঃ

(১) প্ৰতিজন ব্যক্তিৰ প্ৰতিখন ৰাষ্ট্ৰৰ সীমাৰ ভিতৰত স্বাধীনভাৱে চলাচল আৰু বাসস্থান বাছনি কৰাৰ অধিকাৰ আছে।

(২) প্ৰতিজন ব্যক্তিৰ নিজৰ দেশকে ধৰি যিকোনো দেশ ত্যাগ কৰাৰ আৰু পুনৰ নিজৰ দেশলৈ উভতি অহাৰ অধিকাৰ আছে।

অনুচ্ছেদ ১৪ ঃ

(১) অত্যাচাৰ বা নিপীড়নৰ পৰা ৰক্ষা পাবলৈ প্ৰতিজন ব্যক্তিৰ আন দেশত আশ্ৰয় বিচৰা আৰু সেই আশ্ৰয় উপভোগ কৰাৰ অধিকাৰ আছে।

(২) কিন্তু এই অধিকাৰ সেই ক্ষেত্ৰত প্ৰযোজ্য নহ'ব য'ত কোনো ব্যক্তিৰ বিৰুদ্ধে অৰাজনৈতিক অপৰাধৰ বাবে সৎ উদ্দেশ্যেৰে বিচাৰ চলোৱা হয়, অথবা যেতিয়া তেওঁ ৰাষ্ট্ৰসংঘৰ উদ্দেশ্য আৰু নীতিসমূহৰ পৰিপন্থী কাৰ্য কৰে।

অনুচ্ছেদ ১৫ ঃ

(১) প্ৰতিজন ব্যক্তিৰ এক ৰাষ্ট্ৰীয় পৰিচয় লাভ কৰাৰ অধিকাৰ আছে।

(২) কোনেও কোনো ব্যক্তিক ইচ্ছামতে তেওঁৰ ৰাষ্ট্ৰীয়তাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব আৰু ৰাষ্ট্ৰীয়তাৰ পৰিবৰ্তন কৰাৰ অধিকাৰৰ পৰাও বঞ্চিত কৰা নহ'ব।

অনুচ্ছেদ ১৬ ঃ

(১) পূৰ্ণবয়স্ক পুৰুষ আৰু মহিলাসকলে জাতি, জাতীয়তা বা ধৰ্মৰ ভিত্তিত কোনোধৰণৰ বাধা-নিষেধ নোহোৱাকৈ বিবাহ কৰাৰ আৰু পৰিয়াল গঠন কৰাৰ অধিকাৰ লাভ কৰিব। বিবাহ, বিবাহকালীন সময় আৰু বিবাহ-বিচ্ছেদৰ ক্ষেত্ৰতো তেওঁলোক সমান অধিকাৰৰ অধিকাৰী।

(২) বিবাহ কেৱল বিবাহ কৰিব বিচৰা উভয় পক্ষৰ স্বাধীন আৰু সম্পূৰ্ণ সম্মতিৰ ভিত্তিতহে সম্পন্ন হ'ব।

(৩) পৰিয়াল সমাজৰ স্বাভাবিক আৰু মৌলিক একক। সেয়ে সমাজ আৰু ৰাষ্ট্ৰৰ পৰা সুৰক্ষা লাভ কৰাৰ অধিকাৰ পৰিয়ালৰ আছে।

অনুচ্ছেদ ১৭ ঃ

(১) প্ৰতিজন ব্যক্তিৰ এককভাৱে অথবা আনৰ সৈতে মিলি সম্পত্তিৰ মালিক বা অধিকাৰী হোৱাৰ অধিকাৰ আছে।

(২) কোনো ব্যক্তিকেই ইচ্ছামতে তেওঁৰ সম্পত্তিৰ পৰা বঞ্চিত কৰা নহ'ব।

অনুচ্ছেদ ১৮ ঃ

প্ৰতিজন ব্যক্তিৰ চিন্তা, বিবেক আৰু ধৰ্মৰ স্বাধীনতাৰ অধিকাৰ আছে। এই অধিকাৰৰ অন্তৰ্গত হৈছে নিজৰ ধৰ্ম বা বিশ্বাস সলনি কৰাৰ স্বাধীনতা, আৰু এককভাৰে বা আনৰ সৈতে মিলি, ৰাজহুৱাভাৱে বা ব্যক্তিগতভাৱে শিক্ষা, আচৰণ, উপাসনা আৰু ধৰ্মীয় অনুষ্ঠানৰ জৰিয়তে নিজৰ ধৰ্ম বা বিশ্বাস প্ৰকাশ কৰাৰ স্বাধীনতা।

অনুচ্ছেদ ১৯ ঃ

প্ৰতিজন ব্যক্তিৰ মতামত পোষণ আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ আছে। এই অধিকাৰৰ অন্তৰ্গত হৈছে কোনো হস্তক্ষেপ নোহোৱাকৈ মতামত পোষণ কৰাৰ স্বাধীনতা আৰু যিকোনো মাধ্যমৰ জৰিয়তে, সীমাৰ বাধা নোহোৱাকৈ, তথ্য আৰু ধাৰণা বিচৰা, লাভ কৰা আৰু আনক প্ৰদান কৰাৰ স্বাধীনতা।

অনুচ্ছেদ ২০ ঃ

(১) প্ৰতিজন ব্যক্তিৰ শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ আৰু সংঘ-সংগঠন গঠন বা তাত যোগদান কৰাৰ স্বাধীনতাৰ অধিকাৰ আছে।

(২) কোনো ব্যক্তিক কোনো সংঘ বা সংগঠনৰ সদস্য হ'বলৈ বাধ্য কৰিব নোৱাৰিব।

অনুচ্ছেদ ২১ ঃ

(১) প্ৰতিজন ব্যক্তিৰ নিজ দেশৰ শাসন ব্যৱস্থাত প্ৰত্যক্ষভাৱে বা স্বাধীনভাৱে বাছনি কৰা প্ৰতিনিধিৰ জৰিয়তে অংশগ্ৰহণ কৰাৰ অধিকাৰ আছে।

(২) প্ৰতিজন ব্যক্তিৰ নিজ দেশৰ ৰাজহুৱা চাকৰি বা জনসেৱাত সমান সুযোগ লাভ কৰাৰ অধিকাৰ আছে।

(৩) জনসাধাৰণৰ ইচ্ছাই চৰকাৰৰ ক্ষমতাৰ ভিত্তি হ'ব। এই ইচ্ছা নিয়মীয়াভাৱে অনুষ্ঠিত, স্বাধীন আৰু নিৰপেক্ষ নিৰ্বাচনৰ জৰিয়তে প্ৰকাশ পাব। এই নিৰ্বাচনসমূহ সৰ্বজনীন আৰু সমান ভোটাধিকাৰৰ ভিত্তিত অনুষ্ঠিত হ'ব আৰু গোপন ভোটদান অথবা সমমূল্যৰ স্বাধীন ভোটদান পদ্ধতিৰ জৰিয়তে সম্পন্ন হ'ব।

অনুচ্ছেদ ২২ ঃ

সমাজৰ সদস্য হিচাপে প্ৰতিজন ব্যক্তিৰ সামাজিক সুৰক্ষাৰ অধিকাৰ আছে। লগতে প্ৰতিখন ৰাষ্ট্ৰৰ সংগঠন আৰু উপলব্ধ সম্পদ অনুসৰি ৰাষ্ট্ৰীয় প্ৰচেষ্টা আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে তেওঁৰ মৰ্যাদা আৰু ব্যক্তিত্বৰ স্বাধীন তথা পূৰ্ণ বিকাশৰ বাবে অপৰিহাৰ্য অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহ লাভ কৰাৰ অধিকাৰো তেওঁৰ আছে।

অনুচ্ছেদ ২৩ ঃ

(১) প্ৰতিজন ব্যক্তিৰ কাম কৰাৰ, নিজৰ পচন্দমতে চাকৰি বাছনি কৰাৰ, ন্যায়সংগত আৰু অনুকূল কৰ্ম পৰিস্থিতি লাভ কৰাৰ আৰু নিবনুৱা অৱস্থাৰ পৰা সুৰক্ষা পোৱাৰ অধিকাৰ আছে।

(২) কোনোধৰণৰ বৈষম্য নোহোৱাকৈ সকলোৰে সমান কামৰ বাবে সমান মজুৰি লাভ কৰাৰ অধিকাৰ আছে।

(৩) কাম কৰা প্ৰতিজন ব্যক্তিৰ এনে ন্যায়সংগত আৰু অনুকূল পাৰিশ্ৰমিক লাভ কৰাৰ অধিকাৰ আছে, যিয়ে তেওঁৰ আৰু তেওঁৰ পৰিয়ালৰ বাবে মানবীয় মৰ্যাদাৰ উপযোগী জীবন-যাপনৰ নিশ্চয়তা দিয়ে। প্ৰয়োজন হ'লে ইয়াক সামাজিক সুৰক্ষাৰ অন্যান্য ব্যৱস্থাৰ দ্বাৰাও পৰিপূৰণ কৰা হ'ব।

(৪) নিজৰ স্বাৰ্থ সুৰক্ষাৰ বাবে প্ৰতিজন ব্যক্তিৰ শ্ৰমিক সংঘ গঠন কৰাৰ আৰু তাত যোগদান কৰাৰ অধিকাৰ আছে।

অনুচ্ছেদ ২৪ ঃ

প্ৰতিজন ব্যক্তিৰ জিৰণি আৰু অৱসৰ উপভোগ কৰাৰ অধিকাৰ আছে। ইয়াৰ ভিতৰত যুক্তিসংগত কৰ্মঘণ্টাৰ সীমা আৰু দৰমহাসহ নিয়মীয়া বন্ধৰ অধিকাৰ অন্তৰ্ভুক্ত।

অনুচ্ছেদ ২৫ ঃ

(১) প্ৰতিজন ব্যক্তিৰ নিজৰ আৰু তেওঁৰ পৰিয়ালৰ স্বাস্থ্য আৰু কল্যাণ নিশ্চিত কৰিব পৰাকৈ উপযুক্ত জীৱন-যাপনৰ মানদণ্ড লাভ কৰাৰ অধিকাৰ আছে। ইয়াৰ ভিতৰত পৰ্যাপ্ত খাদ্য, বস্ত্ৰ, বাসস্থান, চিকিৎসা সেৱা আৰু প্ৰয়োজনীয় সামাজিক সেবা অন্তৰ্ভুক্ত। তদুপৰি, নিবনুৱা অবস্থা, অসুস্থতা, অক্ষমতা, বৈধব্য, বাৰ্ধক্য

অথবা নিজৰ নিয়ন্ত্ৰণৰ বাহিৰৰ পৰিস্থিতিৰ ফলত জীৱিকাৰ অভাৱ হ'লে সামাজিক সুৰক্ষা লাভ কৰাৰ অধিকাৰো তেওঁৰ আছে।

(২) মাতৃত্ব আৰু শৈশৱ কাল বিশেষ যত্ন আৰু সহায় লাভ কৰাৰ অধিকাৰী। বিবাহিত বা অবিবাহিত সম্পৰ্কত জন্মগ্ৰহণ কৰা সকলো শিশুৰে সমান সামাজিক সুৰক্ষা লাভ কৰিব।

অনুচ্ছেদ ২৬ ঃ

(১) প্ৰত্যেক ব্যক্তিৰ শিক্ষা লাভ কৰাৰ অধিকাৰ আছে। অন্ততঃ প্ৰাথমিক আৰু বুনিয়ীদী স্তৰত শিক্ষা বিনামূলীয়া হ'ব। প্ৰাথমিক শিক্ষা বাধ্যতামূলক হ'ব। কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা সাধাৰণভাৱে সকলোৰে বাবে উপলব্ধ কৰা হ'ব আৰু যোগ্যতাৰ ভিত্তিত উচ্চ শিক্ষা সকলোৰে বাবে সমানে প্ৰবেশযোগ্য হ'ব।

(২) শিক্ষাৰ উদ্দেশ্য হ'ব মানৱ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধন কৰা আৰু মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি সম্মানবোধ শক্তিশালী কৰা। ই সকলো জাতি, বৰ্ণ বা ধৰ্মীয় গোটৰ মাজত বুজাবুজি, সহনশীলতা আৰু বন্ধুত্ব গঢ়ি তুলিব আৰু শান্তি ৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ কাৰ্যকলাপক আগবঢ়াই লৈ যাব।

(৩) পিতৃ-মাতৃৰ নিজৰ সন্তানসকলক কি ধৰণৰ শিক্ষা দিয়া হ'ব, সেই বিষয়ে প্ৰথম আৰু অগ্ৰাধিকাৰমূলক সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে।

অনুচ্ছেদ ২৭ ঃ

(১) প্ৰত্যেক ব্যক্তিৰ সম্প্ৰদায়ৰ বা সমাজৰ সাংস্কৃতিক জীৱনত মুক্তভাৱে অংশগ্ৰহণ কৰাৰ, কলা-সংস্কৃতি উপভোগ কৰাৰ আৰু বৈজ্ঞানিক অগ্ৰগতি তথা ইয়াৰ লাভালাভ উপভোগ কৰাৰ অধিকাৰ আছে।

(২) প্ৰত্যেক ব্যক্তিৰ নিজৰ বৈজ্ঞানিক, সাহিত্যিক বা শিল্পকলামূলক সৃষ্টিৰ ফলত উদ্ভৱ হোৱা নৈতিক আৰু বস্তুগত স্বাৰ্থৰ সুৰক্ষা লাভ কৰাৰ অধিকাৰ আছে।

অনুচ্ছেদ ২৮ ঃ

(১) প্ৰত্যেক ব্যক্তিৰ এনে এক সামাজিক আৰু আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা লাভ কৰাৰ অধিকাৰ আছে, য'ত এই ঘোষণাপত্ৰত উল্লেখিত অধিকাৰ আৰু স্বাধীনতাসমূহ সম্পূৰ্ণৰূপে বাস্তৱায়িত হ'ব পাৰে।

অনুচ্ছেদ ২৯ ঃ

(১) প্ৰত্যেক ব্যক্তিৰ সেই সম্প্ৰদায় বা সমাজৰ প্ৰতি কৰ্তব্য আছে, য'তহে তেওঁৰ ব্যক্তিত্বৰ স্বাধীন আৰু পূৰ্ণ বিকাশ সম্ভৱ।

(২) নিজৰ অধিকাৰ আৰু স্বাধীনতা প্ৰয়োগ কৰাৰ সময়ত প্ৰত্যেক ব্যক্তি কেৱল আইনৰ দ্বাৰা নিৰ্ধাৰিত এনে সীমাবদ্ধতাৰ অধীন হ'ব, যিবোৰ আনৰ অধিকাৰ আৰু স্বাধীনতাৰ যথোচিত স্বীকৃতি আৰু সন্মান নিশ্চিত কৰাৰ লগতে গণতান্ত্ৰিক সমাজত নৈতিকতা, জনশৃংখলা আৰু সাধাৰণ কল্যাণৰ ন্যায়সংগত প্ৰয়োজন পূৰণৰ উদ্দেশ্যে আৰোপ কৰা হয়।

(৩) এই অধিকাৰসমূহ আৰু স্বাধীনতাসমূহ কোনো পৰিস্থিতিতেই ৰাষ্ট্ৰসংঘৰ উদ্দেশ্য আৰু নীতিসমূহৰ বিপৰীতে প্ৰয়োগ বা ব্যৱহাৰ কৰিব নোৱাৰি।

অনুচ্ছেদ ৩০ ঃ

এই ঘোষণাপত্ৰৰ কোনো কথাকেই এনে অৰ্থত ব্যাখ্যা কৰিব নোৱাৰি যে, ইয়াৰ দ্বাৰা কোনো ৰাষ্ট্ৰ, গোট বা ব্যক্তিক এনে কোনো কাৰ্যকলাপত লিপ্ত হোৱাৰ বা এনে কোনো কাম কৰাৰ অধিকাৰ দিয়া হৈছে, যাৰ উদ্দেশ্য এই ঘোষণাপত্ৰত উল্লেখিত কোনো অধিকাৰ আৰু স্বাধীনতাসমূহ ধ্বংস কৰা।

গুৰুত্ব ঃ

বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ ৩০টা অনুচ্ছেদৰ আলোচনা কৰিলে ক'ব পাৰি যে, এইসমূহ হৈছে প্ৰতিজন ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ আৰু মানবীয় মৰ্যাদা সুৰক্ষাৰ বাবে প্ৰয়োজনীয়, সংক্ষিপ্ত আৰু স্পষ্ট মানৱ অধিকাৰ। বিশ্বজনীন মানব অধিকাৰ ঘোষণাৰ গুৰুত্ব আৰু প্ৰাসংগিকতা সকলো মানুহৰ বাবে মানৱ অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতা প্ৰসাৰত লাভ কৰা সফলতা আৰু সীমাবদ্ধতাৰ ওপৰত নিৰ্ভৰশীল। ৰাষ্ট্ৰসংঘৰ চনদৰ মূল

উদ্দেশ্য হৈছে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিজন ব্যক্তিৰ সৰ্বজনীন মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহ সুৰক্ষিত কৰা। এই উদ্দেশ্য পূ�ৰণৰ বাবে ৰাষ্ট্ৰসংঘই বিশ্বজনীন মানব অধিকাৰ ঘোষণা গৃহীত কৰে, যাতে সদস্য ৰাষ্ট্ৰসমূহ আৰু বিশ্ব সমাজে ব্যক্তিৰ অধিকাৰ আৰু স্বাধীনতাৰ এক স্পষ্ট ধাৰণা লাভ কৰিব পাৰে। এই ঘোষণাপত্ৰক ৰাষ্ট্ৰসংঘৰ চনদৰ এক বিস্তৃত প্ৰতিফলন বুলি গণ্য কৰা হয়। ইয়াব লক্ষ্য হৈছে সমগ্ৰ বিশ্বত শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠা কৰা। প্ৰকৃতিগতভাবে এই ঘোষণাপত্ৰই সদস্য ৰাষ্ট্ৰসমূহৰ ওপৰত কোনোধৰণৰ আইনগত বাধ্যবাধকতা আৰোপ নকৰে। তথাপিও, আন্তঃৰাষ্ট্ৰীয় সমাজে ইয়াক সৰ্বজনীনভাবে গ্ৰহণ কৰে। এই ঘোষণাপত্ৰৰ নিয়মীয়া উল্লেখ আৰু ইয়াৰ বিধানসমূহৰ ভিত্তিত পৰৱৰ্তী সময়ত অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় চুক্তি, নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় চুক্তি তথা মানৱ অধিকাৰৰ বিভিন্ন দিশ সামৰি বহুতো স্বতন্ত্ৰ দলিল গৃহীত হয়। এই সকলোবোৰে বিশ্বজনীন মানব অধিকাৰ ঘোষণাক আন্তঃৰাষ্ট্ৰীয় প্ৰচলিত আইনৰ এক অংশ হিচাপে বিশেষ মৰ্যাদা প্ৰদান কৰে। বহু সময়ত, সুৰক্ষা পৰিষদ আৰু সাধাৰণ সভাকে ধৰি ৰাষ্ট্ৰসংঘৰ বিভিন্ন অংগই বহুতো প্ৰস্তাৱ আৰু নথিপত্ৰত এই ঘোষণাৰ ব্যৱস্থা বা বিধানসমূহ উল্লেখ কৰিছে। উদাহৰণস্বৰূপে, ১৯৯৩ চনত ভিয়েনাত অনুষ্ঠিত বিশ্ব মানব অধিকাৰ সম্মিলন আৰু ১৯৬৮ চনৰ তেহৰান আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সম্মিলন আদি।

বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ প্ৰতি সম্মান জনাই ৰাষ্ট্ৰসংঘই ইয়াত কম গুৰুত্ব পোৱা কিছুমান বিষয়ক ভিত্তি কৰি সহস্ৰাব্দ উন্নয়ন লক্ষ্য প্ৰস্তুত কৰিছিল।

বিশ্বজুৰি এই ঘোষণাপত্ৰই লাভ কৰা বিস্তৃত স্বীকৃতি আৰু সম্মান, আৰু প্ৰতি বছৰে ১০ ডিচেম্বৰ তাৰিখে বিশ্ব সমাজে কৰা উদযাপনৰ ফলত বহু পণ্ডিতে ইয়াক ব্যক্তিৰ অধিকাৰ আৰু মৌলিক স্বাধীনতা সংৰক্ষণৰ ক্ষেত্ৰত "বিশ্বৰ মেগনা কার্টা" বুলি অভিহিত কৰিছে।

বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা-এ আন্তঃৰাষ্ট্ৰীয় সমাজৰ বাবে "সকলো জনগণ আৰু সকলো ৰাষ্ট্ৰৰ বাবে এক উমৈহতীয়া মানদণ্ড" নিৰ্ধাৰণ কৰিছিল। লগতে ই সকলো সদস্য ৰাষ্ট্ৰ আৰু বিশ্বৰ সকলো জনগণক এই ঘোষণাপত্ৰত উল্লিখিত অধিকাৰ আৰু স্বাধীনতাসমূহৰ কার্যকৰী স্বীকৃতি আৰু পালন নিশ্চিত কৰিবলৈ উৎসাহিত কৰিছিল। যদিও বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা-এ বিশ্বব্যাপী স্বীকৃতি লাভ কৰিছে, তথাপিও ইয়াৰ এটা গুৰুত্বপূৰ্ণ সীমাবদ্ধতা আছে। মানৱ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্য বাস্তবায়নৰ বাবে ই কোনো বাধ্যতামূলক প্ৰয়োগ ব্যবস্থা প্ৰদান নকৰে। সেয়েহে এই ঘোষণাপত্ৰৰ কার্যকাৰিতা মূলতঃ সংশ্লিষ্ট ৰাষ্ট্ৰসমূহৰ সদিচ্ছা আৰু ইচ্ছাশক্তিৰ ওপৰত নিৰ্ভৰশীল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ সকলো ব্যক্তিৰ মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত বিশ্বজনীন মানব অধিকাৰ ঘোষণাক বিশ্বৰ মেগনা কার্টা বুলি গণ্য কৰিব পাৰি। (সঁচা/মিছা)

প্ৰশ্ন নং ৬ ঃ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাত মুঠ ..... টা অনুচ্ছেদ আছে।

প্ৰশ্ন নং ৭ ঃ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ অধীন মানুহৰ এটা নাগৰিক অধিকাৰৰ নাম উল্লেখ কৰক।

প্ৰশ্ন নং ৮ ঃ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ দুটা সীমাবদ্ধতা উল্লেখ কৰক।

১.৫ মানৱ অধিকাৰ পৰিষদ

মানৱ অধিকাৰ পৰিষদ হৈছে ৰাষ্ট্ৰসংঘ ব্যৱস্থাৰ অন্তৰ্গত এখন আন্তঃচৰকাৰী সংস্থা, য'ত ৪৭খন সদস্য ৰাষ্ট্ৰ আছে। এই পৰিষদৰ মূল দায়িত্ব হৈছে সমগ্ৰ বিশ্বত সকলো মানৱ অধিকাৰৰ প্ৰচাৰ আৰু সুৰক্ষা নিশ্চিত কৰা, মানৱ অধিকাৰ উলংঘনৰ ঘটনাসমূহৰ ওপৰত আলোচনা কৰা, আৰু সেই সন্দৰ্ভত উপযুক্ত পৰামৰ্শ আগবঢ়োৱা। এই পৰিষদখনৰ বছৰৰ সমগ্ৰ সময় জুৰি ইয়াৰ দৃষ্টি আকৰ্ষণৰ প্ৰয়োজন হোৱা সকলো বিষয়ভিত্তিক মানৱ অধিকাৰৰ সমস্যা আৰু পৰিস্থিতি আলোচনা কৰাৰ ক্ষমতা আছে। পৰিষদখনে জেনেভাস্থিত ৰাষ্ট্ৰসংঘৰ কার্যালয়ত বৈঠক

অনুষ্ঠিত কৰে।

এই পৰিষদখন ২০০৬ চনৰ ১৫ মাৰ্চত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ৬০/২৫১ৰ নং প্ৰস্তাৱৰ জৰিয়তে গঠন কৰিছিল। ইয়াৰ প্ৰথম অধিবেশন ২০০৬ চনৰ ১৯জুনৰ পৰা ৩০ জুনলৈ অনুষ্ঠিত হৈছিল। এই পৰিষদে পূৰ্বৰ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগৰ স্থান গ্ৰহণ কৰে।

এই পৰিষদে মানৱ অধিকাৰ উলংঘনৰ বিষয়সমূহৰ মোকাবিলা কৰে, মানৱ অধিকাৰ সম্পৰ্কীয় সহায় আৰু শিক্ষা প্ৰসাৰ কৰে, আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আইন বিকাশত সহায় কৰে, সদস্য ৰাষ্ট্ৰসমূহৰ মানৱ অধিকাৰৰ অভিলেখ বা নথিপত্ৰ পৰ্যালোচনা কৰে, মানৱ অধিকাৰ উলংঘন প্ৰতিৰোধৰ বাবে কাম কৰে, জৰুৰী পৰিস্থিতিত সঁহাৰি জনায় আৰু মানৱ অধিকাৰ বিষয়ত আলোচনাৰ এক আন্তঃৰাষ্ট্ৰীয় মঞ্চ হিচাপে কাম কৰে।

মানৱ অধিকাৰ পৰিষদে পোনপটীয়াকৈ ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ওচৰত প্ৰতিবেদন দাখিল কৰে। এই পৰিষদত ৪৭খন সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধি থাকে আৰু সাধাৰণ পৰিষদে তেওঁলোকক নিৰ্বাচন কৰে। প্ৰতিজন সদস্যৰ কাৰ্যকাল তিনি বছৰ আৰু কোনো সদস্যই একেৰাহে দুটা কাৰ্যকালতকৈ অধিক সময়ৰ বাবে সদস্য হৈ থাকিব নোৱাৰে। সদস্যসকলক ৰাষ্ট্ৰসংঘৰ আঞ্চলিক গোট ব্যবস্থাৰ ভিত্তিত যুক্তিসংগত ভৌগোলিক আবৰ্তনৰ নীতি অনুসৰি নিৰ্বাচন কৰা হয়। আসনসমূহ তলত দিয়া ধৰণে বিতৰণ কৰা হৈছে—

১) আফ্ৰিকা গোটৰ বাবে ১৩খন আসন।

২) এছিয়া-প্ৰশান্ত মহাসাগৰীয় গোটৰ বাবে ১৩খন আসন।

৩) পূব ইউৰোপীয় গোটৰ বাবে ৬খন আসন।

৪) লেটিন আমেৰিকা আৰু কেৰিবিয়ান গোটৰ বাবে ৮খন আসন।

৫) পশ্চিম ইউৰোপ আৰু অন্যান্য গোটৰ বাবে ৭খন আসন।

পৰিষদখন এজন সভাপতি আৰু চাৰিজন উপ-সভাপতিয়ে পৰিচালনা কৰে। তেওঁলোককো উক্ত পাঁচটা আঞ্চলিক গোটে নিৰ্বাচন কৰে। সদস্য, সভাপতি আৰু উপ-সভাপতিৰ কাৰ্যকাল তিনি বছৰ। পৰিষদখন এটা স্বতন্ত্ৰ সংস্থা, যিয়ে বছৰত তিনিৰ পৰা চাৰিবাৰ বৈঠক অনুষ্ঠিত কৰে আৰু সামগ্ৰিকভাৱে বছৰত কমেও দহ সপ্তাহ এনে অধিবেশন অনুষ্ঠিত কৰিব লাগে। জৰুৰী পৰিস্থিতিত বিশেষ বৈঠক আহ্বান কৰাৰ ব্যবস্থাও আছে।

২০০৭ চনৰ ১৮ জুনত পৰিষদে নিজৰ কাৰ্যকলাপৰ ভিত্তি গঢ়িতোলা প্ৰক্ৰিয়া, ব্যবস্থা আৰু গাঁথনি স্থাপনৰ বাবে একমত হয়। এই ব্যবস্থাসমূহৰ ভিতৰত নিম্নল্লিখিতসমূহ বিশেষভাৱে উল্লেখযোগ্য।

- বিশ্বজনীন পৰ্যাবৃত্ত পৰ্যালোচনা কাৰ্যগোট
- উপদেষ্টা সমিতি
- বিশেষ প্ৰক্ৰিয়া
- অভিযোগ প্ৰক্ৰিয়া
- খিলঞ্জীয়া জনজাতিৰ অধিকাৰ বিষয়ক বিশেষজ্ঞ ব্যবস্থা
- সামাজিক মঞ্চ
- সংখ্যালঘু বিষয়ক মঞ্চ
- ব্যবসায় আৰু মানৱ অধিকাৰ বিষয়ক মঞ্চ

এই সকলোবোৰ পৰিপূৰক সংস্থাই পোনপটীয়াকৈ মানৱ অধিকাৰ পৰিষদলৈ প্ৰতিবেদন দাখিল কৰে। পৰিষদে পূৰ্বৰ মানৱ অধিকাৰ আয়োগে গঢ়ি তোলা কেইবাটাও ব্যৱস্থা গ্ৰহণ কৰিছে, যেনে বিশেষ প্ৰক্ৰিয়াৰ ব্যৱস্থাটো।

মানৱ অধিকাৰ পৰিষদে ইতিমধ্যে আইনৰ শাসন শক্তিশালী কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। পৰিষদে মানৱ অধিকাৰ আৰু আইনৰ শাসন এই দুয়োটাৰে সৈতে প্ৰত্যক্ষভাবে জড়িত বহুতো প্ৰস্তাৱ গ্ৰহণ কৰিছে, যিবোৰৰ ভিতৰত ন্যায় প্ৰশাসন, ন্যায়িক ব্যৱস্থাৰ সততা, আৰু মানৱ অধিকাৰ, গণতন্ত্ৰ আৰু আইনৰ শাসন আদি বিষয় অন্তৰ্ভুক্ত। (httpsÊ.//www.un.org)

অংশীদাৰসকলৰ পৰা মতামত আৰু তথ্য সংগ্ৰহ কৰি পৰিষদে বহু সময়ত ৰাষ্ট্ৰসমূহৰ মাজত আলাপ-

আলোচনাৰ এক মঞ্চ হিচাপেও কাম কৰে। এই আলোচনাৰ ফলত বিভিন্ন প্ৰস্তাৱ গৃহীত হ'ব পাৰে, কিছুমান নীতি সমৰ্থন কৰিব পাৰে, অথবা নিৰ্দিষ্ট সন্দেহজনিত বিষয় বা পৰিস্থিতিৰ অনুসন্ধান আৰু পৰ্যবেক্ষণৰ বাবে বিশেষ ব্যবস্থা সৃষ্টি কৰিব পাৰে।

মানৱ অধিকাৰ পৰিষদে বিভিন্ন "বিশেষ প্ৰক্ৰিয়া"ৰ নিৰ্দেশনা সৃষ্টি বা নবীকৰণ কৰিছে। এই বিশেষ প্ৰক্ৰিয়াসমূহত নিযুক্ত বিশেষজ্ঞসকলে অগ্ৰাধিকাৰভিত্তিক বিষয় বা গুৰুতৰ মানৱ অধিকাৰ সমস্যাত ভুগি থকা নিৰ্দিষ্ট দেশসমূহত মানৱ অধিকাৰৰ অৱস্থা পৰ্যবেক্ষণ কৰে। এই বিশেষ প্ৰক্ৰিয়াসমূহ ব্যক্তিগত বিশেষজ্ঞ (বিশেষ প্ৰতিবেদক), স্বাধীন বিশেষজ্ঞ) অথবা কাৰ্যগোট হ'ব পাৰে।

পৰিষদে বিশ্বজনীন পৰ্যাবৃত্ত পৰ্যালোচনা প্ৰস্তুত কৰে আৰু ৰাষ্ট্ৰসংঘৰ প্ৰতিখন সদস্য ৰাষ্ট্ৰৰ সামগ্ৰিক মানৱ অধিকাৰৰ নথিপত্ৰ পৰ্যালোচনা কৰে।

ইয়াৰ উপৰিও, পৰিষদে মানৱ অধিকাৰ উলংঘনৰ অভিযোগসমূহ গ্ৰহণ কৰে আৰু সেইবোৰ হ্ৰাস বা সমাধানৰ বাবে উপযুক্ত পৰামৰ্শ আগবঢ়ায়। (https://ijrcenter.org/un-human-rights-council/)

এতেকে, মানৱ অধিকাৰ পৰিষদ হৈছে মানৱ অধিকাৰ উলংঘনৰ ঘটনাসমূহ তদন্ত, আলোচনা, মতপ্ৰদান আৰু প্ৰতিবেদনৰ জৰিয়তে সমাধান বিচাৰি উলিওৱাৰ বাবে এক গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় মঞ্চ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদে পূৰ্বৰ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগৰ ঠাই লৈছে। (সত্য/অসত্য)

প্ৰশ্ন নং ১০ ঃ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ এটা কাৰ্য উল্লেখ কৰক।

প্ৰশ্ন নং ১১ ঃ মানৱ অধিকাৰ পৰিষদে পোনপটীয়াকৈ জাতিসংঘৰ .....লৈ প্ৰতিবেদন দাখিল কৰে। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ১২ ঃ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ কাৰ্যসমূহ আলোচনা কৰক। (৫০টা শব্দৰ ভিতৰত)

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ অধিকাৰ প্ৰতিজন ব্যক্তিৰ মানসম্পন্ন জীবন-যাপনৰ বাবে পূৰ্বাবশ্যকীয়। ই মানুহক সকলো ধৰণৰ বৈষম্য আৰু শোষণৰ পৰা সুৰক্ষা দিয়ে।
- ৰাষ্ট্ৰসংঘৰ চনদ ১৯৪৫ চনৰ ২৬ জুন তাৰিখে ছান ফ্ৰান্সিস্কোত স্বাক্ষৰিত হৈছিল। এই চনদে ১৯৪৪ চনৰ ডাম্বার্টন একছৰ প্ৰস্তাৱসমূহত উল্লেখ কৰা মানৱ অধিকাৰৰ নীতিক সমৰ্থন কৰে। পৰিষদ আৰু তাৰ অধীনস্ত অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ ওপৰত নাস্ত কৰা হৈছে।
- ৰাষ্ট্ৰসংঘৰ চনদৰ প্ৰস্তাবনাত উল্লেখ কৰা হৈছে যে ই মৌলিক মানৱ অধিকাৰ, ব্যক্তিৰ মৰ্যাদা আৰু মূল্য, পুৰুষ আৰু মহিলাৰ সম অধিকাৰ, আৰু সৰু-ডাঙৰ সকলো ৰাষ্ট্ৰৰ সম অধিকাৰৰ ওপৰত আস্থা পুনৰ দৃঢ় কৰাৰ চেষ্টা কৰিব।
- চনদখনত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰচাৰ-প্ৰসাৰ আৰু সুৰক্ষাৰ বাবে একাধিক ব্যৱস্থা উল্লেখ কৰা হৈছে। এই ব্যবস্থাসমূহ প্ৰস্তাবনা আৰু বিশেষকৈ অনুচ্ছেদ ১, ১৩ (১)(খ), ৫৫, ৫৬, ৬২ (২), ৬৬ আৰু ৭৬(গ)-ত সন্নিৱিষ্ট আছে।
- দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ব্যক্তিসকলৰ মৌলিক অধিকাৰসমূহ স্পষ্টভাৱে উল্লেখ কৰা এখন ঘোষণাপত্ৰ প্ৰস্তুত কৰাৰ সিদ্ধান্ত লোৱা হয়। এই উদ্দেশ্যেৰে বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা এখন কমিটীয়ে প্ৰস্তুত কৰে, যাৰ অধ্যক্ষ আছিল আমেৰিকাৰ এলেনৰ ৰুজভেল্ট।
- ১৯৪৮ চনৰ ১০ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই এই ঘোষণাপত্ৰ গ্ৰহণ কৰে। ইয়াত সৰ্বজনীন মানৱ অধিকাৰৰ সংক্ষিপ্ত ব্যাখ্যাসহ মুঠ ৩০টা অনুচ্ছেদ আছে।

- অনুচ্ছেদ ১ৰ পৰা ২১লৈ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰসমূহ উল্লেখ কৰা হৈছে। আনহাতে, অনুচ্ছেদ ২২ৰ পৰা ২৭লৈ অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহ বর্ণনা কৰা হৈছে। ইয়াৰ উপৰিও, বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ ২৯ নং অনুচ্ছেদত ঘোষণাপত্ৰত উল্লেখিত অধিকাৰসমূহৰ ওপৰত কিছুমান সীমাবদ্ধতা আৰোপ কৰা হৈছে আৰু ব্যক্তিৰ ওপৰত সম্প্ৰদায় বা সমাজক সর্বোচ্চ স্থান দিয়া হৈছে।
- বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা-এ আন্তঃৰাষ্ট্ৰীয় সমাজৰ বাবে "সকলো জনগণ আৰু সকলো ৰাষ্ট্ৰৰ বাবে এক উমৈহতীয়া সফলতাৰ মানদণ্ড" নির্ধাৰণ কৰিছিল আৰু সকলো সদস্য ৰাষ্ট্ৰ আৰু জনগণক ইয়াত উল্লিখিত অধিকাৰ আৰু স্বাধীনতাসমূহৰ ফলপ্ৰসু স্বীকৃতি আৰু পালন নিশ্চিত কৰিবলৈ আহ্বান জনাইছিল।
- যদিও এই ঘোষণাপত্ৰ আইনগতভাৱে বাধ্যতামূলক নহয়, যিটো ইয়াৰ কার্যকৰীকৰণৰ ক্ষেত্ৰত এক দুর্বলতা বুলি গণ্য কৰা হয়, তথাপিও ই বিশ্বজুৰি সর্বজনীন স্বীকৃতি লাভ কৰিছে আৰু সমগ্ৰ আন্তঃৰাষ্ট্ৰীয় সমাজে ইয়াক গ্ৰহণ কৰিছে।
- মানৱ অধিকাৰ পৰিষদ হৈছে ৰাষ্ট্ৰসংঘ ব্যবস্থাৰ অন্তর্গত ৪৭খন সদস্য ৰাষ্ট্ৰৰে গঠিত এক আন্তঃচৰকাৰী সংস্থা। ইয়াৰ মূল দায়িত্ব হৈছে বিশ্বজুৰি সকলো মানৱ অধিকাৰৰ প্ৰসাৰ-প্ৰচাৰ আৰু সুৰক্ষা নিশ্চিত কৰা, মানৱ অধিকাৰ উলংঘনৰ ঘটনাসমূহৰ মোকাবিলা কৰা আৰু সেই সম্পর্কে পৰামর্শ আগবঢ়োৱা। এই পৰিষদে গোটেই বছৰজুৰি আৱশ্যক অনুসৰি সকলো ধৰণৰ মানৱ অধিকাৰ-সম্পর্কীয় বিষয় আৰু পৰিস্থিতিৰ ওপৰত আলোচনা কৰিব পাৰে। ইয়াৰ বৈঠকসমূহ জেনেভাস্থিত ৰাষ্ট্ৰসংঘৰ কার্যালয়ত অনুষ্ঠিত হয়।
- এই পৰিষদ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২০০৬ চনৰ ১৫ মার্চত ৬০/২৫১ নং প্ৰস্তাবৰ জৰিয়তে গঠন কৰে। ই পূর্বৰ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগৰ স্থান গ্ৰহণ কৰে।

১.৭ অধিক জানিবলৈ

1. Agarwal, H.O. (2005): *Human Rights*, (8th edition) Allahabad, Central Law Publications.
2. Yasin, A. U. & Upadhyay (2004): *Human Rights*, Akansha Publishing House, New Delhi-110059.

https://www.un.org

www2.ohchr.org>press>hrc>kit

http://www.un.org/en/universal-declaration-human-rights

১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৫ চনৰ ২৬ জুনত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৪ চনৰ ডাম্বার্টন ওকছ সম্মিলন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰসংঘৰ চনদখনৰ প্ৰস্তাৱনা আৰু মুখ্যতঃ ১, ১৩ (১) (খ), ৫৫, ৫৬, ৬২ (২), ৬৮ আৰু ৭৬ (গ)নং অনুচ্ছেদসমূহত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰচাৰ প্ৰসাৰৰ বাবে বিভিন্ন ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। এই চনদত মানৱ অধিকাৰৰ প্ৰচাৰক প্ৰস্তাবিত সাধাৰণ সভা আৰু ইয়াৰ

অধীনস্থ অর্থনৈতিক আৰু সামাজিক পৰিষদ, ন্যাসভিত্তিক পৰিষদ আদিৰ অন্যতম কর্তব্য হিচাপে সংক্ষিপ্তভাৱে উল্লেখ কৰা হৈছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৩০টা অনুচ্ছেদ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু সুৰক্ষাৰ অধিকাৰ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ সীমাবদ্ধতাসমূহ হ'ল— প্ৰথমতে, বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা ৰাষ্ট্ৰসমূহৰ বাবে আইনগতভাবে বাধ্যতামূলক নহয়, বৰঞ্চ ৰাষ্ট্ৰসমূহলৈ ৰাষ্ট্ৰসংঘৰ এক পৰামর্শহে। দ্বিতীয়তে, এই ঘোষণা পত্ৰত ৰাষ্ট্ৰসমূহৰ সদিচ্ছাৰ বাহিৰে ইয়াক কার্যকৰী কৰাৰ কোনো ব্যৱস্থা প্ৰদান কৰা হোৱা নাই। সেয়েহে,বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাত উল্লেখ থকা অধিকাৰসমূহ ৰাষ্ট্ৰসমূহৰ বাবে কেৱল পৰামর্শ বা পৰামর্শমূলক নীতি হিচাপে গণ্য কৰা হয়, আৰু সেইসমূহ ৰাষ্ট্ৰসমূহে কার্যকৰী কৰিবনে নকৰে, সেয়া সম্পূর্ণৰূপে ৰাষ্ট্ৰসমূহৰ নিজা বিবেচনা আৰু ইচ্ছাৰ ওপৰত নির্ভৰ কৰে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ মূল দায়িত্ব হৈছে বিশ্বজুৰি সকলো মানৱ অধিকাৰৰ প্ৰচাৰ-প্ৰসাৰ আৰু সুৰক্ষা নিশ্চিত কৰা, মানৱ অধিকাৰ উলংঘনৰ ঘটনাসমূহৰ সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা আৰু সেই বিষয়ে পৰামর্শ আগবঢ়োৱা। ইয়াৰ লগতে, গোটেই বছৰজুৰি মনোযোগৰ প্ৰয়োজন হোৱা সকলো ধৰণৰ বিষয়ভিত্তিক মানৱ অধিকাৰৰ সমস্যা আৰু পৰিস্থিতিৰ ওপৰত আলোচনা কৰাৰ ক্ষমতাও পৰিষদৰ আছে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভা।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদে মানৱ অধিকাৰ উলংঘনৰ বিষয়সমূহ সমাধান কৰে, মানৱ অধিকাৰ সম্পর্কীয় সহায় আৰু শিক্ষা প্ৰচাৰ কৰে, আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আইনৰ বিকাশত সহায় কৰে, সদস্য ৰাষ্ট্ৰসমূহৰ মানৱ অধিকাৰৰ অৱস্থা বা নথিপত্ৰ পর্যালোচনা কৰে, মানৱ অধিকাৰ উলংঘন প্ৰতিৰোধৰ বাবে কাম কৰে, জৰুৰী পৰিস্থিতিত সঁহাৰি জনায় আৰু মানৱ অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় আলোচনা-বিলোচনাৰ এক গুৰুত্বপূর্ণ মঞ্চ হিচাপে কার্য কৰে।

M ১.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰসংঘৰ চনদ ক'ত স্বাক্ষৰ কৰা হৈছিল?

প্ৰশ্ন ২ ঃ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ খচৰা প্ৰস্তুত কৰা সমিতিৰ অধ্যক্ষ কোন আছিল?

প্ৰশ্ন ৩ ঃ ৰাষ্ট্ৰসংঘৰ চনদৰ প্ৰস্তাৱনাত উল্লিখিত ৰাষ্ট্ৰসংঘৰ দুটা উদ্দেশ্য উল্লেখ কৰা।

প্ৰশ্ন ৪ ঃ "মানৱ অধিকাৰ সর্বজনীন।" (সত্য/মিছা)

প্ৰশ্ন ৫ ঃ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাই কিছুমান স্পষ্ট আৰু নির্দিষ্ট অধিকাৰ প্ৰদান কৰিছে। এই বক্তব্যৰ সপক্ষে যুক্তি দিয়া।

প্ৰশ্ন ৬ ঃ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ অধীনত উল্লেখিত নাগৰিক আৰু ৰাজনৈতিক অধিকাৰসমূহ আলোচনা কৰা।

প্ৰশ্ন ৭ ঃ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ গুৰুত্ব আলোচনা কৰা।

প্ৰশ্ন ৮ ঃ মানৱ অধিকাৰ আৰু আন্তঃৰাষ্ট্ৰীয় শান্তি প্ৰচাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদে গ্ৰহণ কৰা ব্যৱস্থাসমূহ আলোচনা কৰা।

প্ৰশ্ন ৯ ঃ মানৱ অধিকাৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ চনদত থকা ব্যবস্থাসমূহ আলোচনা কৰা।

প্ৰশ্ন ১০ ঃ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ কাৰ্যকলাপসমূহ আলোচনা কৰা।

****

অধ্যায় ২ ঃ মানৱ অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তি আৰু নিয়মাবলীসমূহ- আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তি, আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু অধিকাৰ চুক্তি আৰু ঐচ্ছিক নিয়মাবলী

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ মানৱ অধিকাৰৰ অৰ্থ
২.৪ চুক্তিসমূহৰ পটভূমি
২.৫ আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ গ্ৰহণ
২.৬ আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ ব্যৱস্থাসমূহ
২.৭ আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ ঐচ্ছিক নিয়মাবলী
২.৮ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তি গ্ৰহণ আৰু ব্যৱস্থাসমূহ
২.৯ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তিৰ ঐচ্ছিক নিয়মাবলী
২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১১ অধিক জানিবলৈ
২.১২ অগ্ৰগতিৰ খতিয়ান
২.১৩ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মানৱ অধিকাৰৰ ধাৰণাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- অসামৰিক বা নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় চুক্তি আৰু আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তিৰ সৈতে মানৱ অধিকাৰৰ সম্পৰ্ক ব্যাখ্যা কৰিব পাৰিব।
- মানৱ অধিকাৰৰ বিকাশৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- উভয় চুক্তিৰ গ্ৰহণ প্ৰক্ৰিয়া বিশ্লেষণ কৰিব পাৰিব।
- এই চুক্তিসমূহৰ বিধানসমূহ আলোচনা কৰি ব পাৰিব।
- আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তিৰ ঐচ্ছিক প্ৰটোকলৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ব্যক্তি স্থান আৰু মৰ্যাদাৰ পৰিৱৰ্তন সমসাময়িক আন্তঃৰাষ্ট্ৰীয় আইনত আটাইতকৈ উল্লেখযোগ্য বিকাশ হিচাপে পৰিগণিত হৈছে। ৰাষ্ট্ৰসমূহৰ উপৰিও, ব্যক্তিসকলকো আন্তঃৰাষ্ট্ৰীয় আইনৰ অধীনত এনে এক বিষয় আৰু হিতাধিকাৰী হিচাপে গণ্য কৰা হয়, যিসকলৰ অধিকাৰ আৰু কৰ্তব্যসমূহ প্ৰত্যক্ষভাৱে আন্তঃৰাষ্ট্ৰীয় আইনৰ পৰা উদ্ভৱ। কিছুমান নিয়মে ব্যক্তিৰ অৱস্থান আৰু কাৰ্যকলাপক প্ৰত্যক্ষভাৱে নিয়ন্ত্ৰণ কৰে, আনহাতে কিছুমানে পৰোক্ষভাৱে তেওঁলোকক প্ৰভাৱিত কৰে। আধুনিক আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি ৰাষ্ট্ৰসমূহে ব্যক্তিসকলক যিবোৰ অপহৰণ কৰিব নোৱাৰা বা অহস্তান্তৰণীয় অধিকাৰ প্ৰদান কৰে, সেইবোৰকেই মানৱ অধিকাৰ বুলি কোৱা হয়।

২.৩ মানৱ অধিকাৰৰ অর্থ

মানুহ যুক্তিবাদী সত্তা। মানুহ হিচাপে জন্মগ্রহণ কৰাৰ বাবেই তেওঁলোকে কিছুমান মৌলিক আৰু অপহৰণ কৰিব নোৱাৰা বা অহস্তান্তৰণীয় বা অবিচ্ছেদ্য অধিকাৰৰ অধিকাৰী হয়, যিবোৰক সাধাৰণতে মানৱ অধিকাৰ বুলি কোৱা হয়। এজন শিশুৰ জন্মৰ লগে লগেই মানৱ অধিকাৰ কার্যকৰী হয়। যিহেতু মানৱ অধিকাৰ জন্মগত অধিকাৰ, সেয়েহে ধর্ম, জাতি, বর্ণ, বিশ্বাস, লিংগ বা জাতীয়তা নির্বিশেষে সকলো ব্যক্তিৰ মাজত এই অধিকাৰ জন্মগতভাৱে নিহিত হৈ থাকে। এই অধিকাৰসমূহে এজন ব্যক্তিক স্বাধীনতা, সমতা, মর্যাদা আৰু মক্তি প্রদান কৰে। ইয়াৰ অসীম গুৰুত্বৰ বাবে মানৱ অধিকাৰক মৌলিক অধিকাৰ, ভিত্তিগত অধিকাৰ, অন্তর্নিহিত অধিকাৰ, প্রাকৃতিক অধিকাৰ আৰু জন্মগত অধিকাৰ বুলিও কোৱা হয়।

ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় দুয়ো ক্ষেত্রতে নীতিগতভাৱে মানৱ অধিকাৰৰ সার্বজনীন গ্রহণযোগ্যতা আছে। নাগৰিক অধিকাৰ, নাগৰিক স্বাধীনতা আৰু সামাজিক, অর্থনৈতিক তথা সাংস্কৃতিক অধিকাৰসমূহ মানৱ অধিকাৰৰ অন্তর্গত। "মানৱ অধিকাৰ" শব্দটোৰ এক সুনির্দিষ্ট সংজ্ঞা দিয়া কঠিন। তথাপিও ক'ব পাৰি যে মানৱ অধিকাৰ হৈছে মানুহৰ এনে অপহৰণ কৰিব নোৱাৰা বা অবিচ্ছেদ্য অধিকাৰ, যিয়ে ব্যক্তিক মানুহ হিচাপে মর্যাদা প্রদান কৰে।

সমাজত ব্যক্তিৰ ব্যক্তিত্বৰ সর্বাংগীণ বিকাশৰ বাবে মানৱ অধিকাৰ অতি প্রয়োজনীয়। চৰকাৰসমূহে মানুহৰ কার্যকলাপৰ ওপৰত নিয়ন্ত্রণ ক্রমাৎ অৱধাৰিতভাৱে বৃদ্ধি কৰাৰ ফলত, আৰু এনে নিয়ন্ত্রণ সদায় কাম্য বুলি বিবেচিত নোহোৱাৰ বাবে, এই অধিকাৰসমূহৰ সুৰক্ষাৰ প্রয়োজনীয়তা অনুভৱ কৰা হৈছে।

কিন্তু ৰাষ্ট্রসংঘৰ সদস্য ৰাষ্ট্রসমূহে কিছু সংখ্যক নিয়মাবলী গ্রহণ কৰাটোৱে এই কথাটোৱে প্রমাণ কৰিছে যে সদস্য ৰাষ্ট্রসমূহে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহৰ প্রতি সার্বজনীন সম্মান আৰু মানি চলাটো নিশ্চিত কৰাৰ লগতে সেইসমূহৰ প্রসাৰ সাধন কৰিবলৈ প্রতিশ্রুতিবদ্ধ হৈছে।

২.৪ চুক্তিসমূহৰ পটভূমি

মানৱ অধিকাৰ অবিভাজ্য আৰু পাৰস্পৰিকভাৱে নির্ভৰশীল। সেয়েহে, সঠিক অর্থত মানৱ অধিকাৰৰ ভিন্ন ভিন্ন প্রকাৰ থাকিব নোৱাৰে। সকলো মানৱ অধিকাৰ সমানে গুৰুত্বপূর্ণ আৰু সকলো মানুহৰ সহজাত অধিকাৰ। অৱশ্যে ৰাষ্ট্রসংঘৰ অধীনত মানৱ অধিকাৰৰ ক্ষেত্রত হোৱা পৰৱর্তী বিকাশসমূহে স্পষ্ট কৰিছে যে মানৱ অধিকাৰক মূলতঃ দুটা ভাগত বিভক্ত কৰিব পাৰি—

(১) নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ

(২) অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ

বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা-এ মানৱ অধিকাৰৰ উপভোগ আৰু সুৰক্ষাৰ বাবে এক সফলতাৰ উমৈহতীয়া মানদণ্ড নির্ধাৰণ কৰিছিল। বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা হৈছে বিশ্বৰ সকলো ৰাষ্ট্রই একেধৰণে গ্রহণ কৰা এটা আদর্শৰ মানদণ্ড; কিন্তু ইয়াৰ নিজা কোনো আইনী বল বা বাধ্যতামূলক ক্ষমতা নাই। সেয়েহে, ১৯৪৮ চনৰ পৰা ১৯৬৬ চনলৈকে ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰ আয়োগৰ মুখ্য কাম আছিল এই ঘোষণাৰ আধাৰত এক আন্তঃৰাষ্ট্রীয় মানৱ অধিকাৰ আইনৰ কাঠামো গঢ়ি তোলা আৰু ইয়াৰ কার্যকৰীকৰণ আৰু প্রয়োগ নিশ্চিত কৰিবলৈ প্রয়োজনীয় ব্যৱস্থা স্থাপন কৰা।

মানৱ অধিকাৰ আয়োগে দুটা গুৰুত্বপূর্ণ নথি প্রস্তুত কৰিছিল— আন্তঃৰাষ্ট্রীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তি আৰু আন্তঃৰাষ্ট্রীয় অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তি। এই দুয়োটা চুক্তি ১৯৭৬ চনত আন্তঃৰাষ্ট্রীয় আইন হিচাপে কার্যকৰী হয়। বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ সৈতে এই দুয়োখন চুক্তিক একেলগে "আন্তঃৰাষ্ট্রীয় মানৱ অধিকাৰ বিল" বুলি কোৱা হয়।

আন্তঃৰাষ্ট্রীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিয়ে জীৱনৰ অধিকাৰ, মত প্রকাশৰ স্বাধীনতা, ধর্মীয় স্বাধীনতা আৰু ভোটাধিকাৰৰ দৰে বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে, আন্তঃৰাষ্ট্রীয়

অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তিয়ে খাদ্য, শিক্ষা, স্বাস্থ্য আৰু বাসস্থানৰ অধিকাৰৰ ওপৰত গুৰুত্ব দিয়ে। উভয় চুক্তিয়েই এই অধিকাৰসমূহ সকলো ব্যক্তিৰ বাবে স্বীকৃতি দিয়ে আৰু যিকোনো ধৰণৰ বৈষম্য নিষিদ্ধ কৰে।

২.৫ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় চুক্তি গ্ৰহণ

নাগৰিক অধিকাৰ বা স্বাধীনতাসমূহে সেই অধিকাৰসমূহক বুজায় যিবোৰ জীয়াই থকাৰ অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতাৰ সুৰক্ষাৰ সৈতে জড়িত। এই অধিকাৰসমূহ এজন ব্যক্তিৰ বাবে অতি প্ৰয়োজনীয়, যাতে তেওঁ মৰ্যাদাপূৰ্ণ জীবন যাপন কৰিব পাৰে। এনে অধিকাৰৰ ভিতৰত জীৱনৰ অধিকাৰ, স্বাধীনতা আৰু ব্যক্তিগত সুৰক্ষাৰ অধিকাৰ, গোপনীয়তাৰ অধিকাৰ, গৃহ আৰু যোগাযোগৰ অধিকাৰ, নিজা সম্পত্তি অধিকাৰ, নিৰ্যাতন, অমানবীয় আৰু অপমানজনক ব্যৱহাৰৰ পৰা মুক্তি, চিন্তা, বিবেক আৰু ধৰ্মৰ স্বাধীনতা, লগতে চলাচলৰ স্বাধীনতা আদি অন্তৰ্ভুক্ত।

ৰাজনৈতিক অধিকাৰসমূহ হৈছে সেই অধিকাৰসমহ যিবোৰে এজন ব্যক্তিক এখন ৰাষ্ট্ৰৰ শাসন ব্যবস্থাত অংশগ্ৰহণ কৰাৰ সুযোগ দিয়ে। সেয়েহে ভোটাধিকাৰ, নিকা আৰু নিয়মিত নিৰ্বাচনত নিৰ্বাচিত হোৱাৰ অধিকাৰ, আৰু জনসাধাৰণৰ বিষয়সমূহৰ পৰিচালনাত পোনপটীয়াকৈ বা নিৰ্বাচিত প্ৰতিনিধিৰ জৰিয়তে অংশগ্ৰহণ কৰাৰ অধিকাৰ ৰাজনৈতিক অধিকাৰৰ উদাহৰণ।

এই অধিকাৰসমূহক প্ৰথম প্ৰজন্মৰ মানৱ অধিকাৰ বুলি কোৱা হয়। এই অধিকাৰসমূহ সপ্তদশ আৰু অষ্টাদশ শতিকাৰ সংস্কাৰবাদী তত্ত্বৰ পৰা উদ্ভৱ হৈছিল, যিবোৰ ইংলেণ্ড, আমেৰিকা আৰু ফ্ৰান্সৰ বিপ্লৱৰ সৈতে জড়িত।

১৯৬৬ চনৰ ১৬ ডিচেম্বৰত সাধাৰণ পৰিষদে নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় চুক্তি গ্ৰহণ কৰে। ইয়াৰ উপৰিও, সাধাৰণ পৰিষদে আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ সৈতে সম্পৰ্কিত এক ঐঙ্গিক নিয়মাবলী গ্ৰহণ কৰে। পাছত ১৯৮৯ চনৰ ১৫ ডিচেম্বৰত সাধাৰণ পৰিষদে মৃত্যুদণ্ড বিলুপ্ত কৰাৰ লক্ষ্যৰে আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ সৈতে সম্পৰ্কিত দ্বিতীয় ঐচ্ছিক নিয়মাৱলী গ্ৰহণ কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মানৱ অধিকাৰ ধাৰণাটোৰ দ্বাৰা আপুনি কি বুজে?

প্ৰশ্ন নং ২ ঃ "আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ বিল"ত কি কি অন্তৰ্ভুক্ত আছে?

প্ৰশ্ন নং ৩ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় চুক্তি কেতিয়া গ্ৰহণ কৰা হৈছিল?

প্ৰশ্ন নং ৪ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ দ্বিতীয় ঐচ্ছিক নিয়মাৱলী কেতিয়া কাৰ্যকৰী হৈছিল?

প্ৰশ্ন নং ৫ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ দ্বিতীয় ঐচ্ছিক প্ৰট'কলৰ তাৎপৰ্য কি?

২.৬ আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ ব্যৱস্থাৱলী

নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিখন ৫৩টা অনুচ্ছেদেৰে গঠিত আৰু ইয়াক ছয়টা ভাগত বিভক্ত কৰা হৈছে। প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগত বিভিন্ন অধিকাৰ আৰু স্বাধীনতাৰ বিষয়ে উল্লেখ কৰা হৈছে, আনহাতে বাকী তিনিটা ভাগত এই অধিকাৰসমূহৰ ফলপ্ৰসু বাস্তবায়নৰ বাবে চূড়ান্ত ব্যৱস্থাৱলীৰ লগতে প্ৰয়োগ পদ্ধতিৰ বিষয়ে আলোচনা কৰা হৈছে।

অনুচ্ছেদ-১ত জনগণৰ আত্মনিৰ্ণয়ৰ অধিকাৰ উল্লেখ কৰা হৈছে। ইয়াত কোৱা হৈছে যে সকলো জনগণৰ নিজৰ ৰাজনৈতিক মৰ্যাদা স্বাধীনভাৱে নিৰ্ধাৰণ কৰাৰ আৰু নিজৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়ন

স্বাধীনভাৱে সাধন কৰাৰ অধিকাৰ আছে। তেওঁলোকে নিজৰ স্বাৰ্থত নিজৰ প্ৰাকৃতিক সম্পদ আৰু ধন-সম্পত্তি স্বাধীনভাৱে ব্যৱহাৰ কৰিব পাৰে, যদিহে ই আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক সহযোগিতাৰ বাধ্যবাধকতাসমূহৰ বিৰুদ্ধে নাযায়।

দ্বিতীয় অংশত সদস্য ৰাষ্ট্ৰসমূহৰ দায়িত্বসমূহ উল্লেখ কৰা হৈছে। ইয়াৰ অধীনত ৰাষ্ট্ৰসমূহে চুক্তিখনৰ বিধানসমূহ নিজৰ দেশীয় আইনত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু চুক্তিত স্বীকৃত অধিকাৰসমূহ কাৰ্যকৰী কৰাৰ বাবে প্ৰয়োজনীয় আইনগত বা অন্যান্য ব্যৱস্থা ল'ব লাগিব। সদস্য ৰাষ্ট্ৰসমূহে পুৰুষ আৰু মহিলাৰ সমান অধিকাৰ নিশ্চিত কৰিব লাগিব যাতে তেওঁলোকে সকলো নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ সমভাৱে উপভোগ কৰিব পাৰে।

মৌলিক অধিকাৰসমূহ ঃ

তৃতীয় অংশত ব্যক্তিসকলৰ নিৰ্দিষ্ট অধিকাৰ আৰু সদস্য ৰাষ্ট্ৰসমূহৰ দায়িত্বসমূহ উল্লেখ কৰা হৈছে।

১. জীৱনৰ অধিকাৰ (অনুচ্ছেদ ৬)
২. অমানৱীয় বা অপমানজনক ব্যৱহাৰৰ পৰা মুক্তিৰ অধিকাৰ (অনুচ্ছেদ ৭)
৩. দাসত্ব, বাধ্যতামূলক সেৱা আৰু জোৰপূৰ্বক শ্ৰমৰ পৰা মুক্তিৰ অধিকাৰ (অনুচ্ছেদ ৮)।
৪. স্বাধীনতা আৰু ব্যক্তিগত সুৰক্ষাৰ অধিকাৰ (অনুচ্ছেদ ৯)
৫. বন্দী ব্যক্তিয়ে মানৱীয় ব্যৱহাৰ লাভ কৰাৰ অধিকাৰ (অনুচ্ছেদ১০)
৬. চুক্তিগত বাধ্যবাধকতা পূৰণ কৰিব নোৱাৰাৰ বাবে কা�ৰাবাসৰ পৰা মুক্তিৰ অধিকাৰ (অনুচ্ছেদ ১১)
৭. চলাচলৰ স্বাধীনতা আৰু নিজৰ বাসস্থান বাছনি কৰাৰ অধিকাৰ (অনুচ্ছেদ ১২)
৮. বিদেশীসকলক নিৰ্বিচাৰে বহিষ্কাৰ কৰাৰ পৰা সুৰক্ষাৰ অধিকাৰ (অনুচ্ছেদ ১৩)
৯. ন্যায়সংগত বিচাৰ লাভ কৰাৰ অধিকাৰ (অনুচ্ছেদ ১৪)
১০. অপৰাধ আইনক পশ্চাৎমুখীভাৱে প্ৰয়োগ নকৰাৰ অধিকাৰ (অনুচ্ছেদ ১৫)
১১. আইনৰ সন্মুখত ব্যক্তি হিচাপে স্বীকৃতি লাভ কৰাৰ অধিকাৰ (অনুচ্ছেদ ১৬)
১২. ব্যক্তিগত জীৱন, পৰিয়াল, গৃহ বা যোগাযোগৰ গোপনীয়তাৰ অধিকাৰ (অনুচ্ছেদ ১৭)
১৩. চিন্তা, বিবেক আৰু ধৰ্মৰ স্বাধীনতা (অনুচ্ছেদ ১৮)
১৪. মতামত আৰু প্ৰকাশৰ স্বাধীনতা (অনুচ্ছেদ ১৯)
১৫. যুদ্ধ-প্ৰচাৰৰ নিষেধাজ্ঞা (অনুচ্ছেদ ২০)
১৬. শান্তিপূৰ্ণ সমাবেশৰ অধিকাৰ (অনুচ্ছেদ ২১)
১৭. সংগঠন গঠন আৰু সংগঠনত যোগদান কৰাৰ স্বাধীনতা (অনুচ্ছেদ ২২)
১৮. বিবাহ কৰাৰ আৰু পৰিয়াল গঠন কৰাৰ অধিকাৰ (অনুচ্ছেদ ২৩)
১৯. শিশুৰ অধিকাৰসমূহ (অনুচ্ছেদ ২৪)
২০. জনসাধাৰণৰ বিষয়-ব্যৱস্থাপনাত অংশগ্ৰহণ, ভোটদান আৰু নিৰ্বাচিত হোৱাৰ অধিকাৰ (অনুচ্ছেদ ২৫)
২১. আইনৰ আগত সমতাৰ অধিকাৰ (অনুচ্ছেদ ২৬)
২২. সংখ্যালঘু সম্প্ৰদায়ৰ অধিকাৰসমূহ (অনুচ্ছেদ ২৭)

চুক্তিখনত উল্লিখিত ওপৰৰ অধিকাৰসমূহ সম্পূৰ্ণ বা নিৰপেক্ষ নহয়; এই অধিকাৰসমূহ কিছুমান সীমাবদ্ধতাৰ অধীন। কিন্তু এই অধিকাৰসমূহৰ ওপৰত এনে কোনো নিষেধাজ্ঞা আৰোপ কৰিব নোৱাৰি যি আইনত নিৰ্ধাৰিত নহয়। কেৱল ৰাষ্ট্ৰীয় সুৰক্ষা, জনশৃংখলা, জনস্বাস্থ্য, নৈতিকতা অথবা আন লোকৰ অধিকাৰ আৰু স্বাধীনতা সুৰক্ষিত কৰাৰ উদ্দেশ্যে আইনত নিৰ্ধাৰিত সীমাবদ্ধতাহে আৰোপ কৰিব পাৰি।

চুক্তিখনৰ অনুচ্ছেদ ৪-ত ৰাষ্ট্ৰৰ জীৱনলৈ ভাবুকি কঢ়িয়াই অনা জনসাধাৰণৰ জৰুৰী অব্যৱস্থাৰ ব্যৱস্থাসমূহৰ বিষয়ে উল্লেখ কৰা হৈছে। এনে জৰুৰী অবস্থা ঘোষণা কৰা হ'লে কোনো এখন ৰাষ্ট্ৰই কিছুমান মানৱ অধিকাৰ সাময়িকভাৱে স্থগিত ৰাখিব পাৰে। সেয়েহে, Derogation (অধিকাৰৰ পৰা সাময়িক ব্যতিক্ৰম বা স্থগিতকৰণ)-ৰ

অধিকাৰে ৰাষ্ট্ৰসমূহক ৰাষ্ট্ৰীয় সুৰক্ষা, জনশৃংখলা, জনস্বাস্থ্য বা নৈতিকতাৰ স্বাৰ্থত বিভিন্ন অধিকাৰৰ ওপৰত অতিৰিক্ত সীমাবদ্ধতা আৰোপ কৰাৰ ক্ষমতা প্ৰদান কৰে।

অনুচ্ছেদ ৪ৰ ২ নং দফা অনুসৰি চুক্তিখনে এনে কিছুমান অধিকাৰৰ ব্যৱস্থা কৰিছে যিসমূহৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যতিক্ৰম বা স্থগিতকৰণ কৰিব নোৱাৰি। উদাহৰণস্বৰূপে, তলত লিখিত অধিকাৰসমূহৰ পৰা কোনো ব্যতিক্ৰম অনুমোদিত নহয়—

১) জীৱনৰ অধিকাৰ (অনুচ্ছেদ ৬)
২) অমানবীয় বা অপমানজনক ব্যৱহাৰ বা শাস্তিৰ পৰা মুক্তিৰ অধিকাৰ (অনুচ্ছেদ ৭)
৩) দাসত্ব, দাস-ব্যবসায় (অনুচ্ছেদ ৮ দফা ১) আৰু দাসসদৃশ অৱস্থা বা পৰাধীনতাৰ পৰা মুক্তিৰ অধিকাৰ (অনুচ্ছেদ ৮ দফা ২)
৪) চুক্তিগত বাধ্যবাধকতা পূৰণ কৰিব নোৱাৰাৰ বাবে কাৰাবাসৰ পৰা মুক্তিৰ অধিকাৰ (অনুচ্ছেদ১১)
৫) ফৌজদাৰী আইনৰ পশ্চাদমুখী প্ৰয়োগ বন্ধ কৰা (অনুচ্ছেদ ১৫)
৬) আইনৰ সন্মুখত ব্যক্তি হিচাপে স্বীকৃতি লাভ কৰাৰ অধিকাৰ (অনুচ্ছেদ ১৬) আৰু
৭) চিন্তা, বিবেক আৰু ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ (অনুচ্ছেদ ১৮)

ওপৰত উল্লেখ কৰা অধিকাৰসমূহ স্থগিত কৰিব নোৱাৰা অধিকাৰ, কাৰণ এইসমূহক মানৱ অধিকাৰৰ মৌলিক আৰু অত্যাবশ্যকীয় অধিকাৰৰ কেন্দ্ৰবিন্দু বুলি গণ্য কৰা হয়।

চুক্তিখনৰ চতুৰ্থ অংশত ইয়াৰ কাৰ্যকৰী ৰূপায়ণৰ পদ্ধতি নিৰ্ধাৰণ কৰা হৈছে। ইয়াত মানৱ অধিকাৰ সমিতি গঠনৰ ব্যবস্থা কৰা হৈছিল, যিয়ে চুক্তিখনৰ অধীনত নিৰীক্ষণমূলক সংস্থা হিচাপে কাম কৰে।

এই সমিতিখন "উচ্চ নৈতিক চৰিত্ৰ" সম্পন্ন আৰু মানৱ অধিকাৰৰ ক্ষেত্ৰত "স্বীকৃত দক্ষতা" থকা মুঠ ওঠৰজন সদস্যৰে গঠিত।

চক্তিখনৰ ৩৮খন সদস্য ৰাষ্ট্ৰই ২০ ছেপ্টেম্বৰ ১৯৭৬ তাৰিখে প্ৰথমবাৰৰ বাবে বৈঠকত মিলিত হৈছিল। তেওঁলোকে সমিতিৰ ১৮ জন সদস্য নিৰ্বাচন কৰিছিল, যিসকলৰ কাৰ্যকাল ১ জানুৱাৰী ১৯৭১ পৰা আৰম্ভ হৈছিল। সমিতিখনে চুক্তিখাত উল্লিখিত মানৱ অধিকাৰসমূহৰ ৰূপায়ণ তলত দিয়া চাৰিধৰণেৰে সম্পাদন কৰে—

১) প্ৰতিবেদন দাখিল পদ্ধতি
২) আন্তঃৰাষ্ট্ৰীয় যোগাযোগ ব্যৱস্থা
৩) মীমাংসা বা বুজাপৰা পদ্ধতি
৪) ব্যক্তিগত যোগাযোগ ব্যৱস্থা।

২.৭ আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ ঐচ্ছিক নিয়মাৱলী

ব্যক্তিসকলক নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক চুক্তিত সন্নিবিষ্ট অধিকাৰসমূহ লংঘন কৰা ৰাষ্ট্ৰৰ বিৰুদ্ধে মানৱ অধিকাৰ সমিতিৰ ওচৰত আবেদন দাখিল কৰাৰ অধিকাৰ দিয়া হৈছে। ইয়াক "ব্যক্তিগত যোগাযোগ পদ্ধতি" বুলি কোৱা হয়। কিন্তু এই অধিকাৰ চুক্তিখনৰ মূল পাঠত অন্তৰ্ভুক্ত নহয়; ইয়াক নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক চুক্তিৰ ঐচ্ছিক নিয়মাবলীত প্ৰদান কৰা হৈছে।

নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক চুক্তিৰ ঐচ্ছিক নিয়মাৱলী দুয়োখন চুক্তিৰ সৈতে একেলগে ১৯৬৬ চনৰ ১৬ ডিচেম্বৰত সাধাৰণ সভাই পৃথকভাৱে গৃহীত কৰিছিল।

যদি কোনো ব্যক্তিয়ে চুক্তিয়ে প্ৰদান কৰা তেওঁৰ অধিকাৰসমূহ উলংঘন কৰাৰ অভিযোগ দাখিল কৰিলে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ সমিতিৰ এই অভিযোগ বিবেচনা কৰাৰ অধিকাৰ আছে বুলি সদস্য ৰাষ্ট্ৰসমূহে মানি লয়। অভিযোগ দাখিল কৰাৰ আগতে সংশ্লিষ্ট ব্যক্তিজনে দেশীয় আইনী ব্যৱস্থাৰ সকলো উপলব্ধ প্ৰতিকাৰ সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰি শেষ কৰিব লাগিব। সমিতিয়ে অভিযোগটো সংশ্লিষ্ট ৰাষ্ট্ৰৰ জ্ঞাত কৰিব লাগিব, আৰু সেই ৰাষ্ট্ৰই ছয় মাহৰ ভিতৰত ইয়াৰ উত্তৰ দিব লাগিব। অভিযোগৰ বিবেচনা সম্পূৰ্ণ হোৱাৰ পিছত, সমিতিয়ে নিজৰ সিদ্ধান্ত বা

মতামত সংশ্লিষ্ট ৰাষ্ট্ৰ আৰু অভিযোগকাৰী উভয়লৈ প্ৰেৰণ কৰিব লাগে।

নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ দ্বিতীয় ঐচ্ছিক নিয়মাৱলী, যাৰ উদ্দেশ্য হৈছে মৃত্যুদণ্ড বিলোপ কৰা। ই আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ সৈতে সম্পৰ্কিত এক চুক্তি। এই নিয়মাবলী ১৯৮৯ চনৰ ১৫ ডিচেম্বৰত গৃহীত হৈছিল আৰু ১৯৯১ চনৰ ১১ জুলাইত বলবৎ হৈছিল।

এই ঐচ্ছিক নিয়মাৱলীয়ে সদস্য ৰাষ্ট্ৰসমূহক নিজৰ দেশৰ ভিতৰত মৃত্যুদণ্ড বিলোপ কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ কৰে। অৱশ্যে, অনুচ্ছেদ ২.১ অনুসৰি, কোনো ৰাষ্ট্ৰক মৃত্যুদণ্ড সংৰক্ষণ কৰিব পৰাৰ অনুমতি প্ৰদান কৰা হৈছে, যাৰ অধীনত যুদ্ধকালত সংঘটিত অতি গুৰুতৰ সামৰিক অপৰাধৰ বাবে দোষী সাব্যস্ত ব্যক্তিক মৃত্যুদণ্ড দিয়াৰ অনুমতি দিব পাৰে।

ভাৰতে ১৯৭৯ চনৰ ২৭ মাৰ্চত নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় চুক্তি অনুমোদন কৰিছিল, কিন্তু ঐচ্ছিক নিয়মাৱলী অনুমোদন কৰা নাই। এই ঐচ্ছিক নিয়মাবলীৰ ক্ষেত্ৰত, ইয়াৰ পাঠ বা খচৰা প্ৰথম ঐচ্ছিক নিয়মাৱলীৰ বাবে অনুমোদিত হোৱাৰ সময়ত ভাৰতকে ধৰি ৩৮খন ৰাষ্ট্ৰই ভোটদানৰ পৰা বিৰত আছিল।

কেইবাখনো সদস্য ৰাষ্ট্ৰই নিজ নিজ ঘৰুৱা আইনসমূহৰ সৈতে অসংগত বুলি বিবেচনা কৰা বিষয়সমূহৰ ক্ষেত্ৰত সংৰক্ষণসহ নিয়মাৱলীখন অনুমোদন কৰিছে। ঐচ্ছিক নিয়মাৱলীৰ অধীনত সংৰক্ষণৰ বিষয়টো ১৯৬৯ চনৰ চুক্তিৰ আইন বিষয়ক ভিয়েনা সম্মিলনৰ আন্তঃৰাষ্ট্ৰীয় আইনৰ অনুচ্ছেদ ৰঙ্মশ্চগ্ন অনুসৰি নিয়ন্ত্ৰিত হয়।

দ্বিতীয় ঐচ্ছিক নিয়মাৱলীৰ ক্ষেত্ৰত ভাৰতে ইয়াক অনুমোদন কৰা নাই, কাৰণ মৃত্যুদণ্ড বিলোপৰ আহ্বান জনোৱা সকলো পৰামৰ্শ ভাৰত গ্ৰহণ কৰিবলৈ ব্যৰ্থ হৈছিল। চৰকাৰে আইন-শৃংখলা ৰক্ষাকাৰী বাহিনীৰ বলপ্ৰয়োগ সম্পৰ্কীয় বিশেষ পৰামৰ্শসমূহো গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল, যাৰ ভিতৰত সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ সংশোধনৰ আহ্বানো অন্তৰ্ভুক্ত আছিল।

দ্বিতীয় ঐচ্ছিক নিয়মাৱলীয়ে অসামৰিক আদালতে প্ৰদান কৰা বা সামৰিক অভিযানত মৃত্যুদণ্ড বিলোপৰ কথা কয়, বিশেষকৈ য'ত মৃত্যু সংঘটিত কৰাৰ ক্ষেত্ৰত দায়মুক্তি ঘোষণা কৰা হয়। ভাৰতত জম্মু আৰু কাশ্মীৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ কিছুমান অঞ্চলত সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন (AFSPA) প্ৰয়োগ কৰা হৈছিল, য'ত মৃত্যু সংঘটিত কৰাৰ ক্ষেত্ৰত বিশেষ সুৰক্ষা বা দায়মুক্তিৰ ব্যৱস্থা আছিল। সেইবাবে AFSPA বাতিল নকৰালৈকে ভাৰতৰ বাবে এই নিয়মাৱলীত স্বাক্ষৰ কৰা কঠিন বুলি ধৰা হয়। ইয়াৰ উপৰিও, যদি ভাৰতে AFSPA প্ৰত্যাহাৰ কৰি দ্বিতীয় ঐচ্ছিক নিয়মাৱলীত স্বাক্ষৰ কৰে, তেন্তে চৰকাৰৰ বিৰুদ্ধে যুদ্ধ কৰা, যুদ্ধ ঘোষণা কৰা বা যুদ্ধ কৰাৰ চেষ্টা কৰা ব্যক্তিসকলক, তথা আন গুৰুতৰ অপৰাধ সংঘটনকাৰীসকলক, মৃত্যুদণ্ড প্ৰদান কৰাটোও সম্ভৱ নহ'ব।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় চুক্তিখনৰ কোনটো অংশত মৌলিক অধিকাৰসমূহ বৰ্ণনা কৰা হৈছে?

প্ৰশ্ন নং ৭ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় চুক্তিখনৰ কোনটো অংশত মানৱ অধিকাৰ সমিতিৰ বিষয়ে বৰ্ণনা কৰা হৈছে?

প্ৰশ্ন নং ৮ ঃ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তিখন কেতিয়া গৃহীত হৈছিল আৰু কেতিয়া কাৰ্যকৰী হৈছিল?

২.৮ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ গৃহীতকৰণ আৰু বিধানসমূহ

অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তি ১৯৬৬ চনৰ ১৬ ডিচেম্বৰ তাৰিখে গৃহীত কৰা হৈছিল। এই চুক্তিখন ১৯৭৬ চনৰ ৩ জানুৱাৰী তাৰিখে কাৰ্যকৰী হয়।

আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ বিষয়ক চুক্তিখনত মুঠ ৩১টা অনুচ্ছেদ আছে আৰু ইয়াক পাঁচটা ভাগত বিভক্ত কৰা হৈছে। প্ৰথম ভাগত জনসাধাৰণৰ আত্মনিৰ্ণয়ৰ অধিকাৰ বিষয়ে উল্লেখ কৰা হৈছে, যি নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ বিষয়ক চুক্তি ৪ অনুচ্ছেদ ১-ত উল্লিখিত অধিকাৰৰ সৈতে একে। চুক্তিখনৰ দ্বিতীয় ভাগত চুক্তিখনৰ সদস্য ৰাষ্ট্ৰসমূহে গ্ৰহণ কৰিবলগীয়া দায়বদ্ধতা আৰু প্ৰতিশ্ৰুতিৰ বিষয়ে উল্লেখ কৰা হৈছে।

চুক্তিখনৰ তৃতীয় ভাগত ব্যক্তিসকলৰ বিভিন্ন অধিকাৰসমূহ সন্নিৱিষ্ট কৰা হৈছে। এই অধিকাৰসমূহ হ'ল—

১) কৰ্ম কৰাৰ অধিকাৰ (অনুচ্ছেদ ৬)।
২) ন্যায়সংগত আৰু অনুকূল কৰ্ম-পৰিস্থিতি লাভ কৰাৰ অধিকাৰ (অনুচ্ছেদ ৭)।
৩) শ্ৰমিক সংঘ গঠন আৰু তাত যোগদান কৰাৰ অধিকাৰ (অনুচ্ছেদ ৮)।
৪) সামাজিক সুৰক্ষাৰ অধিকাৰ (অনুচ্ছেদ ৯)।
৫) মাতৃত্ব, শৈশৱ, বিবাহ আৰু পৰিয়ালৰ সৈতে জড়িত অধিকাৰ (অনুচ্ছেদ ১০)।
৬) পৰ্যাপ্ত খাদ্য, বস্ত্ৰ, বাসস্থান আৰু উপযুক্ত জীবন-যাপনৰ মানদণ্ডৰ অধিকাৰ তথা ক্ষুধামুক্ত হোৱাৰ অধিকাৰ (অনুচ্ছেদ ১১)।
৭) শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ অধিকাৰ (অনুচ্ছেদ ১২)।
৮) শিক্ষাৰ অধিকাৰ, যাৰ ভিতৰত বাধ্যতামূলক প্ৰাথমিক শিক্ষা কাৰ্যকৰী কৰাৰ পৰিকল্পনাও অন্তৰ্ভুক্ত (অনুচ্ছেদ ১৩)।

২.৯ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তিৰ ঐচ্ছিক নিয়মাবলী

অৰ্থনৈতিক আৰু সামাজিক পৰিষদে ১৯৮৫ চনত ১৯৮৫/১৭ নং প্ৰস্তাৱৰ জৰিয়তে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সমিতি স্থাপন কৰিছিল। সমিতিৰ সদস্যসকলক চুক্তিৰ সদস্য ৰাষ্ট্ৰসমূহে মনোনীত কৰা ব্যক্তিসকলৰ তালিকাৰ পৰা গোপন ভোটদানৰ জৰিয়তে অৰ্থনৈতিক আৰু সামাজিক পৰিষদে নিৰ্বাচিত কৰে। সদস্যসকল মানৱ অধিকাৰ বিশেষজ্ঞ আৰু তেওঁলোকে ব্যক্তিগত ক্ষমতাৰে সেৱা আগবঢ়ায়। এই সমিতিয়ে সদস্য ৰাষ্ট্ৰসমূহে চুক্তিখন কিমান সফলভাৱে কাৰ্যকৰী কৰিছে সেয়া পৰ্যবেক্ষণ কৰে। সদস্য ৰাষ্ট্ৰসমূহে অৰ্থনৈতিক আৰু সামাজিক পৰিষদলৈ দাখিল কৰা প্ৰতিবেদনসমূহ সমিতিয়ে পৰ্যালোচনা কৰে।

মূল চুক্তিখনত এনে কোনো ব্যৱস্থা নাই যাৰ জৰিয়তে চুক্তিয়ে প্ৰদান কৰা নিজৰ অধিকাৰ উলংঘা হোৱা বুলি অনুভৱ কৰা ব্যক্তি বা গোটসমূহে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সমিতিৰ ওচৰত আনুষ্ঠানিক অভিযোগ দাখিল কৰিব পাৰে। এইধৰণৰ কোনো ব্যৱস্থা নথকাৰ ফলত মানৱ অধিকাৰ উলংঘনৰ ভুক্তভোগীসকলে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ন্যায়বিচাৰ লাভ কৰাৰ সুযোগ সীমিত হৈ পৰে।

১৯৯০ চনৰ পৰা কমিটীয়ে এনে এক সুসংগত ঐচ্ছিক নিয়মাৱলী প্ৰস্তুত কৰাৰ সম্ভাৱনাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই বিষয়টো বিস্তৃতভাৱে আলোচনা কৰি আহিছে। ১৯৯১ চনত অনুষ্ঠিত ষষ্ঠ অধিবেশনত কমিটীয়ে চুক্তিখনৰ ব্যৱহাৰিক ৰূপায়ণ অধিক ফলপ্ৰসূ কৰাৰ উদ্দেশ্যে এখন ঐচ্ছিক নিয়মাবলীৰ খচৰা প্ৰস্তুত কৰাৰ সমৰ্থন জনায়।

অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ ঐচ্ছিক নিয়মাৱলী হৈছে এখন আন্তঃৰাষ্ট্ৰীয় চুক্তি, যিয়ে ব্যক্তিগত অভিযোগ, ৰাষ্ট্ৰৰ মাজৰ যোগাযোগ আৰু তদন্ত ব্যৱস্থা স্থাপন কৰে।

চুক্তিখনৰ উদ্দেশ্য পূৰণ আৰু ইয়াৰ বিধানসমূহ কাৰ্যকৰী কৰাৰ বাবে, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ বিষয়ক কমিটীয়ে এই বৰ্তমানৰ নিয়মাবলীত উল্লিখিত কাৰ্যসমূহ সম্পাদন কৰে।

যি ৰাষ্ট্ৰ মূল চুক্তিৰ পক্ষভুক্ত আৰু এই নিয়মাৱলীৰো পক্ষভুক্ত হয়, সেই ৰাষ্ট্ৰই কমিটীৰ অভিযোগ গ্ৰহণ আৰু বিবেচনা কৰাৰ ক্ষমতা স্বীকাৰ কৰে। কিন্তু যি ৰাষ্ট্ৰ এই নিয়মাৱলীৰ পক্ষভুক্ত নহয়, সেই ৰাষ্ট্ৰৰ পৰা কমিটীয়ে কোনো অভিযোগ গ্ৰহণ নকৰে।

এই নিয়মাৱলী ২০০৮ চনৰ ১০ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গৃহীত কৰে আৰু ২০০৯ চনৰ ২৪ ছেপ্টেম্বৰত স্বাক্ষৰৰ বাবে মুকলি কৰা হয়। ২০১৩ চনৰ ৫ মে' তাৰিখে এই নিয়মাৱলী কাৰ্যকৰী হয়।

দুয়োখন চুক্তিৰ মাজৰ সম্পৰ্ক

মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা গ্ৰহণ কৰাৰ সময়ত নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ আৰু অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ মাজত কোনো পৃথকত্ব নাছিল। ঘোষণাখনত নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ আৰু অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ দুয়ো ধৰণৰ অধিকাৰ অন্তৰ্ভুক্ত কৰা হৈছিল। পিছলৈ শীতল যুদ্ধৰ সময়ত এই দুয়ো ধৰণৰ অধিকাৰৰ মাজত পাৰ্থক্য সৃষ্টি হয়, যাৰ ফলত দুখন পৃথক আন্তঃৰাষ্ট্ৰীয় চুক্তি খচৰা প্ৰস্তুত কৰা হয়।

দুয়োখন চুক্তিৰ প্ৰস্তাৱনা আৰু ১, ২, ৩ আৰু ৫ নং অনুচ্ছেদ প্ৰায় একে। দুয়োখন চুক্তিৰ প্ৰস্তাৱনাত স্বীকাৰ কৰা হৈছে যে এই অধিকাৰসমূহ মানৱসত্তাৰ অন্তৰ্নিহিত মৰ্যাদাৰ পৰা উদ্ভৱ হৈছে। দুয়োখন চুক্তিৰ ১ নং অনুচ্ছেদত কোৱা হৈছে যে সকলো জনগণৰ আত্মনিৰ্ণয়ৰ অধিকাৰ আছে আৰু এই অধিকাৰৰ ভিত্তিত তেওঁলোকে নিজৰ ৰাজনৈতিক মৰ্যাদা নিৰ্ধাৰণ কৰাৰ লগতে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়ন সাধন কৰিবলৈ স্বাধীন। দুয়োখন চুক্তিৰ ২ নং অনুচ্ছেদত বৈষম্যহীনতাৰ নীতি পুনৰ নিশ্চিত কৰা হৈছে। ৩নং অনুচ্ছেদত ৰাষ্ট্ৰসমূহে পুৰুষ আৰু মহিলাৰ সমান অধিকাৰ নিশ্চিত কৰিব লাগিব বুলি উল্লেখ কৰা হৈছে। দুয়োখন চুক্তিৰ ৫ নং অনুচ্ছেদত যিকোনো মানৱ অধিকাৰ বা মৌলিক স্বাধীনতাৰ খৰ্ব অথবা অযৌক্তিক সীমাবদ্ধতাৰ বিৰুদ্ধে সুৰক্ষা প্ৰদান কৰা হৈছে।

দুয়োখন চুক্তিৰ পাৰস্পৰিক সম্পৰ্কই ১৯৬৮ চনত তেহৰানত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সম্মিলনতত আনুষ্ঠানিকভাৱে স্বীকৃতি লাভ কৰে। এই সম্মিলনত উল্লেখ কৰা হৈছিল যে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ উপভোগ নকৰাকৈ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ পূৰ্ণ বাস্তৱায়ন সম্ভব নহয়।

২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ অধিকাৰ হৈছে ব্যক্তিৰ অবিচ্ছেদ্য অধিকাৰ, যিয়ে তেওঁলোকক মানুহ হিচাপে মৰ্যাদা আৰু সম্মান প্ৰদান কৰে।
- সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা আন্তঃৰাষ্ট্ৰীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তি আৰু আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তি- এই তিনিখনে একেলগে "আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ বিধেয়ক" গঠন কৰে।
- দুয়োখন চুক্তি ১৯৬৬ চনৰ ১৬ ডিচেম্বৰত গৃহীত হৈছিল। সেই অনুসৰি- অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তি ১৯৭৬ চনৰ ৩ জানুৱাৰীত কাৰ্যকৰী হয় আৰু নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তি ১৯৭৬ চনৰ ২৩ মাৰ্চত কাৰ্যকৰী হয়।
- ঐচ্ছিক নিয়মাবলী ১৯৭৬ চনৰ ২৩ মাৰ্চত কাৰ্যকৰী হয়।
- দ্বিতীয় ঐচ্ছিক নিয়মাৱলী ১৯৯১ চনৰ ১১ জুলাইত কাৰ্যকৰী হয়।
- ভাৰত দুয়োখন চুক্তি অনুমোদন কৰিছে, কিন্তু ঐচ্ছিক নিয়মাৱলীসমূহ অনুমোদন কৰা নাই।
- প্ৰথম ঐচ্ছিক নিয়মাবলী "ব্যক্তিগত যোগাযোগ ব্যবস্থা"ৰ সৈতে জড়িত। দ্বিতীয় ঐচ্ছিক নিয়মাৱলী "মৃত্যুদণ্ড বিলোপ"ৰ সৈতে জড়িত।
- অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ বিষয়ক ঐচ্ছিক নিয়মাবলী ২০০৮ চনৰ ১০ ডিচেম্বৰত গৃহীত হয় আৰু ২০১৩ চনৰ ৫ মে' তাৰিখে কাৰ্যকৰী হয়।

২.১১ অধিক জানিবলৈ

1. Agarwal, Dr H.O. (2009): *International Law & Human Rights*. Sixteenth Edition, Central Law Publications: Allahabad.
2. Yasin, Adil-ul-Yasin &Upadhyay Archana.(2006): *Human Rights*. First Edition, Akansha Publishing House: New Delhi.
3. Kapoor, S.K. (2005): *Human Rights under International Law & Indian Law*: Third Edition, Central Law Agency: Allahabad.

২.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰ হৈছে মানুহৰ অবিচ্ছেদ্য অধিকাৰ। মানৱ অধিকাৰ জন্মগত অধিকাৰ, যিয়ে এজন ব্যক্তিক মানৱ হিচাপে মৰ্যাদা প্ৰদান কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰৰ সৰ্বজনীন ঘোষণা, নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তি আৰু অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তি একেলগে "আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ বিধেয়ক" গঠন কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তি ১৯৬৬ চনৰ ১৬ ডিচেম্বৰত গৃহীত হৈছিল। ই ১৯৭৬ চনৰ ২৩ মাৰ্চত কাৰ্যকৰী হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় দ্বিতীয় ঐচ্ছিক নিয়মাবলী ১৯৯১ চনৰ ১১ জুলাইত কাৰ্যকৰী হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বিতীয় ঐচ্ছিক নিয়মাবলীত মৃত্যুদণ্ড বিলুপ্তিৰ বিষয়ে উল্লেখ কৰে। ভাৰতে নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ এই দ্বিতীয় ঐচ্ছিক নিয়মাৱলীত এতিয়ালৈকে অনুমোদন জনোৱা নাই।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ তৃতীয় ভাগত মৌলিক বা বিষয়বস্তুগত অধিকাৰসমূহ বৰ্ণনা কৰা হৈছে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ চতুৰ্থ ভাগত মানৱ অধিকাৰ সমিতিৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তি ১৯৬৬ চনৰ ১৬ ডিচেম্বৰত গৃহীত হৈছিল আৰু ই ১৯৭৬ চনৰ ৬ জানুৱাৰীৰ পৰা কাৰ্যকৰী হয়।

২.১৩ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পৰ্কীয় চুক্তিৰ ঐচ্ছিক নিয়মাৱলী কেতিয়া গৃহীত হৈছিল আৰু কেতিয়া কাৰ্যকৰী হৈছিল?

প্ৰশ্ন ২ ঃ দ্বিতীয় ঐচ্ছিক প্ৰট'কল কোন চনত কাৰ্যকৰী হৈছিল?

প্ৰশ্ন ৩ ঃ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পৰ্কীয় ঐচ্ছিক নিয়মাৱলীৰ তাৎপৰ্য কি?

প্ৰশ্ন ৪ ঃ মানৱ অধিকাৰৰ সৰ্বজনীন ঘোষণা বিষয়ে এটি টোকা লিখা।

প্ৰশ্ন ৫ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় দ্বিতীয় ঐচ্ছিক নিয়মাৱলীৰ বিষয়ে বৰ্ণনা কৰা।

প্ৰশ্ন ৬ ঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিত উল্লেখ কৰা অধিকাৰসমূহ বিস্তৃতভাৱে আলোচনা কৰা।

প্ৰশ্ন ৭ ঃ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিত উল্লেখ কৰা অধিকাৰসমূহ আলোচনা কৰা।

****

অধ্যায় ৩ ঃ ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ আন্তঃৰাষ্ট্ৰীয় শৰণাৰ্থী আইনৰ ঐতিহাসিক বিকাশ
৩.৪ মানৱ অধিকাৰ আৰু ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত
৩.৫ ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR)-ৰ সাংগঠনিক গাঁথনি
৩.৬ শৰণাৰ্থীসকলৰ অধিকাৰ
৩.৭ ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR)-ৰ ভূমিকা
৩.৮ ভাৰতত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR)-ৰ ভূমিকা
৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.১০ অধিক জানিবলৈ
৩.১১ অগ্ৰগতিৰ খতিয়ান
৩.১২ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আন্তঃৰাষ্ট্ৰীয় শৰণাৰ্থী আইনৰ ঐতিহাসিক বিকাশ বৰ্ণনা কৰিব পাৰিব।
- ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR)-ৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- শৰণাৰ্থীসকলৰ অধিকাৰৰ বিষয়ে জানিব পাৰিব ।
- ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR)-ৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

শৰণাৰ্থী বুলি সেইসকল ব্যক্তিক বুজোৱা হয়, যিসকলে নিৰ্যাতন বা সামৰিক কাৰ্যকলাপৰ পৰা নিজকে ৰক্ষা কৰিবলৈ তেওঁলোকৰ স্থায়ী বাসস্থান থকা ৰাষ্ট্ৰ ত্যাগ কৰে। ১৯৫১ চনৰ শৰণাৰ্থী মৰ্যাদা সম্পৰ্কীয় চুক্তি (Convention Relating to the Status of Refugees)এ ইয়াৰ ১ নং অনুচ্ছেদত শৰণাৰ্থীৰ সংজ্ঞা এনেদৰে নিৰ্ধাৰণ কৰিছে- "জাতি, ধৰ্ম, ৰাষ্ট্ৰীয়তা, কোনো বিশেষ সামাজিক গোটৰ সদস্যপদ বা ৰাজনৈতিক মতামতৰ কাৰণে নিৰ্যাতিত হোৱাৰ সুপ্ৰতিষ্ঠিত ভয়ৰ বাবে যি ব্যক্তি নিজৰ ৰাষ্ট্ৰীয়তাৰ দেশৰ বাহিৰত আছে আৰু সেই দেশৰ সুৰক্ষা গ্ৰহণ কৰিবলৈ অক্ষম অথবা এনে ভয়ৰ বাবে অনিচ্ছুক, অথবা যিজন ব্যক্তিৰ কোনো ৰাষ্ট্ৰীয়তা নাই আৰু এনে ঘটনাৰ ফলত তেওঁৰ পূৰ্বৰ স্বাভাৰিক বাসস্থানৰ দেশৰ বাহিৰত আছে আৰু যিজন সেই দেশলৈ উভতি যাবলৈ অক্ষম বা এনে ভয়ৰ বাবে অনিচ্ছুক।"

মানৱীয় ক্ষেত্ৰত বিংশ শতিকাৰ অন্যতম উল্লেখযোগ্য সাফল্য হৈছে এই নীতি প্ৰতিষ্ঠা কৰা যে শৰণাৰ্থীৰ সমস্যা আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ বাবে এক গুৰুত্বপূৰ্ণ উদ্বেগৰ বিষয় আৰু এই সমস্যাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু দায়িত্ব তথা বোজা ভাগ-বতৰা কৰাটো অতি প্ৰয়োজনীয়। শান্তি ৰক্ষাৰ ক্ষেত্ৰত দেখা দিয়া নিৰাপত্তাজনিত ভাবুকিৰ ফলত আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায় বিভিন্ন চাপৰ সম্মুখীন হৈছে। শৰণাৰ্থীসকলৰ মাজত থকা নিৰাপত্তাহীনতাৰ অনুভূতি দূৰ কৰাৰ বাবে শৰণাৰ্থী আইনে স্থানচ্যুত ব্যক্তিসকলৰ মৰ্যাদা আৰু আত্মসম্মানৰ বিৰুদ্ধে যোৱা সকলো কাৰ্যকলাপ দমন কৰে। আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা শক্তিশালী কৰাৰ উদ্দেশ্যে শৰণাৰ্থী আইনে আন্তঃৰাষ্ট্ৰীয়

উত্তেজনা হ্রাস কৰি সামাজিক আৰু অর্থনৈতিক ব্যবস্থা নির্বিশেষে সকলো ৰাষ্ট্রৰ মাজত পাৰস্পৰিক সহযোগিতা গঢ়ি তোলাৰ লক্ষ্য ৰাখে।

"শৰণাৰ্থী" সমস্যাক ৰাষ্ট্রসংঘৰ পূর্বসূৰী জাতিসংঘ বা লীগ অৰ নেশান (League of Nations)- এ মানবীয় দৃষ্টিকোণৰ পৰা সংবেদনশীলতাৰে মোকাবিলা কৰিছিল। প্রথম বিশ্বযুদ্ধৰ পৰবর্তী পৰিস্থিতিয়ে মানৰ সভ্যতাৰ ওপৰত গভীৰ প্রভাৱ পেলাইছিল। বিশ্বযুদ্ধৰ ভয়াবহ পৰিণতিয়ে শান্তি আৰু নিৰাপত্তা বজাই ৰাখিবলৈ এক কেন্দ্রীভূত ব্যবস্থাৰ প্রয়োজনীয়তা অনুভৱ কৰাইছিল। ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক কাৰকসমূহে শৰণাৰ্থী আইনক এক সুসংগঠিত ৰূপ দিয়াৰ ক্ষেত্রত গুৰুত্বপূর্ণ চালিকা শক্তিৰ ভূমিকা পালন কৰিছিল।

ৰাষ্ট্রসংঘই "শৰণাৰ্থী"ৰ সংজ্ঞা নির্ধাৰণৰ বাবে দুটা গুৰুত্বপূর্ণ প্রচেষ্টা চলাইছিল। প্রথমটো হৈছিল ১৯৫০ চনত, ৰাষ্ট্রসংঘৰ শৰণাৰ্থীসকলৰ বাবে উচ্চায়ুক্তৰ কার্যালয়ৰ (Office of the UN High Commissioner for Refugees) আৰ্হি প্রস্তুত কৰাৰ সময়ত আৰু দ্বিতীয়টো হৈছিল ১৯৫১ চনত, যেতিয়া ৰাষ্ট্রসংঘৰ পূর্ণাধিকাৰী প্রতিনিধিসকলৰ সম্মিলনে শৰণাৰ্থীৰ মর্যাদা সম্পর্কীয় চুক্তি (Convention relating to the Status of Refugees) গ্রহণ কৰাৰ সময়ত।

"১৯৫১ চনৰ চুক্তি" শৰণাৰ্থী সুৰক্ষাৰ ক্ষেত্রত এক ঐতিহাসিক মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। ইয়াত দিয়া শৰণাৰ্থীৰ সংজ্ঞা প্রথম বিশ্বযুদ্ধৰ পৰৱর্তী পৰিস্থিতিৰ ফলস্বৰূপে বিকশিত হৈছিল।

আন্তঃৰাষ্ট্রীয় শৰণাৰ্থী আইনৰ অধীনত "শৰণাৰ্থী" বুলিলে এনে ব্যজিক বুজোৱা হয়, যিজন ৰাজনৈতিক অস্থিৰতা, নির্যাতন, দুর্ভিক্ষ অথবা প্রাকৃতিক দুর্যোগৰ ফলত নিজৰ জন্ম ৰাষ্ট্র বা বাসস্থান ত্যাগ কৰিবলৈ বাধ্য হয়।

৩.৩ আন্তঃৰাষ্ট্রীয় শৰণাৰ্থী আইনৰ ঐতিহাসিক বিকাশ

প্রথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ দৰে বর্বৰ যুদ্ধৰ তিক্ত অভিজ্ঞতাৰ ফলত মানৰ অধিকাৰ আৰু মানৰীয় আইনে শৰণাৰ্থী সুৰক্ষাৰ বিকাশত গুৰুত্বপূর্ণ প্রভাৱ পেলাইছিল। শৰণাৰ্থীসকলক সুৰক্ষা প্রদান কৰাৰ বাবে আন্তঃৰাষ্ট্রীয় পর্যায়ত প্রতিশ্রুতি গ্রহণ কৰা হৈছিল আৰু তেওঁলোকৰ নিৰাপত্তা আৰু সুৰক্ষাৰ বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰা হৈছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ সময়ছোৱাত ৰাষ্ট্রসমূহৰ ৰাষ্ট্রীয় স্বার্থ আৰু তেওঁলোকৰ ৰাজনৈতিক-অর্থনৈতিক ব্যৱস্থাই আন্তঃৰাষ্ট্রীয় আইনৰ ক্ষেত্রত প্রধান গুৰুত্ব লাভ কৰিছিল।

শৰণাৰ্থীসকলৰ বাবে আন্তঃৰাষ্ট্রীয় পর্যায়ত গ্রহণ কৰা পদক্ষেপ ১৯২০ দশকলৈকে আৰম্ভ হোৱা নাছিল। ১৯২০ চনৰ সময়ছোৱাত ন'ৱেৰ ডঁ ফ্রিডটজফ নানছেনে (Dr. Fridtjof Nansen) শৰণাৰ্থীসকলক সহায় আগবঢ়াইছিল। তেওঁৰ অসাধাৰণ অবদানে শৰণাৰ্থীসকলৰ সুৰক্ষা আৰু সহায়ৰ বাবে এক আন্তঃৰাষ্ট্রীয় ব্যবস্থা গঠনৰ সপক্ষে বিশ্বজনমত সৃষ্টি কৰাত সহায় কৰিছিল। ১৯২১ চনৰ ২৭ জুনত জাতিসংঘ বা লীগ অব নেশ্যন্ছ (League of Nations)- এ ৰাছিয়ান শৰণাৰ্থীসকলৰ বাবে উচ্চায়ুক্তৰ কার্যালয় (Office of the High Commissioner for the Russian Refugees) প্রতিষ্ঠা কৰে। ডঁ নানছেনক ৰাছিয়ান শৰণাৰ্থীসকলৰ বাবে প্রথমজন উচ্চায়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছিল। শৰণাৰ্থীসকলৰ সেৱাত তেওঁৰ নেতৃত্ব, উদ্যম আৰু নিষ্ঠাৰ বাবে ডঁ নানছেনক শান্তিৰ নোবেল বঁটা প্রদান কৰা হৈছিল।

১৯৩০ চনত নানছেনৰ মৃত্যুৰ পিছত জাতিসংঘ বা লীগ অব নেশ্যনছৰ সভাই (Assembly of League of Nations) উচ্চায়ুক্তৰ পদটো বিলুপ্ত কৰে আৰু শৰণাৰ্থীসকলৰ সুৰক্ষাৰ দায়িত্ব নানছেন আন্তঃৰাষ্ট্রীয় শৰনার্থী কার্যালয়ৰ (Nansen International Office for Refugees) ওপৰত অর্পণ কৰে। যাক সাধাৰণতে নানছেন কার্যালয় বুলিও জনা যায়। এই কার্যালয়ৰ সর্বোচ্চ কর্তৃত্ব এটা পৰিচালনা সংস্থাৰ হাতত ন্যস্ত কৰা হৈছিল, যাৰ নেতৃত্বত সভাই মনোনীত কৰা এজন সভাপতি আছিল। ১৯৩৩ চনত হিটলাৰে ক্ষমতা দখল কৰাৰ পিছত, ১৯৩৮ চনত অষ্ট্রিয়া আৰু ১৯৩৯ চনত চেকোস্লোভাকিয়া সংযুক্ত কৰাৰ ফলত শৰণাৰ্থীৰ সমস্যা অতি ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত অসংখ্য সাধাৰণ নাগৰিক স্থানচ্যুত হোৱাৰ ফলতো শৰণাৰ্থীৰ সমস্যাই আৰু

অধিক গুৰুতৰ ৰূপ ধাৰণ কৰিছিল।

দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ পিছত শৰণাৰ্থী আৰু স্থানচ্যুত ব্যক্তিসকলৰ সমস্যাৰ সৈতে জড়িত প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় সংস্থা আছিল ৰাষ্ট্ৰসংঘ সাহায্য আৰু পুনৰ্বাসন প্ৰশাসন (United Nations Relief and Rehabilitation Administration চমুকৈ UNRRA)। এই সংস্থাটো ১৯৪৩ চনৰ ৯ নবেম্বৰ তাৰিখে প্ৰতিষ্ঠা কৰা হৈছিল।

আন্তঃৰাষ্ট্ৰীয় শৰণাৰ্থী সংস্থাৰ (International Refugee Organization, IRO) কাৰণে এখন প্ৰস্তুতিমূলক আয়োগ অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় শৰণাৰ্থী সংস্থাৰ প্ৰস্তুতিমূলক আয়োগ (Preparatory Commission for International Refugee Organization, PCIRO) ১৯৪৭ চনৰ ১ জুলাই তাৰিখে প্ৰতিষ্ঠা কৰা হৈছিল। এই আয়োগে শৰণাৰ্থী আৰু স্থানচ্যুত ব্যক্তিসকলৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘ সাহায্য আৰু পুনৰ্বাসন প্ৰশাসনে (UNRRA) পূৰ্বতে সম্পাদন কৰি অহা কাৰ্য আৰু দায়িত্বসমূহ গ্ৰহণ কৰিছিল। আন্তঃৰাষ্ট্ৰীয় শৰণাৰ্থী সংস্থাৰ প্ৰস্তুতিমূলক আয়োগে (PCIRO) ১৯৪৮ চনৰ ২০ আগষ্ট পৰ্যন্ত এই কাৰ্যসমূহ সম্পাদন কৰিছিল। ১৯৪৮ চনৰ ২০ আগষ্ট তাৰিখে আন্তঃৰাষ্ট্ৰীয় শৰণাৰ্থী সংস্থাই (IRO) প্ৰস্তুতিমূলক আয়োগ (Preparatory Commission)-ৰ উত্তৰাধিকাৰী হিচাপে কাম আৰম্ভ কৰে। ১৯৫২ চনৰ ফেব্ৰুৱাৰী মাহত আন্তঃৰাষ্ট্ৰীয় শৰণাৰ্থী সংস্থাই ইয়াৰ কাৰ্যকলাপ বন্ধ কৰাৰ সময়লৈকে সমগ্ৰ বিশ্বৰ বিভিন্ন স্থানত এক নিযুততকৈ অধিক স্থানচ্যুত ব্যক্তি আৰু শৰণাৰ্থীক নতুন বাসস্থানত পুনৰ সংস্থাপিত কৰিছিল।

শৰণাৰ্থী আইন ক্ৰমাগতভাৱে বিকশিত হোৱাৰ লগে লগে ১৯৫০ চনৰ ১৪ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ৰাষ্ট্ৰসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (United Nations High Commissioner for Refugees, UNHCR) কাৰ্যালয়ৰ বিধি (Statute) গ্ৰহণ কৰে। ১৯৫১ চনৰ ১ জানুৱাৰী তাৰিখে ৰাষ্ট্ৰসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তই আনুষ্ঠানিকভাৱে কাম আৰম্ভ কৰে।

৩.৪ মানৱ অধিকাৰ আৰু ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR)

আন্তঃৰাষ্ট্ৰীয় শৰণাৰ্থী সংস্থাৰ (IRO) পৰা ৰাষ্ট্ৰসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তলৈ (United Nations High Commissioner for Refugees, UNHCR) ৰূপান্তৰৰ মূল উদ্দেশ্য আছিল দ্বিতীয় বিশ্বযুদ্ধৰ ফলত স্থানচ্যুত হোৱা ব্যক্তিসকলক সুৰক্ষা প্ৰদান কৰা। ১৯৫০ চনৰ ১৪ ডিচেম্বৰ তাৰিখে সাধাৰণ সভাই ৪২৮ (৬) নং প্ৰস্তাৱ যোগেদি ৰাষ্ট্ৰসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR) প্ৰতিষ্ঠা কৰে।

শৰণাৰ্থীসকল হৈছে গুৰুতৰ মানৱ অধিকাৰ উলংঘনৰ ভুক্তভোগী। তেওঁলোক হৈছে নিৰ্দিষ্ট এক জাতীয় ৰাষ্ট্ৰৰ সুৰক্ষাৰ পৰা বঞ্চিত এক সুকীয়া ব্যক্তিৰ গোট। গুৰুতৰ মানৱ অধিকাৰ উলংঘনে শৰণাৰ্থীৰ প্ৰবাহ সৃষ্টি কৰিব পাৰে, সেই ফালৰ পৰা মানৱ অধিকাৰ আৰু শৰণাৰ্থীৰ মাজৰ সম্পৰ্ক স্পষ্ট। মানৱ অধিকাৰৰ পুনঃপ্ৰতিষ্ঠা আৰু সম্মানৰ দ্বাৰা শৰণাৰ্থীসকলে নিৰাপদে নিজৰ গৃহভূমিলৈ উভতি যোৱা আৰু তেওঁলোকৰ সমস্যাসমূহ সমাধান সম্ভৱ হৈ উঠে। শৰণাৰ্থীৰ সমস্যা এক আন্তঃৰাষ্ট্ৰীয় সমস্যা, কাৰণ এই সমস্যাৰ সৈতে সাধাৰণতে দুই বা ততোধিক ৰাষ্ট্ৰ জড়িত হৈ থাকে। শৰণাৰ্থীসকলে এখন ৰাষ্ট্ৰৰ পৰা আন এখন ৰাষ্ট্ৰলৈ পলাই যাবলগীয়া হয়, সেয়েহে, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা অবিহনে শৰণাৰ্থীৰ সমস্যাৰ স্থায়ী সমাধান সম্ভৱ নহয়।

ৰাষ্ট্ৰসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ (UNHCR) মুখ্য কাৰ্য হৈছে শৰণাৰ্থীসকলৰ মানৱ অধিকাৰ সুৰক্ষিত কৰা। ইয়াৰ কিছুমান গুৰুত্বপূৰ্ণ কাৰ্যাবলী হৈছে—

(ক) শৰণাৰ্থীসকলক স্বেচ্ছাই নিজ দেশলৈ ঘূৰি যাবলৈ সুবিধা কৰি দিয়া।

(খ) নতুন ৰাষ্ট্ৰীয় সমাজৰ সৈতে শৰণাৰ্থীসকলক একীভূত বা সমন্বয় সাধনত কৰাত সহায় কৰা।

(গ) সংঘাতৰ ফলত স্থানচ্যুত হোৱা শৰণাৰ্থীসকলৰ দুৰ্দশা দূৰ কৰাত সহায় কৰা।

(ঘ) প্ৰত্যাৱৰ্তন (repatriation) আৰু পুনৰ সংস্থাপনৰ (settlement) উদ্দেশ্য সম্মুখত ৰাখি এনেধৰণৰ বিভিন্ন কাৰ্যকলাপত জড়িত হোৱা, যিটো সাধাৰণ সভাই নিৰ্ধাৰণ কৰিব পাৰে।

ওপৰত উল্লেখ কৰা কাৰ্যসমূহ মূলতঃ শৰণাৰ্থীসকলৰ মানৱ অধিকাৰ সুৰক্ষাৰ সৈতে জড়িত।

৩.৫ ৰাষ্ট্রসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR)-ৰ সাংগঠনিক গাঁথনি

১৯৫১ চনৰ ১ জানুৱাৰী তাৰিখে ৰাষ্ট্রসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR) প্রতিষ্ঠা বা আৰম্ভণি হয়। ৰাষ্ট্রসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত হৈছে ৰাষ্ট্রসংঘৰ সাধাৰণ সভাৰ অধীনস্থ এক অংগ (subsidiary organ) আৰু ই সাধাৰণ সভাৰ কর্তৃত্বৰ অধীনত কাম কৰে। উচ্চায়ুক্তগৰাকীয়ে প্রতি বছৰে সাধাৰণ সভাৰ ওচৰত অর্থনৈতিক আৰু সামাজিক পৰিষদ (ECOSOC)-ৰ জৰিয়তে প্রতিবেদন দাখিল কৰিব লাগে আৰু এই প্রতিবেদন সাধাৰণ সভাত এটা পৃথক বিষয় হিচাপে বিবেচনা কৰা হয়। ৰাষ্ট্রসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ মুখ্য কার্যালয় ছুইজাৰলেণ্ডৰ জেনেভাত অবস্থিত।

উচ্চায়ুক্তৰ কার্যসূচী এক ৩০ জনীয়া কার্যবাহী সমিতিয়ে পৰিচালনা কৰে। এই সমিতিয়ে সাধাৰণতে বছৰত দুবাৰ জেনেভাত বৈঠক অনুষ্ঠিত কৰে। এই সমিতি ৰাষ্ট্রসংঘৰ সদস্য ৰাষ্ট্র আৰু বিশেষায়িত সংস্থাসমূহৰ প্রতিনিধিৰে গঠিত। তেওঁলোকক অর্থনৈতিক আৰু সামাজিক পৰিষদে শৰণাৰ্থী সমস্যাৰ সমাধানৰ প্রতি আগ্রহ আৰু ইয়াৰ বাবে নিজকে নিয়োজিত কৰা ৰাষ্ট্রসমূহৰ পৰা ভৌগোলিক ভিত্তিত নির্বাচন কৰে।

৩.৬ শৰণাৰ্থীসকলৰ অধিকাৰ

শৰণাৰ্থী সমস্যাৰ সৈতে জড়িত আটাইতকৈ গুৰুত্বপূর্ণ আন্তঃৰাষ্ট্রীয় দলিলখন হৈছে ১৯৫১ চনৰ শৰণাৰ্থীৰ মর্যাদা সম্পর্কীয় চুক্তি। 'কোনো ধৰণৰ বৈষম্য নকৰাকৈ সকলো মানুহে মৌলিক অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰিব লাগে'- ৰাষ্ট্রসংঘৰ চনদ (Charter of the United Nations) আৰু বিশ্বজনীন মানব অধিকাৰ ঘোষণাপত্র (Universal Declaration of Human Rights)-এ স্বীকাৰ কৰা এই নীতি বিবেচনা কৰি এই চুক্তিখন গ্রহণ কৰা হয়। ১৯৫৪ চনৰ ২২ এপ্রিল তাৰিখৰ পৰা এই চুক্তি কার্যকৰী হয়।

এই চুক্তিয়ে শৰণাৰ্থীসকলৰ অধিকাৰসমূহ নির্ধাৰণ কৰিছে। মানবীয়তাৰ আধাৰত স্থানচ্যুত ব্যক্তিসকলৰ কল্যাণ অক্ষুণ্ণ ৰখা আৰু তেওঁলোকৰ মর্যাদা পুনৰুদ্ধাৰ কৰাৰ উদ্দেশ্যে শৰণাৰ্থীসকলক মৌলিক মানৱ অধিকাৰ প্রদান কৰিব লাগে। ১৯৫১ চনৰ চুক্তিখনে চৰকাৰসমূহে পালন কৰিবলগীয়া শৰণাৰ্থীসকলৰ প্রতি ন্যূনতম মানদণ্ডৰ আচৰণ অন্তর্ভুক্ত কৰি তেওঁলোকৰ অধিকাৰ সুৰক্ষিত কৰাৰ লক্ষ্য ৰাখিছে।

(১) মৌলিক বা বুনিয়াদী অধিকাৰ

ক) ধর্মীয় অধিকাৰ
খ) বৈষম্যৰ বিৰুদ্ধে অধিকাৰ
গ) বিবাহৰ অধিকাৰ
ঘ) স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি আহৰণৰ অধিকাৰ
ঙ) আদালতৰ কাষ চপাৰ অধিকাৰ

(২) সামাজিক আৰু অর্থনৈতিক অধিকাৰ

ক) মজুৰি উপার্জনমূলক কর্মসংস্থাপনৰ অধিকাৰ
খ) স্ব-নিয়োজনৰ অধিকাৰ
গ) বাসস্থানৰ অধিকাৰ
ঘ) ৰাজহুৱা শিক্ষাৰ অধিকাৰ
ঙ) ৰাজহুৱা সাহায্য আৰু সহায়ৰ অধিকাৰ
চ) সামাজিক সুৰক্ষাৰ অধিকাৰ

(৩) শৰণাৰ্থীসকলৰ কর্তব্য বা দায়বদ্ধতা

চুক্তিখনে কেৱল শৰণাৰ্থীসকলৰ অধিকাৰ নিশ্চিত কৰিবলৈ বিচৰাই নহয়, তেওঁলোকৰ ওপৰত কিছুমান কর্তব্যও আৰোপ কৰিছে। ২নং অনুচ্ছেদত শৰণাৰ্থীসকলৰ সাধাৰণ কর্তব্যৰ বিষয়ে উল্লেখ কৰা হৈছে।

- প্রতিজন শৰণাৰ্থীৰ কৰ্তব্য হৈছে ৰাজহুৱা শৃংখলা বজাই ৰখাৰ বাবে প্রযোজ্য যিকোনো আইনৰ পৰা উদ্ভৱ হোৱা কৰ্তব্যসমূহ পালন কৰা।
- শৰণাৰ্থীসকলে যিখন দেশে তেওঁলোকক আশ্রয় প্রদান কৰিছে, সেই দেশৰ আইন-কানুন মানি চলিব লাগিব আৰু ৰাজহুৱা শৃংখলা বজাই ৰখাত সহযোগ কৰিব লাগিব।

(৪) ১৯৫১ চনৰ চুক্তিৰ অধীনত প্রদান কৰা অধিকাৰ আৰু সুৰক্ষা

১৯৫১ চনৰ চুক্তিৰ পক্ষভুক্ত ৰাষ্ট্রসমূহে স্বীকৃতিপ্রাপ্ত শৰণাৰ্থীসকলক বলপূৰ্বক নিজ দেশলৈ ঘূৰাই পঠিওৱাৰ বিপৰীতে কাৰ্যকৰীভাৱে আশ্রয় আৰু সুৰক্ষা প্রদান কৰে।

অভিবাসী বা শৰণাৰ্থীৰ অধিকাৰ সম্পৰ্কীয় ১৯৫১ চনৰ চুক্তিৰ ৩৩ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে কোনো চুক্তিবদ্ধ ৰাষ্ট্রই কোনো শৰণাৰ্থীক কোনোধৰণে এনে কোনো ভূখণ্ডৰ সীমালৈ বহিষ্কাৰ বা ঘুৰাই পঠিয়াব নোৱাৰিব, য'ত তেওঁৰ জাতি, ধৰ্ম, ৰাষ্ট্রীয়তা, কোনো বিশেষ সামাজিক গোটৰ সদস্যপদ বা ৰাজনৈতিক মতামতৰ কাৰণে তেওঁৰ জীবন বা স্বাধীনতা বিপদাপন্ন হোৱাৰ সম্ভাৱনা থাকে।

অপ্রত্যাবৰ্তন নীতিৰ (Non-Refoulement) নিশ্চিত কৰে যে কোনো শৰণাৰ্থীক এনে কোনো দেশলৈ ঘূৰাই পঠিওৱা উচিত নহয়, য'ত তেওঁ নিৰ্যাতন বা অত্যাচাৰৰ সম্মুখীন হোৱাৰ সম্ভাৱনা থাকে। "Non-Refoulement" শব্দটোৰ উৎপত্তি ফৰাচী শব্দ "refouler"-ৰ পৰা হৈছে, যাৰ অৰ্থ হৈছে পিছলৈ খেদি পঠোৱা বা বাধা দি ঘুৰাই দিয়া বা প্রতিহত কৰা।

১৯৫১ চনৰ চুক্তিৰ ৩৩(১) নং অনুচ্ছেদে অপ্রত্যাৱৰ্তন নীতিক আনুষ্ঠানিকভাৱে স্বীকৃতি দিছে। চুক্তিখনৰ বিধান অনুসৰি কোনো চুক্তিবদ্ধ ৰাষ্ট্রই কোনো শৰণাৰ্থীক কোনোধৰণে এনে কোনো ভূখণ্ডলৈ বহিষ্কাৰ বা ঘূৰাই পঠিয়াব নোৱাৰিব, য'ত তেওঁৰ জাতি, ধৰ্ম, ৰাষ্ট্রীয়তা, কোনো বিশেষ সামাজিক গোটৰ সদস্যপদ বা ৰাজনৈতিক মতামতৰ কাৰণে তেওঁৰ জীবন বা স্বাধীনতা বিপন্ন হ'ব পাৰে।

চুক্তিখনৰ চতুৰ্থ অধ্যায়ত ২০ৰ পৰা ৩৩ নং অনুচ্ছেদলৈ শৰণাৰ্থীসকলৰ 'কল্যাণ' সম্পৰ্কীয় ব্যৱস্থাসমূহ উল্লেখ কৰা হৈছে। ৰাষ্ট্রসমূহে শৰণাৰ্থীসকলক নিজৰ দেশৰ নাগৰিকৰ দৰেই ব্যৱহাৰ কৰিব লাগিব। চুক্তিবদ্ধ ৰাষ্ট্রসমূহে শৰণাৰ্থীসকলক প্রাথমিক শিক্ষা, ৰাজহুৱা সাহায্য আৰু সহায়, শ্রমিক আইন আৰু সামাজিক সুৰক্ষাৰ ক্ষেত্রত নিজৰ নাগৰিকসকলক দিয়াৰ দৰে একে ধৰণৰ ব্যৱস্থা আৰু সুবিধা প্রদান কৰিব লাগিব। শৰণাৰ্থীসকলৰ নিজৰ বাসস্থান বাছি লোৱাৰ আৰু সেই ৰাষ্ট্রখনৰ ভূখণ্ডৰ ভিতৰত স্বাধীনভাৱে চলাচল কৰাৰ অধিকাৰ থাকিব। চুক্তিবদ্ধ ৰাষ্ট্রসমূহে নিজৰ নাগৰিকৰ ওপৰত আৰোপ কৰা যি কোনো ধৰণৰ শুদ্ধ, কৰ বা মাচুলৰ তুলনাত শৰণাৰ্থীসকলৰ ওপৰত অতিৰিক্ত কৰ বা মাচুল আৰোপ নকৰিব।

চুক্তিখনৰ ১৬ নং অনুচ্ছেদৰ ১নং দফাত উল্লেখ কৰা হৈছে যে সকলো চুক্তিবদ্ধ ৰাষ্ট্রৰ ভূখণ্ডত প্রতিজন শৰণাৰ্থীৰে আদালতত স্বাধীনভাৱে প্রবেশ কৰা বা ন্যায়িক সুবিধা লাভৰ অধিকাৰ থাকিব।

- **শৰণাৰ্থীৰ মৰ্যাদা সম্পৰ্কীয় ১৯৬৭ চনৰ নিয়মাবলী (প্রট'কল)**

  ১৯৫১ চনৰ চুক্তিখনে মানবীয়তাৰ ভিত্তিত অনুসৰণ কৰিবলগীয়া শৰণাৰ্থীসকলক সুৰক্ষা প্রদানৰ বাবে বিভিন্ন ব্যবস্থা নিৰ্ধাৰণ কৰিছে। চুক্তিখনৰ নিৰ্ধাৰিত চৰ্তসমূহৰ ভিত্তিত শৰণাৰ্থীসকলে আশ্রয় আৰু নিৰাপত্তা বিচৰাৰ অধিকাৰ লাভ কৰে। ১৯৬৭ চনৰ নিয়মাৱলীয়ে ১৯৫১ চনৰ চুক্তিত থকা শৰণাৰ্থীৰ সংজ্ঞাৰ ক্ষেত্রত প্রযোজ্য ভৌগোলিক আৰু সময়গত সীমাবদ্ধতাসমূহ দূৰ কৰাত সহায় কৰে।

  ১৯৫১ চনৰ পূৰ্বৰ ঘটনাৰ সৈতে যিসকল নতুন শৰণাৰ্থীৰ নিৰ্যাতনৰ ভয়ৰ সম্পৰ্ক নথকা, নতুন শৰণাৰ্থীসকলৰ সুৰক্ষা প্রদান কৰাৰ প্রয়োজনীয়তা উপলব্ধি কৰি ১৯৬৭ চনত শৰণাৰ্থীৰ মৰ্যাদা সম্পৰ্কীয় এখন নিয়মাৱলী (Protocol Relating to the Status of Refugees) গ্রহণ কৰা হয় আৰু স্বাক্ষৰৰ বাবে মুকলি কৰি দিয়া হয়। এই নিয়মাবলীখন আন্তঃৰাষ্ট্রীয় শৰণাৰ্থী আইনৰ এক গুৰুত্বপূৰ্ণ চুক্তি। ই ১৯৬৭চনৰ ৪ অক্টোবৰ তাৰিখে কাৰ্যকৰী হয়।

- **১৯৬৭ চনৰ নিয়মাৱলীৰ দ্বাৰা শৰণাৰ্থীৰ মৰ্যাদা বঞ্চিতকৰণৰ ভিত্তি**

  শৰণাৰ্থীৰ মৰ্যাদা নিৰ্ধাৰণ আৰু প্রদান কৰিবলৈ সংশ্লিষ্ট ব্যক্তিজনৰ 'নিৰ্যাতনৰ এক সুপ্রতিষ্ঠিত ভয়' (well-

founded fear of persecution) থাকিব লাগিব। যিসকল ব্যক্তিয়ে কেবল অর্থনৈতিক আৰু ৰাজনৈতিক কাৰণত নিজৰ দেশ এৰি পলাই আহিছে, তেওঁলোকক অর্থনৈতিক প্রব্রজনকাৰী (economic migrants) হিচাপে শ্রেণীভুক্ত কৰা হয় আৰু তেওঁলোকক শৰণাৰ্থীৰ মর্যাদাৰ পৰা বাদ দিয়া হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ "শৰণাৰ্থী" (Refugees) কোনসকল?

প্রশ্ন নং ২ ঃ ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR) সম্পর্কীয় প্রস্তাৱ কেতিয়া গ্রহণ কৰা হৈছিল?

প্রশ্ন নং ৩ ঃ ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR) কেতিয়াৱপৰা কার্যক্ষম হৈছিল?

প্রশ্ন নং ৪ ঃ শৰণাৰ্থীৰ মর্যাদা সম্পর্কীয় চুক্তি (Convention Relating to the Status of Refugees) কেতিয়া গ্রহণ কৰা হৈছিল আৰু কেতিয়া ই কার্যকৰী হৈছিল?

প্রশ্ন নং ৫ ঃ অপ্রত্যাৱর্তন বা অ-পুনৰ প্রেৰণ (Non-refoulement) বুলিলে কি বুজা?

প্রশ্ন নং ৬ ঃ "Non-refoulement" শব্দটোৰ উৎপত্তি ক'ৰ পৰা হৈছে?

প্রশ্ন নং ৭ ঃ শৰণাৰ্থীৰ মর্যাদা সম্পর্কীয় নিয়মাবলী (Protocol to the Status of Refugees) কেতিয়া কার্যকৰী হৈছিল।

৩.৭ ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ (UNHCR) ভূমিকা

ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তই (UNHCR) বিভিন্ন ৰাষ্ট্রৰ পৰা স্থানচ্যুত হোৱা লোকসকলৰ বিষয়সমূহ পৰিচালনা কৰে আৰু স্থানচ্যুতিৰ ফলত নিজৰ ৰাষ্ট্রীয়তা বা নাগৰিকত্বৰ সুবিধাৰ পৰা বঞ্চিত হোৱা লোকসকলক সাধাৰণ সুৰক্ষা প্রদান কৰে। ই কোনো ভৌগোলিক সীমাবদ্ধতা বা আক্রমণৰ কাৰণ নির্বিশেষে যিকোনো কাৰণত স্থানচ্যুত হোৱা শৰণাৰ্থীসকলৰ হৈ কাম কৰে।

১৯৫১ চনৰ শৰণাৰ্থী চুক্তিৰ চুক্তিবদ্ধ ৰাষ্ট্রসমূহে ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ কার্যালয়ে (UNHCR) নিজৰ কার্য সম্পাদন কৰোঁতে ইয়াৰ সৈতে সহযোগিতা কৰিব লাগে। শৰণাৰ্থীসকলৰ পৰিস্থিতি আৰু শৰণাৰ্থীসকলৰ লগত সম্পর্কীত বলবৎ থকা আইন আৰু বিধি-ব্যৱস্থাৰ বিষয়ে তথ্য আৰু পৰিসংখ্যাগত তথ্য ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তক (UNHCR) প্রদান কৰাটো তেওঁলোকৰ দায়িত্ব। শৰণাৰ্থীসকলৰ সমস্যাসমূহ হ্রাস কৰাৰ বাবে চুক্তি আৰু নিয়মাবলী (Protocol) সৈতে ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR) কার্যালয়ৰ মাজত সমন্বয় থকা উচিত।

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তই (UNHCR) প্রথম অৱস্থাত ইউৰোপৰ শৰণাৰ্থী আৰু স্থানচ্যুত লোকসকলক সহায় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। কিন্তু পৰৱর্তী দশকসমূহত ইয়াৰ প্রচেষ্টা আফ্রিকা, এছিয়াৰ কিছু অংশ আৰু লেটিন আমেৰিকাত যুদ্ধ, ৰাজনৈতিক অস্থিৰতা বা প্রাকৃতিক দুর্যোগৰ বলি হোৱা শৰণাৰ্থীসকলক পুনৰ সংস্থাপন কৰাৰ দিশলৈ স্থানান্তৰিত হয়। ১৯৬২ চনত ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তই (UNHCR) ২,৫০,০০০ আলজেৰিয়ান শৰণাৰ্থীৰ স্বদেশলৈ প্রত্যাবর্তনত সহায় কৰিছিল। ১৯৭২ চনত ই ১০ নিযুত বাংলাদেশী আৰু ১,৫০,০০০ ছুডানী লোকক স্বদেশলৈ ঘুৰাই পঠিওৱাৰ ব্যৱস্থা কৰিছিল। ১৯৭৩ চনত ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তই (UNHCR) ইতিহাসৰ অন্যতম বৃহৎ আকাশীপথেৰে জনসংখ্যা স্থানান্তৰ কার্যসূচীৰ আয়োজন কৰিছিল-যাৰ জৰিয়তে বাংলাদেশ আৰু পাকিস্তানৰ মাজত বৃহৎ সংখ্যক লোকৰ দুয়োফালৰপৰা স্থানান্তৰ সম্পন্ন কৰা হৈছিল।

শৰণাৰ্থীসকলক সুৰক্ষা প্রদান কৰাটোৱেই আছিল ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ (UNHCR) মূল দায়িত্ব। কিন্তু সাম্প্রতিক বছৰসমূহত ই আভ্যন্তৰীণভাৱে স্থানচ্যুত ব্যক্তি (Internally Displaced Persons-IDP)-সকলৰ বাবেও বিভিন্ন কার্যসূচীত জড়িত হৈ আহিছে। বিভিন্ন সময়ত ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তই (UNHCR) আফগানিস্তান, এংগোলা, আজাৰবাইজান, বছনিয়া আৰু হার্জেগোভিনা, ক্রোৱেছিয়া, এল ছালভাডৰ, ইথিঅ'পিয়া, জর্জিয়া আৰু ইৰাকৰ আভ্যন্তৰীণভাৱে স্থানচ্যুত লোকসকলক সহায় আগবঢ়াইছে।

অৱশ্যে, ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR) সমগ্ৰ বিশ্বৰ সকলো শৰণাৰ্থীৰ সৈতে জড়িত নহয়। উদাহৰণস্বৰূপে, যিসকল শৰণাৰ্থীক আশ্ৰয় প্ৰদান কৰা দেশসমূহে নিজৰ নাগৰিক হিচাপে গণ্য কৰে, তেওঁলোকৰ দায়িত্ব ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ (UNHCR) নহয়। একেদৰে, যিসকল শৰণাৰ্থীৰ বাবে ৰাষ্ট্ৰসংঘৰ আন কোনো সংস্থাই সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছে, তেওঁলোকৰ ক্ষেত্ৰতো ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত (UNHCR) জড়িত নহয়।

জানি থোৱা ভাল

ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তই (UNHCR) শৰণাৰ্থীসকলৰ বাবে আগবঢ়োৱা উৎকৃষ্ট সেৱাৰ স্বীকৃতি হিচাপে ১৯৫৪ আৰু ১৯৮১ চনত দুবাৰকৈ ন'বেল শান্তি বঁটা লাভ কৰিছিল।

৩.৮ ভাৰতত ৰাষ্ট্ৰসংঘৰ শৰণার্থ বিষয়ক উচ্চায়ুক্তৰ (UNHCR) ভূমিকা

ভাৰতত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ (UNHCR) ভূমিকা জানিবলৈ হ'লে প্ৰথমে ভাৰতৰ শৰণাৰ্থী সমস্যাৰ বিষয়ে জনাটো প্ৰয়োজন। ভাৰত ১৯৫১ চনৰ শৰণাৰ্থী চুক্তি (Refugee Convention) আৰু ইয়াৰ ১৯৬৭ চনৰ নিয়মাবলী (Protocol of 1967)-দুয়োটাৰে কোনো এটাৰো পক্ষভুক্ত দেশ নহয়।

অতীতত ভাৰতে শৰণাৰ্থীসকলৰ সৈতে সম্পৰ্কিত কোনো দেশীয় আইন (Domestic Legislation) প্ৰণয়ন কৰা নাই, যদিও ভাৰতে তিব্বত, বাংলাদেশ, শ্ৰীলংকা আৰু আফগানিস্তান আদি দেশৰ পৰা পলায়ন কৰি অহা লোকসকলক সদায় আশ্ৰয় প্ৰদান কৰি আহিছে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে (National Human Rights Commission-NHRC) মত প্ৰকাশ কৰিছে যে শৰণাৰ্থীসকলৰ বাবে ৰাষ্ট্ৰীয় আইন প্ৰণয়ন কৰাটো 'অত্যাবশ্যকীয়'। দেশৰ নিৰাপত্তা সুৰক্ষিত কৰাৰ বাবেও এনে আইন প্ৰয়োজনীয়। ভাৰতীয় সংবিধানে নিৰ্ধাৰণ কৰিছে যে সংবিধানৰ তৃতীয় খণ্ডত (Part III) নিশ্চিত কৰা কিছুমান মৌলিক অধিকাৰ 'সকলো ব্যক্তিৰ' বাবে প্ৰযোজ্য। সেয়েহে এই অধিকাৰসমূহ শৰণাৰ্থীসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য হয়। উদাহৰণস্বৰূপে, সংবিধানৰ অনুচ্ছেদ ১৪ ৰ অধীনত নিশ্চিত কৰা আইনৰ সমান সুৰক্ষাৰ অধিকাৰ, অনুচ্ছেদ ২০ ৰ অধীনত অপৰাধৰ বাবে দোষী সাব্যস্ত হোৱাৰ ক্ষেত্ৰত সুৰক্ষাৰ অধিকাৰ, অনুচ্ছেদ ২১ ৰ অধীনত নিশ্চিত কৰা জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ আৰু অনুচ্ছেদ ২২ ৰ অধীনত প্ৰদান কৰা ইচ্ছামতে গ্ৰেপ্তাৰ আৰু আটক কৰাৰ বিৰুদ্ধে সুৰক্ষাৰ অধিকাৰ- এই অধিকাৰসমূহ শৰণাৰ্থীসকলৰ বাবেও উপলব্ধ।

ভাৰতৰ উচ্চতম ন্যায়ালয়ে Louis De Raedt বনাম Union of India গোচৰৰ ৰায়ত কৈছিল যে ভাৰতীয় সংবিধানৰ ২১নং অনুচ্ছেদে সকলো ব্যক্তিৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ সুৰক্ষা প্ৰদান কৰে। সেয়েহে, ভাৰতীয় ভূখণ্ডত থকা বিদেশী নাগৰিকসকলকো আইনে নিৰ্ধাৰণ কৰা প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈ এই অধিকাৰসমূহৰ পৰা বঞ্চিত কৰিব নোৱাৰি। অৱশ্যে, জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰৰ ভিতৰত এই দেশত বসবাস আৰু স্থায়ীভাৱে বসতি স্থাপনৰ অধিকাৰ অন্তৰ্ভুক্ত নহয়। দেশত বসবাস আৰু স্থায়ীভাৱে বসতি স্থাপনৰ অধিকাৰ ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১৯ (১)(গ)ত উল্লেখ কৰা হৈছে, যিটো কেবল এই দেশৰ নাগৰিকসকলৰ ক্ষেত্ৰত প্ৰযোজ্য। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ বনাম অৰুণাচল প্ৰদেশ (National Human Rights Commission vs State of Arunachal Pradesh) গোচৰত উচ্চতম ন্যায়ালয়ে দিয়া ৰায়টো শৰণাৰ্থীসকলৰ কিছুমান অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ তথা ঐতিহাসিক ৰায় হিচাপে পৰিগণিত হয়। উক্ত গোচৰত, ১৯৬৪ চনত তদানীন্তন পূৰ্ব পাকিস্তানৰ (বৰ্তমান বাংলাদেশ) পৰা বৃহৎ সংখ্যক চাকমা লোক কাপ্তাই জলবিদ্যুৎ প্ৰকল্পৰ বাবে নিজৰ বাসস্থানৰ পৰা উচ্ছেদিত হৈছিল। তেওঁলোকে অসম আৰু ত্ৰিপুৰাত আশ্ৰয় লৈছিল। তেওঁলোকৰ অধিকাংশই এই ৰাজ্যসমূহত বসতি স্থাপন কৰিছিল আৰু সময়ৰ লগে লগে তেওঁলোকৰ বহুতে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছিল। অসমত বৃহৎ সংখ্যক শৰণাৰ্থীয়ে আশ্ৰয় লোৱাৰ বাবে ৰাজ্য চৰকাৰে তেওঁলোকক পুনৰ সংস্থাপন কৰিবলৈ অসমৰ্থ বুলি প্ৰকাশ কৰিছিল। অবশ্যে, প্ৰায় ৪,০১২ জন চাকমাক অৰুণাচল প্ৰদেশত বসতি স্থাপন কৰোৱা হৈছিল।

স্থানীয় জনজাতীয় লোকসকলৰ সৈতে আলোচনা কৰি তেওঁলোকক কিছু ভূমি আবণ্টন দিয়া হৈছিল। পিছলৈ অৰুণাচল প্ৰদেশৰ স্থানীয় নাগৰিক আৰু চাকমাসকলৰ মাজৰ সম্পৰ্ক অবনতি ঘটিছিল। অৰুণাচল প্ৰদেশৰ নাগৰিকসকলে চাকমাসকলক ৰাজ্যখনৰ পৰা বলপূৰ্বকভাৱে উচ্ছেদ কৰাৰ দাবী উত্থাপন কৰিছিল।

চাকমাসকলৰ নাগৰিকত্বৰ অধিকাৰ কমিটিয়ে (Committee for Citizenship Rights of the Chakmas (CCRC)) চাকমাসকলৰ ওপৰত হোৱা নিৰ্যাতনৰ অভিযোগ উত্থাপন কৰি ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ (National Human Rights Commission চমুকৈ NHRC) ওচৰত এখন আবেদন দাখিল কৰে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে বিষয়টো উচ্চতম ন্যায়ালয়ৰ সন্মুখত উত্থাপন কৰাৰ সিদ্ধান্ত লয়।

উচ্চতম ন্যায়ালয়ে লক্ষ্য কৰে যে অৰুণাচল প্ৰদেশত বৃহৎ সংখ্যক চাকমাৰ বসতি স্থাপনে ৰাজ্যখনৰ নৃগোষ্ঠীগত ভাৰসাম্য বিঘ্নিত কৰিব আৰু ইয়াৰ সংস্কৃতি তথা পৰিচয় ধ্বংস হ'ব। আদালতে লগতে কয় যে অৰুণাচল প্ৰদেশত চাকমাসকলৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ প্ৰতি স্পষ্ট আৰু তাৎক্ষণিক বিপদৰ সৃষ্টি হৈছিল।

আদালতে স্পষ্ট কৰি কয় যে ভাৰত এখন আইনৰ শাসনৰ দ্বাৰা পৰিচালিত দেশ। আমাৰ সংবিধানে প্ৰতিজন মানুহক কিছুমান অধিকাৰ প্ৰদান কৰিছে আৰু আন কিছুমান অধিকাৰ কেৱল নাগৰিকসকলকহে প্ৰদান কৰিছে। প্ৰতিজন ব্যক্তিয়ে আইনৰ আগত সমতা আৰু আইনৰ সমান সুৰক্ষা লাভ কৰাৰ অধিকাৰী (অনুচ্ছেদ ১৪)। লগতে, আইনৰ দ্বাৰা প্ৰতিষ্ঠিত পদ্ধতি অনুসৰণ নকৰাকৈ কোনো ব্যক্তিকে তেওঁৰ জীবন বা ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰিব নোৱাৰি (অনুচ্ছেদ ২১)। সেয়েহে, কোনো ব্যক্তি নাগৰিক হওক বা নহওক, বাজাই প্ৰতিজন মানুহৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতা সুৰক্ষিত কৰিবলৈ বাধ্য। গতিকে, চাকমাসকলক অৰুণাচল প্ৰদেশৰ পৰা ওলাই যাবলৈ ভাবুকি বা বাধ্য কৰিব নোৱাৰি।

আদালতে অৰুণাচল প্ৰদেশত বসবাস কৰা চাকমা শৰণাৰ্থীসকলৰ সন্দৰ্ভত কিছুমান নিৰ্দেশনাও জাৰি কৰিছিল। ৰাজ্য চৰকাৰক নিৰ্দিষ্টভাৱে নিৰ্দেশ দিয়া হয় যে ৰাজ্য চৰকাৰখনে ৰাজ্যখনত বসবাস কৰা প্ৰতিগৰাকী চাকমাৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতা সুৰক্ষিত কৰিব লাগিব আৰু তেওঁলোকক তেওঁলোকে বসবাস কৰি থকা ভূমিৰ পৰা বলপূৰ্বকভাৱে উচ্ছেদ কৰিব নোৱাৰিব। তেওঁলোকৰ উচ্ছেদ বোধ কৰিব লাগিব।

ভাৰতীয় সংবিধানৰ ১৪, ২০, ২১ আৰু ২২ নং অনুচ্ছেদত নিশ্চিত কৰা অধিকাৰসমূহ ভাৰতত থকা শৰণাৰ্থীসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য যদিও সংবিধানৰ দ্বাৰা নাগৰিকসকলক প্ৰদান কৰা আন বহুতো অধিকাৰ শৰণাৰ্থীসকলৰ বাবে উপলব্ধ নহয়।

মানৱ অধিকাৰৰ দৃষ্টিকোণৰ পৰা চালে, শৰণাৰ্থীসকলৰ বাবে ভাৰতত এখন ঘৰুৱা আইন প্ৰণয়নৰ প্ৰয়োজন আছে অথবা ভাৰতে ১৯৫১ চনৰ শৰণাৰ্থীৰ মৰ্যাদা সম্পৰ্কীয় চুক্তি আৰু ১৯৬৭ চনৰ ইয়াৰ নিয়মাৱলী অনুমোদন কৰা উচিত। মানৱীয় আইনেও এই চুক্তি আৰু নিয়মাবলী অনুমোদনৰ বাবে আহ্বান জনায়।

যেতিয়ালৈকে আইন প্ৰণয়ন কৰা নহয়, তেতিয়ালৈকে ন্যায়পালিকাই শৰণাৰ্থীসকলৰ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত কৰাৰ দায়িত্ব পালন কৰিব লাগিব। ১৯৯৩ চনৰ মানৱ অধিকাৰ সুৰক্ষা আইনৰ (Protection of Human Rights Act, 1993) অধীনত গঠিত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে (NHRC) শৰণাৰ্থীসকলৰ মানৱ অধিকাৰ সুৰক্ষিত কৰাত সক্ৰিয় ভূমিকা পালন কৰিব পাৰে। আয়োগে স্বতঃপ্ৰণোদিতভাৱে (suo motu-নিজাববীয়াকৈ) অথবা শৰণাৰ্থীসকলৰ মানৱ অধিকাৰ উলংঘনৰ অভিযোগ সম্পৰ্কীয় আবেদনৰ ভিত্তিত তদন্ত কৰিব পাৰে।

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত আশ্ৰয় গ্ৰহণ কৰা চাকমা শৰণাৰ্থীসকলৰ সুৰক্ষাৰ সৈতে জড়িত বিষয়ত আয়োগে হস্তক্ষেপ কৰিছিল। আয়োগে তামিলনাড়ু ৰাজ্যত শ্ৰীলংকাৰ শৰণাৰ্থীসকলক অবৈধভাৱে আটক কৰি ৰখাৰ ঘটনাসমূহতো ফলপ্ৰসূভাৱে হস্তক্ষেপ কৰিছিল।

আয়োগে দৃঢ় মত প্ৰকাশ কৰিছিল যে শৰণাৰ্থী সম্পৰ্কীয় পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ এখন বিস্তৃত ৰাষ্ট্ৰীয় আইন প্ৰণয়নৰ প্ৰয়োজন আছে। এই আইনখন প্ৰণয়নৰ সময়ত উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তসমূহৰ লগতে প্ৰাসংগিক আন্তঃৰাষ্ট্ৰীয় নথি-পত্ৰসমূহ, বিশেষকৈ ১৯৫১ চনৰ শৰণাৰ্থী চুক্তি আৰু ১১৬৭ চনৰ নিয়মাৱলীৰ প্ৰতি লক্ষ্য ৰখা উচিত।

১৯৮১ চনত ৰাষ্ট্ৰসংঘৰ উন্নয়ন কাৰ্যসূচীৰ (UNDP) বিস্তৃত পৰিসৰৰ অধীনত আফগানিস্তানৰ পৰা অহা আশ্ৰয়প্ৰাৰ্থীৰ প্ৰবাহৰ প্ৰতি সঁহাৰি জনোৱাৰ উদ্দেশ্যে অভিযান প্ৰধানৰ কাৰ্যালয় (Office of the Chief of Mission) স্থাপন কৰা হৈছিল। ভাৰতত শৰণাৰ্থীৰ বাবে কোনো ৰাষ্ট্ৰীয় আইন নাই আৰু সেয়েহে, ভাৰতত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তই (UNHCR) ব্যক্তিগত আশ্ৰয়প্ৰাৰ্থীসকলৰ (আশ্ৰয়প্ৰাৰ্থী বুলিলে এনে ব্যক্তিক বুজায়, যিয়ে ৰাজনৈতিক শৰণাৰ্থী হিচাপে নিজৰ দেশ ত্যাগ কৰিছে আৰু আন এখন দেশত সুৰক্ষা বা আশ্ৰয় বিচাৰিছে) সৈতে কাম কৰে। এবাৰ কোনো ব্যক্তিক শৰণাৰ্থী হিচাপে স্বীকৃতি দিয়াৰ পিছত, ব্যক্তিজনৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তই তিনিটা উপযুক্ত সমাধানৰ পথ আগবঢ়ায়। সেইকেইটা হ'ল- স্বেচ্ছামূলকভাৱে নিজ দেশলৈ উভতি যোৱা, স্থানীয়ভাৱে একত্ৰীকৰণ আৰু তৃতীয় এখন দেশত পুনৰ সংস্থাপন। এই সকলোবোৰ কাৰ্য ভাৰত চৰকাৰৰ সৈতে ঘনিষ্ঠ সহযোগিতাৰে সম্পন্ন কৰা হয়। ১৯৯৫ চনৰ পৰা ভাৰত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ কাৰ্যবাহী কমিটিৰ এক সক্ৰিয় সদস্য হিচাপে আছে।

সেয়েহে, আমি ক'ব পাৰোঁ যে শৰণাৰ্থীৰ সমস্যাসমূহৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসমূহে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি পৰস্পৰে সহযোগিতা কৰা উচিত। এই লোকসকল মানৱীয় আইনৰ দৃষ্টিকোণৰ পৰা দুৰ্বল বা অসুৰক্ষিত গোটৰ অন্তৰ্গত। সেয়েহে, প্ৰতিখন দেশে তেওঁলোকক নিৰ্যাতনৰ ভয়ৰ পৰা সুৰক্ষা প্ৰদান কৰিবলৈ আগবাঢ়ি আহিব লাগে। শৰণাৰ্থী সমস্যাৰ মানবীয় সমাধানৰ ক্ষেত্ৰত ২০ শতিকাক এক গুৰুত্বপূৰ্ণ যুগ হিচাপে গণ্য কৰিব পাৰি। শৰণাৰ্থীৰ সমস্যা আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ বাবে এক গুৰুত্বপূৰ্ণ বিষয় আৰু ইয়াৰ সমাধানৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় গভীৰ সহযোগিতা আৰু দায়িত্বৰ ভাগ-বটৰা (burden sharing) অতি প্ৰয়োজনীয়।

৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- "শৰণাৰ্থী" শব্দটোৰে সাধাৰণ অৰ্থত এনে এজন ব্যক্তিক বুজায়, যিজনে নিজৰ নিয়ন্ত্ৰণৰ বাহিৰত থকা কাৰণ বা ব্যক্তিগত ইচ্ছাৰ বাহিৰৰ পৰিস্থিতিৰ বাবে নিজৰ দেশ বা ঘৰ এৰি যাবলৈ বাধ্য কৰা হৈছে। ১৯৫১ চনৰ শৰণাৰ্থী চুক্তিৰ অধীনত গ্ৰহণ কৰা সংজ্ঞা অনুসৰি, শৰণাৰ্থী হৈছে এনে এজন ব্যক্তি, যিজনক জাতি, ধৰ্ম, ৰাষ্ট্ৰীয়তা, কোনো নিৰ্দিষ্ট সামাজিক গোটৰ সদস্যপদ বা ৰাজনৈতিক মতামতৰ বাবে নিৰ্যাতনৰ সম্মুখীন হোৱাৰ এক যুক্তিসংগত/সুসংগত ভয়ৰ বাবে নিজৰ ঘৰ বা দেশ এৰি যাবলৈ বাধ্য কৰা হৈছে আৰু যিজনে নিজৰ দেশৰ পৰা সুৰক্ষা লাভ কৰিব পৰা নাই।
- ১৯৫০ চনৰ ১৪ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ৰাষ্ট্ৰসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত কাৰ্যালয়ৰ বিধি গ্ৰহণ কৰে। ১৯৫১ চনৰ ১ জানুৱাৰী তাৰিখে ৰাষ্ট্ৰসংঘ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তই আনুষ্ঠানিকভাৱে কাম আৰম্ভ কৰে।
- শৰণাৰ্থীৰ সমস্যাৰ সৈতে সম্পৰ্কিত আটাইতকৈ গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় দলিল হৈছে ১৯৫১ চনৰ শৰণাৰ্থীৰ মৰ্যাদা সম্পৰ্কীয়। ৰাষ্ট্ৰসংঘৰ চনদ আৰু বিশ্বজনীন মানৰ অধিকাৰ ঘোষণাপত্ৰই কোনোধৰণৰ বৈষম্য নকৰাকৈ সকলো মানুহে মৌলিক স্বাধীনতা উপভোগ কৰিব লাগে বুলি যি নীতি ঘোষণা কৰিছিল, সেই নীতিৰ ওপৰত ভিত্তি কৰিয়েই এই চুক্তি গ্ৰহণ কৰা হৈছিল। এই চুক্তিখন ১৯৫৪ চনৰ ২২ এপ্ৰিল তাৰিখৰ পৰা কাৰ্যকৰী হয়।
- শৰণাৰ্থীৰ মৰ্যাদা সম্পৰ্কীয় নিয়মাৱলীআন্তঃৰাষ্ট্ৰীয় শৰণাৰ্থী আইনৰ এক গুৰুত্বপূৰ্ণ চুক্তি। ই ১৯৬৭ চনৰ ৪ অক্টোৱৰ তাৰিখৰ পৰা কাৰ্যকৰী হয়।
- ভাৰতে অতীতত তিব্বত, বাংলাদেশ, শ্ৰীলংকা আৰু আফগানিস্তান আদি দেশৰ পৰা পলাই অহা লোকসকলক আশ্ৰয় প্ৰদান কৰিছে। কিন্তু ভাৰত ১৯৫১ চনৰ শৰণাৰ্থী চুক্তি নাইবা ইয়াৰ ১৯৬৭ চনৰ নিয়মাৱলী- কোনোটোৱে পক্ষভুক্ত নহয়। ভাৰতে এই চুক্তি আৰু ইয়াৰ নিয়মাৱলী অনুমোদন কৰা নাই।
- কিন্তু ভাৰতৰ উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰীয় মানৰ অধিকাৰ আয়োগ বনাম অৰুণাচল প্ৰদেশ গোচৰত বাংলাদেশৰ পৰা অহা চাকমা শৰণাৰ্থীসকলৰ সম্পৰ্কত এক ঐতিহাসিক ৰায় প্ৰদান কৰে। এই গোচৰত

চাকমাসকলৰ মানৱ অধিকাৰ উলখেন হোৱাৰ পৰিপ্রেক্ষিতত ন্যায়ালয়ে তেওঁলোকৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে গুৰুত্বপূৰ্ণ নির্দেশনা প্রদান কৰে।

৩.১০ অধিক জানিবলৈ

1. Agarwal, Dr. H.O. (2009): *International Law & Human Rights.* Sixteenth Edition, Central Law Publications, Allahabad.
2. Yasin, Adil-ul-Yasin & Upadhyay, Archana (2006): *Human Rights*. First Edition, Akansha Publishing House, New Delhi.
3. Kapoor, S.K. (2005): *Human Rights under International Law & Indian Law.* Third Edition, Central Law Agency , Allahabad.
4. Verma, Dr. Sujata Sirkeck (2019): *International Humanitarian Law.* First Edition, University Book House Pvt. Ltd., Jaipur.

৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯৫১ চনৰ চুক্তি অনুসৰি, জাতি, ধর্ম, ৰাষ্ট্রীয়তা, কোনো বিশেষ সামাজিক গোটৰ সদস্যপদ অথবা ৰাজনৈতিক মতামতৰ কাৰণে নির্যাতনৰ সম্মুখীন হোৱাৰ সু-প্রতিষ্ঠিত আশংকাৰ বাবে যিজন ব্যক্তিয়ে নিজৰ দেশ বা বাসস্থান এৰি যাবলৈ বাধ্য হয় আৰু যিজনে নিজৰ দেশৰ সুৰক্ষা লাভ নকৰে, তেওঁক 'শৰণাৰ্থী' বুলি কোৱা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই ১৯৫০ চনৰ ১৪ ডিচেম্বৰত ৪২৮ (৬) নং প্রস্তাৱ গ্রহণ কৰিছিল। এই প্রস্তাবৰ জৰিয়তে ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ প্রতিষ্ঠা কৰা হৈছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত ১৯৫১ চনৰ ১ জানুৱাৰীত কার্যকৰী হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ শৰণাৰ্থীৰ মর্যাদা সম্পর্কীয় চুক্তি ১৯৫১ চনত গ্রহণ কৰা হৈছিল আৰু ই ১৯৫৪ চনৰ ২২ এপ্রিলত কার্যকৰী হৈছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ অপ্রত্যাবর্তন নীতি অনুসৰি কোনো শৰণাৰ্থীক এনে কোনো দেশলৈ ঘূৰাই পঠিয়াব নালাগে, য'ত তেওঁ নির্যাতন বা অত্যাচাৰৰ সম্মুখীন হোৱাৰ সম্ভাৱনা থাকে।

৬ নং প্রশ্নৰ উত্তৰ ঃ "Non-refoulement" শব্দটোৰ উৎপত্তি ফৰাচী ভাষাৰ "refouler" শব্দৰ পৰা হৈছে। ইয়াৰ অর্থ হৈছে পিছলৈ খেদি পঠিওৱা বা প্রতিহত কৰা।

৭ নং প্রশ্নৰ উত্তৰ ঃ শৰণাৰ্থীৰ মর্যাদা সম্পর্কীয় নিয়মাবলী ১৯৯৭ চনৰ ৪ অক্টোৱৰত কার্যকৰী হৈছিল।

৩.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ 'শৰণাৰ্থী' শব্দটোৰ অর্থ লিখা।

প্রশ্ন ২ ঃ ৰাষ্ট্রসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্ত কোন চনত কার্যকৰী হৈছিল?

প্রশ্ন ৩ ঃ UNHCR-ৰ পূৰ্ণ ৰূপ উল্লেখ কৰা।

প্রশ্ন ৪ ঃ শৰণাৰ্থীসকলৰ অধিকাৰৰ বিষয়ে এটি চমু টোকা লিখা।

প্ৰশ্ন ৫ ঃ শৰণাৰ্থীসকলৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ ভূমিকা ব্যাখ্যা কৰা।

প্ৰশ্ন ৬ ঃ আন্তঃৰাষ্ট্ৰীয় শৰণাৰ্থী আইনৰ বিকাশৰ বিষয়ে সংক্ষেপে লিখা।

প্ৰশ্ন ৭ ঃ ১৯৫১ চনৰ শৰণাৰ্থীৰ মৰ্যাদা সম্পৰ্কীয় চুক্তি অনুসৰি শৰণাৰ্থীসকলৰ অধিকাৰসমূহ আলোচনা কৰা।

প্ৰশ্ন ৮ ঃ ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ সাংগঠনিক গাঁথনি আৰু ইয়াৰ ভূমিকা আলোচনা কৰা।

প্ৰশ্ন ৯ ঃ ভাৰতত শৰণাৰ্থী সমস্যাৰ বিষয়ে আলোচনা কৰা আৰু ভাবতে এই সমস্যাসমূহৰ সৈতে কেনেদৰে মোকাবিলা কৰিছে সেয়া ব্যাখ্যা কৰা।

প্ৰশ্ন ১০ ঃ ভাৰতত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী বিষয়ক উচ্চায়ুক্তৰ ভূমিকা আলোচনা কৰা।

****

অধ্যায় ৪ ঃ ৰাষ্ট্রসংঘ আৰু নাৰীৰ অধিকাৰ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ নাৰীৰ অধিকাৰৰ প্রচাৰ-প্রসাৰ আৰু সুৰক্ষাত ৰাষ্ট্রসংঘৰ ভূমিকা
৪.৪ ৰাষ্ট্রসংঘই গ্রহণ কৰা বিভিন্ন ঘোষণা আৰু চুক্তি
৪.৫ নাৰী বিষয়ক বিশ্ব সম্মিলনসমূহ
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ান
৪.৯ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- এক আন্তঃৰাষ্ট্রীয় সংস্থা হিচাপে ৰাষ্ট্রসংঘ আৰু ইয়াৰ কার্যাৱলী আলোচনা কৰিব পাৰিব।
- নাৰীৰ অধিকাৰ সুৰক্ষাত ৰাষ্ট্রসংঘৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।
- নাৰীৰ অধিকাৰ সুৰক্ষাৰ বাবে ৰাষ্ট্রসংঘই গ্রহণ কৰা বিভিন্ন ঘোষণা আৰু চুক্তিৰ বিষয়ে জানিব।
- নাৰীৰ অধিকাৰ সম্পর্কীয় বিশ্ব সম্মিলনসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

ৰাষ্ট্রসংঘ হৈছে এক আন্তঃৰাষ্ট্রীয় সংস্থা, যাৰ মূল উদ্দেশ্য হৈছে আন্তঃৰাষ্ট্রীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখা, ৰাষ্ট্রসমূহৰ মাজত বন্ধুত্বপূর্ণ সম্পর্ক গঢ়ি তোলা আৰু আন্তঃৰাষ্ট্রীয় সহযোগিতা বৃদ্ধি কৰা। ই বিভিন্ন ৰাষ্ট্রৰ কার্যকলাপৰ মাজত সমন্বয় সাধন কৰা এক কেন্দ্র হিচাপে কাম কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ভবিষ্যতে এনে যুদ্ধ পুনৰ নঘটাৰ উদ্দেশ্যে ৰাষ্ট্রসংঘ প্রতিষ্ঠা কৰা হৈছিল। ইয়াৰ মুখ্য কার্যালয় আমেৰিকাৰ নিউয়র্ক চহৰৰ মেনহাটনত অবস্থিত, যি বহিঃৰাষ্ট্রীয় অধিকাৰৰ অধীনত আছে। ইয়াৰ আন মুখ্য কার্যালয়সমূহ জেনেভা, নাইৰোবি, ভিয়েনা আৰু দ্য হেগত অবস্থিত। এই সংস্থাটো ইয়াৰ সদস্য ৰাষ্ট্রসমূহে নির্ধাৰিত বা বাধ্যতামূলক আৰু স্বেচ্ছামূলক অনুদানৰ জৰিয়তে যোগান ধৰা ধনেৰে পৰিচালিত হয়। আন্তঃৰাষ্ট্রীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখা, মানৰ অধিকাৰ সুৰক্ষিত কৰা, মানৱীয় সহায় আগবঢ়োৱা, বহনক্ষম উন্নয়ন প্রসাৰ কৰা আৰু আন্তঃৰাষ্ট্রীয় আইন বর্তাই ৰখা-এইবোৰেই ৰাষ্ট্রসংঘৰ মুখ্য উদ্দেশ্য। ৰাষ্ট্রসংঘ হৈছে বিশ্বৰ আটাইতকৈ ডাঙৰ, সর্বাধিক পৰিচিত, সর্বাধিক আন্তঃৰাষ্ট্রীয়ভাৱে প্রতিনিধিত্বশীল আৰু শক্তিশালী আন্তঃচৰকাৰী সংস্থা। ৰাষ্ট্রসংঘৰ ছয়টা মুখ্য অংগ আছে-

- সাধাৰণ সভা
- নিৰাপত্তা পৰিষদ
- অর্থনৈতিক আৰু সামাজিক পৰিষদ
- ন্যাসৰক্ষী পৰিষদ
- আন্তঃৰাষ্ট্রীয় ন্যায়ালয়
- ৰাষ্ট্রসংঘ সচিবালয়

ৰাষ্ট্ৰসংঘ ব্যৱস্থাৰ অন্তৰ্গত সংস্থাসমূহৰ ভিতৰত বিশ্ব বেংক গোট, বিশ্ব স্বাস্থ্য সংস্থা, বিশ্ব খাদ্য কার্যসূচী, ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংস্থা আৰু ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় শিশু জৰুৰীকালীন পুঁজি উল্লেখযোগ্য। ৰাষ্ট্ৰসংঘৰ সর্বোচ্চ বিষয়া হৈছে মহাসচিব।

৪.৩ মহিলাৰ অধিকাৰৰ প্ৰচাৰ-প্ৰসাৰ আৰু সুৰক্ষাত ৰাষ্ট্ৰসংঘৰ ভূমিকা

মহিলা আৰু ছোৱালীয়ে বিশ্বৰ মুঠ জনসংখ্যাৰ প্ৰায় আধা অংশ প্ৰতিনিধিত্ব কৰে, সেয়েহে তেওঁলোকৰ সম্ভাৱনাও বিশ্বৰ সম্ভাবনাৰ আধা অংশ। শান্তিপূর্ণ সমাজ গঢ়ি তোলা, মানৱ সম্ভাবনাৰ সম্পূর্ণ বিকাশ আৰু বহনক্ষম উন্নয়ন নিশ্চিত কৰাৰ বাবে লিংগ সমতা অতি প্ৰয়োজনীয়। কিন্তু দুর্ভাগ্যজনকভাৱে, পুৰুষ আৰু মহিলাৰ মাজত অধিকাৰ আৰু সুযোগৰ সম্পূর্ণ সমতা লাভ কৰিবলৈ এতিয়াও বহু দূৰ বাট বাকী। সেয়েহে মহিলা আৰু ছোৱালী, পুৰুষ আৰু ল'ৰা- সকলোৰে বাবে লিংগভিত্তিক সকলো ধৰণৰ হিংসাৰ অৱসান ঘটোৱা, উচ্চমানৰ শিক্ষা আৰু স্বাস্থ্যসেৱাৰ সমান সুবিধা, অর্থনৈতিক সম্পদত সমান অধিকাৰ আৰু ৰাজনৈতিক জীৱনত সমান অংশগ্ৰহণ নিশ্চিত কৰাটো অতি গুৰুত্বপূর্ণ। একে সময়তে, কর্মসংস্থান লাভ, নেতৃত্ব প্ৰদান আৰু সিদ্ধান্ত গ্ৰহণৰ সকলো স্তৰত সমান সুযোগ নিশ্চিত কৰাও অত্যাবশ্যক।

মহিলাৰ অধিকাৰৰ প্ৰতি ৰাষ্ট্ৰসংঘৰ সমর্থন সংস্থাটোৰ প্ৰতিষ্ঠাৰ চনদৰ পৰাই আৰম্ভ হৈছিল। ৰাষ্ট্ৰসংঘৰ চনদৰ ১ নং অনুচ্ছেদত উল্লেখ কৰা অনুসৰি, ৰাষ্ট্ৰসংঘৰ এটা মূল উদ্দেশ্য হৈছে- "জাতি, লিংগ, ভাষা বা ধর্মৰ ভিত্তিত কোনো ধৰণৰ বৈষম্য নৰখাকৈ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি সম্মান বৃদ্ধি আৰু উৎসাহিত কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা স্থাপন কৰা।"

উল্লেখ কৰিব পাৰি যে, ৰাষ্ট্ৰসংঘ গঠন হোৱাৰ প্ৰথম বছৰৰ ভিতৰতে অর্থনৈতিক আৰু সামাজিক পৰিষদে মহিলাৰ মর্যাদা বিষয়ক আয়োগ গঠন কৰিছিল। এই আয়োগ বিশ্বজুৰি লিংগ সমতা আৰু মহিলাৰ উন্নয়নৰ বাবে একমাত্ৰ মুখ্য বিশ্বব্যাপী বা বৈশ্বিক নীতি-নির্ধাৰক সংস্থা হিচাপে প্ৰতিষ্ঠা কৰা হৈছিল।

১৯৪৮ চনৰ ১০ ডিচেম্বৰত সাধাৰণ পৰিষদে গৃহীত কৰা এই ঐতিহাসিক ঘোষণাপত্ৰত পুনৰ দৃঢ়ভাৱে উল্লেখ কৰা হয় যে, "সকলো মানুহ স্বাধীনভাৱে জন্মগ্ৰহণ কৰে আৰু মর্যাদা আৰু অধিকাৰ সকলোৰে সমান" আৰু "জাতি, বর্ণ, লিংগ, ভাষা, ধর্ম, জন্ম বা অন্য কোনো মর্যাদাৰ ভিত্তিত বৈষম্য নকৰাকৈ সকলো ব্যক্তিয়ে এই ঘোষণাপত্ৰত উল্লেখিত সকলো অধিকাৰ আৰু স্বাধীনতাৰ অধিকাৰী।"

১৯৭০-ৰ দশকত আন্তঃৰাষ্ট্ৰীয় নাৰীবাদী আন্দোলনে গতি লাভ কৰিবলৈ ধৰে, সাধাৰণ পৰিষদে ১৯৭৫ চনক আন্তঃৰাষ্ট্ৰীয় মহিলা বর্ষ হিচাপে ঘোষণা কৰে আৰু মেক্সিকো চহৰত প্ৰথম বিশ্ব মহিলা সম্মিলন অনুষ্ঠিত কৰে। এই সম্মিলনৰ আহ্বানৰ ভিত্তিত ১৯৭৬ চনৰ পৰা ১৯৮৫ চনলৈ সময়ছোৱাক ৰাষ্ট্ৰসংঘৰ মহিলা দশক হিচাপে ঘোষণা কৰা হয়।

১৯৮৫ চনত সমতা, উন্নয়ন আৰু শান্তিৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ মহিলা দশকৰ সাফল্যসমূহৰ পর্যালোচনা আৰু মূল্যায়নৰ উদ্দেশ্যে বিশ্ব মহিলা সম্মিলন নাইৰোবীত অনুষ্ঠিত হয়। এই সম্মিলন এনে এক সময়ত অনুষ্ঠিত হৈছিল, যেতিয়া লিংগ সমতাৰ আন্দোলনে বিশ্বজুৰি ব্যাপক স্বীকৃতি লাভ কৰিছিল। এই সম্মিলনৰ সমান্তৰালভাৱে অনুষ্ঠিত হোৱা বেচৰকাৰী সংস্থাসমূহৰ ফ'ৰামত প্ৰায় ১৫,০০০জন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল। বহুতে এই ঘটনাক "বিশ্বব্যাপী নাৰীবাদৰ জন্ম" বুলি অভিহিত কৰিছে। মেক্সিকো চহৰৰ সম্মিলনৰ লক্ষ্যসমূহ সম্পূর্ণৰূপে সফল হোৱা নাছিল বুলি উপলব্ধি কৰি, অংশগ্ৰহণ কৰা ১৫৭খন চৰকাৰে ২০০০ চনলৈকে নাইৰোবী ভবিষ্যৎমুখী কৌশল গ্ৰহণ কৰে। এই নথিখনে নতুন দিশ উন্মোচন কৰি ঘোষণা কৰে যে মহিলাসকলৰ সৈতে জড়িত সকলো বিষয়েই মহিলাৰ বিষয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাষ্ট্ৰসংঘ কি?

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰসংঘৰ মুখ্য অংগসমূহৰ নাম উল্লেখ কৰা।

৪.৪ ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা বিভিন্ন ঘোষণা আৰু চুক্তি

লিংগ সমতা নিশ্চিত কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘই বহুতো ঘোষণা আৰু চুক্তি গ্ৰহণ কৰিছে। তলত লিংগ সমতা সম্পৰ্কীয় কিছুমান গুৰুত্বপূৰ্ণ ঘোষণা আৰু চুক্তিৰ বিষয়ে উল্লেখ কৰা হ'ল—

- **মহিলাৰ ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় চুক্তি ১৯৫৪ ঃ** এই চুক্তিৰ মূল উদ্দেশ্য হৈছে মহিলাৰ ৰাজনৈতিক অধিকাৰৰ বাবে এক মৌলিক আন্তঃৰাষ্ট্ৰীয় মানদণ্ড নিৰ্ধাৰণ বা বিধিবদ্ধ কৰা। এই চুক্তিখন ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৫২ চনৰ ২০ ডিচেম্বৰ তাৰিখে অনুমোদন কৰে আৰু ১৯৫৩ চনৰ ৩১ মার্চ তাৰিখে গৃহীত হয়। এই চুক্তিৰ প্ৰস্তাৱনাত মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণাপত্ৰৰ ২১ নং অনুচ্ছেদত উল্লেখিত নীতিসমূহ পুনৰুক্তি কৰা হৈছে। এই অনুচ্ছেদ অনুসৰি, সকলো ব্যক্তিৰে নিজ দেশৰ শাসন ব্যৱস্থাত অংশগ্ৰহণ কৰাৰ আৰু ৰাজহুৱা সেৱাত প্ৰৱেশাধিকাৰ লাভ কৰাৰ অধিকাৰ আছে। মহিলাৰ ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় এই চুক্তিয়ে বিশেষভাৱে মহিলাসকলৰ এই অধিকাৰসমূহ সুৰক্ষিত কৰে। এই চুক্তি মহিলাসকলৰ সমান ৰাজনৈতিক অধিকাৰ সুৰক্ষিত কৰা প্ৰথম আন্তঃৰাষ্ট্ৰীয় আইন আছিল। লগতে, নাগৰিকসকলৰ ৰাজনৈতিক অধিকাৰ সুৰক্ষাৰ বাবে সদস্য ৰাষ্ট্ৰসমূহক বাধ্যবাধকতা আৰোপ কৰা ই প্ৰথম আন্তঃৰাষ্ট্ৰীয় চুক্তি।
- **বিবাহত সম্মতি, বিবাহৰ ন্যূনতম বয়স আৰু বিবাহ পঞ্জীয়ন সম্পৰ্কীয় চুক্তি, ১৯৬৪ ঃ** এই চুক্তিৰ অধীনত আইন অনুসৰি বিবাহৰ ন্যূনতম বয়স নিৰ্ধাৰণ, সকলো বিবাহ বাধ্যতামূলকভাৱে পঞ্জীয়ন কৰা আৰু বিবাহৰ ক্ষেত্ৰত উভয় পক্ষৰ স্বাধীন আৰু পাৰস্পৰিক সম্মতি নিশ্চিত কৰাৰ ব্যৱস্থা কৰা হয়। এইখন ৰাষ্ট্ৰসংঘৰ অধীনত বিবাহৰ মানদণ্ড নিৰ্ধাৰণৰ উদ্দেশ্যে স্বাক্ষৰিত এখন আন্তঃৰাষ্ট্ৰীয় চুক্তি। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৬২ চনৰ ৭ নৱেম্বৰ তাৰিখে গৃহীত প্ৰস্তাৱৰ জৰিয়তে ইয়াক স্বাক্ষৰ আৰু অনুমোদনৰ বাবে মুকলি কৰে আৰু ১৯৬৪ চনৰ ৯ ডিচেম্বৰ তাৰিখে কাৰ্যকৰী হয়। এই চুক্তিয়ে বিবাহৰ পাৰস্পৰিক সম্মতিৰ নীতিক পুনৰ নিশ্চিত কৰাৰ লগতে সদস্য ৰাষ্ট্ৰসমূহক আইনগতভাৱে ন্যূনতম বিবাহযোগ্য বয়স নিৰ্ধাৰণ আৰু সকলো বিবাহৰ পঞ্জীয়ন নিশ্চিত কৰিবলৈ বাধ্য কৰে।
- **জৰুৰীকালীন পৰিস্থিতি আৰু সশস্ত্ৰ সংঘাতৰ সময়ত মহিলা আৰু শিশুৰ সুৰক্ষা সম্পৰ্কীয় ঘোষণা, ১৯৭৪ ঃ** এই ঘোষণাত উল্লেখ কৰা হৈছে যে যুদ্ধ, গণবিক্ষোভ, ৰাজনৈতিক অস্থিৰতা আৰু অন্যান্য জৰুৰী পৰিস্থিতিত মহিলা আৰু শিশুসকলেই অধিকাংশ সময়ত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয়। এনে পৰিস্থিতিত তেওঁলোকক বিশেষ সুৰক্ষা আৰু সহায় আগবঢ়োৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত এই ঘোষণাই গুৰুত্ব আৰোপ কৰিছে। জৰুৰীকালীন পৰিস্থিতিত মহিলা আৰু শিশুসকলৰ খাদ্য, আশ্ৰয় আৰু চিকিৎসা সেবা লাভৰ অধিকাৰো এই ঘোষণাপত্ৰত নিশ্চিত কৰা হৈছে। ঘোষণাপত্ৰত উল্লেখ কৰা হৈছে যে, "দমন-পীড়ন, আগ্ৰাসন, ঔপনিবেশিকতা, বৰ্ণবৈষম্য, বহিৰাগতৰ আধিপত্য আৰু বিদেশী শাসন"ৰ কাৰণে হোৱা সশস্ত্ৰ সংঘাতৰ সময়ত মহিলা আৰু শিশুসকল আটাইতকৈ বেছি ভুক্তভোগী হয়। লগতে, বিশেষকৈ মহিলা আৰু শিশুসকলৰ বিৰুদ্ধে লক্ষ্য কৰি সংঘটিত উৎপীড়ন, অত্যাচাৰ, শাস্তিমূলক ব্যবস্থা, অপমানজনক আচৰণ আৰু হিংসা বন্ধ কৰিবলৈ সদস্য ৰাষ্ট্ৰসমূহক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ উপৰিও কাৰাবাস, নিৰ্যাতন, গুলীয়াই হত্যা, গণগ্ৰেপ্তাৰ, সামুহিক শাস্তি, বাসগৃহ ধ্বংস আৰু বলপূৰ্বক উচ্ছেদক অপৰাধমূলক কাৰ্য হিচাপে স্বীকৃতি দিয়া হৈছে। জৰুৰীকালীন পৰিস্থিতিত আক্ৰান্ত মহিলা আৰু শিশুসকলক খাদ্য, আশ্ৰয় আৰু চিকিৎসা সেবা প্ৰদান কৰাটো তেওঁলোকৰ অবিচ্ছেদ্য অধিকাৰ বুলি ঘোষণাপত্ৰত অৰ্ন্তভুক্ত কৰা হৈছে।
- **মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য নিৰ্মূলকৰণ চুক্তি, ১৯৭১ ঃ** এই চুক্তিখনক মহিলাসকলৰ আন্তঃৰাষ্ট্ৰীয় অধিকাৰ বিধেয়ক হিচাপে বিবেচনা কৰা হয়। লিংগ সমতা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ই এক দিশ-

নির্ধাৰক দলিল। ১৯৭৯ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য নির্মূলকৰণ চুক্তি গ্ৰহণ কৰে। ইয়াত এটা প্ৰস্তাৱনা আৰু ৩০টা অনুচ্ছেদ আছে। এই চুক্তিত মহিলাৰ বিৰুদ্ধে বৈষম্য বুলিলে কি বুজায় বা কোনবোৰেনো মহিলাৰ বিৰুদ্ধে বৈষম্য সৃষ্টি কৰে, সেয়া স্পষ্টভাৱে সংজ্ঞায়িত বা নির্দেশ কৰা হৈছে আৰু এনে বৈষম্য দূৰ কৰাৰ বাবে সদস্য ৰাষ্ট্ৰসমূহে গ্ৰহণ কৰিবলগীয়া নিজা জাতীয় কৰ্মসূচীও নির্ধাৰণ কৰা হৈছে। চুক্তিখনে মহিলাৰ বিৰুদ্ধে বৈষম্যৰ সংজ্ঞা দিছে এনেদৰে "লিংগৰ ভিত্তিত কৰা যিকোনো ধৰণৰ পার্থক্য, বর্জন বা বাধা-নিষেধ, যাৰ ফলত, বৈবাহিক অৱস্থা নির্বিশেষে, পুৰুষৰ সমান ভিত্তিত মহিলাসকলৰ ৰাজনৈতিক, অর্থনৈতিক, সামাজিক, সাংস্কৃতিক, অসামৰিক বা আন যিকোনো ক্ষেত্ৰত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ স্বীকৃতি উপভোগ বা প্ৰয়োগ ক্ষুন্ন বা বাতিল হয়।"

এই চুক্তি গ্ৰহণ কৰি সদস্য ৰাষ্ট্ৰসমূহে মহিলাৰ বিৰুদ্ধে সকলোধৰণৰ বৈষম্য দূৰ কৰিবলৈ তলৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে—

- পুৰুষ আৰু মহিলাৰ সমতাৰ নীতি নিজৰ দেশৰ আইনগত ব্যৱস্থাত অন্তর্ভুক্ত কৰা।
- মহিলাৰ বিৰুদ্ধে থকা বৈষম্যমূলক সকলো আইন বাতিল কৰা আৰু বৈষম্য নিষিদ্ধ কৰাৰ বাবে উপযুক্ত আইন প্ৰণয়ন কৰা।
- মহিলাৰ বিৰুদ্ধে হোৱা বৈষম্যৰ ফলপ্ৰসূ সুৰক্ষা নিশ্চিত কৰিবলৈ ন্যায়াধিকৰণ আৰু অন্যান্য ৰাজহুৱা প্ৰতিষ্ঠান স্থাপন কৰা, আৰু
- ব্যক্তি, সংগঠন বা উদ্যোগসমূহৰ দ্বাৰা সংঘটিত মহিলাৰ বিৰুদ্ধে সকলোধৰণৰ বৈষম্যমূলক কার্য নির্মূল কৰাটো নিশ্চিত কৰা।

এই চুক্তিয়ে মহিলা আৰু পুৰুষৰ মাজত সমতা বাস্তবায়নৰ বাবে এক দৃঢ় ভিত্তি প্ৰদান কৰে। ইয়াৰ জৰিয়তে মহিলাসকলৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত সমান প্ৰবেশাধিকাৰ আৰু সমান সুযোগ নিশ্চিত কৰাৰ কথা কোৱা হৈছে। ইয়াৰ ভিতৰত ভোটাধিকাৰ, নির্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ, শিক্ষা, স্বাস্থ্য আৰু নিয়োগৰ ক্ষেত্ৰত সমান সুযোগ অন্তর্ভুক্ত।

এই চুক্তিখনেই একমাত্ৰ মানৱ অধিকাৰ চুক্তি, যিয়ে মহিলাসকলৰ প্ৰজনন অধিকাৰক স্বীকৃতি দিয়ে আৰু লিংগভিত্তিক ভূমিকা তথা পাৰিবাৰিক সম্পর্ক গঢ়ি তোলাত সংস্কৃতি আৰু পৰম্পৰাৰ গুৰুত্বপূর্ণ প্ৰভাৱক চিহ্নিত কৰে। ইয়াৰ উপৰিও, মহিলাসকলৰ নিজৰ নাগৰিকত্ব আৰু তেওঁলোকৰ সন্তানৰ নাগৰিকত্ব লাভ, পৰিবর্তন অথবা বজাই ৰখাৰ অধিকাৰো নিশ্চিত কৰে।

- **মহিলাৰ বিৰুদ্ধে হিংসা নির্মূলকৰণ ঘোষণা, ১৯৯৩ ঃ** এই ঘোষণাই মহিলাসকলৰ হিংসামুক্ত জীবন যাপনৰ অধিকাৰক স্বীকৃতি দিয়ে। মহিলাৰ বিৰুদ্ধে হিংসা নির্মূলকৰণ ঘোষণা ১৯৯৩ চনৰ ২০ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ৪৮/১০৪ নং প্ৰস্তাৱৰ জৰিয়তে ভোট নোহোৱাকৈ গৃহীত কৰিছিল। সকলো মানুহৰ ক্ষেত্ৰতে প্ৰযোজ্য সমতা, নিৰাপত্তা, স্বাধীনতা, ব্যক্তিগত অখণ্ডতা আৰু মর্যাদাৰ অধিকাৰ আৰু নীতিসমূহক বিশ্বজুৰি সকলো মহিলাৰ ক্ষেত্ৰতো সর্বজনীনভাৱে প্ৰয়োগ কৰাৰ জৰুৰী প্ৰয়োজনীয়তাক এই ঘোষণাই স্বীকৃতি প্ৰদান কৰিছে। এই গৃহীত প্ৰস্তাৱক সাধাৰণতে মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য নির্মূলকৰণ চুক্তি আৰু ভিয়েনা ঘোষণা আৰু কার্যসূচীৰ পৰিপূৰক হিচাপে তথা সেইসমূহক অধিক শক্তিশালী কৰি তোলাত সহায়ক হিচাপে কৰা হয়।। ইয়াত বিশ্বজনীন মানব অধিকাৰ ঘোষণাত সন্নিৱিষ্ট অধিকাৰ আৰু নীতিসমূহ পুনৰ উল্লেখ আৰু ৰূপায়িত কৰা হৈছে। ইয়াৰ ১ আৰু ২ নং অনুচ্ছেদত মহিলাৰ বিৰুদ্ধে সংঘটিত হিংসাৰ আটাইতকৈ বহুলভাৱে ব্যৱহৃত সংজ্ঞা দিয়া হৈছে।
- **বেইজিং ঘোষণা আৰু কার্যসূচী বা কর্মক্ষেত্ৰ, ১৯৯৫ ঃ** বেইজিং ঘোষণা আৰু কার্যসূচী বা কর্মক্ষেত্ৰ ১৯৯৫ চনত অনুষ্ঠিত চতুর্থ বিশ্ব মহিলা সম্মিলনত বিভিন্ন দেশৰ চৰকাৰসমূহে গৃহীত কৰিছিল। এই দলিলত মহিলাৰ অধিকাৰ উন্নীত আৰু সুৰক্ষিত কৰাৰ বাবে চৰকাৰসমূহৰ প্ৰতিশ্ৰুতি উল্লেখ কৰা হৈছে। এই কার্যসূচীয়ে এনে এখন পৃথিবীৰ কল্পনা কৰে, য'ত প্ৰতিগৰাকী মহিলা আৰু ছোৱালীয়ে নিজৰ

স্বাধীনতা আৰু পচন্দসমূহ সম্পূৰ্ণৰূপে উপভোগ কৰিব পাৰে আৰু হিংসামুক্ত জীবন যাপন, বিদ্যালয়লৈ যোৱাৰ সুযোগ, সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ, আৰু সমান কামৰ বাবে সমান দৰমহা লাভৰ দৰে নিজৰ সকলো অধিকাৰ বাস্তৱায়িত কৰিব পাৰে। ই বিশ্বব্যাপী নাৰী আন্দোলনসমূহৰ সক্ৰিয়তাক পৰস্পৰৰ সৈতে সংযোগ কৰাৰ লগতে শক্তিশালী আৰু সুদৃঢ় কৰি তুলিছিল। সেই সময়ৰ পৰা চৰকাৰসমূহ, নাগৰিক সমাজ আৰু সাধাৰণ জনসাধাৰণে কাৰ্যসূচীত দিয়া প্ৰতিশ্ৰুতিসমূহক বিভিন্ন দেশত বাস্তৱ পদক্ষেপৰ জৰিয়তে কাৰ্যকৰী কৰি তুলিছে। এই পদক্ষেপসমূহে নাৰীৰ জীৱনত ব্যাপক উৎকৰ্ষ সাধন কৰিছে। পূৰ্বৰ যিকোনো সময়তকৈ অধিক সংখ্যক মহিলা আৰু ছোৱালীয়ে ৰাজনৈতিক পদবীত অধিষ্ঠিত হৈছে, লিংগভিত্তিক হিংসাৰ বিৰুদ্ধে প্ৰণীত আইনীসমূহৰ সুৰক্ষা লাভ কৰিছে আৰু লিংগ সমতাৰ দৰ্শনক ভিত্তি কৰি গঢ়ি তোলা সংবিধানৰ অধীনত জীৱন-যাপন কৰি আছে।

- **মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য নিৰ্মূলকৰণ চুক্তিৰ ঐচ্ছিক নিয়মাৱলী ঃ** ঐচ্ছিক নিয়মাৱলী হৈছে মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য নিৰ্মূলকৰণ চুক্তিৰ এক সহায়ক বা পৰিপূৰক চুক্তি। ই নতুন কোনো অধিকাৰ সৃষ্টি নকৰে, বৰঞ্চ মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য নিৰ্মূলকৰণ চুক্তিত নিশ্চিত কৰা অধিকাৰসমূহ কাৰ্যকৰী কৰাৰ ব্যৱস্থা প্ৰদান কৰে। মহিলাৰ বিৰুদ্ধে সংঘটিত সকলো ধৰণৰ বৈষম্য দূৰীকৰণ সম্পৰ্কীয় চুক্তিৰ ঐচ্ছিক নিয়মাৱলী হৈছে এখন আন্তঃৰাষ্ট্ৰীয় চুক্তি, যিয়ে মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য নিৰ্মূলকৰণ চুক্তিৰ বাবে অভিযোগ দাখিল আৰু তদন্তৰ ব্যবস্থা স্থাপন কৰে। এই নিয়মাবলীত অংশগ্ৰহণ কৰা ৰাষ্ট্ৰসমূহে মহিলাৰ বিৰুদ্ধে বৈষম্য দূৰীকৰণ সমিতিক ব্যক্তিগত অভিযোগ শুনানি কৰাৰ লগতে চুক্তিৰ "গুৰুতৰ বা পদ্ধতিগত উলংঘন" সম্পৰ্কে তদন্ত কৰাৰ ক্ষমতা প্ৰদান কৰে। এই নিয়মাৱলীৰ জৰিয়তে ঘৰুৱা হিংসা, মাতৃত্ব বা পিতৃত্বকালীন ছুটী, জোৰপূৰ্বক বন্ধ্যাকৰণৰ, দৰে বিষয়সমূহত সদস্য ৰাষ্ট্ৰসমূহৰ প্ৰতিকূলে একাধিক সিদ্ধান্ত গ্ৰহণ কৰা হৈছে লগতে মহিলাসকলক পদ্ধতিগতভাৱে হত্যা কৰা ঘটনাৰ তদন্তও এই নিয়মাবলীৰ অধীনত কৰা হৈছে।
- **মাপুটো নিয়মাৱলী- আফ্ৰিকাত মহিলাৰ অধিকাৰ সম্পৰ্কীয় মানৰ আৰু জনগোষ্ঠীৰ অধিকাৰ বিষয়ক আফ্ৰিকা চনদৰ নিয়মাৱলী, ২০০৩ ঃ** আফ্ৰিকাত মহিলাৰ অধিকাৰ সম্পৰ্কীয় মানৰ আৰু জনগোষ্ঠীৰ অধিকাৰ বিষয়ক আফ্ৰিকা চনদৰ নিয়মাবলী, ২০০৩, যাক মাপুটো নিয়মাবলী বুলি জনা যায়, ই মহিলাসকলক বিস্তৃত আৰু সৰ্বাংগীণ বিকাশৰ অধিকাৰ নিশ্চিত কৰে। ইয়াৰ ভিতৰত ৰাজনৈতিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ অধিকাৰ, সামাজিক আৰু ৰাজনৈতিক সমতাৰ অধিকাৰ, মহিলাৰ প্ৰজনন স্বাস্থ্যৰ ওপৰত নিজা নিয়ন্ত্ৰণৰ অধিকাৰ আদি অন্তৰ্ভুক্ত।
- **মহিলাৰ বিৰুদ্ধে হিংসা আৰু ঘৰুৱা হিংসা প্ৰতিৰোধ আৰু দমন বিষয়ক চুক্তি, ২০১৪ ঃ** ইয়াক ইস্তানবুল চুক্তি বুলিও কোৱা হয়। ইস্তানবুল চুক্তি হৈছে মহিলাৰ বিৰুদ্ধে সংঘটিত হিংসাক দণ্ডনীয় অপৰাধ হিচাপে আইনগতভাৱে স্বীকৃতি দিয়া প্ৰথম আন্তঃৰাষ্ট্ৰীয় দলিল। এই চুক্তিয়ে মহিলাৰ বিৰুদ্ধে হিংসা প্ৰতিহত কৰাৰ বাবে এক আইনগত কাঠামো আৰু কাৰ্যপদ্ধতি গঢ়ি তোলে। ইয়াৰ মূল লক্ষ্যসমূহ হ'ল— ঘৰুৱা হিংসা প্ৰতিৰোধ কৰা, ভুক্তভোগীসকলক সুৰক্ষা প্ৰদান কৰা আৰু অভিযুক্ত অপৰাধীসকলৰ বিৰুদ্ধে আইনগত ব্যবস্থা গ্ৰহণ কৰি বিচাৰ নিশ্চিত কৰা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ CEDAW-ৰ সম্পূৰ্ণ ৰূপটো লিখা।

প্ৰশ্ন নং ৪ ঃ CEDAW কিমান চনত ৰাষ্ট্ৰসংঘই গৃহীত কৰিছিল?

৪.৫ বিশ্ব মহিলা সম্মিলন

ৰাষ্ট্ৰসংঘই মহিলাৰ অধিকাৰ সম্পৰ্কে চাৰিখন বিশ্ব সম্মিলন আয়োজন কৰিছিল। বিগত শতিকাৰ শেষৰ পঁচিশ বছৰত ৰাষ্ট্ৰসংঘৰ উদ্যোগত অনুষ্ঠিত এই চাৰিখন বিশ্ব মহিলা সম্মিলনে লিংগ সমতাৰ বিষয়টোক বিশ্বব্যাপী কার্যসূচীৰ একেবাৰে কেন্দ্ৰবিন্দুলৈ উন্নীত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই সম্মিলনসমূহে মহিলাসকলৰ উন্নয়নৰ বাবে বিশ্ব সমাজক একত্ৰিত কৰি এক অভিন্ন লক্ষ্য আৰু কার্যপৰিকল্পনা প্ৰস্তুত কৰিছিল, যাতে ৰাজহুৱা আৰু ব্যক্তিগত জীৱনৰ সকলো ক্ষেত্ৰতে মহিলাসকলৰ অগ্ৰগতি নিশ্চিত কৰিব পৰা যায়। চাৰিখন মুখ্য বিশ্ব মহিলা সম্মিলন হৈছে—

- প্ৰথম বিশ্ব মহিলা সম্মিলন (১৯৭৫)
- দ্বিতীয় বিশ্ব মহিলা সম্মিলন (১৯৮০)
- তৃতীয় বিশ্ব মহিলা সম্মিলন (১৯৮৫)
- চতুৰ্থ বিশ্ব মহিলা সম্মিলন (১৯৯৫)

- **আন্তঃৰাষ্ট্ৰীয় মহিলা বর্ষ উপলক্ষে বিশ্ব সম্মিলন ঃ মেক্সিকো নগৰ (১৯ জুন ২ জুলাই, ১৯৭৫)**

  ১৯৭৫ চনত আন্তঃৰাষ্ট্ৰীয় মহিলা বর্ষ উপলক্ষে মেক্সিকো নগৰত মহিলাৰ সামাজিক মর্যাদা সম্পৰ্কীয় প্ৰথম বিশ্ব সম্মিলন অনুষ্ঠিত হৈছিল। এই সম্মিলনৰ মূল উদ্দেশ্য আছিল বিশ্ব সমাজক সোঁৱৰাই দিয়া যে বিশ্বৰ বহু দেশ আৰু অঞ্চলত মহিলাৰ বিৰুদ্ধে বৈষম্য এতিয়াও এক গুৰুতৰ আৰু স্থায়ী সমস্যা হিচাপে বিদ্যমান আছে।

  সম্মিলনৰ আহ্বানত পাঁচমাহৰ পাছত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৭৬ ৰ পৰা ১৯৮৫ চনলৈকে এই সময়ছোৱাক "ৰাষ্ট্ৰসংঘৰ মহিলা দশক" হিচাপে ঘোষণা কৰে। এই সম্মিলন আৰু এই দশকৰ জৰিয়তে বিশ্বব্যাপী লিংগ সমতাৰ আলোচনা আৰু সহযোগিতা মুকলি কৰি মহিলাৰ উন্নয়নক আগু�ৱাই নিয়াৰ বিশ্বজুৰি প্ৰয়াসেৰে এক নতুন যুগৰ সূচনা হয়।

- **ৰাষ্ট্ৰসংঘ মহিলা দশকৰ বিশ্ব সম্মিলন ঃ সমতা, উন্নয়ন আৰু শান্তি ক'পেনহেগেন (১৪-৩০ জুলাই, ১৯৮০)**

  ১৯৮০ চনৰ বিশ্ব মহিলা সম্মিলন বা দ্বিতীয় বিশ্ব মহিলা সম্মিলন ১৯৮০ চনৰ ১৪ জুলাইৰ পৰা ৩০ জুলাইলৈকে ডেনমার্কৰ ক'পেনহেগেনত অনুষ্ঠিত হৈছিল। ১৯৭৫ চনত অনুষ্ঠিত প্ৰথম বিশ্ব মহিলা সম্মিলনত গৃহীত বিশ্ব কার্য পৰিকল্পনাৰ লক্ষ্যসমূহ ৰূপায়নৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতি আৰু ব্যর্থতাৰ মধ্য-দশকীয় মূল্যায়নৰ উদ্দেশ্যে এই সম্মিলন অনুষ্ঠিত হৈছিল।

  এই সম্মিলনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা আছিল যে সম্মিলনৰ উদ্বোধনী অনুষ্ঠানতে মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য নির্মূলকৰণ চুক্তি আনুষ্ঠানিকভাৱে স্বাক্ষৰিত কৰা হয়।

  মহিলাৰ বিষয়ৰ সৈতে বিশেষ সম্পৰ্ক নথকা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ঘটনাসমূহক লৈ সৃষ্টি হোৱা সংঘাত আৰু ৰাজনীতিকৰণে সম্মিলনখন ম্লান কৰি তুলিছিল বাবে কিছুমান অংশগ্ৰহণকাৰীয়ে ইয়াক ব্যর্থ বুলি বিবেচনা কৰিছিল। তথাপিও মহিলাসকলৰ মর্যাদা উন্নীত কৰা পূৰ্বনির্ধাৰিত লক্ষ্যসমূহ অধিক বিস্তাৰিত কৰিবলৈ সম্মিলনে সংশোধিত বিশ্ব কার্যসূচী গৃহীত কৰিবলৈ সক্ষম হয় আৰু লগতে দশকৰ শেষত অগ্ৰগতি পর্যালোচনাৰ বাবে এক অনুসৰণমূলক শ্চপৰবর্ত্তীগ্ন সম্মিলন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়।

- **ৰাষ্ট্ৰসংঘৰ মহিলা দশকৰ সাফল্যসমূহ পর্যালোচনা আৰু মূল্যায়নৰ বিশ্ব সম্মিলন ঃ সমতা, উন্নয়ন আৰু শান্তি ঃ নাইৰোবি (১৫-২৬ জুলাই, ১৯৮৫)**

  ১৯৮৫ চনৰ বিশ্ব মহিলা সম্মিলন বা তৃতীয় বিশ্ব মহিলা সম্মিলন ১৯৮৫ চনৰ ১৫ জুলাইৰ পৰা ২৬ জুলাইলৈকে কেনিয়াৰ নাইৰোবিত অনুষ্ঠিত হয়। এই সম্মিলন ১৯৭৫ চনৰ প্ৰথম বিশ্ব মহিলা সম্মিলনত গৃহীত বিশ্ব কার্য পৰিকল্পনা আৰু দ্বিতীয় সম্মিলনত সংশোধিত বিশ্ব কার্যসূচীৰ লক্ষ্যসমূহ কার্যকৰী কৰাৰ ক্ষেত্ৰত দশকজুৰি লাভ কৰা অগ্ৰগতি আৰু ব্যর্থতাৰ মূল্যায়নৰ উদ্দেশ্যে অনুষ্ঠিত হৈছিল। এই সম্মিলনখনৰ এক বিশেষ তাৎপর্য আছিল যে পূৰ্ববর্তী দুয়োখন বিশ্ব মহিলা সম্মিলনত সম্পন্ন নোহোৱা মহিলাৰ উন্নয়নৰ

বাবে ভবিষ্যৎমুখী কৌশলসমূহ সকলো অংশগ্রহণকাৰীৰ এই সন্মিলনত সর্বসম্মতিক্রমে গৃহীত হৈছিল। এই সম্মিলনতে প্রথমবাৰৰ বাবে সমকামী মহিলাৰ অধিকাৰ সম্পর্কে ৰাষ্ট্রসংঘৰ এখন চৰকাৰী বৈঠকত উত্থাপন কৰা হয়। লগতে, মহিলাৰ বিৰুদ্ধে হিংসাক লুকাই ৰখা বিষয় হিচাপে নাৰাখি, ইয়াক জৰুৰীভাৱে সমাধান কৰিবলগীয়া এক গুৰুত্বপূর্ণ সমস্যা হিচাপে স্বীকৃতি দিয়াৰ ক্ষেত্রত এই সম্মিলনে গতি-পৰিৱর্তনকাৰী ভূমিকা লৈছিল। মহিলাৰ দশকৰ (১৯৭৬-১৯৮৫) লক্ষ্যসমূহ সম্পূর্ণৰূপে সফল হোৱা নাছিল বুলি স্বীকাৰ কৰি, সম্মিলনৰ পৰামর্শ মতে ৰাষ্ট্রসংঘৰ সাধাৰণ পৰিষদে ২০০০ চনলৈকে মহিলাসকলৰ অগ্রগতি আৰু ব্যর্থতাসমূহৰ নিয়মীয়া মূল্যায়ন অব্যাহত ৰখাৰ বাবে অনুমোদন জনায়।

- **বেইজিং ঘোষণা আৰু কর্ম পৰিকল্পনা (১৯৯৫) ঃ**

  বেইজিং ঘোষণা আৰু কর্ম পৰিকল্পনা ১৯৯৫ চনৰ ৪ ছেপ্টেম্বৰৰ পৰা ১৫ ছেপ্টেম্বৰলৈ চীনৰ বেইজিং চহৰত অনুষ্ঠিত ৰাষ্ট্রসংঘৰ চতুর্থ বিশ্ব মহিলা সম্মিলনত ১৮৯খন দেশৰ প্রতিনিধিসকলৰ দ্বাৰা সর্বসম্মতিক্রমে গৃহীত হয়। ৰাষ্ট্রসংঘৰ চতুর্থ বিশ্ব মহিলা সম্মিলনত গৃহীত বেইজিং ঘোষণা আৰু কর্ম পৰিকল্পনা আছিল মহিলাসকলৰ সশক্তিকৰণৰ বাবে এক বিস্তৃত কার্যসূচী। য'ত আয়াৰলেণ্ডেও অংশগ্রহণ কৰিছিল। ইয়াৰ মূল উদ্দেশ্য হৈছে অর্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক সিদ্ধান্ত গ্রহণৰ সকলো ক্ষেত্রতে মহিলাসকলৰ সমান আৰু পূর্ণ অংশগ্রহণ নিশ্চিত কৰি ৰাজহুৱা আৰু ব্যক্তিগত জীৱনৰ সকলো ক্ষেত্রত মহিলাসকলৰ সক্রিয় অংশগ্রহণৰ পথত থকা সকলো বাধা দূৰ কৰা। ইয়াৰ অর্থ হৈছে যে ঘৰ, কর্মক্ষেত্র আৰু বৃহত্তৰ ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় সমাজৰ সকলো স্তৰত পুৰুষ আৰু মহিলাৰ মাজত সমান ক্ষমতা আৰু দায়িত্ব ভাগ-বতৰাৰ নীতি প্রতিষ্ঠা কৰিব লাগে।

এই ঘোষণা আৰু কর্ম পৰিকল্পনাই এই কথা নিশ্চিত কৰে যে মহিলা আৰু পুৰুষৰ সমতা হৈছে এক মানৰ অধিকাৰৰ বিষয়, আৰু ই সামাজিক ন্যায়ৰ বাবে এক আবশ্যকীয় চর্ত। ইয়াৰ উপৰি সমতা, উন্নয়ন আৰু শান্তিৰ কাৰনে ই এক অপৰিহার্য আৰু মৌলিক পূর্বচর্ত। এই লক্ষ্যসমূহ পূৰণ কৰিবলৈ চৰকাৰসমূহ, আন্তঃৰাষ্ট্রীয় সমাজ, বেচৰকাৰী সংস্থা (NGO) আৰু ব্যক্তিগত খণ্ডকে ধৰি নাগৰিক সমাজক বিশ্বজুৰি মহিলাসকলৰ বাবে নিম্নলিখিত ১২টা গুৰুত্বপূর্ণ সংকটপূর্ণ বা উদ্বেগৰ ক্ষেত্রত কৌশলগত পদক্ষেপ গ্রহণ কৰিবলৈ আহ্বান জনোৱা হৈছে ঃ

- মহিলা আৰু দাৰিদ্র
- মহিলাৰ শিক্ষা আৰু প্রশিক্ষণ
- মহিলা আৰু স্বাস্থ্য
- মহিলাৰ বিৰুদ্ধে হিংসা
- মহিলা আৰু সশস্ত্র সংঘাত
- মহিলা আৰু অর্থনীতি
- ক্ষমতা আৰু সিদ্ধান্ত গ্রহণত মহিলাৰ অংশগ্রহণ
- মহিলাৰ উন্নয়নৰ বাবে প্রতিষ্ঠানগত ব্যৱস্থা
- মহিলাৰ মানৰ অধিকাৰ
- মহিলা আৰু গণমাধ্যম
- মহিলা আৰু পৰিৱেশ
- কন্যা শিশু

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ বেইজিং ঘোষণা আৰু কর্ম পৰিকল্পনা কোন চনত অনুষ্ঠিত হৈছিল ?

প্রশ্ন নং ৬ ঃ বিশ্বজুৰি মহিলাসকলৰ লগত জড়িত চাৰিটা গুৰুত্বপূর্ণ সংকটপূর্ণ বা উদ্বেগৰ ক্ষেত্র লিখা।

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ অধিকাৰ সম্পৰ্কীয় বিষয়সমূহৰ লগত জড়িত লিংগভিত্তিক দিশসমূহৰ প্ৰতি বহুতো আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক চুক্তিয়ে গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে ১৯৭৯ চনত গৃহীত মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য নিৰ্মূলকৰণৰ ৰাষ্ট্ৰসংঘৰ চুক্তি।
- ১৯৯৩ চনত, বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা গ্ৰহণ কৰাৰ ৪৫ বছৰৰ পাছত আৰু মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য নিৰ্মূলকৰণৰ চুক্তি কাৰ্যকৰী হোৱাৰ আঠ বছৰৰ পাছত, ভিয়েনাত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ বিশ্ব মানৱ অধিকাৰ সম্মিলনে নিশ্চিত কৰিছিল যে মহিলাৰ অধিকাৰসমূহেই মানৱ অধিকাৰ। এই কথাষাৰ সেই সময়ত বিশেষভাৱে উল্লেখ কৰিবলগীয়া হোৱা ঘটনাটোৰেই উল্লেখযোগ্য, কিয়নো মহিলাসকলো যে পূৰ্ণ মানৱ আৰু তেওঁলোকো সমান অধিকাৰৰ অধিকাৰী- এই বিষয়টো কেতিয়াও সন্দেহৰ বিষয় হ'ব নালাগে।
- লিংগ সমতা আৰু মহিলাসকলৰ সশক্তিকৰণৰ বাবে ৰাষ্ট্ৰসংঘৰ সংস্থা, যাক 'UN Women' নামেৰেও জনা যায়, হৈছে মহিলাসকলৰ সশক্তিকৰণৰ বাবে কাম কৰা ৰাষ্ট্ৰসংঘৰ এক বিশেষ সংস্থা।
- ২০১১ চনৰ জানুৱাৰীত UN Women আনুষ্ঠানিকভাৱে কাৰ্যক্ষম হয়। চিলিৰ ৰাষ্ট্ৰপতি মিচেল বাচেলেট ইয়াৰ প্ৰথম (উদ্বোধনী) কাৰ্যবাহী সঞ্চালক আছিল আৰু ফুমজিলে স্লাম্বো-এনগুকাই ২০১৩ চনৰ পৰা ২০২১ চনলৈ এই পদত আছিল। ছিমা ছামি বাজোছ বৰ্তমানৰ কাৰ্যবাহী সঞ্চালক। এই কথা ক'ব পাৰি যে, UN Women হৈছে ৰাষ্ট্ৰসংঘ উন্নয়ন গোটৰ এক সদস্য।
- এই সংস্থাটো বহুস্তৰীয় আন্তঃচৰকাৰী শাসন ব্যবস্থাৰ দ্বাৰা পৰিচালিত হয়, যিয়ে নীতি-নিৰ্ধাৰণমূলক আৰু কাৰ্যকৰী নীতি-নিৰ্দেশনা প্ৰদানৰ দায়িত্ব বহন কৰে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভা, অৰ্থনৈতিক আৰু সামাজিক পৰিষদ আৰু মহিলাৰ মৰ্যাদা বিষয়ক আয়োগে একেলগে এনে এক এই শাসন কাঠামো গঠন কৰে, যিয়ে এই সংস্থাটোৰ নীতি-নিৰ্ধাৰণমূলক দিশনিৰ্দেশক মৌলিক নীতিসমূহ নিৰ্ধাৰণ কৰে। আনহাতে, UN Women-ক কাৰ্যকৰী নীতি-নিৰ্দেশনা প্ৰদানৰ দায়িত্বত থকা আন্তঃচৰকাৰী শাসন কাঠামোটোৰ অন্তৰ্গত হৈছে সাধাৰণ সভা, অৰ্থনৈতিক আৰু সামাজিক পৰিষদ আৰু সংস্থাটোৰ কাৰ্যবাহী ব'ৰ্ড।
- UN Women-ৰ দায়িত্ব আৰু কাৰ্যাৱলী বিভিন্ন সংস্থাৰ একত্ৰিত দায়িত্ব আৰু কৰ্মাবলী ওপৰত ভিত্তি কৰি গঠন কৰা হৈছে। ইয়াৰ ভিতৰত আছে- লিংগ সম্পৰ্কীয় বিষয় আৰু মহিলাৰ উন্নয়নৰ বিশেষ উপদেষ্টাৰ কাৰ্যালয়, মহিলাৰ উন্নয়ন বিভাগ, ৰাষ্ট্ৰসংঘৰ মহিলা উন্নয়ন পুঁজি আৰু মহিলাৰ উন্নয়নৰ বাবে আন্তঃৰাষ্ট্ৰীয় গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান। ইয়াৰ উপৰিও, UN Women-এ সমগ্ৰ ৰাষ্ট্ৰসংঘ ব্যবস্থাৰ ভিতৰত লিংগ সমতা আৰু মহিলাসকলৰ সশক্তিকৰণৰ ক্ষেত্ৰত নেতৃত্ব প্ৰদান, সমন্বয় সাধন আৰু জবাবদিহিৰ দায়িত্ব পালন কৰাক উৎসাহিত কৰে।
- UN Women-ৰ মূল লক্ষ্য হৈছে- ৰাষ্ট্ৰসংঘৰ আন আন সংস্থা যেনে- ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় শিশু জৰুৰীকালীন পুঁজি, ৰাষ্ট্ৰসংঘৰ উন্নয়ন কাৰ্যসূচী আৰু ৰাষ্ট্ৰসংঘৰ জনসংখ্যা পুঁজিৰ প্ৰচেষ্টাসমূহক প্ৰতিষ্ঠাপন কৰা নহয়, বৰং সেই প্ৰচেষ্টাসমূহ অধিক শক্তিশালী আৰু ফলপ্ৰসূ কৰি তোলা। এই সংস্থাসমূহে নিজ নিজ দক্ষতাৰ ক্ষেত্ৰসমূহত লিংগ সমতা আৰু মহিলা সশক্তিকৰণৰ দায়িত্ব পালন কৰি যাব।

৮.৭ অধিক জানিবলৈ

1. Bartos Adam, Hitchens Christopher (1994). *International Territory: the United Nations 1945-1995*, London: Verso.
2. Childers Erskine (ed.) (1994). *Challenges to the United Nations: building a safer world*,

London: Catholic Institute of International Relations.

3. Haq Mahbub ul (1995). *Reflections on Human Development*, New York: Oxford University Press.
4. David Held (1995). *Democracy and the Global Order*, Cambridge: Polity Press.

৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰসংঘ হৈছে এখন আন্তঃৰাষ্ট্ৰীয় সংস্থা, যাৰ মূল উদ্দেশ্য হৈছে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখা, ৰাষ্ট্ৰসমূহৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলা, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা বৃদ্ধি কৰা। ই বিভিন্ন ৰাষ্ট্ৰৰ কাৰ্যকলাপৰ মাজত সমন্বয় সাধন কৰাৰ এক কেন্দ্ৰ হিচাপে কাম কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰসংঘৰ ছয়টা মুখ্য অংগ হৈছে- সাধাৰণ সভা, নিৰাপত্তা পৰিষদ, অৰ্থনৈতিক আৰু সামাজিক পৰিষদ, ন্যাসৰক্ষী পৰিষদ, আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়, ৰাষ্ট্ৰসংঘ সচিবালয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ CEDAW-ৰ সম্পূৰ্ণ ৰূপ হৈছে- Convention on the Elimination of All Forms of Discrimination Against Women অৰ্থাৎ মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য দূৰীকৰণ চুক্তি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মহিলাৰ বিৰুদ্ধে সংঘটিত সকলোধৰণৰ বৈষম্য দূৰীকৰণ চুক্তি ১৯৭৯ চনত সংযুক্ত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গৃহীত কৰিছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯৫ চনত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বজুৰি মহিলাসকলৰ লগত জড়িত গুৰুত্বপূৰ্ণ চাৰিটা উদ্বেগৰ ক্ষেত্ৰ হ'ল- মহিলা আৰু দাৰিদ্ৰ্য, মহিলাৰ শিক্ষা আৰু প্ৰশিক্ষণ, মহিলা আৰু স্বাস্থ্য, মহিলাৰ বিৰুদ্ধে হিংসা।

৮.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ সুৰক্ষা পৰিষদত কিমানজন স্থায়ী সদস্য আছে?
প্ৰশ্ন ২ ঃ আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ত কিমানজন ন্যায়াধীশ থাকে?
প্ৰশ্ন ৩ ঃ ৰাষ্ট্ৰসংঘৰ প্ৰথমগৰাকী মহাসচিব কোন আছিল?
প্ৰশ্ন ৪ ঃ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ সভাপতি হোৱা প্ৰথম ভাৰতীয় কোন আছিল?
প্ৰশ্ন ৫ ঃ ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণা কোন তাৰিখে গ্ৰহণ কৰিছিল?
প্ৰশ্ন ৬ ঃ United Nations শব্দটো কোনে প্ৰচলন কৰিছিল?
প্ৰশ্ন ৭ ঃ ৰাষ্ট্ৰসংঘৰ মহাসচিবৰ কাৰ্যকাল কিমান বছৰ?
প্ৰশ্ন ৮ ঃ কোন চনত ৰাষ্ট্ৰসংঘই নোবেল শান্তি বঁটা লাভ কৰিছিল?
প্ৰশ্ন ৯ ঃ ১৯৪৫ চনত প্ৰতিষ্ঠাৰ সময়ত ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা কিমান আছিল?
প্ৰশ্ন ১০ ঃ ৰাষ্ট্ৰসংঘৰ কিমানটা চৰকাৰী ভাষা আছে?
প্ৰশ্ন ১১ ঃ ৰাষ্ট্ৰসংঘৰ বিভিন্ন অংগসমূহৰ বিষয়ে লিখা।
প্ৰশ্ন ১২ ঃ লিংগ সমতা কিয় গুৰুত্বপূৰ্ণ?

প্রশ্ন ১৩ ঃ Convention on the Elimination of All Forms of Discrimination Against Women (CEDAW)-ৰ বিষয়ে এটা টোকা লিখা।

প্রশ্ন ১৪ ঃ মহিলাসকলৰ অধিকাৰ সুৰক্ষাত ৰাষ্ট্ৰসংঘৰ ভূমিকাৰ সমালোচনামূলক পৰ্যালোচনা আগবঢ়োৱা।

প্রশ্ন ১৫ ঃ মহিলাসকলৰ অধিকাৰ সম্পৰ্কীয় বিভিন্ন বিশ্ব সন্মিলনসমূহ বিষয়ে আলোচনা কৰা।

প্রশ্ন ১৬ ঃ লিংগ সমতা লাভৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা বিভিন্ন ঘোষণা আৰু সন্মিলন সমূহ বৰ্ণনা কৰা।

****

অধ্যায় ৫ ঃ ৰাষ্ট্ৰসংঘ আৰু শিশুৰ অধিকাৰ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ শিশুৰ অধিকাৰ প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা

৫.৩.১ ১৯৫৯ চনৰ শিশুৰ অধিকাৰ ঘোষণা

৫.৩.২ ১৯৮৯ চনৰ শিশুৰ অধিকাৰ চুক্তি

৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৫ অধিক জানিবলৈ

৫.৬ অগ্ৰগতিৰ খতিয়ান

৫.৭ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- শিশুৰ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা আলোচনা কৰিব পাৰিব।
- শিশুৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা বিভিন্ন চুক্তি আৰু ঘোষণাসমূহ ব্যাখ্যা কৰিব পাৰিব।

৫.২ পৰিচয়

সাম্প্ৰতিক সময়ত শিশুৰ অধিকাৰ এক গুৰুত্বপূৰ্ণ চিন্তাৰ বিষয় হিচাপে পৰিগণিত হৈছে। সাৰ্বজনীনভাৰে স্বীকৃত মানৱ অধিকাৰৰ আদৰ্শ বা নীতিসমূহে ধৰি লয় যে সকলো মানৱ অধিকাৰ সমাজৰ সকলো শ্ৰেণীৰ লোকৰ ক্ষেত্ৰতে প্ৰযোজ্য হ'ব লাগিব। কিন্তু সমাজৰ কিছুমান দুৰ্বল শ্ৰেণীৰ লোকৰ অধিকাৰ নিৰন্তৰভাৱে উলংঘন হৈ আহিছে। শিশুৰ অধিকাৰৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে সত্য। বাস্তৱ ক্ষেত্ৰত বহু সময়ত শিশুসকলৰ অধিকাৰ গুৰুতৰভাৱে উলংঘন হোৱা দেখা যায়। শিশুসকলৰ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় আৰু স্থানীয় পৰ্যায়ত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই কেইবাটাও গুৰুত্বপূৰ্ণপদক্ষেপ গ্ৰহণ কৰিছে। এই অধ্যায়টোত শিশুৰ অধিকাৰ প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা আলোকপাত কৰা হ'ব।

৫.৩ শিশুসকলৰ অধিকাৰ প্ৰসাৰ আৰু সুৰক্ষাত ৰাষ্ট্ৰসংঘৰ ভূমিকা

আমি যদি শিশুৰ অধিকাৰৰ ইতিহাসলৈ লক্ষ্য কৰোঁ, তেন্তে দেখা যায় যে ১৯২৪ চনত ৰাষ্ট্ৰসংঘৰ পূৰ্বসূৰী জাতিসংঘই (League of Nations) গ্ৰহণ কৰা শিশুৰ অধিকাৰৰ জেনেভা ঘোষণাপত্ৰই (Geneva Declaration of the Rights of the Child) প্ৰথমবাৰৰ বাবে শিশুসকলৰ অধিকাৰক গুৰুত্বসহকাৰে বিবেচনা কৰিছিল। ৰাষ্ট্ৰসংঘই বিভিন্ন চুক্তি (Conventions), ঘোষণা (Declarations) আৰু কমিটিৰ (Committees) জৰিয়তে শিশুসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ প্ৰচেষ্টা চলাই আহিছে। ৰাষ্ট্ৰসংঘৰ চনদৰ (Charter of the United Nations) প্ৰস্তাৱনাত উল্লেখ কৰা হৈছে—"আমি ৰাষ্ট্ৰসংঘৰ জনগণে মৌলিক মানৱ অধিকাৰ, মানৱ ব্যক্তিত্বৰ মৰ্যাদা আৰু মূল্য, পুৰুষ আৰু মহিলাৰ সম অধিকাৰ তথা সৰু-বৰ সকলো ৰাষ্ট্ৰৰ সম অধিকাৰৰ প্ৰতি আমাৰ বিশ্বাস পুনৰ দৃঢ় কৰিবলৈ সংকল্পবদ্ধ...।" এতেকে, ইয়াৰ পৰা স্পষ্ট হয় যে ৰাষ্ট্ৰসংঘই শিশুসকলৰ অধিকাৰকে ধৰি প্ৰতিগৰাকী মানুহৰ মৰ্যাদা আৰু অধিকাৰ সদায় সুৰক্ষিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৪৮ চনত গ্ৰহণ কৰা মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণাই (Universal Declaration of Human Rights-UDHR) বয়স বা লিংগৰ ভিত্তিত কোনোধৰণৰ বৈষম্য নকৰাকৈ সকলো মানুহকে অধিকাৰ প্ৰদান কৰিছে। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাৰ ২৪ নং অনুচ্ছেদত শিশুৰ অধিকাৰৰ সৈতে জড়িত কিছুমান নিৰ্দিষ্ট বিষয়ত গুৰুত্ব আৰোপ কৰিছে। সেইবোৰ এনেধৰণৰ--

- প্ৰতিগৰাকী শিশুৱে কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ, নাবালক হিচাপে তেওঁৰ মৰ্যাদাৰ বাবে প্ৰয়োজনীয় সুৰক্ষামূলক ব্যৱস্থা লাভ কৰাৰ অধিকাৰ থাকিব। এই সুৰক্ষা তেওঁৰ পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰৰ পৰা লাভ কৰিব লাগিব।
- প্ৰতিগৰাকী শিশুক জন্মৰ পিছতেই পঞ্জীয়ন কৰিব লাগিব আৰু তেওঁৰ এটা নাম থাকিব লাগিব।
- প্ৰতিগৰাকী শিশুৰ জাতীয়তা বা ৰাষ্ট্ৰীয়তা লাভ কৰাৰ অধিকাৰ আছে।

অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ (International Covenant on Economic, Social and Cultural Rights-ICESCR) অনুচ্ছেদ ১০, ১৩ আৰু ১৪-তো শিশুৰ অধিকাৰৰ বিষয়ে আলোচনা কৰা হৈছে। ICESCR-ৰ অনুচ্ছেদ ১০ত পাৰিবাৰিক জীৱন, দৰমহাসহ পিতৃ-মাতৃৰ ছুটী আৰু শিশুৰ সুৰক্ষাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ উপৰি, চুক্তিখনৰ অনুচ্ছেদ ১৩ আৰু ১৪ত শিক্ষাৰ অধিকাৰৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ইয়াৰ ভিতৰত বিনামূলীয়া সাৰ্বজনীন প্ৰাথমিক শিক্ষা, সাধাৰণভাৱে উপলব্ধ মাধ্যমিক শিক্ষা আৰু সমানে লাভ কৰিব পৰা উচ্চ শিক্ষাৰ ব্যৱস্থাৰ কথা উল্লেখ কৰা হৈছে। ইয়াৰ উপৰি, ৰাষ্ট্ৰসংঘই শিশুৰ অধিকাৰৰ সৈতে জড়িত আন বিভিন্ন ঘোষণা আৰু চুক্তি গ্ৰহণ কৰিছে। পৰৱৰ্তী অংশসমূহত সেইবোৰৰ বিষয়ে আলোচনা কৰা হ'ব।

৫.৩.১ ১৯৫৯ চনৰ শিশুৰ অধিকাৰ ঘোষণাপত্ৰ

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২০ নৱেম্বৰ, ১৯৫৯ তাৰিখে শিশুৰ অধিকাৰ ঘোষণাপত্ৰ গ্ৰহণ কৰিছিল। এই ঘোষণাত শিশুৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চলি অহা ক্ৰমবৰ্ধমান প্ৰচেষ্টাসমূহৰ প্ৰতিফলন ঘটোৱা কিছুমান নীতি সন্নিৱিষ্ট কৰা হৈছে। এই ঘোষণাপত্ৰত শিশুৰ অধিকাৰৰ সৈতে জড়িত ১০টা নীতি সন্নিৱিষ্ট হৈছে। ঘোষণাপত্ৰখনৰ বিভিন্ন নীতিৰ জৰিয়তে উল্লেখ কৰা হৈছে যে প্ৰতিগৰাকী শিশুৰ নিজৰ এটা নাম থকাৰ অধিকাৰ, ৰাষ্ট্ৰীয়তাৰ অধিকাৰ, ব্যক্তিত্ব বিকাশৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, সামাজিক নিৰাপত্তাৰ অধিকাৰ, শোষণৰ পৰা সুৰক্ষাৰ অধিকাৰ, আইনী সুৰক্ষাৰ অধিকাৰ আদি থাকিব লাগে। ঘোষণাত এইটোও উল্লেখ কৰা হৈছে যে প্ৰতিগৰাকী শিশুৰ যিকোনো ধৰণৰ বৰ্ণ, ধৰ্ম বা অন্য কোনো বৈষম্য আৰু নিষ্ঠুৰতাৰ পৰা সুৰক্ষিত হোৱাৰ অধিকাৰ থাকিব লাগে। শাৰীৰিক, মানসিক আৰু সামাজিকভাৱে অক্ষম শিশুসকলৰ বিশেষ যত্ন আৰু চিকিৎসা লাভৰ অধিকাৰ থাকিব বুলি ঘোষণাপত্ৰখনত উল্লেখ কৰা হৈছে। অৰ্থাৎ, ক'ব পাৰি যে শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে এই ঘোষণাপত্ৰত কিছুমান গুৰুত্বপূৰ্ণ ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শিশুৰ অধিকাৰ ঘোষণাপত্ৰ কোন চনত গ্ৰহণ কৰা হৈছিল?

প্ৰশ্ন নং ২ ঃ শিশুৰ অধিকাৰ সম্পৰ্কীয় জেনেভা ঘোষণাপত্ৰ কোন চনত গ্ৰহণ কৰা হৈছিল?

প্ৰশ্ন নং ৩ ঃ শিশুৰ অধিকাৰ ঘোষণাপত্ৰত সন্নিৱিষ্ট যিকোনো চাৰিটা অধিকাৰ উল্লেখ কৰক।

৫.৩.২ ১৯৮৯ চনৰ শিশুৰ অধিকাৰ সম্পৰ্কীয় চুক্তি

শিশুৰ অধিকাৰৰ ঘোষণাপত্ৰৰ নীতিসমূহ কাৰ্যকৰী কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৮৯ চনৰ ২০ নৱেম্বৰ তাৰিখে শিশুৰ অধিকাৰ সম্পৰ্কীয় চুক্তি (Convention on the Rights of the

Child) গ্ৰহণ কৰে। ই ১৯৯০ চনৰ ২ ছেপ্টেম্বৰ তাৰিখে কাৰ্যকৰী হয়। এই চুক্তিত ১টা প্ৰস্তাৱনা (Preamble) আৰু ৫৪টা অনুচ্ছেদ আছে। শিশুসকলৰ মানৱ অধিকাৰ সুৰক্ষাৰ জৰিয়তে বিশ্বত ন্যায়, শান্তি আৰু স্বাধীনতা শক্তিশালী কৰাৰ আন্তঃৰাষ্ট্ৰীয় প্ৰচেষ্টাৰ ক্ষেত্ৰত এই চুক্তিক এক মাইলৰ খুঁটি স্বৰূপ ঐতিহাসিক অগ্ৰগতি বুলি গণ্য কৰিব পাৰি। শিশুসকলৰ নাগৰিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সুৰক্ষাৰ বাবে এইখনেই প্ৰথমখন বিশ্বব্যাপী বাধ্যতামূলক চুক্তি। চুক্তিৰ পক্ষভুক্ত বা সদস্য ৰাষ্ট্ৰসমূহে চুক্তিখনত স্বীকৃত অধিকাৰসমূহ কাৰ্যকৰী কৰিবলৈ সকলো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সন্মত হয়। ৰাষ্ট্ৰসংঘৰ শিশু পুঁজিয়ে (UNICEF) চুক্তিত উল্লেখ কৰা নীতিসমূহ প্ৰচাৰ আৰু কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

চুক্তিখনৰ প্ৰস্তাৱনাত শিশুৰ অধিকাৰৰ প্ৰতি থকা ইয়াৰ দৃঢ় গুৰুত্ব স্পষ্টভাৱে প্ৰতিফলিত হৈছে। এই চুক্তিখনে শিশুৰ সংজ্ঞা দি কৈছে- "শিশু বুলিলে ১৮ বছৰৰ তলৰ প্ৰতিগৰাকী মানুহক বুজায়, যদিহে শিশুটিৰ ক্ষেত্ৰত প্ৰযোজ্য আইন অনুসৰি ইয়াতকৈ কম বয়সতে সাবালকত্ব লাভ নকৰে।" সাবিত্ৰী গুনেসেকেৰে (Savitri Goonesekere)-ৰ মতে, চুক্তিখনে প্ৰদান কৰা অধিকাৰসমূহক চাৰিটা ভাগত শ্ৰেণীবদ্ধ কৰিব পাৰি। সেইবোৰ হ'ল—

- **জীয়াই থকাৰ অধিকাৰ (Survival Rights) ঃ** ইয়াৰ ভিতৰত পৰ্যাপ্ত খাদ্য, আশ্ৰয়, বিশুদ্ধ পানী আৰু প্ৰাথমিক স্বাস্থ্যসেৱাৰ ব্যৱস্থা অন্তৰ্ভুক্ত।
- **বিকাশৰ অধিকাৰ (Development Rights) ঃ** ইয়াৰ ভিতৰত তথ্য লাভৰ সুবিধা, শিক্ষা, সাংস্কৃতিক কাৰ্যকলাপ, বিশ্ৰাম, খেল-ধেমালি আৰু অৱসৰ বিনোদনৰ সুযোগ, লগতে চিন্তাৰ স্বাধীনতা, ভাল-বেয়া বিচাৰৰ স্বাধীনতা আৰু ধৰ্মৰ স্বাধীনতাৰ অধিকাৰ অন্তৰ্ভুক্ত।
- **সুৰক্ষাৰ অধিকাৰ (Protection Rights) ঃ** কেৱল অধিকাৰ উলংঘনৰ পৰা সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰাই নহয়, সকলো ধৰণৰ শোষণ আৰু নিষ্ঠুৰতাৰ পৰাও সুৰক্ষা প্ৰদান কৰাটোও সুৰক্ষা অধিকাৰৰ অন্তৰ্ভুক্ত। বিশেষকৈ পৰিত্যক্ত শিশু, পথৰ শিশু আৰু স্থানচ্যুত শিশুৰ দৰে অতি দুৰ্বল শ্ৰেণীৰ শিশুসকলৰ বাবে সুৰক্ষা অত্যাৱশ্যকীয়।
- **অংশগ্ৰহণৰ অধিকাৰ (Participation Rights) ঃ** নিজৰ মতামত প্ৰকাশ কৰাৰ অধিকাৰ আৰু সংগঠন গঠনৰ স্বাধীনতাৰ জৰিয়তে সম্প্ৰদায় আৰু সমাজত সক্ৰিয় ভূমিকা পালন কৰাৰ অধিকাৰ অংশগ্ৰহণৰ অধিকাৰৰ অন্তৰ্ভুক্ত।

চুক্তিখনত অন্তৰ্ভুক্ত কৰা কিছুমান গুৰুত্বপূৰ্ণ অধিকাৰ হ'ল—

১. প্ৰতিগৰাকী শিশুৱে কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ চুক্তিখনত উল্লেখ কৰা সকলো অধিকাৰ উপভোগ কৰাৰ অধিকাৰ লাভ কৰিব।

২. প্ৰশাসনিক, বিধানগত, আইনী বা আন যিকোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সময়ত শিশুৰ সৰ্বোত্তম স্বাৰ্থক এই ক্ষেত্ৰত প্ৰাথমিক বিবেচ্য বিষয় হিচাপে গ্ৰহণ কৰিব লাগিব।

৩. প্ৰতিগৰাকী শিশুৰ জীৱনৰ অধিকাৰ আৰু বিকাশৰ অধিকাৰ আছে।

৪. প্ৰতিগৰাকী শিশুৰ জন্মৰ পিছতেই তাৎক্ষণিকভাৱে পঞ্জীয়ন কৰাৰ অধিকাৰৰ লগতে নামৰ অধিকাৰ, ৰাষ্ট্ৰীয়তা লাভ কৰাৰ অধিকাৰ আৰু পিতৃ-মাতৃৰ দ্বাৰা যত্ন বা প্ৰতিপালন লাভ কৰাৰ অধিকাৰ থাকিব।

৫. যি শিশুৰ পিতৃ-মাতৃ পৃথক পৃথক ৰাষ্ট্ৰত বাস কৰে, সেই শিশুৰ ব্যতিক্ৰমী পৰিস্থিতিৰ বাহিৰে নিয়মীয়াভাৱে দুয়োগৰাকী পিতৃ-মাতৃৰ সৈতে ব্যক্তিগত সম্পৰ্ক আৰু প্ৰত্যক্ষ যোগাযোগ বজাই ৰখাৰ অধিকাৰ থাকিব।

৬. প্ৰতিগৰাকী শিশুৰ মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ আছে। এই অধিকাৰৰ অন্তৰ্ভুক্ত হৈছে সকলো ধৰণৰ তথ্য আৰু ধাৰণা বিচৰা, গ্ৰহণ কৰা আৰু প্ৰচাৰ কৰাৰ স্বাধীনতা, লগতে চিন্তা, বিবেক আৰু ধৰ্মৰ স্বাধীনতা।

৭. কোনো শিশুৰ ব্যক্তিগত জীৱন, পৰিয়াল, ঘৰ বা চিঠি-পত্ৰৰ ক্ষেত্ৰত কোনো ধৰণৰ স্বেচ্ছাচাৰী বা বেআইনী হস্তক্ষেপ কৰিব নোৱাৰিব। তদুপৰি, শিশুৰ সন্মান আৰু খ্যাতিৰ ওপৰত কোনো বেআইনী আক্ৰমণ কৰা নহ'ব।

৮. যি শিশু সাময়িকভাৱে বা স্থায়ীভাৱে নিজৰ পাৰিবাৰিক পৰিৱেশৰ পৰা বঞ্চিত হৈছে, সেই শিশুৱে ৰাষ্ট্ৰৰ দ্বাৰা প্ৰদান কৰা বিশেষ সুৰক্ষা আৰু সহায় লাভ কৰাৰ অধিকাৰী হ'ব।

৯. প্ৰতিগৰাকী শিশুৰ সামাজিক সুৰক্ষা, যাৰ ভিতৰত সামাজিক বীমাও অন্তৰ্ভুক্ত, লাভ কৰাৰ অধিকাৰ আছে আৰু এই অধিকাৰ সম্পূৰ্ণৰূপে বাস্তৱায়িত কৰাৰ বাবে ৰাষ্ট্ৰসমূহে নিজৰ দেশৰ ৰাষ্ট্ৰীয় আইন অনুসৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

১০. প্ৰতিগৰাকী শিশুৰ সম্ভৱপৰ সৰ্বোচ্চ মানৰ স্বাস্থ্যসেৱাৰ সুবিধাসমূহ উপভোগ কৰাৰ অধিকাৰ আছে। প্ৰতিগৰাকী শিশুৰ জিৰণি আৰু বিশ্ৰাম উপভোগ কৰাৰ অধিকাৰ আছে।

১১. সমান সুযোগৰ ভিত্তিত প্ৰতিগৰাকী শিশুৰ শিক্ষাৰ অধিকাৰ আছে।

১২. প্ৰতিগৰাকী শিশুৰ অৰ্থনৈতিক বা যিকোনো ধৰণৰ শোষণৰ পৰা সুৰক্ষা পোৱাৰ অধিকাৰ আছে।

১৩. কোনো শিশুকে নিৰ্যাতন অথবা অন্য কোনো নিষ্ঠুৰ, অমানৱীয় বা মৰ্যাদাহানিকৰ ব্যৱহাৰ বা শাস্তিৰ সন্মুখীন কৰিব নোৱাৰিব।

এই চুক্তিখনত ইয়াৰ বিধানসমূহ কাৰ্যকৰী কৰাৰ বাবে সদস্য ৰাষ্ট্ৰসমূহে গ্ৰহণ কৰিবলগীয়া কিছুমান ব্যৱস্থাৰ কথাও উল্লেখ কৰা হৈছে। চুক্তিখনত উল্লেখ কৰা হৈছে যে এই চুক্তিখনত স্বীকৃত অধিকাৰসমূহ কাৰ্যকৰী কৰাৰ বাবে সদস্য ৰাষ্ট্ৰসমূহে সকলো উপযুক্ত আইনগত, প্ৰশাসনিক আৰু অন্যান্য ব্যৱস্থা গ্ৰহণ কৰিব। সদস্য ৰাষ্ট্ৰসমূহে কোনো বেআইনী হস্তক্ষেপ নোহোৱাকৈ শিশুৰ ৰাষ্ট্ৰীয়তা, নাম আৰু আইনৰ দ্বাৰা স্বীকৃত পাৰিবাৰিক সম্পৰ্ককে ধৰি শিশুটিৰ নিজৰ পৰিচয় সংৰক্ষিত কৰাৰ অধিকাৰক সন্মান জনাবলৈ প্ৰতিশ্ৰুতিবদ্ধ। সদস্য ৰাষ্ট্ৰসমূহে শিশুৰ বাবে সামাজিক আৰু সাংস্কৃতিকভাৱে উপকাৰী তথ্য আৰু সামগ্ৰী প্ৰচাৰ আৰু প্ৰসাৰ কৰিবলৈ গণমাধ্যমসমূহক উৎসাহিত কৰিব। কৰ্মৰত পিতৃ-মাতৃৰ সন্তানসকলে, যিসকল শিশু পৰিচৰ্যা সেৱা আৰু সুবিধা লাভ কৰাৰ যোগ্য, তেওঁলোকে যাতে পিতৃ-মাতৃৰ পৰিচৰ্যা সেৱা আৰু সুবিধাসমূহ লাভ কৰে সেয়া নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰসমূহে সকলো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব। সদস্য ৰাষ্ট্ৰসমূহে শিশুসকলক সকলো ধৰণৰ যৌন শোষণ আৰু যৌন নিৰ্যাতনৰ পৰা সুৰক্ষা দিয়াৰ বাবে সকলো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। যিকোনো ধৰণৰ অৱহেলাৰ বলি হোৱা শিশুৰ শাৰীৰিক আৰু মানসিক পুনৰুদ্ধাৰ আৰু সামাজিক পুনৰ-একত্ৰীকৰণ (reintegration) কৰাৰ বাবে সদস্য ৰাষ্ট্ৰসমূহে সকলো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব। লগতে, সশস্ত্ৰ সংঘাতৰ ক্ষেত্ৰত সদস্য ৰাষ্ট্ৰসমূহে তেওঁলোকৰ বাবে প্ৰযোজ্য আৰু শিশুৰ সৈতে সম্পৰ্কিত আন্তঃৰাষ্ট্ৰীয় মানৱীয় আইনৰ নিয়মসমূহ সন্মান কৰিব আৰু সেই নিয়মসমূহৰ প্ৰতি সন্মান নিশ্চিত কৰিব। প্ৰতিবন্ধী শিশুৰ অধিকাৰৰ ক্ষেত্ৰত, চুক্তিখনে উল্লেখ কৰিছে যে মানসিক বা শাৰীৰিকভাৱে প্ৰতিবন্ধী শিশুৱে সম্পূৰ্ণ আৰু মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰাৰ অধিকাৰ লাভ কৰিব, এনে পৰিস্থিতিত যিয়ে শিশুৰ মৰ্যাদা নিশ্চিত কৰিব, আত্মনিৰ্ভৰশীলতাক উৎসাহিত কৰিব আৰু সমাজত শিশুৰ সক্ৰিয় অংশগ্ৰহণ সহজ কৰি তুলিব, সেয়া সদস্য ৰাষ্ট্ৰসমূহে মান্যতা দিব।

চুক্তিৰ সদস্য ৰাষ্ট্ৰসমূহে চুক্তিখনৰ বিধানসমূহক সন্মান কৰা আৰু সেইবোৰৰ কাৰ্যকৰী ৰূপায়ণ নিশ্চিত কৰিব লাগিব। শিশুৰ অধিকাৰ সমিতিক (Committee on the Rights of the Child) চুক্তিখনৰ বিধানসমূহৰ ৰূপায়ণ নিৰীক্ষণ কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

ইয়াৰ উপৰি, ১৯৯৩ চনৰ মানৱ অধিকাৰ বিষয়ক ভিয়েনা ঘোষণাপত্ৰয়ো শিশুৰ অধিকাৰৰ প্ৰসাৰৰ বাবে চলি থকা আন্তঃৰাষ্ট্ৰীয় আন্দোলনৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰে। এই ঘোষণাপত্ৰখনে কিছুমান নিৰ্দিষ্ট বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, যিবোৰ ৰাষ্ট্ৰসমূহে অনুসৰণ কৰা প্ৰয়োজন ঃ

- শিশুৰ শোষণ আৰু নিৰ্যাতনৰ মূল কাৰণসমূহ চিনাক্ত কৰি সেইবোৰৰ বিৰুদ্ধে যুঁজ দিয়া।
- কন্যা শিশুৰ ভ্ৰূণহত্যা, ক্ষতিকাৰক শিশুশ্ৰম, শিশুৰ বিক্ৰী, শিশুৰ যৌন ব্যৱসায় আৰু শিশু পৰ্ণগ্ৰাফী, লগতে অন্যান্য ধৰণৰ যৌন নিৰ্যাতনৰ বিৰুদ্ধে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা।
- সশস্ত্ৰ সংঘাতৰ সময়ত শিশুসকলৰ সুৰক্ষা উন্নত কৰাৰ উপায়সমূহ সংগঠিত কৰা আৰু যুদ্ধপীড়িত অঞ্চলত থকা শিশু তথা বিশেষভাৱে কঠিন পৰিস্থিতিত থকা শিশুসকলৰ পুনৰ্বাসনৰ বাবে কাৰ্যসূচী আৰম্ভ কৰিব লাগে।

♦ শিশুৰ অধিকাৰ সম্পৰ্কীয় চুক্তিৰ ঐচ্ছিক নিয়মাৱলীসমূহ

শিশুৰ অধিকাৰ সম্পৰ্কীয় চুক্তিৰ বিধানসমূহক অধিক ফলপ্রসূ কৰাৰ উদ্দেশ্যে ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই ২০০০ চনৰ ২৫ মে' তাৰিখে চুক্তিখনৰ সৈতে সম্পৰ্কিত দুটা ঐচ্ছিক নিয়মাৱলী বা আচাৰ-বিধি গ্রহণ কৰে। এই দুটা ঐচ্ছিক নিয়মাৱলী হ'ল-সশস্ত্র সংঘাতত শিশুৰ জড়িতকৰণ সম্পৰ্কীয় ঐচ্ছিক নিয়মাৱলী (Optional Protocol on the Involvement of Children in Armed Conflict) আৰু শিশু বিক্রী, শিশু যৌন বা বেশ্যাবৃত্তি আৰু শিশু পর্ণগ্রাফী সম্পৰ্কীয় ঐচ্ছিক নিয়মাৱলী (Optional Protocol on the Sale of Children, Child Prostitution and Child Pornography)। এই দুটা নিয়মাৱলীৰ মূল উদ্দেশ্য হৈছে শিশুসকলক সশস্ত্র সংঘাত আৰু যৌন শোষণৰ পৰা সুৰক্ষা প্রদান কৰা।

সশস্ত্র সংঘাতত শিশুৰ জড়িতকৰণ সম্পৰ্কীয় ঐচ্ছিক নিয়মাৱলী ১২ ফেব্রুৱাৰী ২০০২ তাৰিখে কার্যকৰী হয়। এই ঐচ্ছিক নিয়মাৱলীখনে বাধ্যতামূলকভাৱে সৈন্য হিচাপে নিযুক্তিৰ ন্যূনতম বয়স ১৮ বছৰ বুলি স্বীকৃতি দিয়ে আৰু ১৮ বছৰৰ তলৰ ব্যক্তিসকলে যাতে প্রত্যক্ষভাৱে যুদ্ধ বা সংঘাতত অংশগ্রহণ কৰিব নোৱাৰে, তাৰ বাবে সদস্য ৰাষ্ট্রসমূহক তেওঁলোকে কৰিব পৰা সকলো সম্ভৱপৰ ব্যৱস্থা গ্রহণ কৰিবলৈ আহ্বান জনায়।

শিশু বিক্রী, শিশু বেশ্যাবৃত্তি আৰু শিশু পর্ণগ্রাফী সম্পৰ্কীয় ঐচ্ছিক নিয়মাৱলীখন ২০০২ চনৰ ১৮ জানুৱাৰী তাৰিখে বলৱৎ হয়। এই ঐচ্ছিক নিয়মাৱলীখনে শিশুৰ অধিকাৰৰ গুৰুতৰ উলংঘনৰ বিষয়সমূহ, সেইবোৰক অপৰাধ হিচাপে গণ্য কৰা আৰু অপৰাধীকৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। লগতে, এই অপৰাধসমূহ নির্মূল কৰাৰ বাবে জনসচেতনতা বৃদ্ধি আৰু আন্তঃৰাষ্ট্রীয় সহযোগিতাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই দুয়োখন ঐচ্ছিক নিয়মাৱলী সদায় মূল চুক্তিখনৰ সামগ্রিক দৃষ্টিভংগীৰ আলোকত ব্যাখ্যা কৰিব লাগিব আৰু শিশুসকলৰ সর্বোত্তম স্বার্থৰ বাবে বৈষম্যহীনতাৰ নীতিৰ দ্বাৰা সদায় পৰিচালিত হ'ব লাগিব।

♦ ১৯৯০ চনৰ শিশুসকলৰ বাবে বিশ্ব সন্মিলন ঃ

শিশুসকলৰ কল্যাণ প্রসাৰৰ উদ্দেশ্যে শিশুসকলৰ বাবে বিশ্ব সন্মিলন ১৯৯০ চনৰ ২৯ আৰু ৩০ ছেপ্টেম্বৰত নিউয়র্কস্থিত ৰাষ্ট্রসংঘৰ মুখ্য কার্যালয়ত অনুষ্ঠিত হৈছিল। এই সন্মিলনত, ২০০০ চনৰ ভিতৰত শিশুসকলৰ সৈতে জড়িত মানৱ উন্নয়নৰ লক্ষ্যসমূহৰ অন্তর্ভুক্তিৰে এক বিস্তৃত কার্য পৰিকল্পনা গ্রহণ কৰাৰ লগতে শিশুসকলৰ জীৱন ধাৰণ, সুৰক্ষা আৰু বিকাশৰ ওপৰত বিশ্ব ঘোষণাপত্র স্বাক্ষৰিত হৈছিল। এই বিশ্ব ঘোষণাপত্র আৰু কার্য পৰিকল্পনাৰ মূল উদ্দেশ্য আছিল- শিশু আৰু মাতৃৰ মৃত্যুৰ হাৰ হ্রাস কৰা, শিশুৰ অপুষ্টি আৰু নিৰক্ষৰতা হ্রাস কৰা। লগতে, স্বাস্থ্যসেৱা আৰু পৰিয়াল পৰিকল্পনা, শিক্ষা, বিশুদ্ধ পানী আৰু অনাময় ব্যৱস্থাৰ দৰে মৌলিক সেৱাসমূহৰ সুবিধা লাভৰ হাৰ বৃদ্ধি কৰাও ইয়াৰ অন্যতম লক্ষ্য আছিল । সন্মিলনখনত প্রতিনিধিত্ব কৰা ১৫৯খন চৰকাৰৰ ভিতৰত ইয়াৰে ৭৩খন চৰকাৰে বিশ্বৰ শিশুসকলৰ হৈ যৌথ ঘোষণাপত্র আৰু কার্য পৰিকল্পনাত স্বাক্ষৰ কৰিছিল। ১৯৯০ চনৰ শিশুসকলৰ বাবে বিশ্ব সন্মিলনত নির্ধাৰিত লক্ষ্যসমূহে অংশগ্রহণকাৰী দেশসমূহক শিশুসকলৰ কল্যাণৰ প্রতি উচ্চ পর্যায়ৰ প্রতিশ্রুতিবদ্ধতা আগবঢ়াবলৈ উৎসাহিত কৰিছিল। ইয়াৰ ফলত এক উমৈহতীয়া উদ্দেশ্য সাধনৰ বাবে চৰকাৰ, বেচৰকাৰী সংস্থা (NGO), দাতা সংস্থা, সংবাদ মাধ্যম, নাগৰিক সমাজ আৰু আন্তঃৰাষ্ট্রীয় সংগঠনসমূহৰ মাজত নতুন অংশীদাৰিত্ব গঢ়ি তোলাত সহায় হৈছিল।

২০০২ চনৰ মে' মাহত শিশুসকলৰ সৈতে জড়িত বিষয়সমূহ আলোচনা কৰিবলৈ ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই নিউয়র্কত এক বিশেষ অধিৱেশন অনুষ্ঠিত কৰে। এই বিশেষ অধিৱেশনত ১৯৯০ চনৰ বিশ্ব সন্মিলনৰ পিছত হোৱা অগ্রগতিৰ পর্যালোচনা কৰা হয় আৰু "শিশুসকলৰ বাবে উপযোগী এখন পৃথিৱী" শীর্ষক এটা প্রস্তাৱ গ্রহণ কৰা হয়। এই প্রস্তাৱত সমগ্র বিশ্বৰ শিশুসকলক শিক্ষা, স্বাস্থ্য, অনাময় ব্যৱস্থা আৰু জীৱন-যাপনৰ মানদণ্ড আদি ক্ষেত্রত সহায় আগবঢ়োৱাৰ বাবে নির্দিষ্ট লক্ষ্য আৰু কার্য পৰিকল্পনাৰ কথা উল্লেখ কৰা হৈছিল।

শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে এনে বিভিন্ন ব্যৱস্থা গ্রহণ কৰা সত্ত্বেও বিশ্বৰ বিভিন্ন প্রান্তত বিভিন্ন সামাজিক-ৰাজনৈতিক পৰিস্থিতিৰ মাজত শিশুৰ অধিকাৰ উলংঘন অব্যাহত আছে। মানৱ অধিকাৰ কর্মীসকলে শিশুশ্রম আৰু শিশুৰ অধিকাৰ উলংঘনৰ সমস্যাৰ গুৰুত্ব উপলব্ধি কৰি প্রাপ্তবয়স্ক লোকসকলৰ মাজত মানৱ অধিকাৰ সম্পৰ্কীয় শিক্ষাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিভিন্ন সমাজবিজ্ঞানী আৰু মানৱ অধিকাৰ

কৰ্মীসকলে মানৱ অধিকাৰ সম্পৰ্কীয় দলিল বা ব্যৱস্থাসমূহৰ সৈতে শিশুৰ অধিকাৰৰ এক যোগসূত্ৰ স্থাপন কৰাৰ পোষকতা কৰে। ইয়াৰ ফলত শিশুসকলৰ শোষণ আৰু নিৰ্যাতনৰ মূল কাৰণসমূহ চিনাক্ত কৰাত সহায় হ'ব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শিশুৰ অধিকাৰ সম্পৰ্কীয় চুক্তিখনত মুঠ কিমানটা অনুচ্ছেদ আছে?

প্ৰশ্ন নং ৫ ঃ শিশুৰ অধিকাৰৰ চুক্তিত অন্তৰ্ভুক্ত যিকোনো দুটা অধিকাৰ উল্লেখ কৰা।

প্ৰশ্ন নং ৬ ঃ মানৱ অধিকাৰৰ ভিয়েনা ঘোষণাপত্ৰ গ্ৰহণ কৰা চনটো হৈছে..... (খালী ঠাই পূৰণ কৰা)।

প্ৰশ্ন নং ৭ ঃ শিশুৰ অধিকাৰ সম্পৰ্কীয় চুক্তিৰ দুটা ঐচ্ছিক নিয়মাৱলী কি কি?

প্ৰশ্ন নং ৮ ঃ শিশুসকলৰ জীৱন ধাৰণ, সু�ৰক্ষা আৰু বিকাশ সম্পৰ্কীয় বিশ্ব ঘোষণাপত্ৰ আৰু কাৰ্য পৰিকল্পনাৰ মূল উদ্দেশ্য কি?

৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিশুসকলৰ অধিকাৰ সঘনাই উলংঘন কৰা হয়। শিশুসকলৰ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে ৰাষ্ট্ৰসংঘই বহুতো পদক্ষেপ বা ব্যৱস্থা গ্ৰহণ কৰিছে।
- ৰাষ্ট্ৰসংঘৰ চনদ আৰু মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণাপত্ৰত শিশুৰ অধিকাৰৰ সৈতে জড়িত বহুতো বিধান অন্তৰ্ভুক্ত কৰা হৈছে।
- ১৯৫৯ চনৰ ২০ নৱেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই শিশুৰ অধিকাৰ সম্পৰ্কীয় ঘোষণাপত্ৰ গ্ৰহণ কৰিছিল। এই ঘোষণাপত্ৰত শিশুৰ অধিকাৰৰ সৈতে জড়িত ১০টা নীতি সন্নিৱিষ্ট কৰা হৈ ছে। ঘোষণাপত্ৰত অন্তৰ্ভুক্ত গুৰুত্বপূৰ্ণ বিধানসমূহৰ ভিতৰত আছে— প্ৰতিগৰাকী শিশুৰ নিজাকৈ এটা নাম থাকিব, ৰাষ্ট্ৰীয়তাৰ অধিকাৰ, ব্যক্তিত্বৰ বিকাশৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ, শোষণৰ পৰা সুৰক্ষাৰ অধিকাৰ, আইনী সুৰক্ষাৰ অধিকাৰ আদি।
- শিশুৰ অধিকাৰ সম্পৰ্কীয় ঘোষণাপত্ৰৰ নীতিসমূহ কাৰ্যকৰী কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৮৯ চনৰ ২০ নৱেম্বৰ তাৰিখে শিশুৰ অধিকাৰ সম্পৰ্কীয় চুক্তিখন গ্ৰহণ কৰে। ই ১৯৯০ চনৰ ২ ছেপ্টেম্বৰ তাৰিখৰ পৰা কাৰ্যকৰী হয়। এই চুক্তিখনত ১টা প্ৰস্তাৱনা আৰু ৫৪টা অনুচ্ছেদ আছে।
- চুক্তিখনত সন্নিৱিষ্ট কিছুমান গুৰুত্বপূৰ্ণ অধিকাৰ হৈছে—জীয়াই থকা বা জীৱনৰ অধিকাৰ, ৰাষ্ট্ৰীয়তা লাভৰ অধিকাৰ, পাৰিৱাৰিক পৰিৱেশ লাভৰ অধিকাৰ, স্বাধীনভাৱে মতামত প্ৰকাশৰ অধিকাৰ, সকলো ধৰণৰ শাৰীৰিক বা মানসিক হিংসা, আঘাত বা অৱহেলাৰ পৰা সুৰক্ষিত হোৱাৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ, শিশু শ্ৰমিকৰ শোষণৰ বিৰুদ্ধে অধিকাৰ, মানসিক বা শাৰীৰিকভাৱে অক্ষম শিশুৰে মৰ্যাদাপূৰ্ণ আৰু পূৰ্ণ জীৱন যাপন কৰাৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, জিৰণি আৰু বিশ্ৰামৰ অধিকাৰ আৰু সকলো ধৰণৰ শোষণৰ পৰা সুৰক্ষিত হোৱাৰ অধিকাৰ।
- চুক্তিখনৰ বিধানসমূহ ফলপ্ৰসূ কৰাৰ বাবে সদস্য ৰাষ্ট্ৰসমূহে গ্ৰহণ কৰিবলগীয়া কিছুমান ব্যৱস্থাৰ কথাও চুক্তিখনত উল্লেখ কৰা হৈছে। চুক্তিখনত কোৱা হৈছে যে সদস্য ৰাষ্ট্ৰসমূহে এই চুক্তিত স্বীকৃত অধিকাৰসমূহ কাৰ্যকৰী কৰাৰ বাবে সকলো উপযুক্ত আইনগত, প্ৰশাসনিক আৰু অন্যান্য ব্যৱস্থা গ্ৰহণ কৰিব।
- শিশুৰ অধিকাৰ সম্পৰ্কীয় চুক্তিৰ বিধানসমূহ অধিক ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২০০০ চনৰ ২৫ মে' তাৰিখে চুক্তিখনৰ সৈতে জড়িত দুটা ঐচ্ছিক নিয়মাৱলী গ্ৰহণ কৰে। এই দুই ঐচ্ছিক নিয়মাৱলী হৈছে– সশস্ত্ৰ সংঘাতত শিশুৰ জড়িতকৰণ সম্পৰ্কীয় ঐচ্ছিক নিয়মাৱলী আৰু শিশু বিক্ৰী, শিশু যৌন বা বেশ্যাবৃত্তি আৰু শিশু পৰ্ণগ্ৰাফী সম্পৰ্কীয় ঐচ্ছিক নিয়মাৱলী। সশস্ত্ৰ সংঘাতত শিশুৰ জড়িতকৰণ সম্পৰ্কীয় ঐচ্ছিক নিয়মাৱলী ২০০২ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখৰ পৰা কাৰ্যকৰী হয়। আনহাতে, শিশু বিক্ৰী, শিশু যৌনবৃত্তি আৰু শিশু পৰ্ণগ্ৰাফী সম্পৰ্কীয় ঐচ্ছিক নিয়মাৱলী

২০০২ চনৰ ১৮ জানুৱাৰী তাৰিখৰ পৰা কাৰ্যকৰী হয়। এই দুয়োখন নিয়মাৱলীৰ মূল উদ্দেশ্য হৈছে শিশুসকলক সশস্ত্ৰ সংঘাত আৰু যৌন শোষণৰ পৰা সুৰক্ষা প্ৰদান কৰা।

- শিশুসকলৰ কল্যাণ প্ৰসাৰ কৰাৰ উদ্দেশ্যে শিশুৰ বাবে বিশ্ব সন্মিলন ১৯৯০ চনৰ ২৯ আৰু ৩০ ছেপ্টেম্বৰ তাৰিখে নিউয়ৰ্কস্থিত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হৈছিল। এই সন্মিলনত শিশুৰ জীৱন ধাৰণ, সুৰক্ষা আৰু বিকাশ সম্পৰ্কীয় বিশ্ব ঘোষণাপত্ৰ আৰু ২০০০ চনৰ ভিতৰত উপনীত হ'ব পৰাকৈ শিশুসকলৰ সৈতে সম্পৰ্কিত মানৰ উন্নয়নৰ লক্ষ্যসমূহৰ অন্তৰ্ভুক্তিৰে এক বিস্তৃত কাৰ্যপন্থা গ্ৰহণ কৰা হৈছিল।
- এই বিশ্ব ঘোষণাপত্ৰ আৰু কাৰ্য পৰিকল্পনাৰ মূল উদ্দেশ্য আছিল শিশুৰ আৰু মাতৃৰ মৃত্যুৰ হাৰ হ্ৰাস কৰা, শিশুৰ অপুষ্টি আৰু নিৰক্ষৰতা হ্ৰাস কৰা, লগতে স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা, শিক্ষা, বিশুদ্ধ পানী আৰু অনাময় ব্যৱস্থাৰ দৰে মৌলিক সেৱাসমূহ লাভ কৰাৰ সুবিধা বৃদ্ধি কৰা।

৫.৫ অধিক জানিবলৈ

1. Agarwal, H.O. (2006). Human Rights. Allahabad:Central Law Publications.
2. Stephen, R.M. (2002). Human Rights:Concepts and Perspectives. New Delhi: Concept Publishing Company.
3. Syed, M.H. (2003). Human Rights:The New Era. New Delhi: Kilaso Books.
4. Yasin, Adil-ul & Upadhayay Archana (2004). Human Rights. New Delhi: Akansha Publishing House.

৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫৯

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯২৪

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয়তাৰ অধিকাৰ, ব্যক্তিত্বৰ বিকাশৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ আৰু সামাজিক সুৰক্ষাৰ অধিকাৰ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৫৪টা অনুচ্ছেদ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) প্ৰতিটো শিশুৰ জীৱনৰ অধিকাৰ আৰু বিকাশৰ অধিকাৰ আছে।

(খ) প্ৰতিগৰাকী শিশুৰ জন্মৰ পিছত তৎক্ষণাত পঞ্জীয়ন কৰাৰ অধিকাৰ থাকিব আৰু তেওঁৰ এটা নাম থকাৰ অধিকাৰ, কোনো ৰাষ্ট্ৰৰ নাগৰিকত্ব লাভ কৰাৰ অধিকাৰ আৰু পিতৃ-মাতৃৰ দ্বাৰা যত্ন লাভ কৰাৰ অধিকাৰ থাকিব।

(গ) যি শিশুৰ পিতৃ-মাতৃ বেলেগ বেলেগ ৰাষ্ট্ৰত বাস কৰে, সেই শিশুৰ ব্যতিক্ৰমী পৰিস্থিতিৰ বাহিৰে নিয়মীয়াভাৱে দুয়োগৰাকী পিতৃ-মাতৃৰ সৈতে ব্যক্তিগত সম্পৰ্ক আৰু প্ৰত্যক্ষ যোগাযোগ বজাই ৰখাৰ অধিকাৰ থাকিব।

(ঘ) প্ৰতিগৰাকী শিশুৰ মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ আছে। এই অধিকাৰৰ অন্তৰ্ভুক্ত হৈছে সকলো ধৰণৰ তথ্য আৰু ধাৰণা বিচৰা, গ্ৰহণ কৰা আৰু প্ৰচাৰ কৰাৰ স্বাধীনতা, লগতে চিন্তা, বিবেক আৰু ধৰ্মৰ স্বাধীনতা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯৩ চন।

৭ নং প্রশ্নৰ উত্তৰ ঃ সশস্ত্র সংঘাতত শিশুসকলৰ জড়িতকৰণ সম্পর্কীয় ঐচ্ছিক নিয়মাৱলী আৰু শিশু বিক্রী, শিশুৰ যৌন বা বেশ্যাবৃত্তি আৰু শিশু পর্ণগ্রাফী সম্পর্কীয় ঐচ্ছিক নিয়মাৱলী।

৮ নং প্রশ্নৰ উত্তৰ ঃ এই বিশ্ব ঘোষণাপত্র আৰু কার্য পৰিকল্পনাৰ মূল উদ্দেশ্য আছিল শিশুৰ আৰু মাতৃৰ মৃত্যুৰ হাৰ হ্রাস কৰা, শিশুৰ অপুষ্টি আৰু নিৰক্ষৰতা হ্রাস কৰা, লগতে স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা, শিক্ষা, বিশুদ্ধ পানী আৰু অনাময় ব্যৱস্থাৰ দৰে মৌলিক সেৱাসমূহ লাভ কৰাৰ সুবিধা বৃদ্ধি কৰা।

৫.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ "শিশুৰ বাবে উপযুক্ত এখন পৃথিৱী" সম্পর্কীয় প্রস্তাৱটো কোন চনত গ্রহণ কৰা হৈছিল?

প্রশ্ন ২ ঃ ১৯৯০ চনৰ বিশ্ব শিশু সন্মিলনৰ দুটা মুখ্য উদ্দেশ্য লিখা।

প্রশ্ন ৩ ঃ শিশুৰ অধিকাৰ সম্পর্কীয় ঘোষণাপত্রৰ বিষয়ে এটি টোকা লিখা।

প্রশ্ন ৪ ঃ ১৯৯০ চনৰ বিশ্ব শিশু সন্মিলনৰ বিষয়ে এটি চমু টোকা লিখা।

প্রশ্ন ৫ ঃ শিশুৰ অধিকাৰ সম্পর্কীয় চুক্তিৰ ঐচ্ছিক নিয়মাৱলীসমূহৰ বিষয়ে লিখা।

প্রশ্ন ৬ ঃ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাপত্র (UDHR) ত অন্তর্ভুক্ত শিশুৰ অধিকাৰ সম্পর্কীয় বিধানসমূহ ব্যাখ্যা কৰা।

প্রশ্ন ৭ ঃ শিশুৰ অধিকাৰ সম্পর্কীয় চুক্তিখন আলোচনা কৰা।

প্রশ্ন ৮ ঃ শিশুসকলৰ অধিকাৰ প্রসাৰ আৰু সুৰক্ষাৰ ক্ষেত্রত ৰাষ্ট্রসংঘৰ ভূমিকা বিচাৰ কৰা।

****

অধ্যায় ৬ ঃ ৰাষ্ট্রসংঘ আৰু খিলঞ্জীয়া জনগণ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ খিলঞ্জীয়া জনগণৰ অধিকাৰ প্রসাৰ আৰু সুৰক্ষাত ৰাষ্ট্রসংঘৰ ভূমিকা
৬.৪ খিলঞ্জীয়া জনগণৰ অধিকাৰ সম্পর্কীয় ৰাষ্ট্রসংঘৰ ঘোষণা
৬.৫ খিলঞ্জীয়া জনগণৰ বিষয়সমূহৰ স্থায়ী মঞ্চ
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্রগতিৰ খতিয়ান
৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- খিলঞ্জীয়া জনগণৰ অধিকাৰ সুৰক্ষা আৰু প্রসাৰত ৰাষ্ট্রসংঘৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।
- খিলঞ্জীয়া জনগণৰ অধিকাৰ সম্পর্কীয় ঘোষণাৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- ৰাষ্ট্রসংঘৰ অধীনৰ খিলঞ্জীয়া জনগণৰ বিষয়সমূহৰ স্থায়ী মঞ্চৰ ভূমিকা বর্ণনা কৰিব পাৰিব।

৬.২ পৰিচয়

সমগ্র বিশ্বজুৰি ৩০ কোটিতকৈ অধিক খিলঞ্জীয়া লোক আছে আৰু ইয়াৰে প্রায় আধা ভাৰত আৰু চীনত বাস কৰি আছে। এইসকল এনে এক শ্রেণীৰ লোক, যিসকলৰ এক দীঘল ঐতিহাসিক বাস্তৱতা আছে আৰু অনুপ্রৱেশ বা বহিৰাক্রমণৰ ফলস্বৰূপে বাহিৰৰ লোকসকলৰ সৈতে তেওঁলোকে বহু ধৰণৰ সংঘাত বা বিবাদৰ সন্মুখীন হৈ আহিছে বা অভিজ্ঞতা আছে। খিলঞ্জীয়া লোকসকলক আদিম অধিবাসী বুলিও কোৱা হয়, কিয়নো বিভিন্ন স্থানৰ পৰা বসতিস্থাপনকাৰীসকল আহি উপস্থিত হোৱাৰ আগতেই এই লোকসকল নিজৰ ভূমিত বসবাস কৰিছিল। বিভিন্ন ধৰণৰ সভ্যতাগত শক্তিৰ বিভিন্ন অঞ্চললৈ প্রব্রজনৰ ফলত, সেই অঞ্চলসমূহত ইতিমধ্যে বসবাস কৰি থকা খিলঞ্জীয়া লোকসকলে ক্রমশঃ নিজৰ উর্বৰ ভূমি, জীৱিকা আদি ক্ষেত্রত থকা নিয়ন্ত্রণ আৰু অধিকাৰ হেৰুৱাবলৈ ধৰিলে আৰু প্রভাৱশালী বাহিৰৰ লোকসকলৰ হাতত অধিক অসুৰক্ষিত তথা দুর্বল হৈ পৰিল। খিলঞ্জীয়া লোকসকলক "প্রথম জনগণ", "জনজাতীয় লোক" আৰু "ভূমিপুত্র" বুলিও জনা যায়। আন্তঃৰাষ্ট্রীয় শ্রম সংস্থাৰ ১৯৫৭ চনৰ ১০৭ নং চুক্তিয়ে খিলঞ্জীয়া লোকসকলক এনেদৰে সংজ্ঞায়িত কৰিছে- "যিসকলৰ প্রাক-বহিৰাক্রমণ আৰু প্রাক-ঔপনিৱেশিক সমাজসমূহৰ সৈতে ঐতিহাসিক ধাৰাবাহিকতা আছে আৰু যিসকলে বর্তমান সেই ভূখণ্ডত বিদ্যমান বা বসবাস কৰা সমাজৰ অন্যান্য অংশৰ পৰা নিজকে স্বতন্ত্র বুলি বিবেচনা কৰে।" ভিয়েনা ঘোষণাপত্রই খিলঞ্জীয়া লোকসকলৰ অধিকাৰৰ প্রসাৰ আৰু সুৰক্ষাৰ গুৰুত্ব স্বীকাৰ কৰিছিল আৰু কৈছিল যে ৰাষ্ট্রসমূহে আন্তঃৰাষ্ট্রীয় আইনৰ সৈতে সামঞ্জস্য ৰাখি, সমতা আৰু বৈষম্যহীনতাৰ ভিত্তিত খিলঞ্জীয়া লোকসকলৰ সকলোধৰণৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্রতি সন্মান নিশ্চিত কৰাৰ বাবে ইতিবাচক পদক্ষেপ গ্রহণ কৰা উচিত। ই লগতে তেওঁলোকৰ স্বকীয় পৰিচয়, সংস্কৃতি আৰু সামাজিক সংগঠনৰ মূল্য আৰু বৈচিত্র্যকো স্বীকৃতি প্রদান কৰিছিল। এই অধ্যায়ত আমি খিলঞ্জীয়া লোকসকলৰ অধিকাৰ আৰু স্বাধীনতাৰ প্রসাৰ আৰু সুৰক্ষাৰ ক্ষেত্রত ৰাষ্ট্রসংঘৰ ভূমিকা আলোচনা কৰিম।

৬.৩ খিলঞ্জীয়া লোকসকলৰ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাত ৰাষ্ট্ৰসংঘৰ ভূমিকা

ৰাষ্ট্ৰসংঘই ইয়াৰ বিভিন্ন ঘোষণা, ধাৰাবাহিক আলোচনা আৰু মঞ্চৰ জৰিয়তে বিগত কেইবা দশক ধৰি আদিবাসী লোকসকলৰ অধিকাৰ প্ৰসাৰ আৰু সুৰক্ষাৰ চেষ্টা কৰি আহিছে। ৰাষ্ট্ৰসংঘৰ পৰিসৰৰ অধীনত খিলঞ্জীয়া লোকসকলৰ বিভিন্ন বিষয়ৰ সৈতে মোকাবিলা কৰিবলৈ তিনিটা ভিন্ন সংস্থা আছে, যেনে— খিলঞ্জীয়া জনসংখ্যা বিষয়ক কৰ্মীগোট, খিলঞ্জীয়া লোকসকলৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ পৰিস্থিতি বিষয়ক বিশেষ প্ৰতিবেদক আৰু খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চ। কৰ্মীগোটটোৱে খিলঞ্জীয়া লোকসকলৰ মানৱ অধিকাৰ উলংঘনৰ সমস্যা আৰু তেওঁলোকৰ পৰিস্থিতিৰ উন্নতিৰ সৈতে জড়িত বিষয়সমূহৰ ওপৰত কাম কৰে। বিশেষ প্ৰতিবেদকে খিলঞ্জীয়া লোকসকলৰ ওপৰত সংঘটিত নিৰ্যাতন, অত্যাচাৰ, নৃশংসতা আৰু অপব্যৱহাৰৰ সৈতে জড়িত ঘটনাসমূহৰ তদন্ত কৰে। যিহেতু খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চই অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ অধীনত কাম কৰিবলগীয়া হয়, সেয়েহে ই মূলতঃ খিলঞ্জীয়া লোকসকলৰ আৰ্থ-সামাজিক অৱস্থাৰ সৈতে জড়িত বিষয়সমূহৰ ওপৰত গুৰুত্ব দিয়ে। এই মঞ্চই মানৱ অধিকাৰৰ শ্ৰেণীৰ বাহিৰত পৰা কিছুমান দিশকো সামৰি লয়।

খিলঞ্জীয়া জনগণৰ বিভিন্ন বিষয়ৰ সৈতে মোকাবিলা কৰিবলৈ গঠিত এই তিনিটা নিৰ্দিষ্ট সংস্থাৰ উপৰিও বৰ্ণ বৈষম্য নিৰ্মূলকৰণ সমিতিয়েও খিলঞ্জীয়া লোকৰ পৰিস্থিতিৰ বিষয়ে বিবেচনা কৰে। ১৯৮২ চনত গঠন কৰা খিলঞ্জীয়া জনসংখ্যা বিষয়ক ৰাষ্ট্ৰসংঘৰ কৰ্মীগোটক ৰাষ্ট্ৰসংঘৰ ভিতৰত খিলঞ্জীয়াৰ অধিকাৰ সম্পৰ্কীয় কাৰ্যকলাপৰ অন্যতম গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গণ্য কৰা হয়। এই কৰ্মীগোটে এনে এক মঞ্চ হিচাপেও কাম কৰে, য'ত প্ৰতি বছৰে ৫০০তকৈ অধিক খিলঞ্জীয়া প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে আৰু চৰকাৰ, বেচৰকাৰী সংগঠন (NGO) আৰু ৰাষ্ট্ৰসংঘৰ বিভিন্ন সংস্থাৰ সৈতে মুক্ত আৰু গণতান্ত্ৰিক পদ্ধতিত মত-বিনিময় কৰিব পাৰে। খিলঞ্জীয়া জনগণৰ ক্ষেত্ৰত সংঘটিত গুৰুতৰ মানৱ অধিকাৰ উলংঘনৰ ঘটনাসমূহৰ প্ৰতিকাৰ কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৯৪ চনৰ ১০ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা দহ বছৰক বিশ্বৰ খিলঞ্জীয়া জনগণৰ দশক হিচাপে ঘোষণা কৰিছিল। এই বিশ্বৰ খিলঞ্জীয়া জনগণৰ দশকৰ লক্ষ্য আছিল খিলঞ্জীয়া জনগণে সন্মুখীন হোৱা সমস্যাসমূহৰ সমাধানৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰা। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই লগতে পৰামৰ্শ দিছিল যে প্ৰতি বছৰৰ ৯ আগষ্ট তাৰিখটো আন্তঃৰাষ্ট্ৰীয় খিলঞ্জীয়া জনগণৰ দিৱস হিচাপে পালন কৰা হ'ব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ১৯৫৭ চনৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাৰ (ILO) ১০৭ নং চুক্তিয়ে আগবঢ়োৱা খিলঞ্জীয়া জনগণৰ সংজ্ঞাটো উল্লেখ কৰা।

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰসংঘৰ পৰিসৰৰ অধীনত খিলঞ্জীয়া জনগণৰ বিভিন্ন বিষয়ৰ সৈতে জড়িত যিকোনো দুটা সংস্থাৰ নাম লিখা।

প্ৰশ্ন নং ৩ ঃ বিশ্বৰ খিলঞ্জীয়া জনগণৰ দশকৰ লক্ষ্য কি আছিল?

৬.৪ খিলঞ্জীয়া জনগণৰ অধিকাৰ সম্পৰ্কীয় ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰ

খিলঞ্জীয়া জনগণৰ অধিকাৰ সম্পৰ্কীয় ঘোষণাপত্ৰখন ২০০৭ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গ্ৰহণ কৰে। এই ঘোষণাপত্ৰৰ প্ৰস্তাৱনাখনে অপৰিসীম তাৎপৰ্য বহন কৰে। ঘোষণাপত্ৰখনৰ প্ৰস্তাৱনাৰ কিছুমান গুৰুত্বপূৰ্ণ বিষয় হ'ল—

১. প্ৰস্তাৱনাই নিশ্চিত কৰিছে যে খিলঞ্জীয়া জনগোষ্ঠীসমূহো আন সকলো জনগোষ্ঠীৰ সমান। একে সময়তে, সকলো জনগোষ্ঠীৰ নিজকে আনৰ পৰা ভিন্ন হোৱাৰ, নিজকে পৃথক বুলি বিবেচনা কৰা বা পৰিচয় দিয়া আৰু সেই অনুসৰি সন্মান লাভ কৰাৰ অধিকাৰকো স্বীকৃতি দিয়া হৈছে।

২. প্ৰস্তাৱনাই এই কথাও নিশ্চিত কৰিছে যে সকলো জনগোষ্ঠীয়ে সভ্যতা আৰু সংস্কৃতিৰ বৈচিত্ৰ্য আৰু

সমৃদ্ধিত অৱদান আগবঢ়ায়, যিবোৰে মানৱজাতিৰ উমৈহতীয়া ঐতিহ্য গঢ়ি তোলে।

৩. প্ৰস্তাৱনাই আৰু নিশ্চিত কৰিছে যে জাতীয় উৎপত্তি অথবা বৰ্ণ, ধৰ্মীয়, নৃগোষ্ঠীগত বা সাংস্কৃতিক পাৰ্থক্যৰ ভিত্তিত কোনো জনগোষ্ঠী বা ব্যক্তিৰ শ্ৰেষ্ঠত্বৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা বা তেনে শ্ৰেষ্ঠত্বক সমৰ্থন কৰা সকলো মতবাদ, নীতি আৰু প্ৰথা হৈছে বৰ্ণবাদী, বৈজ্ঞানিকভাৱে ভ্ৰান্ত, আইনগতভাৱে অবৈধ, নৈতিকভাৱে নিন্দনীয় আৰু সামাজিকভাৱে অন্যায়।

৪. প্ৰস্তাৱনাই পুনৰ দৃঢ়তাৰে উল্লেখ কৰিছে যে খিলঞ্জীয়া জনগোষ্ঠীসমূহে নিজৰ অধিকাৰসমূহ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত বৈষম্যৰ পৰা মুক্ত হৈ থাকিব লাগে।

৫. প্ৰস্তাৱনাই এই বিষয়ত উদ্বেগ প্ৰকাশ কৰিছে যে, অন্যান্য কাৰণৰ লগতে, উপনিৱেশ স্থাপন আৰু তেওঁলোকক ভূমি, ভূখণ্ড আৰু সম্পদৰ পৰা বঞ্চিত কৰাৰ ফলত খিলঞ্জীয়া জনগোষ্ঠীসমূহে ঐতিহাসিক অন্যায়ৰ সন্মুখীন হৈছে। ইয়াৰ ফলত, বিশেষকৈ, উন্নয়নৰ অধিকাৰ প্ৰয়োগৰ পৰা তেওঁলোকক বঞ্চিত কৰা হৈছে।

৬. প্ৰস্তাৱনাই খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক গাঁথনিৰ লগতে সংস্কৃতি, আধ্যাত্মিক পৰম্পৰা, ইতিহাস আৰু দৰ্শনৰ পৰা উদ্ভূত সহজাত অধিকাৰসমূহক সন্মান আৰু প্ৰসাৰ কৰাৰ জৰুৰী প্ৰয়োজনীয়তাক স্বীকৃতি দিছে; বিশেষকৈ, তেওঁলোকৰ ভূমিৰ ওপৰত থকা অধিকাৰসমূহক সন্মান আৰু প্ৰসাৰ কৰাৰ জৰুৰী প্ৰয়োজনীয়তাক স্বীকাৰ কৰিছে।

৭. প্ৰস্তাৱনাই ৰাষ্ট্ৰসমূহৰ সৈতে সম্পাদিত সন্ধি, চুক্তি আৰু অন্যান্য গঠনমূলক ব্যৱস্থাৰ জৰিয়তে স্বীকৃত খিলঞ্জীয়া জনগণৰ অধিকাৰসমূহক সন্মান আৰু প্ৰসাৰ কৰাৰ জৰুৰী প্ৰয়োজনীয়তাকো নিশ্চিতি কৰিছে।

৮. ঘোষণাখনৰ প্ৰস্তাৱনাত এই কথাটোক স্বাগতম জনোৱা হৈছে যে, খিলঞ্জীয়া জনগোষ্ঠীসমূহে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়নৰ বাবে নিজকে সংগঠিত কৰি আছে আৰু সকলো ধৰণৰ বৈষম্যৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে কাম কৰি আছে।

৯. প্ৰস্তাৱনাত এই বিশ্বাস প্ৰকাশ কৰা হৈছে যে, খিলঞ্জীয়া জনগোষ্ঠীসমূহক প্ৰভাৱিত কৰা উন্নয়নমূলক কাৰ্যসমূহ আৰু তেওঁলোকৰ ভূমি, ভূখণ্ড আৰু সম্পদৰ ওপৰত নিয়ন্ত্ৰণ থাকিলে তেওঁলোকে নিজৰ প্ৰতিষ্ঠান, সংস্কৃতি আৰু পৰম্পৰাক সংৰক্ষণ আৰু শক্তিশালী কৰিব পাৰিব আৰু নিজৰ উন্নয়নকো আগবঢ়াই নিব পাৰিব।

১০. প্ৰস্তাৱনাত স্বীকাৰ কৰা হৈছে যে, খিলঞ্জীয়াসকলৰ জ্ঞান, সংস্কৃতি আৰু পৰম্পৰাগত আচাৰ-অনুশীলনৰ প্ৰতি সন্মান প্ৰদৰ্শনে বহনক্ষম আৰু ন্যায়সংগত উন্নয়ন কৰাৰ লগতে পৰিৱেশৰ সঠিক ব্যৱস্থাপনাত অৰিহণা যোগায়।

১১. প্ৰস্তাৱনাত এই কথাটোৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে যে, খিলঞ্জীয়া জনগণৰ ভূমি আৰু ভূখণ্ডসমূহৰ অসামৰিকীকৰণে শান্তি, অৰ্থনৈতিক আৰু সামাজিক প্ৰগতি তথা উন্নয়ন বাস্তৱায়িত কৰাত আৰু বিশ্বৰ ৰাষ্ট্ৰসমূহ আৰু জনগণৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন কৰাত অৰিহণা যোগায়।

১২. প্ৰস্তাৱনাত খিলঞ্জীয়া পৰিয়াল আৰু সম্প্ৰদায়সমূহৰ নিজৰ সন্তানসকলৰ লালন-পালন, প্ৰশিক্ষণ, শিক্ষা আৰু সৰ্বাঙ্গীণ মংগলৰ ক্ষেত্ৰত যৌথ দায়িত্ব বজাই ৰখাৰ অধিকাৰকো স্বীকৃতি দিয়া হৈছে।

১৩. প্ৰস্তাৱনাত এই কথা বিবেচনা কৰা হৈছে যে, ৰাষ্ট্ৰ আৰু খিলঞ্জীয়া জনগোষ্ঠীৰ মাজত সম্পাদিত সন্ধি, চুক্তি আৰু অন্যান্য গঠনমূলক ব্যৱস্থাৰ দ্বাৰা নিশ্চিত কৰা অধিকাৰসমূহ কিছুমান পৰিস্থিতিত আন্তঃৰাষ্ট্ৰীয় উদ্বেগ, স্বাৰ্থ, দায়িত্ব আৰু বৈশিষ্ট্যৰ বিষয়। এই সন্ধি, চুক্তি আৰু অন্যান্য গঠনমূলক ব্যৱস্থা আৰু এইবোৰে প্ৰতিনিধিত্ব কৰা সম্পৰ্কসমূহ অধিক শক্তিশালী অংশীদাৰিত্বৰ আধাৰ।

১৪. প্ৰস্তাৱনাত ৰাষ্ট্ৰসংঘৰ চনদ, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তি আৰু নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ উপৰিও ভিয়েনা ঘোষণা আৰু কৰ্মসূচীক স্বীকৃতি দিয়া হৈছে আৰু সকলো জনগণৰ আত্ম-নিৰ্ণয়ৰ অধিকাৰৰ মৌলিক গুৰুত্বক দৃঢ়ভাৱে সমৰ্থন কৰিছে।

১৫. প্ৰস্তাৱনাত এই কথাও উল্লেখ কৰা হৈছে যে, এই ঘোষণাৰ কোনো কথাকেই কোনো জনগোষ্ঠীক আত্ম-

নিয়ন্ত্ৰণৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব আৰু এই অধিকাৰ আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি প্ৰয়োগ কৰিব লাগিব।

১৬. প্ৰস্তাৱনাত এই কথাও কোৱা হৈছে যে, এই ঘোষণাপত্ৰত খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰৰ স্বীকৃতিয়ে ন্যায়, গণতন্ত্ৰ, মানৱ অধিকাৰৰ প্ৰতি সন্মান আৰু বৈষম্যহীনতাৰ নীতিৰ ভিত্তিত ৰাষ্ট্ৰ আৰু খিলঞ্জীয়া জনগোষ্ঠীৰ মাজত সুসংগত আৰু সহযোগিতামূলক সম্পৰ্ক অধিক শক্তিশালী কৰিব।

১৭. প্ৰস্তাৱনাই ৰাষ্ট্ৰসমূহক উৎসাহিত কৰিছে যাতে তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় দলিলসমূহৰ অধীনত, বিশেষকৈ যিবোৰ মানৱ অধিকাৰৰ সৈতে জড়িত, খিলঞ্জীয়া জনগোষ্ঠীৰ ক্ষেত্ৰত প্ৰযোজ্য সকলো দায়বদ্ধতা সংশ্লিষ্ট জনগোষ্ঠীৰ সৈতে পৰামৰ্শ আৰু সহযোগিতাৰ ভিত্তিত পালন আৰু ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰে।

১৮. প্ৰস্তাৱনাই গুৰুত্ব আৰোপ কৰিছে যে, খিলঞ্জীয়া জনগণৰ অধিকাৰৰ প্ৰচাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ এক গুৰুত্বপূৰ্ণ আৰু নিৰৱচ্ছিন্ন ভূমিকা আছে।

১৯. প্ৰস্তাৱনাই ব্যক্ত কৰে যে, এই ঘোষণাপত্ৰখন খিলঞ্জীয়া জনগণৰ অধিকাৰ আৰু স্বাধীনতাৰ সুৰক্ষা, উন্নতি আৰু স্বীকৃতিৰ ক্ষেত্ৰত এক উচ্চতৰ গুৰুত্বপূৰ্ণ অগ্ৰগতিৰ পদক্ষেপ। আৰু এই ক্ষেত্ৰত ৰাষ্ট্ৰসংঘীয় ব্যৱস্থাৰ অধীনত প্ৰাসংগিক কাৰ্যকলাপসমূহৰ বিকাশৰ বাবেও ই এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

২০. প্ৰস্তাৱনাই এই কথা স্বীকাৰ আৰু পুনৰ নিশ্চিত কৰিছে যে, খিলঞ্জীয়া ব্যক্তিসকল কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ আন্তঃৰাষ্ট্ৰীয় আইনে স্বীকৃতি দিয়া সকলো মানৱ অধিকাৰ লাভ কৰাৰ অধিকাৰী। লগতে, খিলঞ্জীয়া জনগণৰ এনে কিছুমান সামূহিক অধিকাৰ আছে যিবোৰ তেওঁলোকৰ অস্তিত্ব আৰু কল্যাণৰ বাবে অপৰিহাৰ্য।

২১. প্ৰস্তাৱনাই স্বীকাৰ কৰিছে যে, খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ পৰিস্থিতি অঞ্চলভেদে আৰু দেশভেদে ভিন্ন হয়। সেয়েহে, ৰাষ্ট্ৰীয় আৰু আঞ্চলিক বিশেষত্বসমূহৰ লগতে বিভিন্ন ঐতিহাসিক আৰু সাংস্কৃতিকপটভূমিকো বিবেচনা কৰা উচিত।

খিলঞ্জীয়া জনগণৰ অধিকাৰ আৰু স্বাধীনতাৰ প্ৰসাৰ আৰু সুৰক্ষাৰ বাবে এই ঘোষণাপত্ৰত বহুতো বিধান অন্তৰ্ভুক্ত কৰা হৈছে। এই ঘোষণাপত্ৰৰ কিছুমান গুৰুত্বপূৰ্ণ বিধান বা উপবন্ধ হ'ল-

- ৰাষ্ট্ৰসংঘৰ চনদ, মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণাপত্ৰ আৰু আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আইনৰ দ্বাৰা স্বীকৃত সকলো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা সম্পূৰ্ণ আৰু ফলপ্ৰসূভাৱে উপভোগ কৰাৰ অধিকাৰ খিলঞ্জীয়া জনগোষ্ঠীৰ আছে। (অনুচ্ছেদ ১)
- মৰ্যাদা আৰু অধিকাৰৰ ক্ষেত্ৰত খিলঞ্জীয়া ব্যক্তি আৰু জনগোষ্ঠী আন সকলো ব্যক্তি আৰু জনগোষ্ঠীৰ লগত সমান আৰু স্বাধীন। বিশেষকৈ তেওঁলোকৰ খিলঞ্জীয়া মূল বা পৰিচয়ৰ ভিত্তিত যিকোনো ধৰণৰ প্ৰতিবন্ধক বা ক্ষতিকাৰক বৈষম্যৰ সন্মুখীন হোৱাৰ পৰা মুক্ত আৰু স্বাধীন হৈ থকাৰ অধিকাৰ আছে। (অনুচ্ছেদ ২)
- খিলঞ্জীয়া জনগণৰ আত্ম-নিৰ্ধাৰণৰ অধিকাৰ আছে। এই অধিকাৰৰ ভিত্তিত তেওঁলোকে স্বাধীনভাৱে নিজৰ ৰাজনৈতিক মৰ্যাদা নিৰ্ধাৰণ কৰিব পাৰে আৰু নিজৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বিকাশৰ পথ স্বাধীনভাৱে অনুসৰণ কৰিব পাৰে। (অনুচ্ছেদ ৩)
- খিলঞ্জীয়া জনগণৰ নিজস্ব স্বতন্ত্ৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বৈশিষ্ট্যসমূহৰ লগতে তেওঁলোকৰ আইনী ব্যৱস্থাসমূহ বৰ্তাই ৰখা আৰু শক্তিশালী কৰাৰ অধিকাৰ আছে। (অনুচ্ছেদ ৪)
- প্ৰতিজন খিলঞ্জীয়া ব্যক্তিৰ ৰাষ্ট্ৰীয়তা লাভ কৰাৰ অধিকাৰ আছে। (অনুচ্ছেদ ৫)
- খিলঞ্জীয়া জনগণৰ এক স্বতন্ত্ৰ জনগোষ্ঠী হিচাপে স্বাধীন, শান্তিপূৰ্ণ আৰু নিৰাপত্তাৰ পৰিৱেশত জীৱন-যাপন কৰাৰ সামূহিক অধিকাৰ আছে। (অনুচ্ছেদ ৬)
- খিলঞ্জীয়া ব্যক্তিসকলৰ জীয়াই থকাৰ অধিকাৰ, শাৰীৰিক আৰু মানসিক পূৰ্ণতা আৰু স্বাধীনতাৰ অধিকাৰ আছে। লগতে, তেওঁলোকৰ স্বতন্ত্ৰ জনগোষ্ঠী হিচাপে স্বাধীন, শান্তিপূৰ্ণ আৰু নিৰাপত্তাৰ পৰিৱেশত জীৱন-যাপন কৰাৰ সামূহিক অধিকাৰ আছে। তেওঁলোকক গণহত্যা বা অন্য কোনো হিংসাত্মক কাৰ্যৰ বলি কৰা নহ'ব; লগতে বলপূৰ্বকভাৱে কোনো গোটৰ শিশুসকলক আন এটা গোটলৈ স্থানান্তৰ কৰিব নোৱাৰিব।

(অনুচ্ছেদ ৭)

- খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ নিজস্ব স্বতন্ত্র পৰিচয় আৰু বৈশিষ্ট্যসমূহ বর্তাই ৰখা আৰু বিকশিত কৰাৰ বাবে সামূহিক আৰু ব্যক্তিগত অধিকাৰ আছে। (অনুচ্ছেদ ৮)
- খিলঞ্জীয়া জনগোষ্ঠী আৰু ব্যক্তিসকলৰ সংশ্লিষ্ট সম্প্রদায় বা জাতিৰ পৰম্পৰা আৰু ৰীতি-নীতি অনুসৰি কোনো খিলঞ্জীয়া সম্প্রদায় বা জাতিৰ সদস্য হিচাপে অন্তর্ভুক্ত হোৱাৰ অধিকাৰ আছে। (অনুচ্ছেদ ৯)
- খিলঞ্জীয়া জনগণক তেওঁলোকৰ ভূমি আৰু ভূখণ্ডৰ পৰা বলপূর্বকভাৱে উচ্ছেদ কৰিব নোৱাৰিব। (অনুচ্ছেদ ১০)
- সশস্ত্র সংঘাতৰ সময়ছোৱাত খিলঞ্জীয়া জনগণৰ বিশেষ সুৰক্ষা আৰু নিৰাপত্তা লাভ কৰাৰ অধিকাৰ আছে। (অনুচ্ছেদ ১১)
- খিলঞ্জীয়া জনগণৰ নিজৰ সাংস্কৃতিক পৰম্পৰা আৰু ৰীতি-নীতি অনুশীলন আৰু পুনৰুজ্জীৱিত কৰাৰ অধিকাৰ আছে। (অনুচ্ছেদ ১২)
- খিলঞ্জীয়া জনগণৰ নিজৰ ইতিহাস, ভাষা, মৌখিক পৰম্পৰা, দর্শন, লিখন-পদ্ধতি আৰু সাহিত্য পুনৰুজ্জীৱিত কৰা, ব্যৱহাৰ কৰা, বিকাশ সাধন কৰা আৰু ভৱিষ্যৎ প্রজন্মলৈ হস্তান্তৰ কৰাৰ অধিকাৰ আছে। লগতে, তেওঁলোকৰ সম্প্রদায়, স্থান আৰু ব্যক্তিৰ বাবে নিজা নাম নির্ধাৰণ আৰু সংৰক্ষণ কৰাৰ অধিকাৰো আছে। (অনুচ্ছেদ ১৩)
- খিলঞ্জীয়া জনগণৰ নিজৰ ভাষাত শিক্ষা প্রদান কৰা আৰু তেওঁলোকৰ শিক্ষণ-শিকণৰ সাংস্কৃতিক পদ্ধতিৰ উপযোগী প্রণালীৰ সামঞ্জস্যপূর্ণভাৱে নিজা শিক্ষা-ব্যৱস্থা আৰু শিক্ষানুষ্ঠান স্থাপন আৰু নিয়ন্ত্রণ কৰাৰ অধিকাৰ আছে। (অনুচ্ছেদ ১৪)
- খিলঞ্জীয়া জনগণৰ নিজস্ব সংস্কৃতি, পৰম্পৰা, ইতিহাস আৰু আকাংক্ষাৰ মর্যাদা আৰু বৈচিত্র্যৰ অধিকাৰ আছে। যিবোৰ শিক্ষা আৰু ৰাজহুৱা তথ্যসমূহত যথোপযুক্তভাৱে প্রতিফলিত কৰিব লাগে। (অনুচ্ছেদ ১৫)
- খিলঞ্জীয়া বা থলুৱা জনগোষ্ঠীসমূহৰ নিজৰ ভাষাত নিজাকৈ সংবাদ মাধ্যম প্রতিষ্ঠা কৰাৰ আৰু কোনো বৈষম্য নোহোৱাকৈ সকলো প্রকাৰৰ অ-খিলঞ্জীয়া সংবাদ মাধ্যমত প্রৱেশাধিকাৰ লাভ কৰাৰ অধিকাৰ আছে। (অনুচ্ছেদ ১৬)
- খিলঞ্জীয়া জনগণৰ আন্তঃৰাষ্ট্রীয় শ্রম আইন-বিধিৰ অধীনত প্রতিষ্ঠিত সকলো অধিকাৰ সম্পূর্ণৰূপে উপভোগ কৰাৰ অধিকাৰ আছে। (অনুচ্ছেদ ১৮)
- ৰাষ্ট্রসমূহে আদিবাসী জনগণক প্রভাৱিত কৰিব পৰা আইনগত বা প্রশাসনিক ব্যৱস্থা গ্রহণ আৰু কার্যকৰী কৰাৰ পূর্বে, তেওঁলোকক আগতীয়াকৈ সম্পূর্ণ তথ্য জনাই সন্মতি লাভ কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট আদিবাসী জনগণৰ নিজা প্রতিনিধিত্বমূলক প্রতিষ্ঠানৰ জৰিয়তে তেওঁলোকৰ সৈতে সৎ বিশ্বাসেৰে আলোচনা আৰু সহযোগিতা কৰিব লাগিব। (অনুচ্ছেদ ১৯)
- খিলঞ্জীয়া জনগণৰ তেওঁলোকৰ উন্নয়নৰ অধিকাৰ প্রয়োগ কৰাৰ বাবে অগ্রাধিকাৰ আৰু আঁচনি বা কৌশল নির্ধাৰণ আৰু বিকাশ কৰাৰ অধিকাৰ আছে। (অনুচ্ছেদ ২৩)
- খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ পৰম্পৰাগতভাৱে মালিকানাধীন বা অন্য ধৰণে দখল কৰি ব্যৱহাৰ কৰা ভূমি, ভূখণ্ড, জলভাগ, উপকূলীয় সাগৰ আৰু অন্যান্য সম্পদৰ সৈতে থকা তেওঁলোকৰ স্বকীয় আধ্যাত্মিক সম্পর্ক বজাই ৰখা আৰু শক্তিশালী কৰাৰ অধিকাৰ আছে। এই ক্ষেত্রত ভৱিষ্যৎ প্রজন্মৰ প্রতি থকা নিজৰ দায়িত্বসমূহ পালন কৰাৰ অধিকাৰো তেওঁলোকৰ আছে। (অনুচ্ছেদ ২৫)
- ৰাষ্ট্রসমূহে সংশ্লিষ্ট খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সৈতে পৰামর্শ কৰি, এক ন্যায়সংগত, স্বতন্ত্র, নিৰপেক্ষ, মুক্ত আৰু স্বচ্ছ প্রক্রিয়া স্থাপন আৰু কার্যকৰী কৰিব। ইয়াৰ যোগেদি খিলঞ্জীয়া লোকসকলৰ আইন, পৰম্পৰা, ৰীতি-নীতি আৰু ভূমি-চর্ত ব্যৱস্থাসমূহক যথোচিত স্বীকৃতি দিয়া হ'ব। এই প্রক্রিয়াৰ উদ্দেশ্য হ'ব খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ তেওঁলোকৰ ভূমি, ভূখণ্ড আৰু সম্পদ সম্পর্কীয় অধিকাৰসমূহ স্বীকৃতি দিয়া আৰু সেই অধিকাৰসমূহৰ বিষয়ে ন্যায়িক সিদ্ধান্ত গ্রহণ কৰা। ইয়াৰ ভিতৰত তেওঁলোকৰপৰম্পৰাগতভাৱে মালিকানাধীন

বা অন্য ধৰণে দখল কৰি ব্যৱহাৰ কৰা ভূমি, ভূখণ্ড আৰু সম্পদসমূহো অন্তৰ্ভুক্ত। খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ এই প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ অধিকাৰ থাকিব। (অনুচ্ছেদ ২৭)

- খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সমগ্ৰ পৰিৱেশ আৰু তেওঁলোকৰ ভূমি, ভূখণ্ড আৰু সম্পদসমূহৰ উৎপাদনক্ষমতা সংৰক্ষণ, পুনৰুদ্ধাৰ আৰু সু�ৰক্ষিত কৰাৰ অধিকাৰ আছে। (অনুচ্ছেদ ২৮)
- খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ নিজৰ সমাজ বা সম্প্ৰদায়ৰ প্ৰতি ব্যক্তিসকলৰ দায়িত্বসমূহ নিৰ্ধাৰণ কৰাৰ সামূহিক অধিকাৰ আছে। (অনুচ্ছেদ ৩৪)
- ৰাষ্ট্ৰসমূহে খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সৈতে আলোচনা আৰু সহযোগিতাৰ ভিত্তিত এই ঘোষণাপত্ৰৰ উদ্দেশ্যসমূহ বাস্তৱায়িত কৰাৰ বাবে আইনগত ব্যৱস্থাসমূহকো সামৰি উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব। (অনুচ্ছেদ ৩৮)

ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে গৃহীত কৰা খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ সম্পৰ্কীয় ঘোষণাপত্ৰৰ ৩৯নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে, এই ঘোষণাপত্ৰত উল্লিখিত অধিকাৰসমূহ উপভোগ কৰাৰ বাবে খিলঞ্জীয়া জনগোষ্ঠীসমূহে ৰাষ্ট্ৰসমূহৰ পৰা আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে আৰ্থিক আৰু কাৰিকৰী সহায় লাভ কৰাৰ অধিকাৰ থাকিব। ইয়াৰ উপৰি ঘোষণাপত্ৰৰ অনুচ্ছেদ ৪৩ ত উল্লেখ কৰা হৈছে যে, ইয়াত স্বীকৃত অধিকাৰসমূহে বিশ্বৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ অস্তিত্ব, মৰ্যাদা আৰু কল্যাণৰ বাবে ন্যূনতম মানদণ্ড নিৰ্ধাৰণ কৰে। লগতে এই ঘোষণাপত্ৰখনত অন্তৰ্ভুক্ত অধিকাৰসমূহৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ সমতা বজাই ৰখাৰ কথা কোৱা হৈছে।

ঘোষণাপত্ৰখনৰ ফলপ্ৰসূ ৰূপায়নৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ বিভিন্ন অংগই যথেষ্ট অৱদান আগবঢ়াইছে। বিভিন্ন অংগৰ লগতে সদস্য ৰাষ্ট্ৰসমূহেও খিলঞ্জীয়া জনগোষ্ঠীৰ শান্তি পুনৰুদ্ধাৰ আৰু তেওঁলোকৰ অধিকাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে।

ঘোষণাপত্ৰখনৰ ৩৭ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে, সদস্য ৰাষ্ট্ৰসমূহেও সংশ্লিষ্ট খিলঞ্জীয়া জনগোষ্ঠীৰ সৈতে পৰামৰ্শ কৰি ঘোষণাপত্ৰখনত সন্নিৱিষ্ট প্ৰতিটো অধিকাৰ সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰিবলৈ ফলপ্ৰসূ আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব। ৪০ নং অনুচ্ছেদ অনুসৰি, ৰাষ্ট্ৰসংঘৰ বিভিন্ন অংগ, বিশেষীকৃত সংস্থা আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় চৰকাৰী সংগঠনসমূহে আৰ্থিক সহযোগিতা আৰু কাৰিকৰী সহায় সংগঠিত কৰাৰ জৰিয়তে এই ঘোষণাপত্ৰত প্ৰদান কৰা অধিকাৰসমূহৰ সম্পূৰ্ণ বাস্তৱায়নত অৱদান আগবঢ়াব। একেদৰে, ৪১ নং অনুচ্ছেদত কোৱা হৈছে যে, ঘোষণাপত্ৰখনত উল্লেখ কৰা অধিকাৰসমূহৰ বাস্তৱায়ন নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰসংঘই প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। ইয়াৰ ভিতৰত এই ক্ষেত্ৰত বিশেষ দক্ষতাসম্পন্ন আৰু খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ প্ৰত্যক্ষ অংশগ্ৰহণ থকা উচ্চতম পৰ্যায়ৰ এক সংস্থা গঠন কৰাটোও অন্তৰ্ভুক্ত।

৬.৫ খিলঞ্জীয়াৰ সমস্যা বা বিষয়সমূহৰ স্থায়ী মঞ্চ

খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চ ২০০০ চনৰ জুলাই মাহত অৰ্থনৈতিক আৰু সামাজিক পৰিষদে এক অধীনস্থ বা সহায়ক অংগ হিচাপে প্ৰতিষ্ঠা কৰে। এই মঞ্চত মুঠ ১৬ জন সদস্য থাকে। ইয়াৰ ভিতৰত আঠজন সদস্যক চৰকাৰে মনোনীত কৰে আৰু পৰিষদে নিৰ্বাচিত কৰে, আনহাতে বাকী আঠজন সদস্যক পৰিষদৰ সভাপতিয়ে নিযুক্তি দিয়ে। ৰাষ্ট্ৰসংঘৰ ভিতৰত সংশ্লিষ্ট কাৰ্যকলাপসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰা আৰু সেইবোৰৰ সমন্বয় তথা সংহতি সাধনৰ উদ্দেশ্যে এই স্থায়ী মঞ্চ স্থাপন কৰা হৈছিল। বিশ্বৰ বিভিন্ন প্ৰান্তৰ খিলঞ্জীয়া জনগণক সহায় কৰাৰ উদ্দেশ্যে আদিবাসী বিষয়সমূহৰ স্থায়ী মঞ্চৰ এক নতুন সচিবালয়ে ২০০৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা কাম আৰম্ভ কৰে। বিশ্বজুৰি আদিবাসী লোকসকলক অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন তথা অন্যান্য সংশ্লিষ্ট গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত বিশেষজ্ঞৰ পৰামৰ্শ আৰু অনুমোদন আগবঢ়োৱাই এই সচিবালয়ৰ গঠনৰ উদ্দেশ্য।

খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চ গঠনৰ পটভূমি ১৯৯৩ চনত ভিয়েনাত অনুষ্ঠিত মানৰ অধিকাৰ বিষয়ক বিশ্ব সম্মিলনত আলোচনা কৰা হৈছিল। ভিয়েনা ঘোষণা আৰু কাৰ্যসূচীয়ে পৰামৰ্শ দিছিল যে, বিশ্বৰ খিলঞ্জীয়া জনগণৰ বাবে ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় দশকৰ (১৯৯৫-২০০৪) কাঠামোৰ ভিতৰত এনে এখন মঞ্চ স্থাপন কৰা উচিত।

স্থায়ী মঞ্চ হৈছে অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ এক পৰামৰ্শদাতা সংস্থা। ইয়াৰ দায়িত্ব হৈছে খিলঞ্জীয়া জনগোষ্ঠীৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন, সংস্কৃতি, পৰিৱেশ, শিক্ষা, স্বাস্থ্য আৰু মানৱ অধিকাৰৰ সৈতে জড়িত বিষয়সমূহ আলোচনা কৰা। স্থায়ী মঞ্চৰ মুখ্য কাৰ্যসমূহ হ'ল—

(ক) খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চই পৰিষদলৈ খিলঞ্জীয়াৰ বিষয় বা সমস্যাসমূহৰ সন্দৰ্ভত বিশেষজ্ঞ পৰামৰ্শ আৰু অনুমোদন আগবঢ়ায়। লগতে, পৰিষদৰ জৰিয়তে ৰাষ্ট্ৰসংঘৰ বিভিন্ন কাৰ্যসূচী, পুঁজি বা ন্যাস আৰু সংস্থাসমূহলৈও এই বিষয়সমূহৰ ওপৰত পৰামৰ্শ আৰু অনুমোদন প্ৰদান কৰে।

(খ) ই ৰাষ্ট্ৰসংঘ ব্যৱস্থাৰ ভিতৰত খিলঞ্জীয়া বিষয়সমূহৰ সৈতে জড়িত কাৰ্যকলাপসমূহৰ সংহতি আৰু সমন্বয় সাধনৰ বাবে জনসচেতনতা বৃদ্ধি আৰু এইবোৰৰ প্ৰসাৰ কৰে।

(গ) ই খিলঞ্জীয়া বিষয়সমূহৰ ওপৰত তথ্য প্ৰস্তুত কৰে আৰু সেই তথ্যসমূহ প্ৰচাৰ-প্ৰসাৰ কৰে।

খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চৰ প্ৰস্তাৱ বা সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ উচ্চায়ুক্তৰ কাৰ্যালয়ক 'মুখ্য সংস্থা' হিচাপে মনোনীত কৰা হৈছে। স্থায়ী মঞ্চই প্ৰতি বছৰে দহ কাৰ্যদিবসীয়া এখন অধিৱেশন অনুষ্ঠিত কৰে। এই বৈঠকসমূহ জেনেভাস্থিত ৰাষ্ট্ৰসংঘৰ কাৰ্যালয়ত, নিউয়ৰ্কস্থিত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত অথবা স্থায়ী মঞ্চই সিদ্ধান্ত লোৱা আন যিকোনো স্থানত অনুষ্ঠিত হ'ব পাৰে।

স্থায়ী মঞ্চই খিলঞ্জীয়া জনগণৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন, সংস্কৃতি, পৰিৱেশ, শিক্ষা, স্বাস্থ্য আৰু মানৱ অধিকাৰৰ সৈতে জড়িত বিষয়সমূহ আলোচনা কৰে। এই স্থায়ী মঞ্চই মূলতঃ খিলঞ্জীয়া জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়নৰ বাবে কাম কৰাৰ চেষ্টা কৰে। ই খিলঞ্জীয়া জনগণৰ অস্তিত্ব, মৰ্যাদা আৰু কল্যাণৰ বাবে ন্যূনতম মানদণ্ডসমূহৰ এক বিশ্বজনীন কাঠামো প্ৰতিষ্ঠা কৰে। লগতে, ই বৰ্তমান বিদ্যমান মানৱ অধিকাৰ বিষয়ক বিভিন্ন দলিল আৰু ব্যৱস্থাসমূহৰ ব্যাখ্যা আগবঢ়ায় আৰু খিলঞ্জীয়া জনগণৰ বিশেষ পৰিস্থিতিসমূহত এই অধিকাৰসমূহ কেনেদৰে প্ৰযোজ্য হয়, সেয়াও স্পষ্ট কৰে। খিলঞ্জীয়া জনগণৰ অধিকাৰ সম্পৰ্কীয় ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰৰ দশম বাৰ্ষিকী উপলক্ষে স্থায়ী মঞ্চই কিছুমান বিশেষ অনুমোদন আগবঢ়াইছিল। এই অনুমোদনসমূহৰ কিছুমান হ'ল—

(ক) স্থায়ী মঞ্চই সকলো ৰাষ্ট্ৰক আহ্বান জনায় যে, ঘোষণা-পত্ৰখন কাৰ্যকৰী কৰাৰ বাবে মানৱীয়, আৰ্থিক আৰু কাৰিকৰী সম্পদসমূহ উল্লেখযোগ্যভাৱে বৃদ্ধি কৰি সহজলভ্য কৰিব লাগে আৰু খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ অধিকাৰসমূহৰ আনুষ্ঠানিক স্বীকৃতি দিয়া আৰু তেওঁলোকৰ অধিকাৰসমূহৰ বাস্তৱত ৰূপায়ণ কৰাৰ মাজত থকা ব্যৱধান দূৰ কৰিব লাগে।

(খ) স্থায়ী মঞ্চই সদস্য ৰাষ্ট্ৰসমূহ আৰু অন্যান্য উন্নয়ন সংস্থাসমূহক ঘোষণাপত্ৰখনৰ সৈতে সামঞ্জস্য ৰাখি এনে নীতি প্ৰণয়ন কৰিবলৈ উৎসাহিত কৰে, যিয়ে উন্নয়ন প্ৰক্ৰিয়াত খিলঞ্জীয়া জনগোষ্ঠীসমূহক অংশীদাৰ হিচাপে অন্তৰ্ভুক্ত কৰাটো নিশ্চিত কৰে আৰু যাৰ জৰিয়তে তেওঁলোকে তেওঁলোকৰ ভূখণ্ড, অধিকাৰ আৰু জীৱিকাৰ ওপৰত প্ৰভাৱ পেলোৱা সকলো প্ৰকল্পৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ আৰু মূল্যায়নত অৰ্থপূৰ্ণ ভূমিকা ল'ব পাৰে।

(গ) স্থায়ী মঞ্চই ৰাষ্ট্ৰসংঘৰ সংস্থা, পুঁজি বা ন্যাস আৰু কাৰ্যসূচীসমূহক ৰাষ্ট্ৰসমূহ আৰু খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সৈতে সহযোগিতা কৰি ৰাষ্ট্ৰীয় কাৰ্য পৰিকল্পনা, কৌশল আৰু অন্যান্য ব্যৱস্থাসমূহ প্ৰস্তুত আৰু ৰূপায়ণ কৰিবলৈ আহ্বান জনায়, যাৰ উদ্দেশ্য হৈছে ঘোষণাপত্ৰখনৰ লক্ষ্যসমূহ পূৰণ কৰা। ইয়াৰ ভিতৰত খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ভূমি, ভূখণ্ড আৰু সম্পদৰ ওপৰত থকা সামূহিক অধিকাৰৰ অগ্ৰগতি আৰু ন্যায়িক নিষ্পত্তিৰ বাবে সহায় আগবঢ়োৱাও অন্তৰ্ভুক্ত।

(ঘ) স্থায়ী মঞ্চই আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাক ১৯৮৯ চনৰ খিলঞ্জীয়া আৰু জনজাতীয় জনগোষ্ঠী চুক্তিক পৃষ্ঠপোষকতা কৰিবলৈ উৎসাহিত কৰে।

(ঙ) স্থায়ী মঞ্চই আবাসিক সমন্বয়কসকল আৰু ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰৰ দলসমূহক ৰাষ্ট্ৰসংঘৰ উন্নয়ন সহায়তা কাঠামো আৰু দেশীভিত্তিক কাৰ্যসূচীৰ কাৰ্য-পৰিকল্পনা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত খিলঞ্জীয়া মহিলা আৰু যুৱক-যুৱতীসকলকো সামৰি খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সম্পূৰ্ণ আৰু ফলপ্ৰসূ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ উৎসাহিত কৰে।

(চ) স্থায়ী মঞ্চই আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থা আৰু ইয়াৰ পৰিচালনা সংস্থাক খিলঞ্জীয়া আৰু জনজাতীয় জনগোষ্ঠী সম্পৰ্কীয় চুক্তিৰ সম্পূৰক হিচাপে এখন চুপাৰিছ বা অনুমোদনৰ খচৰা প্ৰস্তুত কৰা বিষয়টো বিবেচনা কৰিবলৈ কাৰিকৰী বিশেষজ্ঞসকলৰ এখন বৈঠক আয়োজন কৰাৰ পৰামৰ্শ দিয়ে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ সম্পৰ্কীয় ঘোষণাপত্ৰত অন্তৰ্ভুক্ত যিকোনো দুটা অধিকাৰৰ উল্লেখ কৰা।

প্ৰশ্ন নং ৫ ঃ কোন বছৰত খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চ প্ৰতিষ্ঠা হৈছিল?

প্ৰশ্ন নং ৬ ঃ খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চৰ যিকোনো দুটা মুখ্য কাৰ্য উল্লেখ কৰা।

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- খিলঞ্জীয়া লোকসকল এনে এক শ্ৰেণীৰ লোক, যিসকলৰ এক দীঘল ঐতিহাসিক বাস্তৱতা আছে আৰু অনুপ্ৰৱেশ বা বহিৰাক্ৰমণৰ ফলস্বৰূপে বাহিৰৰ লোকসকলৰ সৈতে তেওঁলোকে বহু ধৰণৰ সংঘাত বা বিবাদৰ সন্মুখীন হৈ আহিছে বা অভিজ্ঞতা আছে। আদিবাসী লোকসকলক আদিম অধিবাসী বা মূল নিবাসী বুলিও কোৱা হয়, কিয়নো বিভিন্ন স্থানৰ পৰা অহা বসতি স্থাপনকাৰীসকল আহি পোৱাৰ আগতেই তেওঁলোক নিজ ভূমিত বসবাস কৰি আছিল।
- বিভিন্ন ধৰণৰ সভ্যতাগত শক্তিৰ বিভিন্ন অঞ্চললৈ ক্ৰমবৰ্ধমান প্ৰব্ৰজনৰ লগে লগে, সেই অঞ্চলসমূহত ইতিমধ্যে বসবাস কৰি থকা খিলঞ্জীয়া লোকসকলে ক্ৰমশঃ নিজৰ উৰ্বৰ ভূমি, জীৱিকা আদি ক্ষেত্ৰত থকা নিয়ন্ত্ৰণ আৰু অধিকাৰ হেৰুৱাবলৈ ধৰিলে আৰু প্ৰভাৱশালী বাহিৰৰ লোকসকলৰ হাতত অধিক অসুৰক্ষিত তথা দুৰ্বল হৈ পৰে। ফলস্বৰূপে, তেওঁলোকে দৈনন্দিন জীৱনত বহু কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়।
- খিলঞ্জীয়া লোকসকলৰ অধিকাৰ আৰু স্বাধীনতাক প্ৰসাৰ আৰু সুৰক্ষা প্ৰদান কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘই বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।
- ৰাষ্ট্ৰসংঘৰ পৰিসৰৰ অধীনত খিলঞ্জীয়া লোকসকলৰ বিভিন্ন বিষয়ৰ সৈতে মোকাবিলা কৰিবলৈ তিনিটা ভিন্ন সংস্থা আছে, যেনে—খিলঞ্জীয়া জনসংখ্যা বিষয়ক কৰ্মীগোট, খিলঞ্জীয়া লোকসকলৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ পৰিস্থিতি বিষয়ক বিশেষ প্ৰতিবেদক আৰু খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চ।
- খিলঞ্জীয়া জনগণৰ অধিকাৰ সম্পৰ্কীয় ঘোষণা ২০০৭ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গ্ৰহণ কৰিছিল। এই ঘোষণাখনত খিলঞ্জীয়া জনগণৰ বাবে বহুতো অধিকাৰৰ বিশেষভাৱে উল্লেখ কৰা হৈছে।
- খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চ ২০০০ চনৰ জুলাই মাহত অৰ্থনৈতিক আৰু সামাজিক পৰিষদে এক সহায়ক বা অধীনস্থ সংস্থা হিচাপে স্থাপন কৰিছিল। ৰাষ্ট্ৰসংঘৰ ভিতৰত সংশ্লিষ্ট কাৰ্যকলাপসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰা আৰু সেইসমূহৰ সংহতি তথা সমন্বয় সাধন কৰাৰ উদ্দেশ্যে এই স্থায়ী মঞ্চ স্থাপন কৰা হৈছিল।
- স্থায়ী মঞ্চ হৈছে অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ এক পৰামৰ্শদাতা সংস্থা। ইয়াৰ দায়িত্ব হৈছে খিলঞ্জীয়া জনগোষ্ঠীৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন, সংস্কৃতি, পৰিৱেশ, শিক্ষা, স্বাস্থ্য আৰু মানৱ অধিকাৰৰ সৈতে জড়িত বিষয়সমূহৰ ওপৰত আলোচনা কৰা।
- আমি খিলঞ্জীয়া জনগণৰ অধিকাৰসমূহ স্বীকাৰ আৰু সন্মান কৰিব লাগিব। ৰাষ্ট্ৰসংঘয়ো সকলো সদস্য ৰাষ্ট্ৰক খিলঞ্জীয়া জনগণৰ অধিকাৰসমূহ সুৰক্ষিত কৰাৰ বাবে উপযুক্ত আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ

আহ্বান জনাইছে। প্রতিখন ৰাষ্ট্রৰ উন্নয়ন প্রক্রিয়া সর্বাত্মক হ'ব লাগিব, যি খিলঞ্জীয়া জনগোষ্ঠীকে ধৰি সমাজৰ প্রতিটো শ্রেণীৰ লোকৰ প্রয়োজনীয়তা আৰু আশা-আকাংক্ষাৰ প্রতি যথাযথ যত্ন ল'ব।

৬.৭ অধিক জানিবলৈ

1. Agarwal, H.O. (2006). Human Rights. Allahabad:Central Law Publications.
2. Stephen, R.M. (2002). Human Rights: Concepts and Perspectives. New Delhi: Concept Publishing Company.
3. Syed, M.H. (2003). Human Rights: The New Era. New Delhi: Kilaso Books.
4. Yasin, Adil-ul & Upadhayay, Archana (2004). Human Rights. New Delhi:Akansha Publishing House.

৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্রীয় শ্রম সংস্থাৰ ১৯৫৭ চনৰ ১০৭ নং চুক্তিয়ে খিলঞ্জীয়া লোকসকলক এনেদৰে সংজ্ঞায়িত কৰিছে- "যিসকলৰ প্রাক-বহিৰাক্রমণ আৰু প্রাক-ঔপনিৱেশিক সমাজসমূহৰ সৈতে ঐতিহাসিক ধাৰাবাহিকতা আছে আৰু যিসকলে বর্তমান সেই ভূখণ্ডত বিদ্যমান বা বসবাস কৰা সমাজৰ অন্যান্য অংশৰ পৰা নিজকে স্বতন্ত্র বুলি বিবেচনা কৰে।"

২ নং প্রশ্নৰ উত্তৰ ঃ খিলঞ্জীয়া জনসংখ্যা বিষয়ক কর্মীগোট, খিলঞ্জীয়া লোকসকলৰ মানৰ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ পৰিস্থিতি বিষয়ক বিশেষ প্রতিবেদক।

৩ নং প্রশ্নৰ উত্তৰ ঃ বিশ্বৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ দশকৰ লক্ষ্য হৈছে খিলঞ্জীয়া জনগোষ্ঠীসমূহে সন্মুখীন হোৱা সমস্যাসমূহৰ সমাধানৰ বাবে আন্তঃৰাষ্ট্রীয় সহযোগিতা শক্তিশালী কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ

(ক) খিলঞ্জীয়া লোকসকলৰ ৰাষ্ট্রসংঘৰ চনদ, মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণাপত্র আৰু আন্তঃৰাষ্ট্রীয় মানৱ অধিকাৰ আইনে স্বীকৃতি দিয়া সকলো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা সম্পূর্ণ আৰু ফলপ্রসূভাৱে উপভোগ কৰাৰ অধিকাৰ আছে। (অনুচ্ছেদ ১)

(খ) মর্যাদা আৰু অধিকাৰৰ ক্ষেত্রত খিলঞ্জীয়া ব্যক্তি আৰু জনগোষ্ঠী অন্যান্য আন সকলো ব্যক্তি আৰু জনগোষ্ঠীৰ লগত সমান আৰু স্বাধীন। বিশেষকৈ তেওঁলোকৰ খিলঞ্জীয়া মূল বা পৰিচয়ৰ ভিত্তিত যিকোনো ধৰণৰ প্রতিবন্ধক বা ক্ষতিকাৰক বৈষম্যৰ সন্মুখীন হোৱাৰ পৰা মুক্ত আৰু স্বাধীন হৈ থকাৰ অধিকাৰ আছে। (অনুচ্ছেদ ২)

৫ নং প্রশ্নৰ উত্তৰ ঃ ২০০০ চনত।

৬ নং প্রশ্নৰ উত্তৰ ঃ

(ক) খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চই পৰিষদলৈ খিলঞ্জীয়াৰ বিষয় বা সমস্যাসমূহৰ সন্দর্ভত বিশেষজ্ঞ পৰামর্শ আৰু অনুমোদন আগবঢ়ায়। লগতে, পৰিষদৰ জৰিয়তে ৰাষ্ট্রসংঘৰ বিভিন্ন কার্যসূচী, পুঁজি বা ন্যাস আৰু সংস্থাসমূহলৈও এই বিষয়সমূহৰ ওপৰত পৰামর্শ আৰু অনুমোদন প্রদান কৰে।

(খ) ই ৰাষ্ট্রসংঘ ব্যৱস্থাৰ ভিতৰত খিলঞ্জীয়া বিষয়সমূহৰ সৈতে জড়িত কার্যকলাপসমূহৰ সংহতি আৰু সমন্বয় সাধনৰ বাবে জনসচেতনতা বৃদ্ধি আৰু এইবোৰৰ প্রসাৰ কৰে।

৬.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ কোনটো দশকক বিশ্বৰ খিলঞ্জীয়া জনগোষ্ঠীৰ দশক হিচাপে পালন কৰা হৈছিল?

প্ৰশ্ন ২ ঃ "খিলঞ্জীয়া জনগণ বা জনগোষ্ঠী" শব্দটোৰ অৰ্থ উল্লেখ কৰা।

প্ৰশ্ন ৩ ঃ খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰসমূহৰ প্ৰসাৰ আৰু সুৰক্ষাৰ বাবে ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা দুটা ব্যৱস্থাৰ উল্লেখ কৰা।

প্ৰশ্ন ৪ ঃ খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা সম্পৰ্কে সংক্ষেপে লিখা।

প্ৰশ্ন ৫ ঃ খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ সম্পৰ্কীয় ঘোষণাপত্ৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

প্ৰশ্ন ৬ ঃ খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ সম্পৰ্কীয় ঘোষণাপত্ৰত অন্তৰ্ভুক্ত বিভিন্ন অধিকাৰসমূহ আলোচনা কৰা।

প্ৰশ্ন ৭ ঃ খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চৰ প্ৰধান কাৰ্যসমূহ উল্লেখ কৰা।

প্ৰশ্ন ৮ ঃ খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ ক্ষেত্ৰত খিলঞ্জীয়া বিষয়সমূহৰ স্থায়ী মঞ্চৰ ভূমিকা বিচাৰ কৰা।

****

অধ্যায় ৭ ঃ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা (ILO) আৰু মানৱ অধিকাৰ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা (ILO)

৭.৩.১ ILO-ৰ গঠন

৭.৩.২ ILO-ৰ কাৰ্যাৱলী

৭.৩.৩ ILO-ৰ শাসন ব্যৱস্থা আৰু নীতি নিৰ্ধাৰণ

৭.৩.৪ ILO-এ নিশ্চিত কৰা মানদণ্ডসমূহ

৭.৪ সংগঠন গঠনৰ স্বাধীনতা আৰু সামূহিক আলোচনাৰ অধিকাৰৰ কাৰ্যকৰী স্বীকৃতি

৭.৫ সকলো ধৰণৰ বলপূৰ্বক আৰু বাধ্যতামূলক শ্ৰমৰ অৱসান

৭.৬ শিশুশ্ৰমৰ কাৰ্যকৰী বিলোপ

৭.৭ নিয়োগ আৰু বৃত্তিৰ ক্ষেত্ৰত সকলো ধৰণৰ বৈষম্যৰ বিলোপ

৭.৮ মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সু�ৰক্ষাত ILO-ৰ ভূমিকা

৭.৮.১ সামাজিক সু�ৰক্ষা

৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১০ অধিক জানিবলৈ

৭.১১ অগ্ৰগতিৰ খতিয়ান

৭.১২ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ILO-ৰ গঠনৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ILO-ৰ ভূমিকা বিশ্লেষণ কৰিব পাৰিব।
- ILO-ৰ কাৰ্যাৱলীসমূহ ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

ঔদ্যোগিক বিপ্লৱৰ ফলত নিয়োগকৰ্তাসকলে উৎপাদন ব্যয় হ্ৰাস কৰি সৰ্বাধিক মুনাফা অৰ্জন কৰাৰ উদ্দেশ্যে শ্ৰমিকসকলক অত্যধিকভাৱে শোষণ কৰাৰ প্ৰৱণতাৰ সৃষ্টি হৈছিল।

যিহেতু ঔদ্যোগিক সামগ্ৰীসমূহ প্ৰতিযোগিতামূলক আন্তঃৰাষ্ট্ৰীয় বজাৰত বিক্ৰী কৰা হৈছিল, সেয়েহে কোনো এখন ৰাষ্ট্ৰই অকলে শ্ৰমিকসকলৰ কৰ্ম পৰিস্থিতি উন্নত কৰিবলৈ চেষ্টা কৰিলে উৎপাদন ব্যয় বৃদ্ধি পোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত লোকচানৰ সন্মুখীন হোৱাৰ আশংকা আছিল। সেয়েহে যুক্তি দিয়া হৈছিল যে শ্ৰমিকসকলৰ অৱস্থাৰ উন্নতি সকলো ৰাষ্ট্ৰতে একে সময়তে হোৱাটো প্ৰয়োজনীয় আৰু এই ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা অপৰিহাৰ্য।

১৯১৯ চনত পেৰিছ শান্তি সন্মিলনত শান্তি চুক্তিৰ তৃতীয় অংশ হিচাপে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাৰ সংবিধান গ্ৰহণ কৰা হয় আৰু জেনেভাত ইয়াৰ মুখ্য কাৰ্যালয় স্থাপন কৰি সংস্থাটো গঠন কৰা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ফিলাডেলফিয়া ঘোষণা গ্ৰহণ কৰা হৈছিল। ইয়াৰ পিছৰে পৰা শ্ৰমিকৰ অধিকাৰসমূহ মৌলিক মানৱ অধিকাৰৰ

সৈতে ঘনিষ্ঠভাৱে জড়িত হৈ পৰে। ILO হৈছে ৰাষ্ট্ৰসংঘৰ বিশেষীকৃত সংস্থাসমূহৰ ভিতৰত অন্যতম। এই অধ্যায়ত আমি ILO-ৰ গঠন, ভূমিকা আৰু কার্যাৱলীৰ বিষয়ে আলোচনা কৰিম।

৭.৩ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা (ILO)

ILO-ৰ সংবিধানৰ প্ৰস্তাৱনাত সার্বজনীন আৰু স্থায়ী শান্তিৰ সৈতে সামাজিক ন্যায়ৰ সম্পর্ক স্থাপন কৰা হৈছে। ইয়াৰ লক্ষ্য হৈছে বিশেষকৈ শ্ৰমিকসকলৰ কর্ম পৰিস্থিতিৰ ক্ষেত্ৰত থকা অন্যায়-অবিচাৰ দূৰ কৰা।

১৯৪৪ চনৰ ১০ মে' তাৰিখে সাধাৰণ সম্মিলনৰ ২৬তম অধিৱেশনত গ্ৰহণ কৰা ফিলাডেলফিয়া ঘোষণাই ILO-ৰ মৌলিক নীতিসমূহ পুনৰ নিশ্চিত কৰে। এই ঘোষণাত উল্লেখ কৰা হৈছে যে—

i) শ্ৰম কোনো পণ্য নহয়।
ii) সংগঠন গঠনৰ স্বাধীনতা স্থায়ী উন্নয়নৰ বাবে অপৰিহার্য।
iii) যিকোনো ঠাইৰ দৰিদ্ৰতাই সকলো ঠাইৰ সমৃদ্ধিৰ প্ৰতি ভাবুকি সৃষ্টি কৰে।
iv) অভাৱ আৰু দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজখন প্ৰতিখন ৰাষ্ট্ৰৰ ভিতৰত অদম্য শক্তি আৰু দৃঢ়তাৰে, লগতে উমৈহতীয়া কল্যাণৰ উন্নতিৰ বাবে নিৰন্তৰ আৰু ঐক্যবদ্ধ আন্তঃৰাষ্ট্ৰীয় প্ৰচেষ্টাৰে চলাই নিব লাগিব।

৭.৩.১ ILO-ৰ গঠন

প্ৰথম বিশ্বযুদ্ধৰ পিছত ১৯১৯ চনৰ ৯ এপ্ৰিলত ভার্ছাইল চুক্তিৰ জৰিয়তে ILO-এ এক স্বায়ত্তশাসিত সংস্থা হিচাপে আত্মপ্ৰকাশ কৰে আৰু ই লীগ অৱ নেচনছৰ সৈতে জড়িত আছিল। ১৯৪৬ চনৰ ৯ অক্টোবৰত মন্ট্ৰিয়েলত সংশোধনী চুক্তি স্বাক্ষৰিত হয়, যাক ILO-ৰ ১৯৪৬ চনৰ সংশোধনী দলিল বুলি জনা যায়। ১৯৪৬ চনৰ ১৪ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে সংশ্লিষ্ট চুক্তিখন অনুমোদন কৰাৰ পিছত ILO ৰাষ্ট্ৰসংঘৰ সৈতে জড়িত প্ৰথম বিশেষীকৃত সংস্থা হিচাপে পৰিগণিত হয়।

ILO-ৰ তিনিটা প্ৰধান অংগ আছে—

১. আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সম্মিলন (International Labour Conference), যাক সাধাৰণ সম্মিলন বুলিও কোৱা হয়।
২. পৰিচালনা পৰিষদ (Governing Body)।
৩. আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক কার্যালয় (International Labour Office), অর্থাৎ সচিবালয়।

আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সম্মিলন ঃ ই ILO-ৰ সর্বোচ্চ সংস্থা। এই সম্মিলন প্ৰতি বছৰে জেনেভাত থকা ILO-ৰ মুখ্য কার্যালয়ত অনুষ্ঠিত হয়। প্ৰতিখন সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধি দলত দুজন চৰকাৰী প্ৰতিনিধি, এজন নিয়োগকর্তাৰ প্ৰতিনিধি আৰু এজন শ্ৰমিকৰ প্ৰতিনিধি থাকে।

আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সম্মিলনৰ মুখ্য কার্যসমূহ হ'ল—

- শ্ৰমিকসকলৰ কর্ম-পৰিস্থিতি আৰু জীৱন-ধাৰণৰ অৱস্থাৰ ন্যূনতম মানদণ্ড নির্ধাৰণ কৰা।
- পৰিচালনা পৰিষদৰ সদস্য নির্বাচন কৰা।
- সংস্থাটোৰ বার্ষিক বাজেট অনুমোদন কৰা।
- সদস্য ৰাষ্ট্ৰসমূহে সম্মিলনে গ্ৰহণ কৰা চুক্তি আৰু পৰামর্শসমূহ কার্যকৰী কৰাৰ বিষয়ে দাখিল কৰা প্ৰতিবেদন পৰীক্ষা কৰা।

পৰিচালনা পৰিষদ ঃ ই ILO-ৰ কার্যনির্বাহক সংস্থা। এই পৰিষদে সাধাৰণতে বছৰত তিনিবাৰ বা চাৰিবাৰ জেনেভাত বৈঠক অনুষ্ঠিত কৰে। ই আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক কার্যালয়ৰ সঞ্চালক প্ৰধানক নির্বাচন কৰে। এই কার্যালয়ত স্থায়ী সচিবালয় আৰু বিভিন্ন দেশৰ পৰা অহা বিশেষজ্ঞ কর্মচাৰী থাকে।

পৰিচালনা পৰিষদে ত্ৰিপাক্ষিক নীতি অনুসৰণ কৰে। ইয়াত চৰকাৰ, নিয়োগকর্তা আৰু শ্ৰমিক এই তিনিটা পক্ষৰ প্ৰতিনিধিত্ব থাকে। পৰিষদে নিজৰ অধ্যক্ষ আৰু উপাধ্যক্ষক এবছৰৰ বাবে নির্বাচন

কৰে। লগতে ই আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক কাৰ্যালয়ৰ সঞ্চালক প্ৰধানকো নিৰ্বাচন কৰে।

আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক কাৰ্যালয় ঃ এই কাৰ্যালয়ৰ নেতৃত্ব দিয়ে সঞ্চালক প্ৰধানে। ইয়াৰ মুখ্য কাৰ্যালয় জেনেভাত অৱস্থিত যদিও বহু দেশত ইয়াৰ শাখা কাৰ্যালয় আছে। কাৰ্যালয়টোৰ মুখ্য দায়িত্ব হৈছে নথি-পত্ৰ প্ৰস্তুত কৰা, প্ৰকাশন প্ৰকাশ কৰা আৰু শ্ৰমিক-সম্পৰ্কীয় বিভিন্ন সমস্যাৰ ওপৰত অধ্যয়ন আৰু গৱেষণা কৰা।

৭.৩.২ ILO-ৰ কাৰ্যাৱলী

ILO-ৰ মুখ্য কাৰ্য হৈছে আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক আৰু বিত্তীয় নীতি তথা ব্যৱস্থাসমূহ পৰীক্ষা আৰু বিবেচনা কৰা, যাতে সকলো মানুহে অৰ্থনৈতিক নিৰাপত্তা আৰু সমান সুযোগৰ ভিত্তিত স্বাধীনতা আৰু মৰ্যাদাৰে নিজৰ বস্তুগত কল্যাণ আৰু মানসিক তথা আধ্যাত্মিক বিকাশ সাধন কৰিব পাৰে।

ILO-ৰ আন আন কাৰ্যসমূহ হ'ল—

- কৰ্ম পৰিস্থিতি আৰু জীৱন-ধাৰণৰ মান উন্নত কৰাৰ বাবে ৰাষ্ট্ৰীয় আইন প্ৰণয়নৰ মানদণ্ড বিকশিত আৰু প্ৰচাৰ কৰা।
- বিশ্বজুৰি শ্ৰমিকৰ অধিকাৰ আৰু কৰ্মপৰিস্থিতিৰ উন্নতি সাধন কৰা।
- নিয়োগ, নিবনুৱা সমস্যা, মহিলা আৰু শিশুৰ নিয়োগ, বৃত্তিমূলক প্ৰশিক্ষণ, উদ্যোগিক স্বাস্থ্য আৰু সুৰক্ষা, সামাজিক সুৰক্ষা, উদ্যোগিক সম্পৰ্ক, সামুদ্ৰিক শ্ৰম, প্ৰব্ৰজন, সংগঠন গঠনৰ স্বাধীনতা আৰু ট্ৰেড ইউনিয়নৰ অধিকাৰ আদি বিষয়ত আন্তঃৰাষ্ট্ৰীয় মানদণ্ড নিৰ্ধাৰণ কৰা।

ILO-এ এই উদ্দেশ্যসমূহ পূৰণৰ বাবে বহুতো চুক্তি (Conventions) আৰু পৰামৰ্শ (Recommendations) প্ৰস্তুত কৰিছে। এইসমূহক সামূহিকভাৱে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক বিধি (International Labour Code) বুলি কোৱা হয়।

৭.৩.৩ ILO-ৰ শাসন ব্যৱস্থা আৰু নীতি নিৰ্ধাৰণ

ILO-ৰ সামগ্ৰিক নীতিসমূহ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সম্মিলনে নিৰ্ধাৰণ কৰে। এই সম্মিলন বছৰত এবাৰ অনুষ্ঠিত হয় আৰু সংস্থাটোৰ বিভিন্ন পক্ষৰ প্ৰতিনিধিসকলক একত্ৰিত কৰে।

সম্মিলনৰ প্ৰধান কাৰ্যসমূহ হ'ল—

- নতুন আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক মানদণ্ড গ্ৰহণ কৰা।
- ILO-ৰ কৰ্মপৰিকল্পনা অনুমোদন কৰা।
- সংস্থাটোৰ বাজেট অনুমোদন কৰা।

৭.৩.৪ ILO-এ নিশ্চিত কৰা মানদণ্ডসমূহ

আৰম্ভণিৰে পৰাই ILO-এ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক মানদণ্ডৰ এক ব্যৱস্থা গঢ়ি তোলাৰ জৰিয়তে শ্ৰমিকৰ অধিকাৰ নিৰ্ধাৰণ আৰু সুৰক্ষিত কৰাৰ লগতে কৰ্মজীৱী লোকসকলৰ অৱস্থা উন্নত কৰাৰ চেষ্টা কৰি আহিছে। এই মানদণ্ডসমূহ চুক্তি, পৰামৰ্শ আৰু আচৰণবিধিৰ ৰূপত প্ৰকাশ কৰা হয়।

ILO-এ কৰ্মক্ষেত্ৰৰ বিভিন্ন দিশ সামৰি ১৮০ খনতকৈ অধিক চুক্তি আৰু ১৯০ খনতকৈ অধিক পৰামৰ্শ গ্ৰহণ কৰিছে।

১৯৯৮ চনত কৰ্মক্ষেত্ৰত মৌলিক নীতি আৰু অধিকাৰ সম্পৰ্কীয় ঘোষণা গ্ৰহণ কৰা হয়। ইয়াৰ জৰিয়তে ILO-ৰ সদস্য ৰাষ্ট্ৰসমূহে সংশ্লিষ্ট চুক্তিসমূহ অনুমোদন কৰা হওক বা নহওক, কিছুমান মৌলিক শ্ৰমিক মানদণ্ড মানি চলিবলৈ সন্মত হয়। এই মৌলিক শ্ৰমিক মানদণ্ডসমূহক মৌলিক মানৱ অধিকাৰ হিচাপে গণ্য কৰা হয়।

৭.৪ সংগঠন গঠনৰ স্বাধীনতা আৰু সামূহিক আলোচনাৰ অধিকাৰৰ কাৰ্যকৰী স্বীকৃতি

সকলো শ্ৰমিক আৰু নিয়োগকৰ্তাৰ নিজৰ বৃত্তিগত স্বাৰ্থৰ সু�ৰক্ষা আৰু উন্নতিৰ বাবে স্বাধীনভাৱে সংগঠন গঠন কৰা আৰু তেনে সংগঠনৰ সদস্য হোৱাৰ অধিকাৰ আছে। এই মৌলিক মানৱ অধিকাৰ মত প্ৰকাশৰ স্বাধীনতাৰ সৈতে সম্পৰ্কিত আৰু ই গণতান্ত্ৰিক প্ৰতিনিধিত্ব তথা শাসন ব্যৱস্থাৰ ভেটি হিচাপে কাম কৰে।

সংগঠন গঠনৰ স্বাধীনতা বুলিলে শ্ৰমিক আৰু নিয়োগকৰ্তাসকলে ৰাষ্ট্ৰৰ হস্তক্ষেপ অবিহনে নিজৰ সংগঠন গঠন, তাত যোগদান আৰু সংগঠন পৰিচালনা কৰিব পৰাৰ অধিকাৰক বুজায়। কৰ্মক্ষেত্ৰৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত বিষয়সমূহত নিজৰ মত প্ৰকাশ আৰু প্ৰভাৱ বিস্তাৰ কৰাৰ সুযোগ মানুহৰ থাকিব লাগে। অৰ্থাৎ, তেওঁলোকৰ মতামত শুনা আৰু সেই মতামতক যথোচিত গুৰুত্ব দিয়াটো প্ৰয়োজনীয়।

স্বেচ্ছামূলক সামুহিক আলোচনা হৈছে এনে এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে নিয়োগকৰ্তা বা তেওঁলোকৰ সংগঠন আৰু ট্ৰেড ইউনিয়নসমূহে, অথবা ট্ৰেড ইউনিয়ন নথকা ক্ষেত্ৰত শ্ৰমিকসকলে স্বাধীনভাৱে মনোনীত কৰা প্ৰতিনিধিসকলে, পাৰস্পৰিক সম্পৰ্ক আৰু কৰ্ম পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে। এই প্ৰক্ৰিয়াৰ লক্ষ্য হৈছে সদিচ্ছাৰে আলোচনা কৰি উভয় পক্ষৰ বাবে গ্ৰহণযোগ্য সামূহিক চুক্তিত উপনীত হোৱা।

এই ক্ষেত্ৰত ILO-ৰ দুটা গুৰুত্বপূৰ্ণ চুক্তি হ'ল—

১. সংগঠন গঠনৰ স্বাধীনতা আৰু সংগঠিত হোৱাৰ অধিকাৰ সুৰক্ষা চুক্তি (Freedom of Association and Protection of the Right to Organise Convention), ১৯৪৮ চুক্তি নং ৮৭।

২. সংগঠিত হোৱাৰ অধিকাৰ আৰু সামুহিক আলোচনা চুক্তি (Right to Organise and Collective Bargaining Convention), ১৯৪৯ চুক্তি নং ৯৮।

৭.৫ সকলো ধৰণৰ বলপূৰ্বক আৰু বাধ্যতামূলক শ্ৰমৰ অৱসান

বলপূৰ্বক শ্ৰম তেতিয়া সংঘটিত হয়, যেতিয়া ৰাষ্ট্ৰ বা কোনো ব্যক্তি বা গোটে নিজৰ ইচ্ছা আৰু ক্ষমতা ব্যৱহাৰ কৰি শ্ৰমিকসকলক কাম কৰিবলৈ বাধ্য কৰে আৰু অমান্য কৰিলে গুৰুতৰ শাস্তি বা ক্ষতিৰ ভাবুকি দিয়ে। এনে ভাবুকিৰ ভিতৰত খাদ্য, মাটি বা মজুৰি কাঢ়ি লোৱা, শাৰীৰিক হিংসা, যৌন নিৰ্যাতন, চলাচলৰ স্বাধীনতা সীমিত কৰা অথবা কোনো ঠাইত আৱদ্ধ কৰি ৰখা আদি অন্তৰ্ভুক্ত।

ঋণৰ জৰিয়তে শ্ৰমিকক বন্ধকত ৰখা বা ঋণৰ দাসত্বত আবদ্ধ কৰা হৈছে বহুতো উন্নয়নশীল দেশত বলপূৰ্বক শ্ৰমৰ এক বহুল প্ৰচলিত ৰূপ।

শ্ৰমিক সৰবৰাহ বা মানৱ সৰবৰাহৰ ফলতো বলপূৰ্বক শ্ৰমৰ সৃষ্টি হ'ব পাৰে। সৰবৰাহকাৰীসকলে আগধন হিচাপে ধন প্ৰদান কৰি বা ঋণ দি মানুহক ঋণৰ জালত আবদ্ধ কৰে। কিছুমান ক্ষেত্ৰত, বিশেষকৈ শিশুৰ ক্ষেত্ৰত, অপহৰণৰ আশ্ৰয়ো লোৱা হয়।

মানুহক বলপূৰ্বক শ্ৰমৰ পৰা সুৰক্ষা দিয়াৰ উদ্দেশ্যে ILO-এ বলপূৰ্বক শ্ৰম চুক্তি (Forced Labour Convention), ১৯৩০- চুক্তি নং ২৯ গ্ৰহণ কৰে। এই চুক্তিৰ মূল উদ্দেশ্য হৈছে বলপূৰ্বক শ্ৰমৰ অৱসান ঘটাই মানৱ অধিকাৰ সুৰক্ষিত কৰা।

৭.৬ শিশুশ্ৰমৰ কাৰ্যকৰী বিলোপ

শিশুসকলে আন সকলো মানুহৰ দৰে একে মানৱ অধিকাৰ উপভোগ কৰে। তেওঁলোকক সকলো ধৰণৰ শোষণৰ পৰা সুৰক্ষা প্ৰদান কৰিব লাগে। ইয়াৰ ভিতৰত অৰ্থনৈতিক শোষণৰ পৰা সুৰক্ষা আৰু শিশুৰ স্বাস্থ্য, নৈতিকতা তথা বিকাশৰ ক্ষতি কৰিব পৰা কামৰ পৰা সুৰক্ষা বিশেষভাৱে উল্লেখযোগ্য।

শিশুশ্ৰমৰ কাৰ্যকৰী বিলোপৰ মূল নীতি হৈছে প্ৰতিগৰাকী ল'ৰা আৰু ছোৱালীয়ে যাতে শাৰীৰিক আৰু মানসিকভাৱে নিজৰ সম্পূৰ্ণ সম্ভাৱনাৰ বিকাশ ঘটাব পাৰে, সেই সুযোগ নিশ্চিত কৰা। ইয়াৰ উদ্দেশ্য হৈছে শিশুৰ

শিক্ষা আৰু বিকাশত বাধা সৃষ্টি কৰা সকলো ধৰণৰ শ্ৰম বন্ধ কৰা।

ইয়াৰ অর্থ এইটো নহয় যে শিশুৱে কৰা সকলো ধৰণৰ কাম বন্ধ কৰিব লাগিব। আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক মানদণ্ডই শিশুৰ বয়স আৰু বিকাশৰ বিভিন্ন পর্যায় অনুসৰি গ্ৰহণযোগ্য আৰু অগ্ৰহণযোগ্য কামৰ মাজত পার্থক্য নির্ধাৰণ কৰিবলৈ অনুমতি দিয়ে।

শিশুশ্ৰমৰ নিকৃষ্টতম ৰূপসমূহ ১৮ বছৰৰ তলৰ সকলো শিশুৰ বাবে সম্পূর্ণৰূপে অগ্ৰহণযোগ্য আৰু এইবোৰৰ বিলোপৰ বাবে জৰুৰী তথা তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰয়োজনীয়। এইসমূহৰ ভিতৰত আছে—

- দাসত্ব আৰু মানৱ সৰবৰাহ।
- ঋণৰ দাসত্ব আৰু আন ধৰণৰ বলপূর্বক শ্ৰম।
- বেশ্যাবৃত্তি আৰু পর্ন'গ্ৰাফীৰ সৈতে শিশুক জড়িত কৰা।
- মাদকদ্ৰব্যৰ অবৈধ সৰবৰাহৰ দৰে বেআইনী কার্যত শিশুক ব্যৱহাৰ কৰা।
- শিশুৰ স্বাস্থ্য, সুৰক্ষা বা নৈতিকতাৰ ক্ষতি কৰিব পৰা বিপজ্জনক কাম।

চৰকাৰসমূহে শ্ৰমিক আৰু নিয়োগকর্তাৰ সংগঠনৰ সৈতে আলোচনা কৰি বিপজ্জনক কামৰ মূল্যায়ন কৰিব লাগে।

শিশুশ্ৰম বিলোপৰ বাবে গ্ৰহণ কৰা যিকোনো ফলপ্ৰসূ কৌশলৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে শিক্ষাৰ ব্যৱস্থা কৰা। শিক্ষাই দৰিদ্ৰতা আৰু শিশুশ্ৰম হ্ৰাস কৰাত সহায় কৰে আৰু শিশুসকলক সামাজিক সুৰক্ষা প্ৰদান কৰে।

শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ILO-এ দুটা গুৰুত্বপূর্ণ চুক্তি গ্ৰহণ কৰিছে—

(i) নিম্নতম বয়স চুক্তি (Minimum Age Convention), ১৯৭৩ - চুক্তি নং ১৩৮।

(ii) শিশুশ্ৰমৰ নিকৃষ্টতম ৰূপসমূহৰ চুক্তি (Worst Forms of Child Labour Convention), ১৯৯৯— চুক্তি নং ১৮২।

৭.৭ নিয়োগ আৰু বৃত্তিৰ ক্ষেত্ৰত বৈষম্যৰ বিলোপৰ ক্ষেত্ৰত ILO-ৰ ভূমিকা

কর্মক্ষেত্ৰত বৈষম্য বিভিন্ন পৰিস্থিতিত আৰু বিভিন্ন ৰূপত দেখা দিব পাৰে। ই উচ্চ অট্টালিকাৰ কার্যালয়ৰ পৰা আৰম্ভ কৰি গ্ৰাম্য অঞ্চললৈকে যিকোনো ঠাইতে সংঘটিত হ'ব পাৰে। লিংগ, জাতি, ছালৰ ৰং বা সামাজিক উৎপত্তিৰ ভিত্তিত পুৰুষ বা মহিলা বৈষম্যৰ সন্মুখীন হ'ব পাৰে।

কর্মক্ষেত্ৰত বৈষম্যই ব্যক্তিৰ সুযোগ-সুবিধা হ্ৰাস কৰে আৰু সমাজৰ পৰা সেই ব্যক্তিসকলে আগবঢ়াব পৰা অৱদানৰ সুযোগ কাঢ়ি নিয়ে।

কর্মক্ষেত্ৰত সমতা বুলিলে সকলো ব্যক্তিয়ে নিজৰ পছন্দৰ অর্থনৈতিক কার্যকলাপৰ সৈতে জড়িত জ্ঞান, দক্ষতা আৰু যোগ্যতাৰ সম্পূর্ণ বিকাশ সাধনৰ বাবে সমান সুযোগ লাভ কৰাটো বুজায়।

নিয়োজিত ব্যক্তি, স্ব-নিয়োজিত ব্যক্তি আৰু আন শ্ৰমিকসকলৰ ক্ষেত্ৰত কর্মক্ষেত্ৰত বৈষম্যহীনতা নিশ্চিত কৰিবলৈ কর্মজীৱনত প্ৰৱেশ কৰাৰ আগতেই গুণগত শিক্ষাৰ সমান সুযোগ প্ৰদান কৰাটো প্ৰয়োজনীয়।

বৈষম্যৰ বাধাসমূহ দূৰ কৰিবলৈ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰাও অতি প্ৰয়োজনীয়।

এই উদ্দেশ্যে ILO-এ দুটা গুৰুত্বপূর্ণ চুক্তি গ্ৰহণ কৰিছে—

(i) সমান পাৰিশ্ৰমিক চুক্তি (Equal Remuneration Convention), ১৯৫১- চুক্তি নং ১০০। ইয়াৰ উদ্দেশ্য হৈছে সমমূল্যৰ কামৰ বাবে পুৰুষ আৰু মহিলাক সমান পাৰিশ্ৰমিক প্ৰদান নিশ্চিত কৰা।

(ii) বৈষম্য (নিয়োগ আৰু বৃত্তি) চুক্তি (Discrimination (Employment and Occupation) Convention), ১৯৫৮- চুক্তি নং ১১১। ইয়াৰ উদ্দেশ্য হৈছে নিয়োগ আৰু বৃত্তিৰ ক্ষেত্ৰত বৈষম্য দূৰ কৰি মানৱ অধিকাৰ সুৰক্ষিত কৰা।

৭.৮ মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সু�ৰক্ষাত ILO-ৰ ভূমিকা

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ILO-এ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ উদাৰীকৰণৰ ফলত সৃষ্টি হোৱা সামাজিক সমস্যাসমূহৰ লগতে শিশুশ্ৰম আৰু কৰ্ম পৰিস্থিতি তথা পৰিৱেশৰ সৈতে জড়িত মানৱ অধিকাৰৰ সমস্যাসমূহৰ ওপৰত গুৰুত্ব দিবলৈ আৰম্ভ কৰে।

ILO-ৰ প্ৰতিষ্ঠাৰ পৰাই শিশু আৰু কিশোৰ-কিশোৰীসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত সংস্থাটোৰ প্ৰচেষ্টা প্ৰশংসনীয়। সময়ৰ লগে লগে ILO-এ এনে ১২খন গুৰুত্বপূৰ্ণ চুক্তি গ্ৰহণ কৰিছে, যিবোৰৰ জৰিয়তে শিশুৰ নিয়োগ নিষিদ্ধ কৰা হৈছে অথবা বিভিন্ন নিয়োগ খণ্ডত নিৰ্দিষ্ট বয়সৰ পিছত কাম কৰিবলৈ অনুমতি দিয়াৰ বাবে মৌলিক চর্ত নিৰ্ধাৰণ কৰা হৈছে।

১৯৯২ চনত ILO-এ শিশুশ্ৰম বিলোপৰ আন্তঃৰাষ্ট্ৰীয় কাৰ্যসূচী (International Programme on the Elimination of Child Labour IPEC) নামৰ এক বৃহৎ কাৰ্যসূচী আৰম্ভ কৰে। এই কাৰ্যসূচীৰ অধীনত প্ৰয়োজন অনুসৰি কাৰিকৰী পৰামৰ্শ আৰু সহায় আগবঢ়োৱা হয়। ইয়াৰ উদ্দেশ্য হৈছে ল'ৰা আৰু ছোৱালী উভয়ৰে শোষণৰ সমস্যা, বিপজ্জনক উদ্যোগত তেওঁলোকৰ কৰ্ম পৰিস্থিতি, বলপূৰ্বক শ্ৰম, পথত জীৱন নিৰ্বাহ কৰা শিশুৰ অৱস্থা আৰু ৰ বছৰৰ তলৰ শিশুৰ নিয়োগ আদি বিষয়ত গুৰুত্ব আৰোপ কৰা।

মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ILO-এ গ্ৰহণ কৰা অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ আছিল ১৯৯৯ চনৰ ১৭ জুনত জেনেভাত শিশুশ্ৰমৰ নিকৃষ্টতম ৰূপসমূহৰ চুক্তি (ILO Convention No. 182) গ্ৰহণ কৰা। এই চুক্তি ২০০০ চনৰ ১৯ নৱেম্বৰত কাৰ্যকৰী হয়।

এই চুক্তিখন ১৮ বছৰৰ তলৰ সকলো শিশুৰ ক্ষেত্ৰত প্ৰযোজ্য। ইয়াত ঋণৰ দাসত্ব, শিশুৰ বেশ্যাবৃত্তি আৰু সশস্ত্ৰ সংঘাতত শিশুক বলপূৰ্বকভাৱে নিয়োগ কৰাৰ দৰে সমস্যাসমূহৰ অৱসান ঘটাবলৈ দেশসমূহক আহ্বান জনোৱা হয়। লগতে চুক্তিখন অনুমোদন কৰা দেশসমূহক বিপজ্জনক শ্ৰমৰ পৰা শিশুসকলক আঁতৰাই অনা, তেওঁলোকক সহায় আগবঢ়োৱা আৰু শিক্ষা অথবা বৃত্তিমূলক প্ৰশিক্ষণৰ সুযোগ নিশ্চিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হয়।

প্ৰতিষ্ঠাৰ প্ৰথম দশকত ILO-এ মূলতঃ শ্ৰমিক আইনসমূহৰ উপযুক্ত ন্যূনতম মানদণ্ড নিৰ্ধাৰণ আৰু প্ৰচাৰৰ বাবে আইন প্ৰণয়ন আৰু গৱেষণাৰ ওপৰত গুৰুত্ব দিছিল।

১৯৩০ৰ দশকৰ বিশ্বব্যাপী অৰ্থনৈতিক মন্দাৰ সময়ত ILO-এ ব্যাপক নিবনুৱা সমস্যাৰ সমাধানৰ উপায় বিচাৰিবলৈ চেষ্টা কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত সংস্থাটোৱে মানৱ অধিকাৰৰ বিকাশ আৰু কৰ্মক্ষেত্ৰৰ পৰিৱেশ তথা কৰ্ম পৰিস্থিতিৰ সম্পৰ্কৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে।

জানি থোৱা ভাল

ILO-এ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে ১৯৬৯ চনত সংস্থাটোক শান্তিৰ নোবেল বঁটা প্ৰদান কৰা হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ILO কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল?

প্ৰশ্ন নং ২ ঃ ILO-ৰ মুখ্য কাৰ্যালয় ক'ত অৱস্থিত?

প্ৰশ্ন নং ৩ ঃ ILO-ৰ গঠনকাৰী অংগকেইটা কি কি?

প্ৰশ্ন নং ৪ ঃ ILO-এ ১৯৯২ চনত আৰম্ভ কৰা কাৰ্যসূচীটোৰ নাম কি?

প্ৰশ্ন নং ৫ ঃ ১৯৯৯ চনৰ ১৭ জুনত মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ILO-এ গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ পদক্ষেপটো কি আছিল?

প্ৰশ্ন নং ৬ ঃ ILO-এ কোন চনত শান্তিৰ নোবেল বঁটা লাভ কৰিছিল?

৭.৮.১ সামাজিক সুৰক্ষা

বহুতো পুৰুষ আৰু মহিলাই পৰ্যাপ্ত সামাজিক সুৰক্ষা লাভ নকৰে। তেওঁলোকে কৰ্মক্ষেত্ৰত বিভিন্ন বিপদৰ সন্মুখীন হয় আৰু তেওঁলোকৰ পেঞ্চন তথা স্বাস্থঞ্জয বীমাৰ সুবিধাও পৰ্যাপ্ত নহয়। কিছুমান শ্ৰমিকক পৰ্যাপ্ত বিশ্ৰামৰ সময় দিয়া নহয় আৰু বহু মহিলাই প্ৰসূতিকালীন সুবিধা লাভ নকৰে।

ILO-এ সমাজৰ সকলো শ্ৰেণীৰ লোকলৈ সামাজিক সুৰক্ষা সম্প্ৰসাৰিত কৰা, কৰ্ম পৰিস্থিতি উন্নত কৰা আৰু কৰ্মক্ষেত্ৰত সুৰক্ষা নিশ্চিত কৰাত দেশসমূহক সহায় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

ILO-এ কৰ্মজীৱী লোকসকলৰ বৰ্তমানৰ বিশ্বব্যাপী প্ৰত্যাহ্বানসমূহক অগ্ৰাধিকাৰ দিয়ে আৰু তেওঁলোকৰ বাবে নীতি প্ৰস্তুত কৰে। প্ৰতি বছৰে ২০ লাখতকৈ অধিক লোক কৰ্মক্ষেত্ৰৰ দুৰ্ঘটনা অথবা কৰ্ম সম্পৰ্কীয় ৰোগৰ ফলত মৃত্যুমুখত পৰে।

কৰ্মক্ষেত্ৰৰ সুৰক্ষাৰ অৱস্থা দেশ, অৰ্থনৈতিক খণ্ড আৰু সামাজিক গোট অনুসৰি যথেষ্ট বেলেগ বেলেগ হয়। উন্নয়নশীল দেশসমূহত কৰ্মক্ষেত্ৰৰ দুৰ্ঘটনা আৰু আঘাতৰ ফলত অধিক লোকৰ মৃত্যু হয়। ইয়াৰ কাৰণ হৈছে কৃষি, নিৰ্মাণ, মাছ ধৰা আৰু খননৰ দৰে বিপজ্জনক কামত বৃহৎ সংখ্যক লোক নিয়োজিত হৈ থকা।

বিশ্বৰ সকলো ঠাইতে দৰিদ্ৰ আৰু কম সুৰক্ষা লাভ কৰা লোকসকল বিশেষকৈ মহিলা, শিশু আৰু প্ৰব্ৰজিত শ্ৰমিকসকল— এই সমস্যাসমূহৰ দ্বাৰা অধিক প্ৰভাৱিত হয়।

বহুতো ঔদ্যোগিকভাৱে উন্নত দেশে গুৰুতৰ কৰ্মক্ষেত্ৰৰ আঘাত হ্ৰাস কৰাত সফলতা লাভ কৰিছে। ইয়াৰ পৰা স্পষ্ট হয় যে কৰ্মক্ষেত্ৰৰ সুৰক্ষা উন্নত কৰিলে ইতিবাচক ফল পোৱা যায়। তথাপি এই বিষয়টোৰ প্ৰতি সজাগতা, জ্ঞান আৰু তথ্যৰ অভাৱ আছে।

ILO-এ গৱেষণা, সজাগতা সৃষ্টি আৰু কাৰিকৰী সহায়ৰ জৰিয়তে এই অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰে। বিশেষকৈ বিপজ্জনক বৃত্তিসমূহৰ ওপৰত গুৰুত্ব দি সংস্থাটোৱে দেশসমূহক ব্যৱস্থাপনা সম্পৰ্কীয় সঁজুলি, নিৰীক্ষণ ব্যৱস্থা আৰু তথ্য সেৱা বিকশিত কৰাত সহায় কৰে।

তুলনামূলকভাৱে কম সময়ৰ ভিতৰতে HIV/AIDS মহামাৰী কৰ্মক্ষেত্ৰৰ অন্যতম গুৰুত্বপূৰ্ণ সমস্যা হৈ পৰিছে। এই মহামাৰীয়ে আক্ৰান্ত মহিলা-পুৰুষ আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত ধ্বংসাত্মক প্ৰভাৱ পেলায় আৰু কৰ্মজগতৰ বিভিন্ন দিশত সমস্যাৰ সৃষ্টি কৰে।

উদাহৰণস্বৰূপে, HIV/AIDS-ত আক্ৰান্ত লোকৰ প্ৰতি কৰ্মক্ষেত্ৰত বৈষম্যই তেওঁলোকৰ মৌলিক অধিকাৰ খৰ্ব কৰে আৰু সন্মানজনক নিয়োগ লাভৰ সুযোগ হ্ৰাস কৰে।

২০০১ চনত ILO-এ চৰকাৰ, নিয়োগকৰ্তা আৰু শ্ৰমিকসকলৰ সৈতে আলোচনা কৰি HIV/AIDS আৰু কৰ্মজগত সম্পৰ্কীয় আচৰণবিধি (Code of Practice on HIV/AIDS and the World of Work) গ্ৰহণ কৰে।

এই গুৰুত্বপূৰ্ণ আচৰণবিধিৰ উদ্দেশ্য হৈছে HIV/AIDS-ৰ সংক্ৰমণ প্ৰতিৰোধ কৰা আৰু কৰ্মক্ষেত্ৰত ইয়াৰ প্ৰভাৱ নিয়ন্ত্ৰণ তথা হ্ৰাস কৰা।

এই আচৰণবিধিৰ কেইটামান মূল নীতি হ'ল—

- বৈষম্যহীনতা।
- লিংগ সমতা।
- স্বাস্থ্যসন্মত কৰ্ম পৰিৱেশ।
- নিয়োগৰ উদ্দেশ্যে HIV পৰীক্ষা নকৰা।
- ব্যক্তিগত তথ্যৰ গোপনীয়তা ৰক্ষা কৰা।
- কৰ্মসংস্থাপনৰ সম্পৰ্ক অব্যাহত ৰখা।

ক্ৰমান্বয়ে এই আচৰণবিধি HIV/AIDS সম্পৰ্কীয় বিষয়সমূহ পৰিচালনা কৰাৰ বাবে নিয়োগকৰ্তা

আৰু ট্ৰেড ইউনিয়নসমূহৰ মাজত চুক্তি সম্পাদনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ নিৰ্দেশক হিচাপে ব্যৱহৃত হৈ আহিছে।

বিশ্বৰ কৰ্মক্ষেত্ৰসমূহত স্বাস্থ্য আৰু সুৰক্ষাৰ সংস্কৃতি বিকশিত কৰা আৰু প্ৰয়োগ কৰাৰ ক্ষেত্ৰত ILO-এ বিশেষ গুৰুত্ব আৰোপ কৰে।

৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰথম বিশ্বযুদ্ধৰ পিছত ১৯১৯ চনৰ ৯ এপ্ৰিলত ভাৰ্ছাইল চুক্তিৰ জৰিয়তে ILO-এ এক স্বায়ত্তশাসিত সংস্থা হিচাপে আত্মপ্ৰকাশ কৰে আৰু ই লীগ অৱ নেচনছৰ সৈতে জড়িত আছিল।
- ILO ৰাষ্ট্ৰসংঘৰ সৈতে জড়িত প্ৰথম বিশেষীকৃত সংস্থা হিচাপে পৰিগণিত হয়।
- আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সম্মিলন, পৰিচালনা পৰিষদ আৰু আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক কাৰ্যালয়— এই তিনিটা অংগই ILO গঠন কৰে।
- দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ILO-এ শিশুশ্ৰম, মানৱ অধিকাৰ আৰু কৰ্মক্ষেত্ৰৰ পৰিৱেশ তথা কৰ্ম পৰিস্থিতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।
- বিশ্বজুৰি শ্ৰমিকৰ অধিকাৰ, শ্ৰমিক মানদণ্ড আৰু কৰ্ম পৰিস্থিতিৰ উন্নতি সাধনৰ বাবে ILO-এ কাম কৰি আহিছে।
- ILO-এ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে ১৯৬৯ চনত শান্তিৰ নোবেল বঁটা লাভ কৰে।

৭.১০ অধিক জানিবলৈ

1. Agarwal, Dr H.O. (2009). *International Law &Human Rights*, Sixteenth Edition, Central Law Publications: Allahabad.
2. Agarwal, Dr H.O. (2018). *International Organisations*, Second Editions, Central Law Publications: Allahabad.
3. Prof. Murthy, B.S. (1993). *International Relations and Organisation*, For Law Students. A project of the National Law School of India University In Association With Bar Council Of India Trust, Eastern Book Company: Lucknow.

৭.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰথম বিশ্বযুদ্ধৰ পিছত ১৯১৯ চনৰ ৯ এপ্ৰিলত ভাৰ্ছাইল চুক্তিৰ জৰিয়তে ILO-এ এক স্বায়ত্তশাসিত সংস্থা হিচাপে আত্মপ্ৰকাশ কৰে আৰু ই লীগ অৱ নেচনছৰ সৈতে জড়িত আছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ILO-ৰ মুখ্য কাৰ্যালয় চুইজাৰলেণ্ডৰ জেনেভাত অৱস্থিত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সম্মিলন, পৰিচালনা পৰিষদ আৰু আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক কাৰ্যালয়— এই তিনিটা অংগই ILO গঠন কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ILO-এ ১৯৯২ চনত আৰম্ভ কৰা কাৰ্যসূচীটোৰ নাম হৈছে শিশুশ্ৰম বিলোপৰ আন্তঃৰাষ্ট্ৰীয় কাৰ্যসূচী (International Programme on the Elimination of Child Labour IPEC)।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯৯ চনৰ ১৭ জুনত জেনেভাত ILO-এ শিশুশ্ৰমৰ নিকৃষ্টতম ৰূপসমূহৰ চুক্তি (Worst Forms of Child Labour Convention, 1999- চুক্তি নং ১৮২) গ্ৰহণ কৰে। এই চুক্তি ২০০০ চনৰ ১৯ নৱেম্বৰত কাৰ্যকৰী হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ILO-এ ১৯৬৯ চনত শান্তিৰ নোবেল বঁটা লাভ কৰিছিল।

৭.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ILO-ৰ মুখ্য দায়িত্বসমূহ উল্লেখ কৰা।

প্ৰশ্ন ২ ঃ ILO-এ কোন চনত শান্তিৰ নোবেল বঁটা লাভ কৰিছিল?

প্ৰশ্ন ৩ ঃ ILO-ৰ মুখ্য কাৰ্যালয় ..... অৱস্থিত। (খালী ঠাই পূৰণ কৰা।)

প্ৰশ্ন ৪ ঃ ILO আৰু মানৱ অধিকাৰৰ বিষয়ে এটি টোকা লিখা।

প্ৰশ্ন ৫ ঃ নিয়োগ আৰু বৃত্তিৰ ক্ষেত্ৰত বৈষম্যৰ বিলোপৰ ক্ষেত্ৰত ILO-ৰ ভূমিকা সম্পৰ্কে এটি টোকা লিখা।

প্ৰশ্ন ৬ ঃ ILO-ৰ গঠন সম্পৰ্কে আলোচনা কৰা।

প্ৰশ্ন ৭ ঃ ILO-ৰ কাৰ্যাৱলীসমূহ ব্যাখ্যা কৰা।

প্ৰশ্ন ৮ ঃ মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত ILO-ৰ ভূমিকা বিশ্লেষণ কৰা।

****

অধ্যায় ৮ ঃ বয়োজ্যেষ্ঠ সকলৰ অধিকাৰ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ বিশ্বত বৃদ্ধ জনসংখ্যা
৮.৪ ভাৰতত বৃদ্ধ জনসংখ্যা
৮.৫ বৃদ্ধ লোকসকলৰ সমস্যা
৮.৬ বৃদ্ধ ব্যক্তিৰ ওপৰত নির্যাতন
৮.৭ বৃদ্ধাৱস্থা (বয়স বৃদ্ধি) সম্পর্কে ৰাষ্ট্রসংঘৰ প্রচেষ্টা
৮.৭.১ বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্রসংঘৰ নীতি, ১৯৯১
৮.৭.২ বৃদ্ধাৱস্থাৰ ওপৰত মাদ্রিদ আন্তঃৰাষ্ট্রীয় কার্য পৰিকল্পনা
৮.৭.৩ বৃদ্ধ ব্যক্তিসকলৰ মানৱ অধিকাৰ
৮.৮ ৰাষ্ট্রীয় পর্যায়ত প্রচেষ্টা-ভাৰতীয় দৃষ্টিভংগী
৮.৯ বৃদ্ধ ব্যক্তিসকলৰ অধিকাৰৰ সুৰক্ষা
৮.৯.১ হিন্দু দত্তক গ্রহণ আৰু ভৰণ-পোষণ আইন
৮.৯.২ মুছলমান আইন
৮.৯.৩ ফৌজদাৰী কার্যবিধি
৮.৯.৪ পিতৃ-মাতৃ আৰু জ্যেষ্ঠ নাগৰিকৰ ভৰণ-পোষণ আৰু কল্যাণ বিধেয়ক, ২০০৭
৮.৯.৫ PRANAM বিধেয়ক, ৰাজ্য চৰকাৰ
৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১১ অধিক জানিবলৈ
৮.১২ অগ্রগতিৰ খতিয়ান
৮.১৩ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বিশ্বৰ বৃদ্ধ জনসংখ্যাৰ পৰিস্থিতি চিনাক্ত কৰিব পাৰিব।
- ভাৰতৰ বৃদ্ধ জনসংখ্যাৰ পৰিস্থিতি ব্যাখ্যা কৰিব পাৰিব।
- বৃদ্ধ জনসংখ্যাৰ সৈতে জড়িত সমস্যাসমূহ বিশ্লেষণ কৰিব পাৰিব।
- বৃদ্ধ ব্যক্তিসকলৰ অধিকাৰসমূহ বর্ণনা কৰিব পাৰিব।

৮.২ পৰিচয়

মানৱ জীৱন চক্রত বার্ধক্য বা বয়স বঢ়াটো এটা স্বাভাৱিক প্রক্রিয়া। যদিও ই জৈৱিক, বয়স বঢ়াৰ এই প্রক্রিয়াটোৱে আৱেগিক, বৌদ্ধিক, সামাজিক আৰু আধ্যাত্মিক পৰিৱর্তন কঢ়িয়াই আনে। কালক্রমিক দৃষ্টিভংগীৰে যেতিয়া এজন ব্যক্তিয়ে ছত্তৰ বছৰ বা তাতকৈ অধিক বয়স অতিক্রম কৰে, তেতিয়া তেওঁলোকক বৃদ্ধ বুলি কোৱা হয়। এই বৃদ্ধ জনসংখ্যাক জ্যেষ্ঠ নাগৰিক বুলিও জনা যায়।

ভাৰতত জ্যেষ্ঠ নাগৰিকৰ দ্রেশ্রণীটোক আটাইতকৈ সন্মানীয় দ্রেশ্রণী বুলি গণ্য কৰা হয়। কিন্তু আর্থ-সামাজিক

আৰু মনস্তাত্ত্বিক ক্ষেত্ৰত অহা নতুন পৰিৱৰ্তনৰ ফলত বৰ্তমান বয়স্ক লোকসকলে পূৰ্বতে লাভ কৰা সেই একে সন্মান লাভ নকৰে। গোলকীকৰণে ভাৰতৰ সমাজ আৰু পৰিয়ালৰ ৰদ্ধপৰেখাও সলনি কৰি পেলাইছে আৰু এই দ্ৰুদ্ৰুত পৰিৱৰ্তনৰ ভুক্তভোগী হৈছে বয়স্ক লোকসকল। গোলকীকৰণ, ব্যক্তিগতকৰণ, নগৰীকৰণ আৰু অৰ্থনীতিত বৃদ্ধি পোৱা প্ৰতিযোগিতাৰ প্ৰভাৱৰ লগতে সামূহিক আৰু পাৰিবাৰিক মূল্যবোধৰ বিনিময়ত ব্যক্তিবাদ, বস্তুবাদ আৰু বিচ্ছিন্ন পৰিচয়ৰ দৰে মূল্যবোধ শক্তিশালী হোৱাৰ ফলত একক পৰিয়াল শ্চনিউক্লিয়াৰ ফেমিলিগ্ন আৰু প্ৰব্ৰজনৰ প্ৰৱণতা বৃদ্ধি পাইছে, যিয়ে ভাৰতৰ বয়স্ক লোকসকলক বিভিন্ন ধৰণে প্ৰভাৱিত কৰিছে।

বয়স্ক জনসংখ্যা কোনো সমজাতীয় লোকৰ গোট নহয় আৰু জাতি, দ্ৰেশ্ৰণী, ধৰ্ম, লিংগ, ব্যক্তিত্ব আদি বহু দিশত ইয়াৰ মাজত ভিন্নতা দেখা যায়। ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহত চহৰাঞ্চলতকৈ গ্ৰামাঞ্চলত বয়স্ক লোকৰ সংখ্যা অধিক। এজন বয়স্ক ব্যক্তিৰ পৰিস্থিতি আৰু অৱস্থা আন এজন বয়স্ক ব্যক্তিতকৈ পৃথক। সেয়েহে, বয়স্কসকলৰ আনুষংগিক সমস্যাসমূহ এটা মাত্ৰ দৃষ্টিভংগীৰে সমাধান কৰাটো কঠিন। অৱশ্যে, বিভিন্ন সন্মিলন আৰু ৰাষ্ট্ৰীয় পদক্ষেপৰ জৰিয়তে বৃদ্ধসকলৰ সকলো আনুষংগিক সমস্যা মোকাবিলা কৰাৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে।

৮.৩ বিশ্বত বৃদ্ধ জনসংখ্যা

বিশ্বজুৰি বয়স বৃদ্ধি বা বৃদ্ধ জনসংখ্যা বৃদ্ধি পাই আহিছে। ২০১৭ চনত ৬০ বছৰ বা তাতকৈ অধিক বয়সৰ বিশ্বব্যাপী জনসংখ্যা আছিল ৯৬২ নিযুত। ২০৫০ চনৰ ভিতৰত বৃদ্ধ ব্যক্তিৰ সংখ্যা দুগুণ হোৱাৰ সম্ভাৱনা আছে আৰু সেই সময়ত এই সংখ্যা প্ৰায় ২.১ বিলিয়নলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। ২০৩০ চনত ১০ বছৰৰ তলৰ শিশুতকৈ বৃদ্ধ ব্যক্তিৰ সংখ্যা অধিক হোৱাৰ সম্ভাৱনা আছে। ২০৫০ চনত ৬০ বছৰ বা তাতকৈ অধিক বয়সৰ বৃদ্ধ ব্যক্তিৰ সংখ্যা ১০-২৪ বছৰ বয়সৰ কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীৰ সংখ্যাতকৈ অধিক হ'ব বুলি অনুমান কৰা হৈছে। বিশ্বজুৰি ৮০ বছৰ বা তাতকৈ অধিক বয়সৰ ব্যক্তিৰ সংখ্যা ২০১৭ চনৰ পৰা ২০৫০ চনৰ ভিতৰত তিনিগুণতকৈও অধিক বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। এই সংখ্যা ১৩৭ নিযুতৰ পৰা ৪২৫ নিযুতলৈ বৃদ্ধি পাব। বিশ্বৰ বৃদ্ধ লোকসকলৰ দুই-তৃতীয়াংশ উন্নয়নশীল অঞ্চলসমূহত বাস কৰে, য'ত বৃদ্ধ জনসংখ্যা উন্নত অঞ্চলসমূহতকৈ অধিক দ্ৰুতগতিত বৃদ্ধি পাইছে। ২০৫০ চনত বিশ্বৰ প্ৰায় ৮০ শতাংশ বৃদ্ধ ব্যক্তি উন্নয়নশীল অঞ্চলসমূহত বাস কৰিব বুলি আশা কৰা হৈছে।

৮.৪ ভাৰতত বৃদ্ধ জনসংখ্যা

ৰাষ্ট্ৰসংঘই কোনো এখন দেশক "বয়স বৃদ্ধি পোৱা দেশ" বা "ধূসৰ দেশ" বুলি সংজ্ঞায়িত কৰে, যেতিয়া মুঠ জনসংখ্যাৰ ৭ শতাংশ লোকৰ বয়স ৬০ বছৰৰ ওপৰত হয়। ২০১১ চনৰ ভিতৰত ভাৰতে এই অনুপাত অতিক্ৰম কৰিছিল (৮.০ শতাংশ) আৰু ২০২৫ চনত ই ১২.৬ শতাংশত উপনীত হোৱাৰ সম্ভাৱনা আছে। ২০১১ চনৰ জনসংখ্যা পিয়ল অনুসৰি ভাৰতত প্ৰায় ১০৪ নিযুত বৃদ্ধ ব্যক্তি আছে; ইয়াৰে ৫৩ নিযুত মহিলা আৰু ৫১ নিযুত পুৰুষ।

ভাৰতত জন্মৰ সময়ৰ আয়ুসকাল বিগত কেইটামান দশকত যথেষ্ট উন্নত হৈছে। ১৯৫০ চনত ৩৬.২ বছৰৰ পৰা ২০১৫ চনত ৬৭.৫ বছৰলৈ বৃদ্ধি পাইছে আৰু ২০৫০ চনৰ ভিতৰত ৭৫.৯ বছৰলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। ৬০ বছৰ বয়সত আয়ুসকালো যথেষ্ট বৃদ্ধি পাইছে। ১৯৫০ চনত প্ৰায় ১২ বছৰৰ পৰা ২০১৫ চনত ১৮ বছৰলৈ বৃদ্ধি পাইছে আৰু ২০৫০ চনত ২১ বছৰতকৈ অধিক হ'ব বুলি অনুমান কৰা হৈছে। একেদৰে, ভাৰতীয় লোকৰ ৮০ বছৰ বয়সত গড় আয়ুসকালো যথেষ্ট বৃদ্ধি পাইছে। ১৯৫০ চনত প্ৰায় ৫ বছৰৰ পৰা বৰ্তমান ৭ বছৰতকৈ অধিক হৈছে। এই শতিকাৰ মাজভাগলৈ ই ৮.৫ বছৰলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে।

কেৰালাত জন্মৰ সময়ৰ আয়ুসকাল সৰ্বাধিক, তাৰ পিছত মহাৰাষ্ট্ৰ আৰু পাঞ্জাৰ। কেৰালাত পুৰুষৰ জন্মৰ সময়ৰ আয়ুসকাল ৭১.৮ বছৰ আৰু মহিলাৰ ৭৭.৮ বছৰ।

৮.৫ বৃদ্ধ লোকসকলৰ সমস্যা

বয়স বৃদ্ধিৰ লগে লগে বৃদ্ধ লোকসকলে গুৰুত্বপূৰ্ণ সামাজিক, ৰাজনৈতিক আৰু স্বাস্থ্যজনিত প্ৰত্যাহ্বানৰ সন্মুখীন হয়। ইয়াৰ ভিতৰত বৃদ্ধি পোৱা স্বাস্থ্যজনিত সমস্যাই মুখ্য আৰু ই বৃদ্ধ লোকসকলক বিভিন্ন ধৰণে প্ৰভাৱিত কৰে।

স্বাস্থ্যজনিত সমস্যা ঃ

বৃদ্ধাৱস্থাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে স্বাস্থ্যৰ অৱনতি। বয়স বৃদ্ধিৰ লগে লগে হৃদ্‌যন্ত্ৰ আৰু ৰক্তনলীৰ ৰোগ, কৰ্কট ৰোগ, দীৰ্ঘম্যাদী শ্বাস-প্ৰশ্বাসজনিত ৰোগ, ডায়েবেটিছ আদি অসংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পায়। বৃদ্ধ জনসংখ্যাৰ মাজত হৃদ্‌ৰোগো সাধাৰণ আৰু গ্ৰাম্য অঞ্চলতকৈ নগৰীয়া অঞ্চলত ইয়াৰ প্ৰাদুৰ্ভাৱ অধিক। ২০১১ চনৰ লোকপিয়ল অনুসৰি বৃদ্ধ ব্যক্তিসকলৰ মাজত আটাইতকৈ সাধাৰণ অক্ষমতাসমূহৰ ভিতৰত চলন-ফুৰণজনিত অক্ষমতা আৰু দৃষ্টিজনিত অক্ষমতা উল্লেখযোগ্য। এনে স্বাস্থ্যজনিত সমস্যাই বৃদ্ধ লোকসকলৰ জীৱনত বিৰূপ প্ৰভাৱ পেলায়। বৃদ্ধ জনসংখ্যাৰ মাজত বিভিন্ন মানসিক স্বাস্থ্যজনিত সমস্যাও দেখা দিব পাৰে। অৱসৰ গ্ৰহণ, আপোনজন আৰু বন্ধুবৰ্গক হেৰুৱা, একাকীত্ব আৰু স্বাস্থ্যৰ অৱনতি আদি জীৱন পৰিস্থিতিৰ ফলত বৃদ্ধ লোকসকলৰ মাজত বিষণ্ণতা সাধাৰণ। চিকিৎসা নকৰিলে বিষণ্ণতাই বিভিন্ন শাৰীৰিক স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিব পাৰে আৰু স্বাস্থ্যৰ অৱনতি ঘটাব পাৰে। বৃদ্ধ লোকসকলে ধন-পইচা, পৰিয়াল আৰু কাম-কাজৰ দৰে সাধাৰণ বিষয়ক লৈ অবিৰত চিন্তাৰ ফলত উদ্বেগো অনুভৱ কৰিব পাৰে। এই উদ্বেগে তেওঁলোকৰ দৈনন্দিন কাৰ্যকলাপত বাধা দিব পাৰে। একাকীত্বৰ বাবে বৃদ্ধ ব্যক্তিৰ মানসিক স্বাস্থ্যজনিত সমস্যাসমূহ বহু সময়ত ধৰা নপৰে। সেইবাবে বৃদ্ধ ব্যক্তিৰ সৈতে নিয়মিতভাৱে যোগাযোগ ৰখা আৰু তেওঁলোকৰ চৌপাশৰ পৰিৱৰ্তনৰ প্ৰতি তেওঁলোকৰ প্ৰতিক্ৰিয়া লক্ষ্য কৰাটো গুৰুত্বপূৰ্ণ। স্বাস্থ্যজনিত সমস্যাৰ বাবে বৃদ্ধ লোকসকলৰ নিৰ্ভৰশীলতা বৃদ্ধি পোৱাই সামাজিক-ধৰ্মীয় অনুষ্ঠানসমূহতো তেওঁলোকৰ মৰ্যাদা অধিক অৱনতি ঘটাইছে।

সামাজিক সমস্যা ঃ

সামাজিক সম্পৰ্কৰ পৰা বিচ্ছিন্নতা, নিজকে অনাৱশ্যক বুলি অনুভৱ কৰা আৰু একাকীত্বই বৃদ্ধ লোকসকলৰ সামাজিক সমস্যাৰ সৃষ্টি কৰিব পাৰে। যৌথ পৰিয়াল ব্যৱস্থাৰ ভাঙন, যুৱক-যুৱতীৰ প্ৰব্ৰজন, জন্মহাৰ হ্ৰাস, আয়ুসকাল বৃদ্ধি, দীৰ্ঘম্যাদী ৰোগ আৰু অন্যান্য অসুস্থতাই পৰিস্থিতি অধিক বেয়া কৰিছে। জীৱনৰ প্ৰতি পৰিৱৰ্তিত মূল্যবোধ আৰু দৃষ্টিভংগীয়ে যুৱ আৰু বৃদ্ধৰ মাজৰ ব্যৱধান বৃদ্ধি কৰিছে, য'ত পৰম্পৰাগত মূল্যবোধ আধুনিক মূল্যবোধৰ সৈতে আৰু মিল নাখায়। বহুতো অধ্যয়নে প্ৰকাশ কৰিছে যে বৰ্তমানৰ যুৱ প্ৰজন্মই একক পৰিয়ালত বাস কৰাটো অধিক পছন্দ কৰে। একক পৰিয়ালত ব্যক্তিগত মূল্যবোধ পিতৃ-মাতৃৰ মূল্যবোধতকৈ পৃথক আৰু পত্নী, স্বামী আৰু সন্তানক লৈ গঠিত তৎকালীন পৰিয়ালক অধিক গুৰুত্ব দিয়া হয়। এছ. চি. ডুবেৰ এটা অধ্যয়নত দেখুওৱা হৈছে যে মধ্য বয়সলৈকে পিতৃ-মাতৃয়ে পৰিয়ালত আধিপত্য বিস্তাৰ কৰে, কিন্তু বৃদ্ধাৱস্থাত উপনীত হোৱাৰ পিছত তেওঁলোক পটভূমিলৈ আঁতৰি যায়। বৃদ্ধাৱস্থাই বৃদ্ধ লোকসকলৰ অৱস্থান আৰু মৰ্যাদা সেৱা প্ৰদানকাৰীৰ পৰা নিৰ্ভৰশীল ব্যক্তিলৈ পৰিৱৰ্তন কৰে। ভাৰতত বৃদ্ধ লোকসকলৰ নিৰ্ভৰশীলতাৰ অৱস্থা তেওঁলোকৰ আৰ্থিক পৰিস্থিতি অনুসৰি ভিন্ন। বৃদ্ধ লোকসকলৰ আৰ্থিক অৱস্থাই সিদ্ধান্ত গ্ৰহণ আৰু অন্যান্য সামাজিক সমাৱেশত তেওঁলোকৰ সামাজিক গুৰুত্বৰ ওপৰতো প্ৰভাৱ পেলায়।

মনোসামাজিক সমস্যা ঃ

বৃদ্ধ লোকসকলে বহুতো মনোসামাজিক সমস্যাৰ সন্মুখীন হয়। মনোসামাজিক সমস্যাসমূহ সামাজিক বিচ্ছিন্নতাৰ সৈতে জড়িত। সমাজৰ পৰা বিচ্ছিন্ন হৈ পৰিলে বৃদ্ধ লোকসকলে বহু কষ্ট ভোগ কৰে। সামাজিক বিচ্ছিন্নতাৰ অৰ্থ হৈছে যেতিয়া মানুহে সামাজিক জীৱনত সক্ৰিয় হৈ নাথাকে। সামাজিক বিচ্ছিন্নতাই মানসিক দুৰ্বলতা আৰু অসহায়তাৰ লগতে একঘেয়ামি আৰু বিৰক্তিৰ সৃষ্টি কৰে। বৃদ্ধব্যক্তিসকলে আশা কৰা ধৰণে সমাজে একে পৰিমাণৰ সন্মান নিদিলে তেওঁলোকে অৱহেলিত আৰু অপমানিত অনুভৱ কৰে। একাকীত্ব অথবা নিজকে অনাৱশ্যক বুলি অত্যধিক অনুভৱ কৰাৰ ফলত বিষণ্ণতা সৃষ্টি হ'ব পাৰে আৰু অসুস্থতা অধিক গুৰুতৰ কৰি তুলিব

পাৰে। বৃদ্ধ ব্যক্তিৰ ওপৰত নির্যাতন হৈছে বৃদ্ধ জনসংখ্যাৰ মাজত সর্বাধিক মনোসামাজিক সমস্যাৰ সৃষ্টি কৰা অন্যতম গুৰুত্বপূর্ণ বিষয়।

অর্থনৈতিক সমস্যা ঃ

অৱসৰৰ বয়সত অর্থনৈতিকভাৱে কর্মজীৱনৰ পৰা আঁতৰি যোৱাটো বৃদ্ধ লোকসকলৰ বহু সমস্যাৰ এটা কাৰণ হিচাপে গণ্য কৰা হয়। ঔদ্যোগিকীকৰণৰ পূর্বৰ ভাৰতীয় সমাজত অধিকাংশ বৃদ্ধ লোক জীৱিত থকা সময়লৈকে অর্থনৈতিকভাৱে স্বাৱলম্বী হৈ থাকিছিল। তেওঁলোকৰ মাটি আৰু অন্যান্য পেছাগত প্রতিষ্ঠানৰ মালিকানা আছিল আৰু নিজৰ শাৰীৰিক সক্ষমতা অনুসৰি উৎপাদনমূলক কামত অংশগ্রহণ কৰিছিল। কিন্তু ঔদ্যোগিক সমাজ আৰু আধুনিকীকৰণৰ ফলত সেৱা খণ্ডৰ চাহিদা বৃদ্ধি পোৱাৰ লগে লগে অৱসৰৰ পিছত বৃদ্ধ লোকসকলৰ ভূমিকা সীমিত হৈ পৰিছে। বর্তমানৰ ঔদ্যোগিক সমাজৰ পৰিৱেশ বৃদ্ধ লোকসকলৰ শাৰীৰিক আৰু সামাজিক-মনস্তাত্ত্বিক প্রয়োজনীয়তা পূৰণৰ বাবে উপযোগী নহয়। ভাৰততে পেঞ্চন, সামাজিক বীমা সাহায্য, ভৱিষ্যনিধি আদি আয়ৰ সুৰক্ষা সকলো সেৱা খণ্ডত প্রযোজ্য নহয়। অসংগঠিত বা ব্যক্তিগত খণ্ডৰ কর্মচাৰীসকলে এই সুবিধাসমূহ লাভ নকৰে বা অতি সীমিতভাৱে লাভ কৰে। সেয়েহে বৃদ্ধাৱস্থাত পৰিয়ালৰ যত্নৰ লগতে অন্যান্য প্রয়োজনীয়তা পূৰণ কৰাটো বৃদ্ধ লোকসকলৰ বাবে কঠিন হৈ পৰে। বৃদ্ধ লোকসকলৰ আর্থিক অৱস্থাৰ ওপৰত নির্ভৰ কৰি নিৰাপত্তাহীনতা আৰু নির্ভৰশীলতাৰ অনুভূতি ভিন্ন হয়। পেঞ্চন লাভ কৰা আৰু সম্পত্তিৰ অধিকাৰী বৃদ্ধ লোকসকলে আর্থিক নির্ভৰশীলতাৰ বিষয়ে তুলনামূলকভাৱে কম চিন্তিত হোৱা দেখা যায়। ভাৰতত সামগ্রিকভাৱে বৃদ্ধাৱস্থাৰ নির্ভৰশীলতাৰ অনুপাত ১৯৬১ চনৰ ১০.৯ শতাংশৰ পৰা ২০১১ চনত ১৪.২ শতাংশলৈ বৃদ্ধি পাইছে।

অগ্রগতি নিৰীক্ষণ

খালী ঠাই পূৰ কৰক—

প্রশ্ন নং ১ ঃ ৰাষ্ট্রসংঘে কোনো এখন দেশক "বয়স বৃদ্ধি পোৱা দেশ" বা "ধূসৰ দেশ" বুলি সংজ্ঞায়িত কৰে, যেতিয়া ৬০ বছৰৰ ওপৰৰ লোকৰ অনুপাত মুঠ জনসংখ্যাৰ ..... হয়।

প্রশ্ন নং ২ ঃ ২০১৭ চনত ৬০ বছৰ বা তাতকৈ অধিক বয়সৰ বিশ্বব্যাপী জনসংখ্যা আছিল .....।

প্রশ্ন নং ৩ ঃ ২০১১ চনত সমগ্র ভাৰতৰ বৃদ্ধাৱস্থাৰ নির্ভৰশীলতাৰ অনুপাত .....।

৮.৬ বৃদ্ধ ব্যক্তিৰ ওপৰত নির্যাতন

বিশ্ব স্বাস্থ্য সংস্থা (WHO)-ই বৃদ্ধ ব্যক্তিৰ ওপৰত কৰা নির্যাতনক এনেদৰে সংজ্ঞায়িত কৰিছে- "বিশ্বাসৰ আশা থকা কোনো সম্পর্কৰ ভিতৰত সংঘটিত হোৱা একক বা পুনৰাবৃত্তিমূলক কোনো কার্য অথবা উপযুক্ত ব্যৱস্থা গ্রহণ নকৰা, যাৰ ফলত বৃদ্ধ ব্যক্তিৰ ক্ষতি বা দুখ-কষ্ট হয়।" (a single, or repeated act, or lack of appropriate action, occurring within any relationship where there is an expectation of trust which causes harm or distress to an older person.) WHO-ৰ মতে, বৃদ্ধ ব্যক্তিৰ ওপৰত নির্যাতন বিভিন্ন ৰূপত হ'ব পাৰে, যেনে শাৰীৰিক, মানসিক বা আৱেগিক, যৌন আৰু আর্থিক নির্যাতন। ই ইচ্ছাকৃত বা অনিচ্ছাকৃত অৱহেলাৰ ফলতো হ'ব পাৰে। যেতিয়া কোনো যত্ন লওঁতাই ইচ্ছাকৃতভাৱে কোনো বৃদ্ধ ব্যক্তিক যত্নৰ পৰা বঞ্চিত কৰে অথবা তেওঁৰ দায়িত্বত থকা ব্যক্তিজনক ক্ষতি কৰে, তেতিয়া বৃদ্ধ ব্যক্তিৰ ওপৰত নির্যাতন সংঘটিত হয়। যত্ন লওঁতা ব্যক্তি পৰিয়ালৰ সদস্য, আত্মীয়, বন্ধু, স্বাস্থ্যসেৱা কর্মী অথবা বৃদ্ধ নিবাস বা নার্ছিং সেৱাৰ কর্মচাৰী হ'ব পাৰে।

অধ্যয়নসমূহে দেখুৱাইছে যে বৃদ্ধ লোকসকলক প্রায়ে নিজৰ ঘৰতে অৱহেলা কৰা হয় আৰু শাৰীৰিক তথা মানসিক নির্যাতনৰ সন্মুখীন হয়। বৃদ্ধ ব্যক্তিৰ ওপৰত নির্যাতন সাধাৰণতে আলোচনা কৰা বিষয় নহয় আৰু বহু সময়ত ব্যক্তিয়ে এই বিষয়ে কথা ক'বলৈ সংকোচ কৰে। যোৱা কেইবছৰমান ধৰি "Help Age India"-ই ভাৰতৰ বৃদ্ধ লোকসকলৰ বিৰুদ্ধে বৃদ্ধি পোৱা এই অপৰাধটো বুজিবলৈ বিস্তৃত সমীক্ষা চলাই আহিছে। এই সমীক্ষাত বৃদ্ধ লোকসকলৰ দৃষ্টিভংগী, তেওঁলোকৰ বুজাবুজি আৰু অভিজ্ঞতাসমূহ জানিবলৈ চেষ্টা কৰা হৈছে। ২০১৪ চনত

সমীক্ষা কৰা ভাৰতৰ বৃদ্ধ লোকসকলৰ প্ৰায় আধা (৫০ শতাংশ)-ই নিৰ্যাতনৰ সন্মুখীন হোৱা বুলি জনাইছিল। ইয়াৰে ৭৭ শতাংশ লোক নিজৰ পৰিয়ালৰ সৈতে বাস কৰিছিল। বৃদ্ধাৱস্থাত পুত্ৰই মূল যত্ন লওঁতা হ'ব বুলি থকা সাধাৰণ ধাৰণাটো সম্পূৰ্ণৰূপে ভংগ হৈছিল। পুত্ৰ আৰু বোৱাৰী প্ৰধান নিৰ্যাতনকাৰী হিচাপে পৰিগণিত হৈছিল। কিছুমান ক্ষেত্ৰত জীয়ৰী আৰু জোঁৱাইও নিৰ্যাতনকাৰী হিচাপে পোৱা গৈছিল।

এনে নিৰ্যাতন ৰোধ কৰিবলৈ বৃদ্ধ ব্যক্তিৰ ওপৰত নিৰ্যাতন প্ৰতিৰোধৰ বাবে কঠোৰ নীতি থকাটো প্ৰয়োজনীয়। আত্মীয় বা বাহিৰৰ কোনো ব্যক্তিয়ে বৃদ্ধ লোকৰ প্ৰতি অনুচিত আচৰণ কৰাৰ বিৰুদ্ধে আইন আছে। ভাৰতত বৃদ্ধ ব্যক্তিৰ ওপৰত নিৰ্যাতন সাধাৰণ। কিন্তু বৃদ্ধ লোকৰ ওপৰত হোৱা নিৰ্যাতন, অৱহেলা আৰু আৰ্থিক শোষণৰ অস্তিত্বৰ প্ৰমাণ দিব পৰাকৈ পৰিসংখ্যা, অপৰাধৰ নথি, সাংবাদিকতাৰ প্ৰতিবেদন, সমাজ কল্যাণৰ নথি আৰু অধ্যয়নসমূহৰ কোনো সুসংগঠিত সংগ্ৰহ নাই। মৌখিক নিৰ্যাতন, দুৰ্ব্যৱহাৰ আৰু উপযুক্ত খাদ্য তথা ঔষধৰ পৰা বঞ্চিত কৰাটো ভাৰতত বৃদ্ধ নিৰ্যাতনৰ সাধাৰণ ৰূপ। একক পৰিয়াল ব্যৱস্থা অধিক হ্ৰাস পাই একক অভিভাৱক পৰিয়াললৈ পৰিৱৰ্তিত হোৱাৰ লগে লগে অধিক সংখ্যক বৃদ্ধ লোকে বৃদ্ধ নিবাসলৈ যাবলগীয়া হৈছে। ভাৰতৰ দৰে এতিয়াও উন্নয়নশীল দেশত বৃদ্ধ নিবাসতো তেওঁলোকে গুৰুতৰ নিৰ্যাতনৰ সন্মুখীন নহয় বুলি কোনো নিশ্চয়তা নাই।

বৃদ্ধ লোকসকল বিভিন্ন ধৰণৰ নিৰ্যাতনৰ সন্মুখীন হ'ব পাৰে। বৃদ্ধ ব্যক্তিৰ ওপৰত হোৱা নিৰ্যাতনক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি-

১) শাৰীৰিক নিৰ্যাতন
২) মানসিক বা আৱেগিক নিৰ্যাতন
৩) আৰ্থিক নিৰ্যাতন আৰু শোষণ
৪) যৌন নিৰ্যাতন

৮.৭ বৃদ্ধাৱস্থা (বয়স বৃদ্ধি) সম্পৰ্কে ৰাষ্ট্ৰসংঘৰ প্ৰচেষ্টা

ৰাষ্ট্ৰসংঘই ভিয়েনাত অনুষ্ঠিত বিশ্ব সন্মিলনৰ জৰিয়তে বৃদ্ধ লোকসকলৰ যত্নৰ বাবে বিশ্বব্যাপী কাৰ্যসূচী আৰম্ভ কৰিছিল। ইয়াৰ ফলস্বৰূপে ১৯৮২ চনত "বৃদ্ধাৱস্থাৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় কাৰ্য পৰিকল্পনা" গ্ৰহণ কৰা হয়। এই বৃদ্ধ লোকসকলৰ কাৰ্য পৰিকল্পনাৰ উদ্দেশ্য আছিল দেশসমূহত বৃদ্ধাৱস্থাৰ সমস্যাৰ বিষয়ে সজাগতা সৃষ্টি কৰা। ইয়াৰ দ্বাৰা পৰৱৰ্তী ২০ বছৰত বৃদ্ধাৱস্থাৰ বিষয়ে চিন্তা আৰু কাৰ্যকলাপৰ দিশ নিৰ্দেশিত হৈছিল আৰু ইয়াৰ পিছত গুৰুত্বপূৰ্ণ নীতি আৰু পদক্ষেপসমূহ বিকশিত হৈছিল।

বৃদ্ধ ব্যক্তিসকলৰ মানৱ অধিকাৰৰ বিষয়টো ১৯৯১ চনত "বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰসংঘৰ নীতি" প্ৰস্তুত কৰাৰ সময়ত গ্ৰহণ কৰা হৈছিল। এই নীতিয়ে স্বাৱলম্বিতা, অংশগ্ৰহণ, যত্ন, আত্ম-পূৰ্ণতা আৰু মৰ্যাদাৰ ক্ষেত্ৰত দিশ-নিৰ্দেশনা প্ৰদান কৰিছিল।

৮.৭.১ বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰসংঘৰ নীতি, ১৯৯১

বৃদ্ধাৱস্থাৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় কাৰ্য পৰিকল্পনা আৰু আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থা, বিশ্ব স্বাস্থ্য সংস্থা আৰু অন্যান্য ৰাষ্ট্ৰসংঘৰ সংস্থাই নিৰ্ধাৰণ কৰা সন্মিলন, পৰামৰ্শ আৰু প্ৰস্তাৱসমূহৰ মানদণ্ডৰ প্ৰতি লক্ষ্য ৰাখি ১৯৯১ চনৰ বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰসংঘৰ নীতিয়ে চৰকাৰসমূহক সম্ভৱপৰ ক্ষেত্ৰত তলত দিয়া নীতিসমূহ তেওঁলোকৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰিবলৈ উৎসাহিত কৰে।

১. স্বাৱলম্বিতা

i. বৃদ্ধ ব্যক্তিসকলে আয়, পৰিয়াল আৰু সম্প্ৰদায়ৰ সহায় আৰু আত্মসহায়ৰ জৰিয়তে পৰ্যাপ্ত খাদ্য, পানী, আশ্ৰয়, পোছাক আৰু স্বাস্থ্যসেৱা লাভ কৰিব লাগে।

ii. বৃদ্ধ ব্যক্তিসকলৰ কাম কৰাৰ বা অন্যান্য আয় সৃষ্টিকাৰী সুযোগ লাভ কৰাৰ সুযোগ থাকিব লাগে।

iii. বৃদ্ধ ব্যক্তিসকলে কেতিয়া আৰু কি গতিৰে শ্ৰমশক্তিৰ পৰা অৱসৰ গ্ৰহণ কৰিব সেই বিষয়ে সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰিব পাৰিব লাগে।

iv. বৃদ্ধ ব্যক্তিসকলে উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণ কাৰ্যসূচী লাভ কৰিব লাগে।

v. বৃদ্ধ ব্যক্তিসকলে এনে এক নিৰাপদ পৰিৱেশত বাস কৰিব পাৰিব লাগে, যিটো তেওঁলোকৰ ব্যক্তিগত পছন্দ আৰু পৰিৱৰ্তিত সক্ষমতাৰ সৈতে খাপ খায়।

vi. বৃদ্ধ ব্যক্তিসকলে যিমান দিন সম্ভৱ নিজ ঘৰত বাস কৰিব পাৰিব লাগে।

২. অংশগ্ৰহণ

i. বৃদ্ধ ব্যক্তিসকলে সমাজৰ সৈতে সংযুক্ত হৈ থাকিব লাগে, তেওঁলোকৰ কল্যাণক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰা নীতি প্ৰণয়ন আৰু ৰূপায়ণত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব লাগে আৰু তেওঁলোকৰ জ্ঞান তথা দক্ষতা যুৱ প্ৰজন্মৰ সৈতে ভাগ-বতৰা কৰিব লাগে।

ii. বৃদ্ধ ব্যক্তিসকলে সম্প্ৰদায়ৰ সেৱাৰ বাবে সুযোগ বিচাৰি উলিয়াব আৰু বিকশিত কৰিব পাৰিব লাগে আৰু তেওঁলোকৰ আগ্ৰহ আৰু সক্ষমতাৰ উপযুক্ত স্বেচ্ছাসেৱী পদত সেৱা আগবঢ়াব পাৰিব লাগে।

iii. বৃদ্ধ ব্যক্তিসকলে বৃদ্ধ ব্যক্তিসকলৰ আন্দোলন বা সংঘ গঠন কৰিব পাৰিব লাগে।

৩. যত্ন

i. সমাজৰ সাংস্কৃতিক মূল্যবোধৰ ব্যৱস্থাৰ সৈতে সংগতি ৰাখি বৃদ্ধ ব্যক্তিসকলে পৰিয়াল আৰু সম্প্ৰদায়ৰ যত্ন আৰু সুৰক্ষা লাভ কৰিব লাগে।

ii. বৃদ্ধ ব্যক্তিসকলে শাৰীৰিক, মানসিক আৰু আৱেগিক সুস্থতাৰ সৰ্বোত্তম স্তৰ বজাই ৰখা বা পুনৰ লাভ কৰা আৰু ৰোগৰ আৰম্ভণি প্ৰতিৰোধ বা বিলম্বিত কৰাৰ বাবে স্বাস্থ্যসেৱা লাভ কৰিব লাগে।

iii. বৃদ্ধ ব্যক্তিসকলে তেওঁলোকৰ স্বায়ত্তশাসন, সুৰক্ষা আৰু যত্ন বৃদ্ধি কৰাৰ বাবে সামাজিক আৰু আইনী সেৱা লাভ কৰিব লাগে।

iv. বৃদ্ধ ব্যক্তিসকলে মানৱীয় আৰু নিৰাপদ পৰিৱেশত সুৰক্ষা, পুনৰ্বাসন আৰু সামাজিক তথা মানসিক উদ্দীপনা প্ৰদান কৰা উপযুক্ত প্ৰতিষ্ঠানিক যত্নৰ সুবিধা গ্ৰহণ কৰিব পাৰিব লাগে।

v. যিকোনো আশ্ৰয়, যত্ন বা চিকিৎসা প্ৰতিষ্ঠানত বাস কৰিলেও বৃদ্ধ ব্যক্তিসকলে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা উপভোগ কৰিব পাৰিব লাগে। ইয়াৰ ভিতৰত তেওঁলোকৰ মৰ্যাদা, বিশ্বাস, প্ৰয়োজনীয়তা আৰু গোপনীয়তাৰ প্ৰতি সম্পূৰ্ণ সন্মান আৰু তেওঁলোকৰ যত্ন তথা জীৱনৰ গুণগত মান সম্পৰ্কে সিদ্ধান্ত গ্ৰহণৰ অধিকাৰ অন্তৰ্ভুক্ত।

৪. আত্ম-পূৰ্ণতা

i. বৃদ্ধ ব্যক্তিসকলে নিজৰ সম্ভাৱনাৰ সম্পূৰ্ণ বিকাশৰ বাবে সুযোগ অনুসৰণ কৰিব পাৰিব লাগে।

ii. বৃদ্ধ ব্যক্তিসকলে সমাজৰ শৈক্ষিক, সাংস্কৃতিক, আধ্যাত্মিক আৰু বিনোদনমূলক সম্পদসমূহ লাভ কৰিব লাগে।

৫. মৰ্যাদা

i. বৃদ্ধ ব্যক্তিসকলে নিৰাপত্তাৰ সৈতে মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰিব পাৰিব লাগে আৰু শোষণ তথা শাৰীৰিক বা মানসিক নিৰ্যাতনৰ পৰা মুক্ত হৈ থাকিব লাগে।

ii. বয়স, লিংগ, জাতিগত বা নৃ-গোষ্ঠীয় পৰিচয়, অক্ষমতা বা অন্যান্য অৱস্থা নিৰ্বিশেষে বৃদ্ধ ব্যক্তিসকলৰ সৈতে ন্যায়সংগত আচৰণ কৰিব লাগে আৰু তেওঁলোকৰ অৰ্থনৈতিক অৱদানৰ পৰা স্বতন্ত্ৰভাৱে তেওঁলোকক মূল্য দিয়া উচিত।

৮.৭.২ বৃদ্ধাৱস্থাৰ ওপৰত মাদ্রিদ আন্তঃৰাষ্ট্রীয় কার্য পৰিকল্পনা (Madrid International Plan of Action on Ageing-MIPAA)

বিংশ শতিকাৰ বৃদ্ধাৱস্থাৰ সুযোগ আৰু প্রত্যাহ্বানসমূহৰ প্রতি সঁহাৰি জনোৱা আৰু সকলো বয়সৰ লোকৰ বাবে এখন সমাজৰ বিকাশক উৎসাহিত কৰাৰ উদ্দেশ্যে ২০০২ চনৰ এপ্রিল মাহত দ্বিতীয় বিশ্ব বৃদ্ধাৱস্থা সম্মিলনত বৃদ্ধাৱস্থাৰ ওপৰত মাদ্রিদ আন্তঃৰাষ্ট্রীয় কার্য পৰিকল্পনা গ্রহণ কৰা হয়। মাদ্রিদ কার্য পৰিকল্পনাই তিনিটা অগ্রাধিকাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰে-১. বৃদ্ধ ব্যক্তি আৰু উন্নয়ন; ২. বৃদ্ধাৱস্থাত স্বাস্থ্য আৰু কল্যাণৰ উন্নতি; আৰু ৩. সক্ষমতাবর্ধক আৰু সহায়ক পৰিৱেশ নিশ্চিত কৰা। জনসংখ্যাৰ বয়স বৃদ্ধিৰ সৈতে সমাজসমূহৰ সফলভাৱে খাপ খুৱাই লোৱাটোৱেই MIPAA-ৰ মূল বিষয়। এই খাপ খুৱাই লোৱাৰ সফলতা মূলতঃ বৃদ্ধ লোকসকলৰ জীৱনৰ গুণগত মান আৰু কল্যাণৰ উন্নতি আৰু সমগ্র জীৱনজুৰি কল্যাণৰ ভিত্তি হিচাপে কাম কৰা বিভিন্ন আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ব্যৱস্থাৰ প্রৱর্তন তথা ভৱিষ্যতৰ স্থায়িত্বৰ ওপৰত নির্ভৰ কৰি মূল্যায়ন কৰা হ'ব।

৮.৭.৩ বৃদ্ধ ব্যক্তিসকলৰ মানৱ অধিকাৰ

বৃদ্ধ ব্যক্তিসকল একে ধৰণৰ লোকৰ সমষ্টি নহয়। সেয়েহে তেওঁলোকে সন্মুখীন হোৱা প্রত্যাহ্বান, তেওঁলোকক প্রয়োজন হোৱা সুৰক্ষা আৰু মানৱ অধিকাৰৰ উপভোগৰ ক্ষেত্রত যথেষ্ট পার্থক্য আছে। বৃদ্ধ ব্যক্তিসকলৰ প্রতি আন্তঃৰাষ্ট্রীয় দায়বদ্ধতা বহুতো মানৱ অধিকাৰ চুক্তিৰ অন্তর্নিহিত অংশ। ইয়াৰ ভিতৰত "অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ", "নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ", "মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য নির্মূলৰ সম্মিলন" আৰু "অক্ষমতা থকা বৃদ্ধ ব্যক্তিৰ অধিকাৰ" আদি অন্তর্ভুক্ত। কিন্তু বাধ্যতামূলক আন্তঃৰাষ্ট্রীয় মানৱ অধিকাৰ ব্যৱস্থাত বৃদ্ধ ব্যক্তিসকলৰ বিষয়ে থকা অন্তর্নিহিত উল্লেখসমূহ পর্যাপ্ত নহয়।

২০১১ চনত ৰাষ্ট্রসংঘৰ মহাসচিবে বৃদ্ধ লোকসকলৰ মানৱ অধিকাৰ সম্পর্কীয় প্রত্যাহ্বানসমূহ পৰীক্ষা কৰিবলৈ সাধাৰণ সভালৈ এখন প্রতিবেদন প্রকাশ কৰিছিল। প্রতিবেদনখনত বিভিন্ন আন্তঃৰাষ্ট্রীয় ঘোষণা অনুসৰি থকা বিদ্যমান নীতি আৰু মানদণ্ডৰ ভিত্তিত বৃদ্ধ লোকসকলৰ অধিকাৰৰ ক্ষেত্রত থকা ব্যৱধান দূৰ কৰাৰ বাবে কিছুমান উপায় আগবঢ়োৱা হৈছিল।

প্রতিবেদনখনত যিবোৰ ক্ষেত্রত কাম কৰাৰ প্রয়োজন আছে বুলি চিনাক্ত কৰা হৈছিল, সেইবোৰ হ'ল-

i. বৃদ্ধ ব্যক্তিসকলৰ মানৱ অধিকাৰৰ বাবে আন্তঃৰাষ্ট্রীয় সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা।
ii. বৃদ্ধ ব্যক্তি আৰু বিশেষকৈ মহিলাৰ বিৰুদ্ধে অধিকাৰ উলংঘন।
iii. আর্থিক শোষণ।
iv. স্বাস্থ্য।
v. দীর্ঘম্যাদী যত্ন।
vi. নীতি প্রণয়ন আৰু ৰাজনৈতিক জীৱনত অংশগ্রহণ।
vii. কাম।

মানৱ অধিকাৰৰ সার্বজনীন ঘোষণা পত্র

মানৱ অধিকাৰৰ সার্বজনীন ঘোষণা পত্রৰ ২৫ নং অনুচ্ছেদ অনুসৰি প্রতিজন ব্যক্তিৰ নিজৰ আৰু পৰিয়ালৰ স্বাস্থ্য আৰু কল্যাণৰ বাবে পর্যাপ্ত জীৱনধাৰণৰ মানদণ্ডৰ অধিকাৰ আছে। ইয়াৰ ভিতৰত খাদ্য, পোছাক, বাসস্থান, চিকিৎসা সেৱা আৰু প্রয়োজনীয় সামাজিক সেৱা অন্তর্ভুক্ত। লগতে নিবনুৱা, অসুস্থতা, অক্ষমতা, বিধৱা হোৱা, বৃদ্ধাৱস্থা বা নিজৰ নিয়ন্ত্রণৰ বাহিৰৰ পৰিস্থিতিৰ বাবে জীৱিকাৰ অন্যান্য

অভাৱৰ সময়ত নিৰাপত্তাৰ অধিকাৰো আছে।

সামাজিক প্ৰান্তীয়কৰণ, একাকীত্ব, বিচ্ছিন্নতা, বৈষম্য আৰু বৃদ্ধাৱস্থাত অৱহেলাই বৃদ্ধ লোকসকলৰ মানৱ অধিকাৰ উলংঘনৰ সৃষ্টি কৰে।

বৃদ্ধ লোকসকলৰ মানৱ অধিকাৰসমূহ তলত দিয়া ধৰণে দেখা যায়—

১. জীৱনৰ অধিকাৰ - জীৱনৰ অধিকাৰ আইনৰ দ্বাৰা সুৰক্ষিত হ'ব লাগে।

২. অমানৱীয় আচৰণৰ পৰা মুক্ত থকাৰ অধিকাৰ - কোনো ব্যক্তিকে নিৰ্যাতন অথবা অমানৱীয় বা অপমানজনক আচৰণ বা শাস্তিৰ সন্মুখীন কৰিব নালাগে।

৩. স্বাধীনতাৰ অধিকাৰ - প্ৰতিজন ব্যক্তিৰ স্বাধীনতা আৰু ব্যক্তিগত নিৰাপত্তাৰ অধিকাৰ আছে।

৪. ন্যায়সংগত শুনানিৰ অধিকাৰ - কোনো ব্যক্তিৰ নাগৰিক অধিকাৰ আৰু দায়বদ্ধতা নিৰ্ধাৰণৰ সময়ত আইনৰ দ্বাৰা প্ৰতিষ্ঠিত স্বাধীন আৰু নিৰপেক্ষ ন্যায়াধিকৰণৰ সন্মুখত যুক্তিসংগত সময়ৰ ভিতৰত ন্যায়সংগত আৰু ৰাজহুৱা শুনানিৰ অধিকাৰ আছে।

৫. নাগৰিক অধিকাৰ আৰু দায়বদ্ধতা—

a) পৰিয়ালৰ ভিতৰত ঘৰ আৰু ব্যক্তিগত জীৱনত সন্মান লাভ কৰাৰ অধিকাৰ।

b) চিন্তা আৰু বিবেকৰ স্বাধীনতাৰ অধিকাৰ।

c) সম্পত্তিৰ অধিকাৰ - প্ৰতিজন ব্যক্তিৰ নিজৰ সম্পত্তি শান্তিপূৰ্ণভাৱে উপভোগ কৰাৰ অধিকাৰ আছে।

d) বয়সৰ ভিত্তিত বৈষম্যৰ পৰা মুক্ত থকাৰ অধিকাৰ।

e) শিক্ষাৰ অধিকাৰ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ মাদ্ৰিদ কাৰ্য পৰিকল্পনাই তিনিটা অগ্ৰাধিকাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰসমূহ কি কি?

প্ৰশ্ন নং ৫ ঃ বৃদ্ধাৱস্থাৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় কাৰ্য পৰিকল্পনা কেতিয়া গ্ৰহণ কৰা হৈছিল?

প্ৰশ্ন নং ৬ ঃ WHO-ই দিয়া বৃদ্ধ ব্যক্তিৰ ওপৰত নিৰ্যাতনৰ সংজ্ঞাটো লিখা।

প্ৰশ্ন নং ৭ ঃ বৃদ্ধ ব্যক্তিসকলৰ নাগৰিক অধিকাৰ আৰু দায়বদ্ধতাসমূহ কি কি?

৮.৮ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচেষ্টা: ভাৰতীয় দৃষ্টিভংগী

বৃদ্ধ লোকসকলৰ স্বাস্থ্য, কল্যাণ আৰু স্বাৱলম্বিতাৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ভাৰত চৰকাৰে বৃদ্ধ লোকসকলৰ বিভিন্ন সামাজিক, অৰ্থনৈতিক আৰু স্বাস্থ্যজনিত বিপদ-প্ৰত্যাহ্বান মোকাবিলা কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিৰ ৪১ নং অনুচ্ছেদ

ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিৰ ৪১ নং অনুচ্ছেদত নিবনুৱা অৱস্থা, বৃদ্ধাৱস্থা, অসুস্থতা আৰু অক্ষমতাৰ ক্ষেত্ৰত কাম, শিক্ষা আৰু ৰাজহুৱা সাহায্যৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰাটো ৰাজ্যৰ কৰ্তব্য হিচাপে উল্লেখ কৰা হৈছে।

চৰকাৰী সুৰক্ষা ব্যৱস্থা

i. বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰীয় নীতি

ভাৰত চৰকাৰে ১৯৯৯ চনৰ ১৩ জানুৱাৰীত বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰীয় নীতি অনুমোদন কৰে। ইয়াৰ উদ্দেশ্য আছিল কল্যাণমূলক ব্যৱস্থা ত্বৰান্বিত কৰা আৰু বৃদ্ধ লোকসকলৰ বাবে উপকাৰী উপায়েৰে তেওঁলোকক সবলীকৰণ কৰা। বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰীয় নীতিয়ে ভাৰতৰ বৃদ্ধ ব্যক্তিসকলৰ স্বাস্থ্য, নিৰাপত্তা, সামাজিক

সুৰক্ষা আৰু কল্যাণক উৎসাহিত কৰে। এই নীতিয়ে দুৰ্বল বৃদ্ধ লোকসকলক পৰিয়ালৰ সদস্যসকলে প্ৰদান কৰা যত্ন আৰু সুৰক্ষাৰ পৰিপূৰক হিচাপে স্বেচ্ছাসেৱী আৰু বেচৰকাৰী সংগঠনসমূহক সহায় কৰে।

এই নীতিয়ে বৃদ্ধ লোকসকলৰ কল্যাণৰ বাবে আৰ্থিক আৰু খাদ্য সুৰক্ষা, স্বাস্থ্যসেৱা আৰু পুষ্টি, আশ্ৰয়, শিক্ষা, কল্যাণ, জীৱন আৰু সম্পত্তিৰ সুৰক্ষা আদি ক্ষেত্ৰত সহায় আগবঢ়ায়।

নীতিটোৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল—

a. বৃদ্ধ লোকসকলৰ কল্যাণ নিশ্চিত কৰা, যাতে তেওঁলোক প্ৰান্তীয়, অসুৰক্ষিত বা অৱহেলিত হৈ নপৰে।
b. আন্তঃপ্ৰজন্মীয় সম্পৰ্ক উন্নত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা।
c. ব্যক্তিসকলক নিজৰ আৰু নিজৰ জীৱনসংগীৰ বাবে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা।
d. আৰ্থিক সুৰক্ষা, আশ্ৰয়, স্বাস্থ্যসেৱা আৰু নিৰ্যাতন তথা শোষণৰ পৰা সুৰক্ষাৰ ক্ষেত্ৰত সুৰক্ষা প্ৰদান কৰা।
e. পৰিয়ালে প্ৰদান কৰা যত্নৰ পৰিপূৰক হিচাপে স্বেচ্ছাসেৱী সংগঠনসমূহক সক্ষম আৰু সহায় কৰা আৰু সাৰ্বজনীনভাৱে সহজলভ্য সামাজিক আৰু সম্প্ৰদায়িক সেৱাৰ সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰা।
f. বৃদ্ধ লোকসকলৰ বাবে পৰ্যাপ্ত স্বাস্থ্যসেৱাৰ সুবিধা প্ৰদান কৰা।
g. দুৰ্বল বৃদ্ধ লোকসকলক উন্নয়নৰ সুবিধাসমূহত সমান অংশীদাৰিত্বৰ ভিত্তিত যত্ন আৰু সুৰক্ষা প্ৰদান কৰা।
h. বৃদ্ধ লোকসকলৰ সেৱাত নিয়োজিত যত্ন প্ৰদানকাৰী আৰু সংগঠনসমূহক প্ৰশিক্ষণ দিয়াৰ বাবে গৱেষণা আৰু প্ৰশিক্ষণৰ সুবিধা বৃদ্ধি কৰা।
i. বৃদ্ধ ব্যক্তিসকলৰ বিষয়ে সজাগতা সৃষ্টি কৰি তেওঁলোকক উৎপাদনশীল আৰু স্বাৱলম্বী জীৱন যাপন কৰাত সহায় কৰা।

ii. বৃদ্ধ ব্যক্তিসকলৰ ৰাষ্ট্ৰীয় পৰিষদ (National Council for Old Persons)

বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰীয় নীতি কাৰ্যকৰী কৰাৰ উদ্দেশ্যে ১৯৯৯ চনত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ অধ্যক্ষতাত বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰীয় পৰিষদ (NCOP) গঠন কৰা হয়। সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ সামাজিক প্ৰতিৰক্ষা বিভাগে জ্যেষ্ঠ নাগৰিকসকলৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাৰ লগতে মদ্যপান আৰু নিচাজাতীয় দ্ৰব্যৰ অপব্যৱহাৰৰ ভুক্তভোগী, তৃতীয় লিংগৰ ব্যক্তি আৰু নিৰাশ্ৰয় ব্যক্তিসকলৰ বিষয়েও কাম কৰে। মন্ত্ৰালয়ে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসনৰ সহযোগত জ্যেষ্ঠ নাগৰিকসকলৰ কল্যাণৰ বাবে আইন, নীতি আৰু কাৰ্যসূচী প্ৰস্তুত আৰু ৰূপায়ণ কৰে, যাতে জ্যেষ্ঠ নাগৰিকসকলে নিৰাপদ, মৰ্যাদাপূৰ্ণ আৰু উৎপাদনশীল জীৱন যাপন কৰিব পাৰে।

বৃদ্ধ ব্যক্তিসকলৰ জীৱন সহজ কৰি তোলাৰ বাবে মন্ত্ৰালয়ে বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰীয় পৰিষদ গঠন কৰিছে। বৃদ্ধ ব্যক্তিসকলৰ বাবে নীতি আৰু কাৰ্যসূচী প্ৰণয়ন আৰু ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰক পৰামৰ্শ প্ৰদান কৰা এই পৰিষদ হৈছে সৰ্বোচ্চ সংস্থা।

পৰিষদৰ মূল উদ্দেশ্যসমূহ হ'ল—

a. বৃদ্ধ ব্যক্তিসকলৰ বাবে নীতি আৰু কাৰ্যসূচীৰ বিষয়ে চৰকাৰক পৰামৰ্শ দিয়া।
b. বৃদ্ধাৱস্থাক উৎপাদনশীল আৰু আকৰ্ষণীয় কৰি তোলাৰ বাবে পদক্ষেপৰ পৰামৰ্শ দিয়া।
c. আন্তঃপ্ৰজন্মীয় সম্পৰ্কৰ গুণগত মান বৃদ্ধি কৰাৰ বাবে ব্যৱস্থাৰ পৰামৰ্শ দিয়া।
d. ৰাষ্ট্ৰীয় পৰ্যায়ত বৃদ্ধ লোকসকলৰ অভিযোগ নিষ্পত্তিৰ বাবে কেন্দ্ৰীয় সংযোগস্থল হিচাপে কাম কৰা আৰু বৃদ্ধ ব্যক্তিসকলৰ সামূহিক মতামত চৰকাৰৰ সন্মুখত প্ৰতিনিধিত্ব কৰা।
e. বৃদ্ধ ব্যক্তিসকলৰ বাবে বিভিন্ন নীতিৰ ওপৰত মতামত প্ৰদান কৰা।

iii. বৃদ্ধ ব্যক্তিসকলৰ বাবে সমন্বিত কাৰ্যসূচী (Integrated Programme for Older Persons)

বৃদ্ধ লোকসকলক খাদ্য, আশ্রয় আৰু চিকিৎসা সেৱা প্রদান কৰি তেওঁলোকৰ জীৱন উন্নত কৰাৰ উদ্দেশ্যে ১৯৯২ চনৰ পৰা বৃদ্ধ ব্যক্তিসকলৰ বাবে সমন্বিত কার্যসূচী (IPOP) ৰূপায়ণ কৰি থকা হৈছে। এই আঁচনিৰ অধীনত বৃদ্ধ নিবাস, দিনকালীন যত্ন কেন্দ্র আৰু মোবাইল মেডিকেয়াৰ ইউনিট চলোৱা আৰু ৰক্ষণাবেক্ষণৰ বাবে বেচৰকাৰী সংগঠনসমূহক (NGO) প্রকল্প ব্যয়ৰ ৯০ শতাংশ পর্যন্ত আর্থিক সাহায্য প্রদান কৰা হয়।

IPOP-ৰ অধীনত সংযোজন কৰা নতুন প্রকল্পসমূহ হ'ল—

a. সাময়িক যত্ন গৃহ আৰু নিৰন্তৰ যত্ন গৃহৰ ৰক্ষণাবেক্ষণ।
b. বৃদ্ধ ব্যক্তিসকলৰ বাবে হেল্পলাইন আৰু পৰামর্শ কেন্দ্র।
c. এলঝেইমাৰ ৰোগ আৰু ডিমেনচিয়া ৰোগীৰ বাবে দিনকালীন যত্ন কেন্দ্র আৰু বৃদ্ধ লোকসকলৰ বাবে ফিজিঅ'-থেৰাপী ক্লিনিক চলোৱা।

IPOP আঁচনিৰ হিতাধিকাৰীৰ যোগ্যতাৰ মাপকাঠিসমূহ হ'ল—

a. বৃদ্ধ নিবাস - নিৰাশ্রয় বৃদ্ধ ব্যক্তিসকলৰ বাবে।
b. সাময়িক যত্ন আৰু নিৰন্তৰ নার্ছিং যত্ন গৃহ - গুৰুতৰভাৱে অসুস্থ আৰু নিৰন্তৰ নার্ছিং যত্নৰ প্রয়োজন হোৱা বৃদ্ধ ব্যক্তিসকলৰ বাবে।
c. মোবাইল মেডিকেয়াৰ ইউনিট - বস্তি, গ্রাম্য আৰু দুর্গম অঞ্চলত বাস কৰা বৃদ্ধ ব্যক্তিসকলৰ বাবে।

iv. চৰকাৰী নীতিয়ে পেঞ্চন, ভৰিষ্যনিধি (PF), গ্রেচুইটি আদি দ্রুত নিষ্পত্তিৰ বাবে বিভাগসমূহক উৎসাহিত কৰে, যাতে অৱসৰপ্রাপ্ত ব্যক্তিসকল কোনো অসুবিধাৰ সন্মুখীন নহয়। ই কৰ নীতিসমূহ বৃদ্ধ ব্যক্তিসকলৰ প্রতি সংবেদনশীল কৰি তুলিবলৈও উৎসাহিত কৰে।

v. আয়কৰ আইনৰ ধাৰা ৮৮-B, ৮৮-D আৰু ৮৮-DDB অনুসৰি বৃদ্ধ ব্যক্তিসকলৰ বাবে কৰত ৰেহাইৰ ব্যৱস্থা আছে।

vi. ভাৰতীয় জীৱন বীমা নিগমে (LIC) বৃদ্ধ ব্যক্তিসকলৰ সুবিধাৰ বাবে কেইবাটাও আঁচনি আগবঢ়াইছে। যেনে- জীৱন ধাৰা যোজনা, জীৱন অক্ষয় যোজনা, ছিনিয়ৰ চিটিজেন ইউনিট যোজনা আৰু চিকিৎসা বীমা যোজনা।

vii. গ্রামোন্নয়ন মন্ত্রালয়ে "ৰাষ্ট্রীয় সামাজিক সাহায্য কার্যসূচী" (NSAP) নামৰ এক মুখ্য কার্যসূচীৰ জৰিয়তে দৰিদ্র সীমাৰ তলত বাস কৰা প্রতিজন বৃদ্ধ ব্যক্তিক মাহিলী পেঞ্চন প্রদান কৰে।

viii. ৰেল মন্ত্রালয়ে বিভিন্ন যাত্রী সংৰক্ষণ ব্যৱস্থাত বৃদ্ধ ব্যক্তিসকলৰ বাবে পৃথক টিকট কাউণ্টাৰ, নিম্ন আসনৰ কোটা আৰু মেইল তথা এক্সপ্রেছ ৰেলত ৰেহাইৰ ব্যৱস্থা কৰিছে।

ix. স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রালয়ে চৰকাৰী চিকিৎসালয়সমূহত বৃদ্ধ ব্যক্তিসকলৰ বাবে পৃথক শাৰী আৰু কেইবাখনো চৰকাৰী চিকিৎসালয়ত জেৰিয়াট্রিক ক্লিনিক আৰু ৱার্ডৰ ব্যৱস্থা কৰিছে।

৮.৯ বৃদ্ধ ব্যক্তিসকলৰ অধিকাৰৰ সুৰক্ষা

ভাৰত চৰকাৰে বৃদ্ধ ব্যক্তিসকলৰ বিশেষ সুৰক্ষাৰ প্রয়োজনীয়তা উপলব্ধি কৰি বৃদ্ধ ব্যক্তিসকলৰ বিৰুদ্ধে বৈষম্য আৰু মানৱ অধিকাৰ উলংঘনৰ বিৰুদ্ধে বিভিন্ন আইন আৰু বিধেয়ক আৰম্ভ কৰিছে। যদিও এনে আইন আৰু বিধেয়কসমূহ প্রৱর্তিত হৈ আছে, তথাপিও অধিকাৰ উলংঘন আৰু শোষণৰ বহু ঘটনা প্রকাশ নাপায়। বেচৰকাৰী সংগঠন বা অন্যান্য হেল্পলাইনৰ পৰা অসংগঠিত প্রতিবেদন পোৱা যায় যদিও নিজৰ অধিকাৰৰ বাবে যুঁজিবলৈ ইচ্ছুক বৃদ্ধ ব্যক্তিৰ সংখ্যা অতি সীমিত।

৮.৯.১ হিন্দু দত্তক গ্রহণ আৰু ভৰণ-পোষণ আইন

হিন্দু ব্যক্তিগত আইনৰ অধীনত পিতৃ-মাতৃৰ ভৰণ-পোষণৰ বিধান ১৯৫৬ চনৰ হিন্দু দত্তক গ্রহণ আৰু ভৰণ-পোষণ আইনৰ ২০ নং ধাৰাত সন্নিৰিষ্ট কৰা হৈছে। এই আইনখন ভাৰতৰ প্রথম

ব্যক্তিগত আইন, যিয়ে সন্তানসকলৰ ওপৰত পিতৃ-মাতৃক ভৰণ-পোষণ কৰাৰ বাধ্যবাধকতা আৰোপ কৰে। এই ধাৰাৰ ভাষাৰ পৰা স্পষ্ট যে পিতৃ-মাতৃক ভৰণ-পোষণ কৰাৰ দায়িত্ব কেৱল পুত্ৰৰ ওপৰত সীমাবদ্ধ নহয়; জীয়ৰীৰো পিতৃ-মাতৃৰ প্ৰতি সমান দায়িত্ব আছে। উল্লেখযোগ্য যে যিসকল পিতৃ-মাতৃ নিজৰ কোনো উৎসৰ পৰা নিজকে আৰ্থিকভাৱে ভৰণ-পোষণ কৰিবলৈ অক্ষম, কেৱল সেইসকল পিতৃ-মাতৃয়েহে এই আইনৰ অধীনত ভৰণ-পোষণ দাবী কৰিব পাৰে।

৮.৯.২ মুছলমান আইন

মুছলমান আইনৰ অধীনতো সন্তানসকলৰ বৃদ্ধ পিতৃ-মাতৃক ভৰণ-পোষণ কৰাৰ দায়িত্ব আছে।

মুল্লাৰ মতে– a) সাধাৰণ পৰিস্থিতিত সন্তানসকলে দৰিদ্ৰ পিতৃ-মাতৃক ভৰণ-পোষণ কৰিবলৈ বাধ্য, যদিও পিতৃ-মাতৃয়ে নিজে কিছু উপাৰ্জন কৰিব পাৰে।

b) কোনো পুত্ৰ নিজে আৰ্থিক সমস্যাত থাকিলেও, মাক দৰিদ্ৰ হ'লে তেওঁক ভৰণ-পোষণ কৰিবলৈ বাধ্য, যদিও মাক অক্ষম নহয়।

c) কোনো পুত্ৰ দৰিদ্ৰ হ'লেও যদি কিছু উপাৰ্জন কৰে, তেন্তে উপাৰ্জন নকৰা পিতৃক সহায় কৰিবলৈ বাধ্য।

তায়াবজীৰ মতে, হানাফী আইনৰ অধীনত দৰিদ্ৰ পিতৃ-মাতৃ আৰু ককা-আইতা বা আজো-আইতা ভৰণ-পোষণৰ অধিকাৰী, যদিহে তেওঁলোকৰ সন্তান আৰু নাতি-নাতিনীৰ ভৰণ-পোষণ কৰাৰ সামৰ্থ্য থাকে, যদিও পিতৃ-মাতৃ বা ককা-আইতাই নিজে জীৱিকা উপাৰ্জন কৰিবলৈ সক্ষম হয়। মুছলমান আইনৰ অধীনত পুত্ৰ আৰু জীয়ৰী দুয়োৰে পিতৃ-মাতৃক ভৰণ-পোষণ কৰাৰ দায়িত্ব আছে। অৱশ্যে এই দায়িত্ব তেওঁলোকৰ ভৰণ-পোষণ কৰাৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰশীল।

৮.৯.৩ ফৌজদাৰী কাৰ্যবিধি

ফৌজদাৰী কাৰ্যবিধিৰ ১২৫ নং ধাৰাৰ অধীনত বৃদ্ধ পিতৃ-মাতৃয়ে সন্তানৰ পৰা ভৰণ-পোষণ দাবী কৰিব পাৰে। ফৌজদাৰী কাৰ্যবিধি হৈছে এক ধৰ্মনিৰপেক্ষ আইন, যি সমগ্ৰ দেশত প্ৰযোজ্য। ই কোনো নিৰ্দিষ্ট সম্প্ৰদায়ৰ বাবে নহয় আৰু দেশৰ প্ৰতিজন নাগৰিকৰ ক্ষেত্ৰত প্ৰযোজ্য। এই আইনৰ অধীনত ভৰণ-পোষণ দাবী কৰিবলৈ পিতৃ-মাতৃক অৱহেলা কৰা হৈছে আৰু তেওঁলোকৰ নিজকে ভৰণ-পোষণ কৰাৰ পৰ্যাপ্ত আয়ৰ উৎস নাই বুলি প্ৰমাণ কৰাটো প্ৰয়োজনীয়। ফৌজদাৰী কাৰ্যবিধিৰ ১২৫ নং ধাৰাই পুত্ৰ আৰু জীয়ৰী, বিবাহিত জীয়ৰীকে ধৰি, পিতৃ-মাতৃক ভৰণ-পোষণ কৰাটো বাধ্যতামূলক কৰিছে।

৮.৯.৪ পিতৃ-মাতৃ আৰু জ্যেষ্ঠ নাগৰিকৰ ভৰণ-পোষণ আৰু কল্যাণ বিধেয়ক, ২০০৭

জ্যেষ্ঠ নাগৰিকসকলৰ দুখ-কষ্ট লাঘৱ কৰিবলৈ চৰকাৰে "পিতৃ-মাতৃ আৰু জ্যেষ্ঠ নাগৰিকৰ ভৰণ-পোষণ আৰু কল্যাণ আইন, ২০০৭" প্ৰণয়ন কৰে। এই আইনে সন্তানসকলৰ বাবে তেওঁলোকৰ বৃদ্ধ পিতৃ-মাতৃক ভৰণ-পোষণ প্ৰদান কৰাটো আইনী দায়িত্ব হিচাপে নিৰ্ধাৰণ কৰে। ই বৃদ্ধ ব্যক্তিসকলক দ্ৰুত সাহায্য প্ৰদানৰ বাবে ভৰণ-পোষণ ন্যায়াধিকৰণৰ ব্যৱস্থা কৰিছে। ২০১৮ চনত আইনখন সংশোধন কৰি জৈৱিক সন্তানৰ বাহিৰেও দায়িত্বৰ পৰিসৰ বৃদ্ধি কৰা হয় আৰু অৱহেলা কৰা সন্তানৰ বাবে অধিক কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হয়।

এই আইনে ৰাজ্য চৰকাৰক সকলো চৰকাৰী চিকিৎসালয়ত জ্যেষ্ঠ নাগৰিকৰ বাবে পৃথক শাৰী আৰু বিচনাৰ ব্যৱস্থা কৰা আৰু প্ৰতিখন জিলাত জ্যেষ্ঠ নাগৰিকৰ বাবে বৃদ্ধ নিবাস স্থাপন কৰাৰ দায়িত্ব

প্ৰদান কৰে, যাৰ কিছু অংশ কেন্দ্ৰীয় চৰকাৰে বহন কৰিব। ২০০৭ চনৰ পিতৃ-মাতৃ আৰু জ্যেষ্ঠ নাগৰিকৰ ভৰণ-পোষণ আৰু কল্যাণ আইনে সংবিধানৰ অধীনত স্বীকৃত আৰু নিশ্চিত পিতৃ-মাতৃ আৰু জ্যেষ্ঠ নাগৰিকৰ ভৰণ-পোষণ আৰু কল্যাণৰ বাবে অধিক ফলপ্ৰসূ ব্যৱস্থা প্ৰদান কৰে। যিজন জ্যেষ্ঠ নাগৰিকে নিজৰ উপাৰ্জন বা নিজৰ মালিকানাধীন সম্পত্তিৰ পৰা নিজকে ভৰণ-পোষণ কৰিবলৈ অক্ষম, তেওঁক পৰ্যাপ্ত সামৰ্থ্য থকা সন্তান বা আত্মীয়ই ভৰণ-পোষণ কৰিব লাগে। যদি কোনো জ্যেষ্ঠ নাগৰিকৰ সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাৰ অধিকাৰ একাধিক আত্মীয়ৰ থাকে, তেন্তে তেওঁলোকৰ উত্তৰাধিকাৰৰ অনুপাত অনুসৰি ভৰণ-পোষণৰ ব্যয় বহন কৰিব লাগিব।

জ্যেষ্ঠ নাগৰিকে এই উদ্দেশ্যে স্থাপন কৰা ন্যায়াধিকৰণত আবেদন কৰিব পাৰে। ন্যায়াধিকৰণৰ সাক্ষ্য গ্ৰহণ, সাক্ষীৰ উপস্থিতি নিশ্চিত কৰা, নথি-পত্ৰ আৰু বস্তুগত সামগ্ৰী দাখিল কৰোৱা আদি বিষয়ত দেৱানী আদালতৰ সকলো ক্ষমতা থাকিব। ন্যায়াধিকৰণক ১৯৭৩ চনৰ ফৌজদাৰী কাৰ্যবিধিৰ ১৯৫ নং ধাৰা আৰু ২৬ নং অধ্যায়ৰ সকলো উদ্দেশ্যৰ বাবে দেৱানী আদালত বুলি গণ্য কৰা হ'ব। ৰাজ্যৰ উপ-বিভাগীয় বিষয়াৰ পদমৰ্যাদাতকৈ নিম্ন পদৰ বিষয়া ন্যায়াধিকৰণৰ অধ্যক্ষ হ'ব নোৱাৰিব। যদি সন্তান বা আত্মীয়ই নিজকে ভৰণ-পোষণ কৰিবলৈ অক্ষম জ্যেষ্ঠ নাগৰিকক অৱহেলা কৰে বা ভৰণ-পোষণ কৰিবলৈ অস্বীকাৰ কৰে, তেন্তে ন্যায়াধিকৰণে তদন্তৰ পিছত এনে অৱহেলা বা অস্বীকাৰৰ বিষয়ে নিশ্চিত হ'লে সেই আত্মীয়সকলক মাহিলী ভাট্টা প্ৰদান কৰিবলৈ নিৰ্দেশ দিব পাৰে। ৰাজ্য চৰকাৰে সৰ্বাধিক ভাট্টাৰ পৰিমাণ নিৰ্ধাৰণ কৰিব আৰু এই পৰিমাণ মাহে ১০,০০০ টকাতকৈ অধিক হ'ব নোৱাৰিব।

৮.৯.৫ PRANAM বিধেয়ক, ৰাজ্য চৰকাৰ

"Parents Responsibility and Norms for Accountability and Monitoring" (PRANAM) বিধেয়কখন ২০১৭ চনত অসমত আৰম্ভ কৰা হৈছিল। ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বৃদ্ধ পিতৃ-মাতৃক প্ৰয়োজনৰ সময়ত সুৰক্ষা দিয়াৰ উদ্দেশ্যে এই বিধেয়কখন দেশৰ ভিতৰতে এই ধৰণৰ প্ৰথম বিধেয়ক বুলি কোৱা হৈছিল। এই বিধেয়কে নিশ্চিত কৰে যে কোনো ৰাজ্য চৰকাৰৰ কৰ্মচাৰীয়ে তেওঁৰ বৃদ্ধ পিতৃ-মাতৃ আৰু অবিবাহিত বিশেষভাৱে সক্ষম ভাই-ভনীৰ প্ৰতি অৱহেলা নকৰে।

মুখ্য বৈশিষ্ট্যসমূহঃ

- PRANAM বিধেয়ক অনুসৰি ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলে নিজৰ কোনো নিজা আয়ৰ উৎস নথকা পিতৃ-মাতৃ আৰু অবিবাহিত বিশেষভাৱে সক্ষম ভাই-ভনীৰ যত্ন লোৱাটো বাধ্যতামূলক।
- বিধেয়কৰ অধীনত PRANAM আয়োগে কোনো ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ পিতৃ-মাতৃক অৱহেলা কৰাৰ অভিযোগ লাভ কৰিলে চৰকাৰে কৰ্মচাৰীজনৰ দৰমহাৰ ১০ বা ১৫ শতাংশ কৰ্তন কৰি পিতৃ-মাতৃ বা বিশেষভাৱে সক্ষম ভাই-ভনীক প্ৰদান কৰিব।
- ৰাজ্যত কৰ্মৰত ব্যক্তিগত কোম্পানী আৰু কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলকো পৰৱৰ্তী পৰ্যায়ত এই বিধেয়কৰ আওতালৈ অনা হ'ব।

অগ্ৰগতি নিৰীক্ষণ

সচাঁ নে মিছা লিখা —

প্ৰশ্ন নং ৮ ঃ PRANAM বিধেয়কে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলক তেওঁলোকৰ পিতৃ-মাতৃৰ যত্ন লোৱাটো বাধ্যতামূলক কৰে।

প্ৰশ্ন নং ৯ ঃ ফৌজদাৰী কাৰ্যবিধিৰ ১২৫ নং ধাৰাৰ অধীনত বৃদ্ধ পিতৃ-মাতৃয়ে সন্তানৰ পৰা ভৰণ-পোষণ দাবী কৰিব পাৰে।

প্ৰশ্ন নং ১০ ঃ বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰীয় পৰিষদ (NCOP) হৈছে বৃদ্ধ ব্যক্তিসকলৰ বাবে নীতি আৰু কাৰ্যসূচী প্ৰণয়ন আৰু ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰক পৰামৰ্শ প্ৰদান কৰা সৰ্বোচ্চ সংস্থা।

প্ৰশ্ন নং ১১ ঃ ২০০৭ চনৰ পিতৃ-মাতৃ আৰু জ্যেষ্ঠ নাগৰিকৰ ভৰণ-পোষণ আৰু কল্যাণ আইনৰ অধীনত পিতৃ-মাতৃক দিয়া সৰ্বাধিক ভাট্টা মাহে ১০,০০০ টকাতকৈ অধিক হ'ব লাগে।

জানি থোৱা ভাল

বয়সভিত্তিক বৈষম্য (Ageism)

বয়স বৃদ্ধি এক স্বাভাৱিক প্ৰক্ৰিয়া। যেতিয়া এই স্বাভাৱিক প্ৰক্ৰিয়াটোক বয়সৰ ভিত্তিত এজন ব্যক্তিৰ প্ৰতি আন এজন ব্যক্তিতকৈ বৈষম্যমূলক আচৰণ কৰিবলৈ ব্যৱহাৰ কৰা হয়, তেতিয়া ইয়াক বয়সভিত্তিক বৈষম্য (Ageism) বুলি কোৱা হয়। Ageism হৈছে বয়সৰ বাবে কোনো ব্যক্তিৰ বিষয়ে ধাৰণাগত ছাঁচ সৃষ্টি কৰা, পক্ষপাতিত্ব কৰা বা বৈষম্য কৰা। ডº ৰবাৰ্ট বাটলাৰে ১৯৬৮ চনত "Ageism" শব্দটো প্ৰৱৰ্তন কৰিছিল আৰু উল্লেখ কৰিছিল যে সকলো সংস্কৃতিতে বয়সভিত্তিক বৈষম্য বিদ্যমান। ধাৰণাগত ছাঁচৰ ওপৰত ভিত্তি কৰা বয়সভিত্তিক মনোভাৱ আৰু পক্ষপাতিত্বই বৃদ্ধ লোকসকলক হীন বা সীমিত অৱস্থানলৈ অৱনমিত কৰে।

2 ৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বয়স বৃদ্ধি মানৱ জীৱনচক্ৰত বৃদ্ধ হোৱাৰ এক স্বাভাৱিক প্ৰক্ৰিয়া।
- বিশ্বায়নে ভাৰতৰ সমাজ আৰু পৰিয়ালৰ ৰূপ সলনি কৰিছে আৰু এই দ্ৰুত পৰিৱৰ্তনৰ ভুক্তভোগী হৈছে বৃদ্ধ লোকসকল।
- সম্প্ৰদায় আৰু পৰিয়ালৰ মূল্যবোধৰ পৰিৱৰ্তে ব্যক্তিবাদ, বস্তুবাদ আৰু বিচ্ছিন্ন পৰিচয়ৰ বৃদ্ধিৰ ফলত একক পৰিয়াল আৰু প্ৰব্ৰজনৰ প্ৰৱণতা বৃদ্ধি পাইছে, যিয়ে ভাৰতৰ বৃদ্ধ লোকসকলক বিভিন্ন ধৰণে প্ৰভাৱিত কৰিছে।
- বৃদ্ধ জনসংখ্যা এক সমজাতীয় লোকৰ গোট নহয়; তেওঁলোকৰ জাতি, শ্ৰেণী, ধৰ্ম, লিংগ, ব্যক্তিত্ব আদি বিভিন্ন দিশত পাৰ্থক্য আছে।
- ২০১৭ চনত ৬০ বছৰ বা তাতকৈ অধিক বয়সৰ বিশ্বব্যাপী জনসংখ্যা আছিল ৯৬২ নিযুত। ২০৫০ চনৰ ভিতৰত বৃদ্ধ লোকৰ সংখ্যা দুগুণ হোৱাৰ সম্ভাৱনা আছে।
- বিশ্বৰ বৃদ্ধ লোকসকলৰ দুই-তৃতীয়াংশ উন্নয়নশীল অঞ্চলত বাস কৰে, য'ত বৃদ্ধ জনসংখ্যা উন্নত অঞ্চলতকৈ অধিক দ্ৰুতগতিত বৃদ্ধি পাইছে।
- ২০১১ চনৰ জনসংখ্যা পিয়ল অনুসৰি ভাৰতত প্ৰায় ১০৪ নিযুত বৃদ্ধ ব্যক্তি (৬০ বছৰ বা তাতকৈ অধিক বয়সৰ) আছে; ইয়াৰে ৫৩ নিযুত মহিলা আৰু ৫১ নিযুত পুৰুষ।
- ২০১১ চনৰ ভিতৰত ভাৰতে সেই অনুপাত অতিক্ৰম কৰি ৮.০ শতাংশত উপনীত হৈছিল আৰু ২০২৫ চনত ই ১২.৬ শতাংশলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছিল।
- বৃদ্ধ ব্যক্তিসকলক প্ৰায়ে নিজৰ ঘৰতে অৱহেলা কৰা হয় আৰু তেওঁলোকে শাৰীৰিক তথা মানসিক নিৰ্যাতনৰ সন্মুখীন হয়।
- যেতিয়া কোনো যত্ন লওঁতাই ইচ্ছাকৃতভাৱে কোনো বৃদ্ধ ব্যক্তিক যত্নৰ পৰা বঞ্চিত কৰে অথবা তেওঁৰ দায়িত্বত থকা ব্যক্তিজনক ক্ষতি কৰে, তেতিয়া বৃদ্ধ ব্যক্তিৰ ওপৰত নিৰ্যাতন সংঘটিত হয়।
- বৃদ্ধ ব্যক্তিৰ ওপৰত নিৰ্যাতনক ক) শাৰীৰিক নিৰ্যাতন, খ) মানসিক বা আৱেগিক নিৰ্যাতন, গ) আৰ্থিক নিৰ্যাতন আৰু শোষণ হিচাপে ভাগ কৰিব পাৰি।
- বিশ্ব সন্মিলনে বৃদ্ধাৱস্থাৰ সমস্যাৰ বিষয়ে দেশসমূহত সজাগতা সৃষ্টি কৰাৰ বাবে বৃদ্ধ লোকসকলৰ বাবে

কার্য পৰিকল্পনা প্রস্তাৱ কৰিছিল।

- সেই অনুসৰি বিশ্ব স্বাস্থ্য সংস্থা আৰু অন্যান্য ৰাষ্ট্রসংঘৰ সংস্থাসমূহে চৰকাৰসমূহক সম্ভৱপৰ ক্ষেত্রত পাঁচটা নীতি তেওঁলোকৰ ৰাষ্ট্রীয় কার্যসূচীত অন্তর্ভুক্ত কৰিবলৈ উৎসাহিত কৰে। এই পাঁচটা নীতি হ'ল— স্বাৱলম্বিতা, অংশগ্রহণ, যত্ন, আত্ম-পূর্ণতা আৰু মর্যাদা।
- বৃদ্ধাৱস্থাৰ ওপৰত মাদ্রিদ আন্তঃৰাষ্ট্রীয় কার্য পৰিকল্পনা ২০০২ চনৰ এপ্রিল মাহত দ্বিতীয় বিশ্ব বৃদ্ধাৱস্থা সম্মিলনত গ্রহণ কৰা হৈছিল।
- মাদ্রিদ কার্য পৰিকল্পনাই তিনিটা অগ্রাধিকাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰে— বৃদ্ধ ব্যক্তি আৰু উন্নয়ন; বৃদ্ধাৱস্থাত স্বাস্থ্য আৰু কল্যাণৰ উন্নতি; আৰু সক্ষমতাবর্ধক আৰু সহায়ক পৰিৱেশ নিশ্চিত কৰা।
- বহুতো মানৱ অধিকাৰ চুক্তিত বৃদ্ধ ব্যক্তিসকলৰ প্রতি আন্তঃৰাষ্ট্রীয় দায়বদ্ধতা অন্তর্নিহিত হৈ আছে।
- সামাজিক প্রান্তীয়কৰণ, একাকীত্ব, বিচ্ছিন্নতা, বৈষম্য আৰু বৃদ্ধাৱস্থাত অৱহেলাই বৃদ্ধ লোকসকলৰ মানৱ অধিকাৰ উলংঘনৰ সৃষ্টি কৰে।
- ভাৰত চৰকাৰে ১৯৯৯ চনৰ ১৩ জানুৱাৰীত বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্রীয় নীতি অনুমোদন কৰিছিল, যাতে কল্যাণমূলক ব্যৱস্থা ত্বৰান্বিত কৰা আৰু বৃদ্ধ লোকসকলক উপকাৰী উপায়েৰে সবলীকৰণ কৰিব পৰা যায়।
- বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্রীয় নীতি কার্যকৰী কৰাৰ বাবে ১৯৯৯ চনত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্রালয়ৰ অধ্যক্ষতাত বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্রীয় পৰিষদ (NCOP) গঠন কৰা হৈছিল।
- বৃদ্ধ ব্যক্তিসকলৰ বাবে সমন্বিত কার্যসূচী (IPOP) ১৯৯২ চনৰ পৰা খাদ্য, আশ্রয় আৰু চিকিৎসা সেৱা প্রদান কৰি বৃদ্ধ লোকসকলৰ জীৱন উন্নত কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰি থকা হৈছে।
- হিন্দু ব্যক্তিগত আইনৰ অধীনত পিতৃ-মাতৃৰ ভৰণ-পোষণৰ বিধানে সন্তানসকলৰ ওপৰত পিতৃ-মাতৃক ভৰণ-পোষণ কৰাৰ বাধ্যবাধকতা আৰোপ কৰে।
- মুছলমান আইনৰ অধীনতো সন্তানসকলৰ বৃদ্ধ পিতৃ-মাতৃক ভৰণ-পোষণ কৰাৰ দায়িত্ব আছে।
- ফৌজদাৰী কার্যবিধিৰ ১২৫ নং ধাৰাৰ অধীনত বৃদ্ধ পিতৃ-মাতৃয়ে সন্তানৰ পৰা ভৰণ-পোষণ দাবী কৰিব পাৰে।
- জ্যেষ্ঠ নাগৰিকসকলৰ দুখ-কষ্ট লাঘৱ কৰিবলৈ চৰকাৰে "পিতৃ-মাতৃ আৰু জ্যেষ্ঠ নাগৰিকৰ ভৰণ-পোষণ আৰু কল্যাণ আইন, ২০০৭" প্রণয়ন কৰিছিল, যিয়ে সন্তানসকলৰ বাবে তেওঁলোকৰ বৃদ্ধ পিতৃ-মাতৃক ভৰণ-পোষণ প্রদান কৰাটো আইনী দায়িত্ব হিচাপে নির্ধাৰণ কৰে।
- পিতৃ-মাতৃৰ দায়িত্ব আৰু জবাবদিহিতা তথা নিৰীক্ষণৰ নিয়ম (PRANAM) বিধেয়কখন ২০১৭ চনত অসমত ৰাজ্য চৰকাৰৰ কর্মচাৰীসকলৰ বৃদ্ধ পিতৃ-মাতৃক প্রয়োজনৰ সময়ত সুৰক্ষা দিয়াৰ বাবে আৰম্ভ কৰা হৈছিল।

৮.১১ অধিক জানিবলৈ

1. Latha, K.S. (2011). "Elder Abuse and Neglect: A Review", in Ageism and Elder Abuse, Lary McDonald and K.L. Sharma (eds.), Jaipur, Rawat Publication.
2. Strauss Peter J. and Nancy M. Laderman (1996). The Elder Law Handbook: A Legal and Financial Survival Guide for Caregivers and Services, Facts on File.
3. Pati, R.N. and B. Jena (1989). Aging in India, New Delhi, Ashish Publishing.

৮.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৭ শতাংশ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৯৬২ নিযুত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৪.২%।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বৃদ্ধ ব্যক্তি আৰু উন্নয়ন; বৃদ্ধাৱস্থাত স্বাস্থ্য আৰু কল্যাণৰ উন্নতি; আৰু সক্ষমতাবৰ্ধক আৰু সহায়ক পৰিৱেশ নিশ্চিত কৰা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮২ চনত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ WHO-ৰ মতে, বৃদ্ধ ব্যক্তিৰ ওপৰত নিৰ্যাতন হৈছে "বিশ্বাসৰ আশা থকা কোনো সম্পৰ্কৰ ভিতৰত সংঘটিত হোৱা একক বা পুনৰাবৃত্তিমূলক কোনো কাৰ্য অথবা উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰা, যাৰ ফলত বৃদ্ধ ব্যক্তিৰ ক্ষতি বা দুখ-কষ্ট হয়।"

৭ নং প্ৰশ্নৰ উত্তৰ ঃ

a) পৰিয়ালৰ ভিতৰত ঘৰ আৰু ব্যক্তিগত জীৱনত সন্মান লাভ কৰাৰ অধিকাৰ।
b) চিন্তা আৰু বিবেকৰ স্বাধীনতাৰ অধিকাৰ।
c) সম্পত্তিৰ অধিকাৰ-প্ৰতিজন ব্যক্তিৰ নিজৰ সম্পত্তি শান্তিপূৰ্ণভাৱে উপভোগ কৰাৰ অধিকাৰ আছে।
d) বয়সৰ ভিত্তিত বৈষম্যৰ পৰা মুক্ত থকাৰ অধিকাৰ।
e) শিক্ষাৰ অধিকাৰ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ এই বিধেয়ক কেৱল ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ মিছা। সৰ্বাধিক পৰিমাণ মাহে ১০,০০০ টকাতকৈ অধিক হ'ব নোৱাৰে।

৮.১৩ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বৃদ্ধাৱস্থাৰ বাবে প্ৰথম বিশ্বব্যাপী পদক্ষেপ কেতিয়া আৰম্ভ কৰা হৈছিল?
প্ৰশ্ন ২ ঃ ভাৰত চৰকাৰে বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰীয় নীতি কোন চনত অনুমোদন কৰিছিল?
প্ৰশ্ন ৩ ঃ বৃদ্ধাৱস্থাৰ ওপৰত মাদ্ৰিদ আন্তঃৰাষ্ট্ৰীয় কাৰ্য পৰিকল্পনাৰ তিনিটা অগ্ৰাধিকাৰ ক্ষেত্ৰ কি কি?
প্ৰশ্ন ৪ ঃ ত্নত্মট্টত্ত্বট্টত্ত বিধেয়কৰ মুখ্য বৈশিষ্ট্যসমূহ কি কি?
প্ৰশ্ন ১ ঃ বৃদ্ধ জনসংখ্যাৰ সমস্যাসমূহ আলোচনা কৰক।
প্ৰশ্ন ২ ঃ বৃদ্ধ ব্যক্তিৰ ওপৰত নিৰ্যাতন বুলি কি বুজাই? বৃদ্ধ ব্যক্তিৰ ওপৰত নিৰ্যাতনৰ প্ৰকাৰসমূহ কি কি?

****

অধ্যায় ৯ ঃ মানৱ অধিকাৰ আৰু বেচৰকাৰী সংস্থা (NGOs)

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ মানৱ অধিকাৰৰ ধাৰণা
৯.৪ মানৱ অধিকাৰৰ সজাগতা বৃদ্ধি আৰু মানৱ অধিকাৰ সু�ৰক্ষাত বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা
৯.৫ মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাত এমনেষ্টি ইণ্টাৰনেচনেল-ৰ ভূমিকা
৯.৬ মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাত Human Rights Watch-ৰ ভূমিকা
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্ৰগতিৰ খতিয়ান
৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মানৱ অধিকাৰৰ সজাগতা বৃদ্ধিত বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।
- মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাত এমনেষ্টি ইণ্টাৰনেচনেল-ৰ ভূমিকা বৰ্ণনা কৰিব পাৰিব।
- মানৱ অধিকাৰ সুৰক্ষাত Human Rights Watch-ৰ ভূমিকা আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

সকলো মানুহৰেই বিকাশৰ সম্ভাৱনা আছে। সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকক সুযোগ প্ৰদান কৰাত বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ হৈ পৰে। এমনেস্টি ইণ্টাৰনেচনেল, Human Rights Watch আদি বেচৰকাৰী সংস্থাই ব্যক্তিৰ জীৱন উন্নত কৰা আৰু সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিভিন্ন উদ্দেশ্য পূৰণৰ বাবে বিভিন্ন ধৰণৰ বেচৰকাৰী সংস্থা আছে। উদাহৰণস্বৰূপে, INGOs (International NGOs-আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থা), BINGOs (Business Oriented International NGOs-ব্যৱসায়মুখী আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থা), RINGOs (Religious International NGOs-ধৰ্মীয় আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থা), ENGOs (Environmental NGOs-পৰিৱেশ সম্পৰ্কীয় বেচৰকাৰী সংস্থা), GONGOS (Government-Operated NGOs-চৰকাৰ পৰিচালিত বেচৰকাৰী সংস্থা), QUANGOS (Quasi-Non-Governmental Organizations-অৰ্ধ-বেচৰকাৰী সংস্থা) আদি উল্লেখযোগ্য। ৰাষ্ট্ৰসংঘৰ অধীনত দৰিদ্ৰ লোকসকলৰ স্বাৰ্থৰ উন্নতিৰ বাবে বহুতো কাৰ্যকলাপ চলি আছে। মানৱ অধিকাৰ সম্পৰ্কীয় বেচৰকাৰী সংস্থাসমূহক ৰাষ্ট্ৰসংঘৰ চনদৰ ৭১ নং অনুচ্ছেদৰ অধীনত স্বীকৃতি দিয়া হৈছে। এই অনুচ্ছেদত কোৱা হৈছে যে, "অৰ্থনৈতিক আৰু সামাজিক পৰিষদে নিজৰ কাৰ্যক্ষেত্ৰৰ অন্তৰ্গত বিষয়সমূহৰ সৈতে জড়িত বেচৰকাৰী সংস্থাসমূহৰ সৈতে পৰামৰ্শৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে পৰামৰ্শ কৰাৰ পিছত আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু উপযুক্ত ক্ষেত্ৰত ৰাষ্ট্ৰীয় সংস্থাসমূহৰ সৈতেও এনে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।" ৰাষ্ট্ৰসংঘৰ সৈতে সহযোগিতাৰ জৰিয়তে বিভিন্ন বেচৰকাৰী সংস্থাই জনমত সংগঠিত কৰা আৰু নীতি নিৰ্ধাৰণ তথা আলোচনাৰ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই অধ্যায়টোত মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাত বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা হ'ব।

৯.৩ মানৱ অধিকাৰৰ ধাৰণা

মানৱ অধিকাৰ হৈছে ৰাষ্ট্ৰসমূহে বিভিন্ন ধৰণে ব্যক্তিক প্ৰদান কৰা অধিকাৰ। উদাহৰণস্বৰূপে, সংবিধানত সন্নিৱিষ্ট মৌলিক অধিকাৰসমূহো মানৱ অধিকাৰৰ অংশ। জাতি, বৰ্ণ, ধৰ্ম, লিংগ আৰু জাতীয়তাৰ কোনো ভেদাভেদ নকৰাকৈ প্ৰতিজন ব্যক্তিয়ে এই মানৱ অধিকাৰসমূহ লাভ কৰিব পাৰে। এই অধিকাৰসমূহ প্ৰতিজন মানুহৰ মাজতেই অন্তৰ্নিহিত হৈ থাকে। মানৱ অধিকাৰৰ গুৰুত্ব বিবেচনা কৰি এই অধিকাৰসমূহক বিভিন্ন ধৰণে অভিহিত কৰিব পাৰি, যেনে— মৌলিক অধিকাৰ, অন্তৰ্নিহিত অধিকাৰ, প্ৰাকৃতিক অধিকাৰ আদি। মানৰ অধিকাৰে সামগ্ৰিকভাৱে নাগৰিক অধিকাৰ, নাগৰিক স্বাধীনতা আৰু অৰ্থনৈতিক, সাংস্কৃতিক তথা সামাজিক অধিকাৰসমূহক সামৰি লয়। সেয়েহে "মানৱ অধিকাৰ" শব্দটোৰ এটা সুনিৰ্দিষ্ট সংজ্ঞা দিয়া কঠিন। ভাৰতৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ জে. এছ, বাৰ্মাই যথাৰ্থভাৱে কৈছিল যে, মানৰ মৰ্যাদা হৈছে মানৱ অধিকাৰৰ মূলসাৰ। সমাজত ব্যক্তিৰ ব্যক্তিত্বৰ সৰ্বাংগীণ বিকাশৰ বাবে মানৱ অধিকাৰ সুৰক্ষিত কৰা আৰু প্ৰতিজন ব্যক্তিৰ বাবে এই অধিকাৰসমূহ নিশ্চিত কৰা অতি প্ৰয়োজনীয়।

মানৱ অধিকাৰক এনে অধিকাৰ হিচাপেও বৰ্ণনা কৰিব পাৰি যিবোৰ প্ৰতিজন ব্যক্তিৰ জীৱন আৰু সুখৰ বাবে প্ৰাকৃতিক আৰু অন্তৰ্নিহিত। মানৰ মৰ্যাদা বজাই ৰখাৰ বাবে এই অধিকাৰসমূহ অতি গুৰুত্বপূৰ্ণ আৰু অপৰিহাৰ্য। মানৱ অধিকাৰ আমাৰ স্বভাৱৰ সৈতে অন্তৰ্নিহিত আৰু এই অধিকাৰ অবিহনে মানুহৰ অস্তিত্ব বৰ্তাই ৰখা সম্ভৱ নহয়। মানৱ অধিকাৰৰ ধাৰণা মানৱ জাতিৰ সমানেই পুৰণি। মানৱ অধিকাৰ হৈছে এনে কিছুমান অত্যাৱশ্যকীয় অধিকাৰ যিয়ে মানুহৰ বৃদ্ধি আৰু বিকাশত বৃহৎভাৱে সহায় কৰে। এই অধিকাৰসমূহ স্বাধীন, হস্তান্তৰ কৰিব নোৱাৰা, উলংঘন কৰিব নোৱাৰা আৰু সাৰ্বজনীন।

৯.৪ মানৱ অধিকাৰৰ সজাগতা বৃদ্ধি আৰু মানৱ অধিকাৰ সুৰক্ষাত বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা

বিভিন্ন বেচৰকাৰী সংস্থাই বিশ্বব্যাপী আৰু ৰাষ্ট্ৰীয় আৰু স্থানীয় পৰ্যায়ত মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত যথেষ্ট অৱদান আগবঢ়ায় আহিছে। উন্নয়নশীল আৰু অনুন্নত দেশসমূহত তেওঁলোকৰ কাৰ্যকলাপ বিশেষভাৱে সক্ৰিয়। মানৱ অধিকাৰ সম্পৰ্কীয় বেচৰকাৰী সংস্থাসমূহে বিশ্বৰ বিভিন্ন অংশত মানৱ অধিকাৰৰ সজাগতা বৃদ্ধি আৰু মানৱ অধিকাৰ সুৰক্ষাৰ বাবে বিভিন্ন কাৰ্য সম্পাদন কৰে। মানৱ অধিকাৰৰ বিভিন্ন দিশৰ ওপৰত আলোচনা সভা, সম্মিলন আৰু বৈঠক আয়োজন কৰি বেচৰকাৰী সংস্থাসমূহে জনমত সংগঠিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বিভিন্ন বেচৰকাৰী সংস্থাই বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিসকলক, যেনে- প্ৰশাসনিক বিষয়া, কাৰাগাৰৰ বিষয়া, আৰক্ষী বিষয়া, ন্যায়াধীশ, অধিবক্তা, সাংবাদিক আদি আমন্ত্ৰণ কৰি মানৱ অধিকাৰ আৰু স্বাধীনতাৰ গুৰুত্বৰ বিষয়ে বক্তব্য প্ৰদান কৰাৰ সুযোগ সৃষ্টি কৰিব পাৰে। বেচৰকাৰী সংস্থাসমূহে আলোচনাৰ এক পৰিৱেশ সৃষ্টি কৰিব লাগে, যাতে মানৱ অধিকাৰ সুৰক্ষাৰ বিষয়সমূহ বাৰে বাৰে গুৰুত্বসহকাৰে উত্থাপন হৈ থাকে। বেচৰকাৰী সংস্থাসমূহে সমাজক বিভিন্ন ধৰণৰ মানৱ অধিকাৰ উলংঘনৰ ঘটনাৰ বিষয়ে তথ্য প্ৰদান কৰিও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। উদাহৰণস্বৰূপে- কাৰাগাৰৰ পৰিস্থিতি, বন্দীসকলৰ সৈতে কৰা ব্যৱহাৰ আদি।

মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ সৈতে আলোচনা কৰাত বেচৰকাৰী সংস্থাসমূহৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ ওপৰত হেচাৰ সৃষ্টি কৰিব পাৰে। যিসকল লোকক তেওঁলোকৰ মৌলিক মানৱ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে, তেওঁলোকৰ বাবে বেচৰকাৰী সংস্থাসমূহে জনস্বাৰ্থমূলক গোচৰ (Public Interest Litigation-PIL) ৰ জৰিয়তে লেখ (writ) আবেদন দাখিল কৰিব পাৰে। আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত মানৱ অধিকাৰৰ গুৰুতৰ উলংঘনৰ ক্ষেত্ৰত বেচৰকাৰী সংস্থাসমূহে মানৱ অধিকাৰ আয়োগৰ ওচৰলৈ অভিযোগ বা যোগাযোগ প্ৰেৰণ কৰিব পাৰে।

মানুহক তেওঁলোকৰ অধিকাৰৰ পৰিসৰৰ বিষয়ে শিক্ষা প্ৰদান কৰি আৰু মানৱ অধিকাৰ উলংঘনৰ বিষয়ে তথ্য যোগান ধৰি বেচৰকাৰী সংস্থাসমূহে সমাজৰ অবহেলিত আৰু বঞ্চিত শ্ৰেণীৰ লোকসকলক সহায় কৰিব

পাৰে। এই ক্ষেত্ৰত মানৱ অধিকাৰ শিক্ষা হৈছে এক উদীয়মান ধাৰণা, যাৰ জৰিয়তে সাধাৰণ মানুহক নিজৰ অধিকাৰ আৰু স্বাধীনতাৰ বিষয়ে অধিক সজাগ কৰিব পাৰি। প্ৰভাৱগোষ্ঠী হিচাপে ভূমিকা পালন কৰাৰ উপৰি বেচৰকাৰী সংস্থাসমূহে মানৱ অধিকাৰ শিক্ষাৰ ক্ষেত্ৰতো জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বিশ্বৰ বহু দেশত মানৱ অধিকাৰ শিক্ষাৰ অভাৱৰ বাবে মানৱ অধিকাৰৰ নিয়মসমূহ ব্যাপকভাৱে উলংঘা কৰা হয়। বেচৰকাৰী সংস্থাসমূহে নাগৰিক সমাজৰ ভূমিকা পালন কৰি এনে ক্ষেত্ৰসমূহ চিহ্নিত কৰিব পাৰে, য'ত মানুহে বিভিন্ন সুবিধা লাভ কৰি মানৱ মৰ্যাদা বজাই ৰাখিব পাৰে। মানুহৰ মাজত সজাগতা সৃষ্টি কৰি বেচৰকাৰী সংস্থাসমূহে কেৱল গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ পহৰাদাৰ (watchdog) হিচাপে ভূমিকা পালন কৰাই নহয়, চৰকাৰক মানৱ অধিকাৰৰ প্ৰসাৰ ঘটাবলৈ উৎসাহিত কৰে আৰু সুশাসনৰ বিষয়ে চিন্তা কৰিবলৈ সহায় কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মানৱ অধিকাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰসংঘৰ চনদৰ কোনটো অনুচ্ছেদত মানৱ অধিকাৰ সম্পৰ্কীয় বেচৰকাৰী সংস্থাসমূহক স্বীকৃতি দিয়া হৈছে?

প্ৰশ্ন নং ৩ ঃ মানৱ অধিকাৰৰ সজাগতা সৃষ্টি কৰাত বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা চমুকৈ লিখক।

৯.৫ মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাত এমনেষ্টি ইণ্টাৰনেচনেল-ৰ ভূমিকা

মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত এমনেষ্টি ইণ্টাৰনেচনেল-এ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মানৱ অধিকাৰ আৰু নিৰাপত্তা সুৰক্ষাৰ উদ্দেশ্যে ব্ৰিটিছ অধিবক্তা Peter Benenson-এ ১৯৬১ চনত এই প্ৰতিষ্ঠানটো প্ৰতিষ্ঠা কৰিছিল। এমনেস্টি ইণ্টাৰনেচনেল কোনো চৰকাৰী হস্তক্ষেপ, ৰাজনৈতিক মতাদৰ্শ, অৰ্থনৈতিক স্বাৰ্থ বা ধৰ্মীয় বিষয়ৰ দ্বাৰা প্ৰভাৱিত নহয়। মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ই নীতি-নিয়মসমূহ নিৰপেক্ষভাৱে কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব দিয়ে। ই মূলতঃ আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত মানৱ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিশ্বব্যাপী ইয়াৰ বিস্তৃত সমৰ্থনভিত্তি আছে। বিভিন্ন পটভূমিৰ এমনেষ্টি ইণ্টাৰনেচনেল-ৰ সকলো সদস্যই মানৱ অধিকাৰ ৰক্ষাৰ বাবে একেলগে কাম কৰে, যাতে সকলোৱে মানৱ অধিকাৰৰ সুফল উপভোগ কৰিব পাৰে। এমনেস্টি ইণ্টাৰনেচনেল-এ সদায় সকলো ধৰণৰ মানৱ অধিকাৰ উলংঘনৰ পৰা মুক্ত আৰু মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা তথা অন্যান্য আন্তঃৰাষ্ট্ৰীয় চুক্তিত সন্নিবিষ্ট সকলো অধিকাৰ বাস্তৱায়িত হোৱা এখন পৃথিৱী গঢ়ি তোলাৰ বাবে কাম কৰি আহিছে।

বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা লোকসকলৰ মানৱ অধিকাৰ সুৰক্ষাৰ বাবে এমনেষ্টি ইণ্টাৰনেচনেল-এ বিভিন্ন পদ্ধতি অনুসৰণ কৰে। চৰকাৰী আৰু বেচৰকাৰী দুয়োটা পৰ্যায়তে সংযোগ স্থাপন কৰি ই মানৱ অধিকাৰ সম্পৰ্কীয় বিষয়সমূহ সঠিকভাৱে, দ্ৰুতভাৱে আৰু নিৰন্তৰভাৱে প্ৰকাশ কৰিবলৈ চেষ্টা কৰে। ব্যক্তিগত ঘটনাসমূহ নিৰপেক্ষভাৱে তদন্ত কৰি ই বিদ্যমান তথ্য তথা পৰিস্থিতিৰ কঠোৰ গৱেষণা আৰু পুনৰ পৰীক্ষাৰ জৰিয়তে মানৱ অধিকাৰ উলংঘনৰ মূল কাৰণ বিচাৰি উলিয়াবলৈ চেষ্টা কৰে। ই ৰাষ্ট্ৰসংঘৰ সকলো সদস্য দেশৰ ৰাষ্ট্ৰীয় চৰকাৰসমূহক আইনৰ শাসন মানি চলিবলৈ আৰু মানৱ অধিকাৰৰ মানদণ্ডসমূহ অনুমোদন তথা ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। আন্তঃচৰকাৰী সংস্থা, ব্যক্তি আৰু বৃহত্তৰ সমাজৰ অন্যান্য সকলো অংশক উৎসাহিত কৰি এমনেস্টি ইণ্টাৰনেচনেল-এ এনে এক পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰে, য'ত মানুহে মানৱ অধিকাৰৰ নিয়মসমূহক সমৰ্থন আৰু সম্মান কৰিবলৈ আগ্ৰহী হয়। ই বিভিন্ন সংস্থাৰ জৰিয়তে কাম কৰে, যেনে ই বিভিন্ন সংস্থাৰ জৰিয়তে কাম কৰে, যেনে- আন্তঃৰাষ্ট্ৰীয় পৰিষদ (International Council), আন্তঃৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতি (International Executive Committee), শাখাসমূহ (শাখাবোৰ), সাংগঠনিক গাঁথনি (Structures), আন্তঃৰাষ্ট্ৰীয় নেটৱৰ্কসমূহ (International Networks), আন্তঃৰাষ্ট্ৰীয় সচিবালয় (International Secretariat) আদি। এই সকলো সংস্থাৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় পৰিষদ হৈছে এমনেস্টি ইণ্টাৰনেচনেল-ৰ সকলো কাম-কাজ পৰিচালনাৰ সৰ্বোচ্চ বিধিগত সংস্থা।

আন্তঃৰাষ্ট্ৰীয় পৰিষদত আন্তঃৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য আৰু শাখা (শাখা)ৰ প্ৰতিনিধিসকল থাকে। ই এমনেষ্টি ইণ্টাৰনেচনেল-ৰ অধীনত মানৱ অধিকাৰৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে বিভিন্ন কাম কৰে। আন্তঃৰাষ্ট্ৰীয় পৰিষদৰ প্ৰধান কাৰ্যসমূহ: ১. কৌশলৰ ওপৰত গুৰুত্ব দিয়া; ২. এমনেস্টি ইণ্টাৰনেচনেল-ৰ দৃষ্টিভংগী, লক্ষ্য আৰু মূল মূল্যবোধ নিৰ্ধাৰণ কৰা; ৩. বিত্তীয় কৌশলসহ এমনেষ্টি ইণ্টাৰনেচনেলৰ সমন্বিত কৌশলগত পৰিকল্পনা নিৰ্ধাৰণ কৰা; ৪. আন্দোলনৰ বাবে শাসন আৰু দায়িত্ব অৰ্পণৰ ব্যৱস্থা তথা সংস্থা স্থাপন কৰা, সেই সংস্থাসমূহৰ সদস্য নিৰ্বাচন কৰা আৰু তেওঁলোকক দায়বদ্ধ কৰা; ৫. অনুমোদিত কৌশল আৰু পৰিকল্পনাৰ ভিত্তিত আন্দোলনৰ কাৰ্যক্ষমতা মূল্যায়ন কৰা; ৬. শাখা, সাংগঠনিক গাঁথনি আৰু অন্যান্য সংস্থাসমূহক তেওঁলোকৰ কামৰ বাবে দায়বদ্ধ কৰা।

আন্তঃৰাষ্ট্ৰীয় পৰিষদৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতিয়ো বিশ্বব্যাপী এমনেষ্টি ইণ্টাৰনেচনেল-ৰ নেতৃত্ব প্ৰদান কৰি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আন্তঃৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতি-ৰ গুৰুত্বপূৰ্ণ কাৰ্যসমূহ: ১. এমনেস্টি ইণ্টাৰনেচনেলৰ হৈ আন্তঃৰাষ্ট্ৰীয় সিদ্ধান্ত গ্ৰহণ কৰা; ২. এমনেষ্টি ইণ্টাৰনেচনেলৰ বাবে এক সুস্থ বিত্তীয় নীতি নিশ্চিত কৰা আৰু সমগ্ৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাটোত সেই বিত্তীয় নীতি একেধৰণে ৰূপায়ণ কৰা; ৩. সমন্বিত কৌশলগত পৰিকল্পনা ৰূপায়ণ নিশ্চিত কৰা; ৪. সংস্থাৰ বিধি-নিয়ম মানি চলা নিশ্চিত কৰা; ৫. মানৱ সম্পদৰ বিকাশ নিশ্চিত কৰা; ৬. আন্তঃৰাষ্ট্ৰীয় পৰিষদ-ৰ ওচৰত প্ৰতিবেদন দাখিল কৰি শাখা, সাংগঠনিক গাঁথনি আৰু অন্যান্য সংস্থাসমূহৰ কাৰ্যকলাপৰ বাবে তেওঁলোকক দায়বদ্ধ কৰা।

শাখা সমূহ এমনেষ্টি ইণ্টাৰনেচনেলৰ এক গুৰুত্বপূৰ্ণ অংশ। এমনেষ্টি ইণ্টাৰনেচনেল-ৰ এটা শাখা পৃথিৱীৰ যিকোনো অংশত আন্তঃৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতি-ৰ অনুমোদন সাপেক্ষে স্থাপন কৰিব পাৰি। শাখা-ৰ কাৰ্যসমূহ হ'ল- a) এমনেস্টি ইণ্টাৰনেচনেল-ৰ মৌলিক কাৰ্যকলাপসমূহ সংগঠিত আৰু অব্যাহত ৰখাৰ সামৰ্থ্য প্ৰদৰ্শন কৰা; b) আন্তঃৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ অনুমোদনৰ বাবে নিজৰ সংবিধি (Statute) দাখিল কৰা; c) আন্তঃৰাষ্ট্ৰীয় পৰিষদে নিৰ্ধাৰণ কৰা বাৰ্ষিক মাচুল পৰিশোধ কৰা; d) আন্তঃৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতি-ৰ সিদ্ধান্ত অনুসৰি সচিবালয়ত শাখা হিচাপে পঞ্জীয়ন কৰা।

ইয়াৰ সাংগঠনিক কাৰ্যক্ষমতাৰ ভিত্তিত এমনেষ্টি ইণ্টাৰনেচনেলক মানৱ অধিকাৰৰ ক্ষেত্ৰত কাম কৰা অন্যতম বৃহৎ আন্তঃৰাষ্ট্ৰীয় সংস্থা হিচাপে বিবেচনা কৰিব পাৰি। এমনেষ্টি ইণ্টাৰনেচনেলে মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় মানদণ্ডত সন্নিৱিষ্ট অধিকাৰ আৰু নীতিসমূহৰ যথাযথ কাৰ্যকৰীকৰণ আৰু বাস্তৱায়নৰ বাবে সদায় কাম কৰে। ১৯৭৭ চনত মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত সন্নিৱিষ্ট অধিকাৰসমূহ প্ৰতিজন ব্যক্তিয়ে উপভোগ কৰিব পৰা এখন পৃথিৱী গঢ়ি তোলাৰ লক্ষ্যত অবিৰতভাৱে কাম কৰাৰ বাবে এমনেষ্টি ইণ্টাৰনেচনেলে নবেল শান্তি পুৰস্কাৰ লাভ কৰে। এমনেষ্টি ইণ্টাৰনেচনেলে বিশ্বব্যাপী মানুহৰ অধিকাৰ সুৰক্ষাৰ বাবে সদায় মাত মাতি আহিছে। কিছুমান নিৰ্দিষ্ট ক্ষেত্ৰত এমনেষ্টি ইণ্টাৰনেচনেলে বিশেষ গুৰুত্ব প্ৰদান কৰে। সেইবোৰ হ'ল—

- মহিলাৰ সুৰক্ষা।
- শিশুৰ সুৰক্ষা।
- নিৰ্যাতন আৰু মৃত্যুদণ্ডৰ অৱসান।
- বন্দীসকলৰ অধিকাৰ সুৰক্ষা।
- বিবেকৰ স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা সুৰক্ষা।
- সকলো বিবেকৰ বন্দীৰ মুক্তি।
- শৰণাৰ্থীৰ সুৰক্ষা।
- মৃত্যুদণ্ড, নিৰ্যাতন আৰু অন্যান্য নিষ্ঠুৰ ব্যৱহাৰ বিলোপ কৰা।
- ন্যায়সংগত আৰু দ্ৰুত বিচাৰ নিশ্চিত কৰা।
- লিংগ, জাতি, ধৰ্ম, ভাষা, ৰাজনৈতিক মতামত, ৰাষ্ট্ৰীয় বা সামাজিক উৎপত্তি আদি কোনো ভিত্তিতে বৈষম্য দূৰ কৰা।

- বিশ্বব্যাপী অস্ত্ৰ বাণিজ্য নিয়ন্ত্ৰণ কৰা।

মানৱ অধিকাৰৰ ক্ষেত্ৰত এটা আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থা হিচাপে এমনেস্টি ইণ্টাৰনেচনেলে আন্তঃৰাষ্ট্ৰীয় সংহতি, বিশ্বব্যাপী নিৰাপত্তা আৰু বৃহত্তৰ সমাজত ধৰ্মনিৰপেক্ষ নীতিৰ ৰূপায়ণ নিশ্চিত কৰি মানৱ অধিকাৰ সুৰক্ষাৰ বাবে এক গণআন্দোলন হিচাপে কাম কৰে।

৯.৬ মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাত মানৱ অধিকাৰ প্ৰহৰী (Human Rights Watch) ৰ ভূমিকা

এটা আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থা হিচাপে Human Rights Watch-এ সমগ্ৰ বিশ্বতে মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই ১৯৭৮ চনত New York City-ত Helsinki Watch নামৰে কাম আৰম্ভ কৰিছিল। ১৯৯৭ চনত International Campaign to Ban Landmines-ৰ প্ৰতিষ্ঠাপক সদস্য হিচাপে Human Rights Watch-এ নোবেল শান্তি পুৰস্কাৰ লাভ কৰিছিল। এই বেচৰকাৰী সংস্থাটোৱে মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ নীতিসমূহ অনুসৰণ কৰি কাম কৰে। Human Rights Watch-ৰ অধীনত এই সংস্থাৰ গৱেষক সদস্যসকলে বিশ্বৰ বিভিন্ন অঞ্চলত সংঘটিত মানৱ অধিকাৰ উলংঘনৰ ঘটনাৰ তথ্যভিত্তিক তদন্ত কৰে। বিশ্বৰ বিভিন্ন প্ৰান্তত বিভিন্ন গৱেষণা কাৰ্য সম্পাদন কৰি ই মূলতঃ মানৱ অধিকাৰ উলংঘনৰ বিষয়সমূহৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় দৃষ্টি আকৰ্ষণ কৰে আৰু মানৱ অধিকাৰ উলংঘন দূৰ কৰাৰ বাবে চৰকাৰ আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ ওপৰত চাপ সৃষ্টি কৰে। Human Rights Watch-এ International Covenant on Civil and Political Rights-ৰ ৬ নং অনুচ্ছেদৰ ওপৰত গুৰুত্বপূৰ্ণ কাম কৰিছে। ই ছটা নিৰ্দিষ্ট ক্ষেত্ৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি মানৱ অধিকাৰ সম্পৰ্কীয় বিষয়সমূহৰ ওপৰত অধিক কাম কৰিবলৈ মানৱ অধিকাৰ সমিতি (Human Rights Committee) ক আহ্বান জনায়।

এই ছটা ক্ষেত্ৰ হ'ল—

- জীৱনৰ অধিকাৰ আৰু গৰ্ভপাতৰ সুবিধা লাভৰ অধিকাৰ।
- জীৱনৰ অধিকাৰ আৰু বিশেষ অস্ত্ৰৰ ব্যৱহাৰ তথা বিকাশ।
- জীৱনৰ অধিকাৰ আৰু মৃত্যুদণ্ড।
- জীৱনৰ অধিকাৰ আৰু পৰিৱেশৰ অৱনতি।
- জীৱনৰ অধিকাৰ আৰু বন্দুকৰ দ্বাৰা সংঘটিত হিংসা।
- প্ৰতিষ্ঠানসমূহত থকা লোকসকলৰ জীৱনৰ অধিকাৰ।

নিজৰ তদন্তৰ ভিত্তিত Human Rights Watch-এ প্ৰতি বছৰে কিতাপ আকাৰে প্ৰতিবেদন প্ৰকাশ কৰে। Human Rights Watch-এ প্ৰকাশ কৰা "Everyone Must Confess" শীৰ্ষক এখন প্ৰতিবেদনত ইৰাকত ISIS-ৰ সৈতে সম্পৰ্ক থকাৰ সন্দেহত থকা শিশুসকলৰ ওপৰত সংঘটিত নিৰ্যাতনৰ বিষয়ে উল্লেখ কৰা হৈছে। প্ৰতিবেদনখনত কোৱা হৈছে যে ইৰাক আৰু KRG কৰ্তৃপক্ষই ISIS-ৰ সৈতে যিকোনো ধৰণৰ সম্পৰ্ক থকা বুলি সন্দেহ কৰা শিশুসকলক প্ৰায়ে গ্ৰেপ্তাৰ আৰু বিচাৰ কৰে, স্বীকাৰোক্তি আদায় কৰিবলৈ নিৰ্যাতন কৰে আৰু দ্ৰুত তথা অন্যায় বিচাৰৰ জৰিয়তে কাৰাদণ্ড দিয়ে। আন্তঃৰাষ্ট্ৰীয় আইনে সশস্ত্ৰ গোটৰ দ্বাৰা নিযুক্ত শিশুসকলক মূলতঃ ভুক্তভোগী হিচাপে স্বীকৃতি দিয়ে আৰু তেওঁলোকৰ পুনৰ্বাসন তথা সমাজত পুনৰ সংযুক্তিৰ ওপৰত গুৰুত্ব দিয়ে। Human Rights Watch-ৰ অন্যতম গুৰুত্বপূৰ্ণ প্ৰতিবেদন আছিল ২০০৪ চনৰ Iraq Report। এই প্ৰতিবেদনত উল্লেখ কৰা হৈছিল যে ইৰাকৰ নিৰাপত্তা বাহিনীয়ে বন্দীসকলক পাইপ আৰু কেবলেৰে প্ৰহাৰ কৰা আৰু তেওঁলোকৰ যৌন অংগত বৈদ্যুতিক শ্বক দিয়াৰ দৰে পদ্ধতি ব্যৱহাৰ কৰি পদ্ধতিগতভাৱে নিৰ্যাতন চলাইছিল। এই প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিছত মানৱ অধিকাৰৰ বাবে একেলগে আৰু সম্পূৰ্ণ আন্তৰিকতাৰে কাম কৰাৰ ক্ষেত্ৰত বিশ্বব্যাপী ঐকমত্য গঢ় লৈ উঠিছিল। Human Rights Watch-এ প্ৰকাশ কৰা World Report 2015-এ মূলতঃ ইৰাক,

ছিৰিয়া, লেবানন, জৰ্ডান আৰু লিবিয়াৰ দৰে দেশত ISIS-ৰ কাৰ্যকলাপৰ বিষয়টো গুৰুত্বসহকাৰে উত্থাপন কৰিছিল। এই ২০১৫ চনৰ প্ৰতিবেদনত নাইজেৰিয়াত বোকো হাৰামৰ অত্যাচাৰৰ বিষয়টোও উল্লেখ কৰা হৈছিল।

কেতিয়াবা Human Rights Watch-ক ৰাষ্ট্ৰীয় চৰকাৰসমূহে পক্ষপাতিত্বৰ অভিযোগেৰে সমালোচনা কৰিছে। তথাপি ই সমগ্ৰ মানৱজাতিৰ কল্যাণৰ বাবে নিৰন্তৰভাৱে কাম কৰি আহিছে। Human Rights Watch-এ মানৱ অধিকাৰৰ ক্ষেত্ৰত চলোৱা বিস্তৃত সমীক্ষাই মানৱ অধিকাৰ উলংঘনৰ ক্ষেত্ৰ আৰু ঘটনাসমূহ চিনাক্ত কৰাত সহায় কৰে আৰু সেইবোৰৰ সমাধান বিচাৰিবলৈ সহায় কৰে। কেতিয়াবা ই মানৱ অধিকাৰৰ ক্ষেত্ৰত কাম কৰা অন্যান্য বেচৰকাৰী সংস্থাসমূহকো সহায় কৰে। উদাহৰণস্বৰূপে, এমনেষ্টি ইণ্টাৰনেচনেল আৰু Human Rights Watch-ৰ মাজৰ সম্পৰ্ক উল্লেখযোগ্য। ই গণতন্ত্ৰ আৰু মানৱ অধিকাৰৰ নীতি প্ৰতিষ্ঠা কৰিবলৈ আগ্ৰহী ৰাষ্ট্ৰীয় চৰকাৰসমূহক বিভিন্ন পৰামৰ্শও আগবঢ়ায়। নেপালত গণতান্ত্ৰিক প্ৰসাৰৰ ক্ষেত্ৰত Human Rights Watch-এ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। নেপালৰ তদানীন্তন ৰজা জ্ঞানেন্দ্ৰৰ শাসনকালত Human Rights Watch-এ আন্তঃৰাষ্ট্ৰীয় সমাজক হিমালয়ৰ ৰাজ্যখনত ৰাজনৈতিক কৰ্মী আৰু সাংবাদিকসকলৰ ইচ্ছামতে আটক কৰা কাৰ্যৰ অৱসান ঘটাবলৈ সহায় কৰিবলৈ আহ্বান জনাইছিল। কেৱল নেপালৰ ক্ষেত্ৰতেই নহয়, বিভিন্ন দেশৰ বিভিন্ন বিষয়ৰ ক্ষেত্ৰতো Human Rights Watch-এ প্ৰতিষ্ঠাৰ সময়ৰ পৰাই নিৰন্তৰভাৱে কাম কৰি আহিছে।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে এমনেষ্টি ইণ্টাৰনেচনেল আৰু Human Rights Watch-ৰ দৰে আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থাসমূহে সাধাৰণ মানুহৰ অৱস্থা উন্নত কৰাৰ বাবে মানৱ অধিকাৰৰ ক্ষেত্ৰত কাম কৰি আহিছে। বিশেষকৈ উন্নয়নশীল দেশসমূহত মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাত এই ধৰণৰ বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সেয়েহে এমনেষ্টি ইণ্টাৰনেচনেল, Human Rights Watch আদি আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থাই কেতিয়াবা উন্নয়নশীল দেশসমূহত কাম কৰা অন্যান্য মানৱ অধিকাৰ সংস্থাসমূহৰ সৈতে একেলগে কাম কৰে। মানৱ অধিকাৰৰ নিৰন্তৰ সুৰক্ষাৰ বাবে বেচৰকাৰী সংস্থাসমূহৰ কাৰ্যকলাপ অতি প্ৰয়োজনীয়। ১৯৯৩ চনৰ Vienna Conference-এ উল্লেখ কৰিছিল যে মানৱ অধিকাৰৰ বিষয়ে অধিক সজাগতা আৰু পাৰস্পৰিক সহনশীলতা বৃদ্ধি কৰাৰ বাবে ৰাষ্ট্ৰসমূহে বেচৰকাৰী সংস্থাসমূহৰ সহায় গ্ৰহণ কৰিব লাগে। এই সম্মিলনে মানৱ অধিকাৰৰ সম্পূৰ্ণ আৰু ফলপ্ৰসূ উপভোগ নিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় ব্যৱস্থাই অনুকূল পৰিৱেশ সৃষ্টি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। বিশ্বৰ বিভিন্ন অঞ্চলত কাম কৰা বিভিন্ন মানৱ অধিকাৰ সম্পৰ্কীয় বেচৰকাৰী সংস্থাৰ উপৰি এমনেষ্টি ইণ্টাৰনেচনেল আৰু Human Rights Watch-এ বিশ্বব্যাপী মানৱ অধিকাৰৰ নীতি-নিয়মৰ সেৱাৰ বাবে সক্ৰিয়ভাৱে কাম কৰি আহিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ এমনেষ্টি ইণ্টাৰনেচনেলৰ সৰ্বোচ্চ সংস্থা কোনটো?

প্ৰশ্ন নং ৫ ঃ আন্তঃৰাষ্ট্ৰীয় পৰিষদৰ যিকোনো দুটা কাৰ্য উল্লেখ কৰা।

প্ৰশ্ন নং ৬ ঃ আন্তঃৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ যিকোনো দুটা কাৰ্য উল্লেখ কৰা।

প্ৰশ্ন নং ৭ ঃ Human Rights Watch-এ কোন চনত নোবেল শান্তি পুৰস্কাৰ লাভ কৰিছিল?

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ অধিকাৰ হৈছে এনে অত্যাৱশ্যকীয় অধিকাৰ যিয়ে মানুহৰ বৃদ্ধি আৰু বিকাশত বৃহৎভাৱে সহায় কৰে। এই অধিকাৰসমূহ স্বাধীন, হস্তান্তৰ কৰিব নোৱাৰা, উলংঘন কৰিব নোৱাৰা আৰু সাৰ্বজনীন।
- মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত বেচৰকাৰী সংস্থাসমূহৰ অৱদান অতি গুৰুত্বপূৰ্ণ। মানৱ অধিকাৰ সম্পৰ্কীয় বেচৰকাৰী সংস্থাসমূহে বিশ্বৰ বিভিন্ন প্ৰান্তত মানৱ অধিকাৰৰ সজাগতা বৃদ্ধি আৰু মানৱ অধিকাৰ সুৰক্ষাৰ বাবে বিভিন্ন কাৰ্য সম্পাদন কৰে।

- মানৱ অধিকাৰৰ বিভিন্ন দিশৰ ওপৰত আলোচনা সভা, সম্মিলন আৰু বৈঠক আয়োজন কৰি বেচৰকাৰী সংস্থাসমূহে জনমত সংগঠিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। মানৱ অধিকাৰ সুৰক্ষাৰ বিষয়সমূহ পুনৰ গুৰুত্বসহকাৰে উত্থাপন হৈ থাকিবলৈ বেচৰকাৰী সংস্থাসমূহে আলোচনাৰ এক পৰিৱেশ সৃষ্টি কৰিব লাগে।
- বেচৰকাৰী সংস্থাসমূহে সমাজক বিভিন্ন ধৰণৰ মানৱ অধিকাৰ উলংঘনৰ ঘটনাৰ বিষয়ে, যেনে- কাৰাগাৰৰ পৰিস্থিতি, বন্দীসকলৰ সৈতে কৰা ব্যৱহাৰ আদি তথ্য প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।
- প্ৰভাৱগোষ্ঠী হিচাপে ভূমিকা পালন কৰাৰ উপৰি বেচৰকাৰী সংস্থাসমূহে মানৱ অধিকাৰ শিক্ষাৰ ক্ষেত্ৰতো জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বেচৰকাৰী সংস্থাসমূহে নাগৰিক সমাজৰ ভূমিকা পালন কৰি এনে ক্ষেত্ৰসমূহ চিহ্নিত কৰিব পাৰে, য'ত মানুহে বিভিন্ন সুবিধা লাভ কৰি মানৱ মৰ্যাদা বজাই ৰাখিব পাৰে।
- বিশ্বব্যাপী মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাত এমনেষ্টি ইণ্টাৰনেচনেল আৰু Human Rights Watch-ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

৯.৮ অধিক জানিবলৈ

1. Agarwal, H.O. (2006). Human Rights. Allahabad: Central Law Publications.
2. Stephen, RM. (2002). Human Rights: Concepts and Perspectives. New Delhi: Concept Publishing Company.
3. Syed, M.H. (2003). Human Rights: The New Era. New Delhi: Kilaso Books.
4. Yasin, Adil-ul & Upadhayay Archana (2004). Human Rights. New Delhi: Akansha Publishing House.

৯.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰ হৈছে সেইসমূহ অপৰিহাৰ্য অধিকাৰ, যিবোৰে মানুহৰ সুষম বৃদ্ধি আৰু বিকাশত গুৰুত্বপূৰ্ণ অৰিহণা যোগায়। এই অধিকাৰসমূহ স্বতন্ত্ৰ, অহস্তান্তৰযোগ্য, অলংঘনীয় আৰু সাৰ্বজনীন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অনুচ্ছেদ ৭১।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰ সম্পৰ্কে সজাগতা সৃষ্টি আৰু মানৱ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে বিশ্বৰ বিভিন্ন প্ৰান্তত মানৱ অধিকাৰ সম্পৰ্কীয় বেচৰকাৰী সংগঠনসমূহে বিভিন্ন কাৰ্য সম্পাদন কৰে। মানৱ অধিকাৰৰ বিভিন্ন দিশৰ ওপৰত আলোচনাচক্ৰ, সম্মিলন আৰু সভা আয়োজন কৰি বেচৰকাৰী সংগঠনসমূহে জনমত গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বিভিন্ন বেচৰকাৰী সংগঠনে প্ৰশাসনিক বিষয়া, কাৰাগাৰৰ অধীক্ষক, আৰক্ষী বিষয়া, ন্যায়াধীশ, অধিবক্তা, সাংবাদিক আদি বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিসকলক আমন্ত্ৰণ জনাই মানৱ অধিকাৰ আৰু স্বাধীনতাৰ গুৰুত্ব সম্পৰ্কে বক্তৃতা প্ৰদানৰ ব্যৱস্থা কৰিব পাৰে। মানৱ অধিকাৰ সুৰক্ষাৰ বিষয়সমূহ যাতে নিৰন্তৰভাৱে গুৰুত্বসহকাৰে আলোচনা কৰা হয়, তাৰ বাবে বেচৰকাৰী সংগঠনসমূহে এক উপযুক্ত আলোচনাৰ পৰিৱেশ সৃষ্টি কৰিব লাগে। কাৰাগাৰৰ অৱস্থা, কাৰাবন্দীসকলৰ প্ৰতি কৰা আচৰণ আদি মানৱ অধিকাৰ উলংঘনৰ বিভিন্ন ঘটনা সম্পৰ্কে সমাজক তথ্য প্ৰদান কৰিও বেচৰকাৰী সংগঠনসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

জনসাধাৰণক তেওঁলোকৰ অধিকাৰৰ পৰিসৰ সম্পৰ্কে শিক্ষিত কৰি আৰু মানৱ অধিকাৰ উলংঘনৰ ঘটনাসমূহৰ বিষয়ে তথ্য প্ৰদান কৰি বেচৰকাৰী সংগঠনসমূহে সমাজৰ সহায়ৰ প্ৰয়োজন হোৱা শ্ৰেণীসমূহক সহায় কৰিব পাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় পৰিষদ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (১) কৌশলৰ ওপৰত গুৰুত্ব আৰোপ কৰা; (২) এমনেষ্টি ইণ্টাৰনেশ্যনেলৰ দৃষ্টিভংগী, লক্ষ্য আৰু মূল মূল্যবোধসমূহ নিৰ্ধাৰণ কৰা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (১) এমনেষ্টি ইণ্টাৰনেশ্যনেলৰ হৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সিদ্ধান্ত গ্ৰহণ কৰা; (২) এমনেষ্টি ইণ্টাৰনেশ্যনেলৰ বাবে এক সুদৃঢ় বিত্তীয় নীতি নিশ্চিত কৰা আৰু সেই বিত্তীয় নীতি সমগ্ৰ আন্তঃৰাষ্ট্ৰীয় সংগঠনটোত ধাৰাবাহিকভাৱে কাৰ্যকৰী কৰাটো নিশ্চিত কৰা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯৭ চন।

৯.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰৰ অৰ্থ উল্লেখ কৰক।
প্ৰশ্ন ২ ঃ এমনেষ্টি ইণ্টাৰনেশ্যনেল কিমান চনত প্ৰতিষ্ঠা কৰা হৈছিল?
প্ৰশ্ন ৩ ঃ UDHRৰ সম্পূৰ্ণ ৰূপটো লিখক।
প্ৰশ্ন ৪ ঃ এমনেষ্টি ইণ্টাৰনেশ্যনেলে কিমান চনত শান্তিৰ নোবেল বঁটা লাভ কৰিছিল?
প্ৰশ্ন ৫ ঃ মানৱ অধিকাৰৰ প্ৰসাৰৰ ক্ষেত্ৰত বেচৰকাৰী সংগঠনসমূহৰ ভূমিকা ব্যাখ্যা কৰক।
প্ৰশ্ন ৬ ঃ এমনেষ্টি ইণ্টাৰনেশ্যনেলৰ শাখাসমূহৰ কাৰ্যাৱলী সম্পৰ্কে চমুকৈ লিখক।
প্ৰশ্ন ৭ ঃ মানৱ অধিকাৰ সু�ৰক্ষাৰ ক্ষেত্ৰত এমনেষ্টি ইণ্টাৰনেশ্যনেলৰ ভূমিকা আলোচনা কৰক।
প্ৰশ্ন ৮ ঃ মানৱ অধিকাৰ সু�ৰক্ষাৰ ক্ষেত্ৰত Human Rights Watchৰ ভূমিকা পৰীক্ষা কৰক।
প্ৰশ্ন ৯ ঃ মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত বেচৰকাৰী সংগঠনসমূহৰ ভূমিকা ব্যাখ্যা কৰক।

অধ্যায় ১০ ঃ ভাৰতত মানৰ অধিকাৰ আন্দোলন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ মানৰ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র
১০.৪ ঔপনিৱেশিক কালত ভাৰতীয়সকলৰ মাজত মানৰ অধিকাৰ সম্পর্কে সজাগতা
১০.৫ ঔপনিৱেশিকোত্তৰ কালত ভাৰতত মানৰ অধিকাৰ আন্দোলন
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্রগতিৰ খতিয়ান
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মানৰ অধিকাৰ শব্দটোৰ ধাৰণা আৰু অর্থ ব্যাখ্যা কৰিব পাৰিব।
- ঔপনিৱেশিক কালত ভাৰতীয়সকলৰ মাজত মানৰ অধিকাৰ সম্পর্কে থকা সজাগতা বর্ণনা কৰিব পাৰিব।
- ঔপনিৱেশিকোত্তৰ কালত ভাৰতত মানৰ অধিকাৰ আন্দোলনৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- ভাৰতত চলি থকা মানৰ অধিকাৰ আন্দোলনসমূহৰ সফলতা বিশ্লেষণ কৰিব পাৰিব।

১০.২ পৰিচয়

মানৰ অধিকাৰ হৈছে সকলো মানুহৰ জন্মগত অধিকাৰ। লিংগ, জাতীয়তা, বাসস্থান, লিংগ, জাতিগত পৰিচয়, ধর্ম, বর্ণ বা আন যিকোনো শ্রেণীবিভাজন নির্বিশেষে সকলো মানুহেই এই অধিকাৰসমূহৰ অধিকাৰী। সেয়েহে মানৰ অধিকাৰ সার্বজনীন; অর্থাৎ সকলো মানুহেই এই অধিকাৰ লাভৰ যোগ্য আৰু কাকো ইয়াৰ পৰা বঞ্চিত কৰিব নোৱাৰি। অৱশ্যে, সকলো মানুহে মানৰ অধিকাৰৰ অধিকাৰী হ'লেও সমগ্র বিশ্বতে সকলোৱে সমানে এই অধিকাৰসমূহ উপভোগ কৰিব নোৱাৰে। বহু সময়ত চৰকাৰ আৰু ব্যক্তিয়ে মানৰ অধিকাৰক উপেক্ষা কৰে আৰু আন মানুহক গুৰুতৰভাৱে শোষণ কৰে।

মানৰ অধিকাৰৰ বিভিন্ন প্রকাৰ আছে, যেনে—

- নাগৰিক অধিকাৰ- যেনে জীৱন, স্বাধীনতা আৰু নিৰাপত্তাৰ অধিকাৰ।
- ৰাজনৈতিক অধিকাৰ- যেনে আইনৰ সুৰক্ষাৰ অধিকাৰ আৰু আইনৰ আগত সমতাৰ অধিকাৰ।
- অর্থনৈতিক অধিকাৰ- যেনে কাম কৰাৰ অধিকাৰ, সম্পত্তিৰ মালিকীস্বত্বৰ অধিকাৰ আৰু সমান মজুৰি লাভৰ অধিকাৰ।
- সামাজিক অধিকাৰ- যেনে শিক্ষাৰ অধিকাৰ আৰু সন্মতিসাপেক্ষ বিবাহৰ অধিকাৰ।
- সাংস্কৃতিক অধিকাৰ- যেনে নিজৰ সাংস্কৃতিক সম্প্রদায়ৰ কার্যকলাপত মুক্তভাৱে অংশগ্রহণ কৰাৰ অধিকাৰ।
- সামূহিক অধিকাৰ- যেনে আত্মনির্ণয়ৰ অধিকাৰ।

সমগ্র বিশ্বতে বহুতো সংগঠন আৰু চৰকাৰে মহিলা আৰু কন্যাসকলৰ মর্যাদা উন্নত কৰাৰ বাবে গুৰুত্ব আৰোপ কৰে। আন্তঃৰাষ্ট্রীয় শ্রম সংস্থাৰ মতে, ১ কোটি ১৪ লাখ মহিলা আৰু কন্যা বিভিন্ন ধৰণৰ বলপূর্বক শ্রমৰ বলি হয়। ইয়াৰ ভিতৰত ঋণৰ বন্ধন, মানৰ সৰবৰাহ আৰু বলপূর্বক বেশ্যাবৃত্তি আদি অন্তর্ভুক্ত। বিশ্বৰ নেতাসকলে

মহিলা আৰু কন্যাসকলৰ মর্যাদা উন্নত কৰাৰ বাবে চেষ্টা কৰাৰ সময়ত বলপূর্বক শ্রম, মানৱ সৰবৰাহ আৰু দাসত্বত মহিলা আৰু কন্যাসকলৰ শোষণ হ্রাস কৰাৰ ওপৰত গুৰুত্ব দিয়াটো প্রয়োজনীয়।

যেতিয়া মহিলা আৰু কন্যাসকলক দাসত্ব বা মানৱ সৰবৰাহৰ বলি কৰা হয়, তেতিয়া তেওঁলোকে মহিলা সমতা আৰু উন্নয়নৰ বাবে গ্রহণ কৰা কার্যসূচীসমূহৰ সুবিধা লাভ কৰিব নোৱাৰে।

- মানৱ সৰবৰাহ আৰু দাসত্বৰ বলি হোৱা মহিলা আৰু কন্যাসকলে প্রায়ে বিদ্যালয়ত শিক্ষা গ্রহণ কৰিব নোৱাৰে। বহু সময়ত তেওঁলোক নিৰক্ষৰ হৈ থাকে।
- মানৱ সৰবৰাহ আৰু দাসত্বৰ বলি হোৱা মহিলা আৰু কন্যাসকলে গুৰুতৰ যৌন হিংসাৰ সম্মুখীন হয়।
- তেওঁলোকে ঘৰুৱা হিংসাৰ সন্মুখীন হয়।
- তেওঁলোকে মাতৃস্বাস্থ্যৰ সুবিধা লাভ কৰিব নোৱাৰে। শোষণৰ ফলত হোৱা শাৰীৰিক আৰু যৌন নির্যাতনে আগতীয়া গর্ভধাৰণ, বলপূর্বক গর্ভপাত আৰু HIV তথা অন্যান্য ৰোগৰ সংস্পর্শলৈ অহাৰ সম্ভাৱনা বৃদ্ধি কৰে।
- তেওঁলোকে স্বাস্থ্যসেৱাৰ সুবিধা লাভ কৰিব নোৱাৰে।
- তেওঁলোকে প্রায়ে গুৰুতৰ অপুষ্টিৰ সন্মুখীন হয়।
- তেওঁলোকে দৰিদ্রতা দূৰীকৰণ কার্যসূচী, ক্ষুদ্র ঋণ বা অন্যান্য অর্থনৈতিক উন্নয়নমূলক পদক্ষেপৰ সুবিধা লাভ কৰিব নোৱাৰে। ফলত তেওঁলোক শোষণকাৰীৰ ওপৰত নির্ভৰশীল হৈ থাকে।

১০.৩ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র

মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র (Universal Declaration of Human Rights-UDHR) মানৱ অধিকাৰৰ ইতিহাসৰ এক গুৰুত্বপূর্ণ দলিল। বিশ্বৰ বিভিন্ন অঞ্চলৰ ভিন্ন আইনগত আৰু সাংস্কৃতিক পটভূমিৰ প্রতিনিধিসকলে ইয়াক প্রস্তুত কৰিছিল। ১৯৪৮ চনৰ ১০ ডিচেম্বৰত পেৰিছত ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই ২১৭ A (III) নং প্রস্তাৱৰ জৰিয়তে ইয়াক সকলো মানুহ আৰু সকলো দেশৰ বাবে এক উমৈহতীয়া মানদণ্ড হিচাপে ঘোষণা কৰে। ইয়াত প্রথমবাৰৰ বাবে সুৰক্ষিত কৰিবলগীয়া মৌলিক মানৱ অধিকাৰসমূহ সার্বজনীনভাৱে উল্লেখ কৰা হয়। ১৯৪৮ চনত গ্রহণ কৰাৰ পিছৰে পৰা UDHR ৫০০ৰো অধিক ভাষালৈ অনুবাদ কৰা হৈছে আৰু ই বিশ্বৰ আটাইতকৈ অধিক অনূদিত দলিলসমূহৰ ভিতৰত অন্যতম। ইয়াৰ দ্বাৰা বহুতো নতুন স্বাধীন ৰাষ্ট্রৰ সংবিধান আৰু বহু নতুন গণতন্ত্র অনুপ্রাণিত হৈছে। UDHR, আন্তঃৰাষ্ট্রীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তি (International Covenant on Civil and Political Rights) আৰু ইয়াৰ দুটা ঐচ্ছিক প্রট'কল, আৰু আন্তঃৰাষ্ট্রীয় অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তি (International Covenant on Economic, Social and Cultural Rights) আৰু ইয়াৰ ঐচ্ছিক প্রট'কল মিলি "আন্তঃৰাষ্ট্রীয় মানৱ অধিকাৰ বিল" (International Bill of Human Rights) গঠন কৰে।

অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ ঃ

আন্তঃৰাষ্ট্রীয় অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তি ১৯৭৬ চনত কার্যকৰী হয়। এই চুক্তিয়ে তলত দিয়া অধিকাৰসমূহক প্রসাৰ আৰু সুৰক্ষা দিবলৈ চেষ্টা কৰে-

- ন্যায়সংগত আৰু অনুকূল পৰিস্থিতিত কাম কৰাৰ অধিকাৰ।
- সামাজিক সুৰক্ষা, পর্যাপ্ত জীৱন-ধাৰণৰ মানদণ্ড আৰু সন্তৱপৰ সর্বোচ্চ শাৰীৰিক আৰু মানসিক সুস্থতাৰ অধিকাৰ।
- শিক্ষা লাভৰ অধিকাৰ আৰু সাংস্কৃতিক স্বাধীনতা তথা বৈজ্ঞানিক অগ্রগতিৰ সুফল উপভোগ কৰাৰ অধিকাৰ।

নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ ঃ

আন্তঃৰাষ্ট্রীয় নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তি আৰু ইয়াৰ প্রথম ঐচ্ছিক প্রটোকল ১৯৭৬ চনত

কার্যকৰী হয়। দ্বিতীয় ঐচ্ছিক প্ৰটোকল ১৯৮৯ চনত গ্ৰহণ কৰা হয়।

এই চুক্তিত তলত দিয়া অধিকাৰসমূহৰ বিষয়ে উল্লেখ কৰা হৈছে- চলাচলৰ স্বাধীনতা, আইনৰ চকুত সমান, ন্যায়সংগত বিচাৰৰ অধিকাৰ আৰু নির্দোষ বুলি গণ্য কৰাৰ অধিকাৰ, চিন্তা, বিবেক আৰু ধর্মৰ স্বাধীনতা, মতামত আৰু প্ৰকাশৰ স্বাধীনতা, শান্তিপূর্ণ সমাৱেশৰ অধিকাৰ, সংগঠন গঠনৰ স্বাধীনতা, ৰাজহুৱা কাম-কাজ আৰু নির্বাচনত অংশগ্ৰহণৰ অধিকাৰ, সংখ্যালঘুসকলৰ অধিকাৰৰ সুৰক্ষা। ইয়াত ইচ্ছাকৃতভাৱে জীৱনৰ পৰা বঞ্চিত কৰা, নির্যাতন, নিষ্ঠুৰ বা অপমানজনক ব্যৱহাৰ বা শাস্তি, দাসত্ব আৰু বলপূর্বক শ্ৰম, ইচ্ছামতে গ্ৰেপ্তাৰ বা আটক, ব্যক্তিগত জীৱনত ইচ্ছামতে হস্তক্ষেপ, যুদ্ধৰ প্ৰচাৰ, বৈষম্য আৰু জাতিগত বা ধর্মীয় ঘৃণা প্ৰচাৰ নিষিদ্ধ কৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মানৱ অধিকাৰৰ অর্থ উল্লেখ কৰক।

প্ৰশ্ন নং ২ ঃ UDHR-ৰ সম্পূর্ণ ৰূপ লিখক।

প্ৰশ্ন নং ৩ ঃ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই কোন চনত UDHR গ্ৰহণ কৰিছিল?

১০.৪ ঔপনিৱেশিক কালত ভাৰতীয়সকলৰ মাজত মানৱ অধিকাৰ সম্পর্কে সজাগতা

ভাৰত বিশ্বৰ সেই দেশ সমূহৰ ভিতৰত অন্যতম, যাৰ মানৱ অধিকাৰ আন্দোলনৰ ইতিহাস যথেষ্ট বৈচিত্ৰ্যপূর্ণ। যদিও মানৱ অধিকাৰৰ সুৰক্ষা আৰু প্ৰসাৰৰ প্ৰাচীন নিদর্শন ভাৰতৰ প্ৰাচীন সাহিত্য আৰু জনজীৱনত বিচাৰি পোৱা যায়, তথাপি ভাৰতত আধুনিক মানৱ অধিকাৰ আন্দোলনৰ ভেটি মূলতঃ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে চলা সংগ্ৰামৰ সময়ছোৱাত স্থাপন হৈছিল। দেশত ঔপনিৱেশিক শাসনৰ এক সামগ্ৰিক সমালোচনা আগবঢ়াবলৈ জাতীয় আন্দোলনৰ নেতাসকলে ভাৰতত ব্ৰিটিছ চৰকাৰে ভাৰতীয়সকলৰ মৌলিক মানৱ অধিকাৰৰ প্ৰতি কৰা অৱজ্ঞাক সমালোচনা কৰিছিল। সেয়েহে স্বাধীন ভাৰতৰ সংবিধানত নাগৰিকসকলৰ বাবে সর্বোচ্চ পর্যায়ৰ মানৱ অধিকাৰৰ ব্যৱস্থা কৰাটো জাতীয় আন্দোলনৰ আৰম্ভণিৰ সময়ৰ পৰাই সংবিধান প্ৰণেতাসকলে আকাংক্ষিত আদর্শৰ প্ৰতিফলন হিচাপে গ্ৰহণ কৰিছিল।

আধুনিক সময়ত ভাৰতত মানৱ অধিকাৰ আন্দোলনৰ আৰম্ভণি ঔপনিৱেশিক কালৰ পৰাই হোৱা বুলি ক'ব পাৰি। দীর্ঘদিনীয়া অমানৱীয় ঔপনিৱেশিক শাসনৰ ফলত ভাৰতীয়সকলৰ অধিকাংশই মানৱ অধিকাৰ, সাধাৰণ মানুহৰ প্ৰতি সম্মান আৰু মর্যাদাপূর্ণ জীৱন-যাপনৰ ধাৰণাৰ বিষয়ে অজ্ঞ হৈ আছিল। অৱশ্যে, দুটা শ্ৰেণীৰ মানুহে প্ৰত্যক্ষভাৱে নহলেও পৰোক্ষভাৱে গণমাধ্যমৰ জৰিয়তে মানুহৰ মাজত মানৱ অধিকাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে চিন্তা কৰিবলৈ আৰম্ভ কৰিছিল। এফালে ভাৰতীয় সমাজত সামাজিক সংস্কাৰৰ দাবী উত্থাপন কৰা লোকসকল আছিল আৰু আনফালে ভাৰতীয়সকলৰ সৈতে জড়িত বিষয়সমূহ, যেনে- সংবাদ মাধ্যমৰ স্বাধীনতা আদিত ঔপনিৱেশিক চৰকাৰে অধিক উদাৰ মনোভাৱ গ্ৰহণ কৰাৰ দাবী কৰা লোকসকল আছিল। প্ৰথম শ্ৰেণীৰ লোকসকলৰ ভিতৰত এনে লোক আছিল যিসকলে ভাৰতৰ সামাজিক সংস্কাৰৰ প্ৰতি যথেষ্ট চিন্তিত আছিল আৰু সমাজৰ ইমানদিনে অৱহেলিত শ্ৰেণীসমূহৰ মানৱীয় আৰু জীৱিকাৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে কাম কৰিছিল। দ্বিতীয় শ্ৰেণীত এনে বহু ভাৰতীয় আৰু পশ্চিমীয়া লোক আছিল, যিসকলে ব্ৰিটিছ চৰকাৰৰ দ্বাৰা দেশৰ সমাজ আৰু ৰাজনীতিত প্ৰয়োজনীয় ইতিবাচক পৰিৱর্তন সাধন হ'ব বুলি আশা কৰিছিল।

ভাৰতৰ মানৱ অধিকাৰ আন্দোলনৰ পথপ্ৰদর্শকসকলৰ ভিতৰত সমাজ সংস্কাৰক ৰাজা ৰামমোহন ৰয়ৰ অৱদান বিশেষ উল্লেখযোগ্য।

ৰামমোহন ৰয়ে সকলো মানুহৰ, বিশেষকৈ মহিলাসকলৰ মানৱ অধিকাৰ উলংঘন কৰা পুৰণি ধর্মীয় ৰীতি-নীতিৰ কঠোৰ সমালোচনা কৰিছিল। সতী প্ৰথাৰ দৰে নিষ্ঠুৰ আৰু অমানৱীয় প্ৰথা বিলোপৰ বাবে তেওঁ দৃঢ়ভাৱে কাম কৰিছিল। তেওঁ ভাৰতীয় মহিলাসকলৰ অৱস্থা উন্নত কৰাৰ বাবে এক বিস্তৃত সংস্কাৰৰ ৰূপৰেখা আগবঢ়াইছিল। তেওঁ মহিলাৰ অধিকাৰৰ বিৰুদ্ধে থকা হিংসাত্মক সামাজিক পৰিৱেশৰ তীব্ৰ নিন্দা কৰিছিল আৰু

বহুবিবাহ, বাল্যবিবাহ, দেৱদাসী প্ৰথা আদি মহিলাৰ মৰ্যাদা আৰু সম্মান হ্ৰাস কৰা সামাজিক প্ৰথাসমূহ বিলোপ কৰাৰ আহ্বান জনাইছিল। ইয়াৰ উপৰি, ভাৰতীয় মহিলাসকলে সম্মুখীন হোৱা সমস্যাসমূহৰ সৃষ্টিশীল সমাধান আগবঢ়াই তেওঁ বিধৱা পুনৰ্বিবাহ আৰু সম্পত্তিৰ ওপৰত মহিলাৰ সমান অধিকাৰ আদি প্ৰগতিশীল ব্যৱস্থাৰ পোষকতা কৰিছিল। মহিলাৰ অধিকাৰৰ বাবে সংগ্ৰাম কৰাৰ লগতে ৰামমোহন ৰায়ে ভাৰতীয়সকলৰ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবেও কঠোৰ পৰিশ্ৰম কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ঔপনিৱেশিক কালত ভাৰতীয় সমাজত থকা অমানবীয় সামাজিক প্ৰথাসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন নং ৫ ঃ ভাৰতীয় সমাজৰ অমানৱীয় সামাজিক প্ৰথাসমূহ বিলোপ কৰাৰ বাবে ৰাজা ৰামমোহন ৰায়ে আগবঢ়োৱা দুটা প্ৰগতিশীল ব্যবস্থা লিখক।

১০.৫ ঔপনিৱেশিকোত্তৰ কালত ভাৰতত মানৱ অধিকাৰ আন্দোলন

স্বাধীন ভাৰতত মানৱ অধিকাৰৰ ধাৰণাটো স্পষ্ট হৈ উঠিছিল যেতিয়া সংবিধান সভাই জনসাধাৰণৰ মৌলিক অধিকাৰসমূহৰ ব্যবস্থাসমূহ চূড়ান্ত কৰাৰ কাম আৰম্ভ কৰিছিল। ৰাষ্ট্ৰ নিৰ্মাণ, ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু দেশৰ ঐক্য আৰু অখণ্ডতাৰ বিষয়সমূহ সংবিধান প্ৰণেতাসকলৰ মনত অতি গুৰুত্বপূৰ্ণ আছিল। সেয়েহে তেওঁলোকে সংবিধানত মৌলিক অধিকাৰসমূহ সন্নিৱিষ্ট কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

ভাৰতত সংবিধান প্ৰণয়নৰ প্ৰক্ৰিয়া চলি থকাৰ সময়তে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৪৮ চনত মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ (UDHR) গ্ৰহণ কৰে। UDHR গ্ৰহণে ভাৰতৰ দৰে নতুনকৈ স্বাধীন হোৱা দেশসমূহত মানৱ অধিকাৰ আন্দোলনক নতুন গতি প্ৰদান কৰে। এই ঘোষণাই দেশসমূহক UDHR-ৰ আৰ্হিত নিজৰ সংবিধানত মানৱ অধিকাৰৰ এক বিস্তৃত কাঠামো প্ৰস্তুত কৰিবলৈ উৎসাহিত কৰিছিল। ফলত প্ৰায় সকলো দেশেই UDHR-ৰ নীতিসমূহ গ্ৰহণ কৰাৰ লগতে নিজৰ সংবিধানত ইয়াৰ আদৰ্শ প্ৰতিফলিত কৰাটো গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিছিল। সেয়েহে ভাৰতীয় সংবিধান প্ৰণেতাসকলৰ বাবে UDHR-ৰ প্ৰয়োজনীয়তা আৰু ৰাষ্ট্ৰীয় ঐক্য আৰু অখণ্ডতাৰ প্ৰয়োজনীয়তাক গুৰুত্ব দিয়া এক প্ৰধান কাম হৈ পৰিছিল।

ভাৰতীয় সংবিধানত মানৱ অধিকাৰ আন্দোলনৰ বাবে গভীৰ তাৎপৰ্য বহন কৰা বহুতো গুৰুত্বপূৰ্ণ ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। ভাৰতীয় সংবিধানত জনসাধাৰণৰ অধিকাৰৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত ব্যৱস্থাসমূহ হৈছে- প্ৰস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি। প্ৰস্তাৱনাটো ১৯৪৬ চনত জৱাহৰলাল নেহৰুৱে সংবিধান সভাত উত্থাপন কৰা লক্ষ্য-উদ্দেশ্য মূলক প্ৰস্তাৱ (Objective Resolution)-ৰ ওপৰত আধাৰিত। ই এনে এক জীৱন-ব্যৱস্থাক স্বীকাৰ কৰে য'ত স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ব জীৱনৰ মূল নীতি হিচাপে স্বীকৃত। স্বাধীনতাক সমতাৰ পৰা আৰু সমতাক স্বাধীনতাৰ পৰা পৃথক কৰিব নোৱাৰি। কিন্তু জনসাধাৰণৰ বাবে নিৰ্দিষ্ট অধিকাৰ প্ৰদান কৰাৰ সময়ত সংবিধান প্ৰণেতাসকলে দেশৰ সেই সময়ৰ সামাজিক আৰু অৰ্থনৈতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মানৱ অধিকাৰৰ প্ৰথম আৰু দ্বিতীয় প্ৰজন্মৰ মাজত এক স্পষ্ট পাৰ্থক্য ৰাখিছিল। দেশত গণতান্ত্ৰিক শাসন ব্যৱস্থা নিশ্চিত কৰাৰ বাবে নাগৰিকসকলক মূলতঃ নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ ৰূপত কিছুমান মৌলিক অধিকাৰ প্ৰদান কৰাৰ বিস্তৃত ব্যৱস্থা কৰা হৈছিল। সেয়েহে সংবিধানৰ তৃতীয় খণ্ডত (Part III) ছয়টা মৌলিক অধিকাৰ অন্তৰ্ভুক্ত কৰা হৈছে। সেইবোৰ হ'ল-১. সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ, সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰ আৰু সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ। মানৱ অধিকাৰৰ দ্বিতীয় প্ৰজন্মৰ অধিকাৰসমূহ সংবিধানৰ চতুৰ্থ খণ্ডত (Part IV) ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিৰ ৰূপত সন্নিৱিষ্ট কৰা হৈছে। এই নীতিসমূহ চৰকাৰী নীতি আৰু কাৰ্যসূচী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ, যদিও ইয়াৰ বাস্তৱায়ন সম্পদৰ উপলব্ধতা আৰু জনসাধাৰণৰ সামাজিক সজাগতাৰ ওপৰত নিৰ্ভৰ কৰে।

জানি থোৱা ভাল

ভাৰতত ছয়টা মৌলিক অধিকাৰ আছে। সেইবোৰ হ'ল— সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধর্মীয় স্বাধীনতাৰ অধিকাৰ, সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰ আৰু সাংবিধানিক প্রতিকাৰৰ অধিকাৰ।

সমতাৰ অধিকাৰ: সমতাৰ অধিকাৰে সকলো নাগৰিকৰ বাবে সমান অধিকাৰ নিশ্চিত কৰে। ই জাতি, ধর্ম, জন্মস্থান, বর্ণ বা লিংগৰ ভিত্তিত বৈষম্য নিষিদ্ধ কৰে। ইয়াৰ লগতে ৰাজহুৱা চাকৰিৰ ক্ষেত্রত সমান সুযোগ নিশ্চিত কৰে আৰু ধর্ম, বর্ণ, জাতি, লিংগ, বংশ, জন্মস্থান, বাসস্থান বা ইয়াৰে যিকোনো এটাৰ ভিত্তিত ৰাষ্ট্রই চাকৰিৰ ক্ষেত্রত কোনো ব্যক্তিৰ প্রতি বৈষম্য কৰাত বাধা দিয়ে।

স্বাধীনতাৰ অধিকাৰ: স্বাধীনতাৰ অধিকাৰে আমাক বিভিন্ন অধিকাৰ প্রদান কৰে। এইবোৰৰ ভিতৰত আছে—

- বাক্-স্বাধীনতা আৰু মত প্রকাশৰ স্বাধীনতা
- অস্ত্রবিহীনভাৱে শান্তিপূর্ণ সমাৱেশ কৰাৰ স্বাধীনতা
- সমগ্র দেশৰ ভিতৰত মুক্তভাৱে চলাচল কৰাৰ স্বাধীনতা
- সংগঠন গঠনৰ স্বাধীনতা
- যিকোনো বৃত্তি গ্রহণৰ স্বাধীনতা
- দেশৰ যিকোনো অংশত বসবাস কৰাৰ স্বাধীনতা।

অৱশ্যে, এই অধিকাৰসমূহৰ কিছুমান যুক্তিসংগত সীমাবদ্ধতা আছে।

শোষণৰ বিৰুদ্ধে অধিকাৰ: শোষণৰ বিৰুদ্ধে অধিকাৰে মানৱ সৰবৰাহ, শিশুশ্রম আৰু বলপূর্বক শ্রমক নিন্দা কৰে আৰু আইন অনুসৰি সেইবোৰ শাস্তিযোগ্য অপৰাধ হিচাপে গণ্য কৰে। কোনো ব্যক্তিক তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে বিনা মজুৰিত কাম কৰিবলৈ বাধ্য কৰাটোও নিষিদ্ধ কৰা হৈছে (য'ত তেওঁ আইনগতভাৱে সেই কাম নকৰাৰ বা তাৰ বিনিময়ত পাৰিশ্রমিক লাভ কৰাৰ অধিকাৰী)।

ধর্মীয় স্বাধীনতাৰ অধিকাৰ: ধর্মীয় স্বাধীনতাৰ অধিকাৰে ধর্মীয় স্বাধীনতা নিশ্চিত কৰে আৰু ভাৰতক এখন ধর্মনিৰপেক্ষ ৰাষ্ট্র হিচাপে প্রতিষ্ঠা কৰে। সংবিধান অনুসৰি ৰাষ্ট্রই সকলো ধর্মক সমান আৰু নিৰপেক্ষভাৱে ব্যৱহাৰ কৰিব লাগে আৰু কোনো চৰকাৰী ধর্ম নাথাকে। ই সকলো ব্যক্তিক বিবেকৰ স্বাধীনতা আৰু নিজৰ পছন্দৰ যিকোনো ধর্ম বিশ্বাস, পালন আৰু প্রচাৰ কৰাৰ অধিকাৰ প্রদান কৰে।

সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰ: সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰে সাংস্কৃতিক, ধর্মীয় আৰু ভাষিক সংখ্যালঘুসকলৰ অধিকাৰ সু�ৰক্ষিত কৰে। ই তেওঁলোকক নিজৰ সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণ কৰাৰ সুবিধা দিয়ে আৰু বৈষম্যৰ পৰা সুৰক্ষা প্রদান কৰে। শৈক্ষিক অধিকাৰে জাতি, লিংগ, ধর্ম আদি নির্বিশেষে সকলোৰে বাবে শিক্ষাৰ সুযোগ নিশ্চিত কৰে।

সাংবিধানিক প্রতিকাৰৰ অধিকাৰ: সাংবিধানিক প্রতিকাৰৰ অধিকাৰে নাগৰিকসকলক নিজৰ মৌলিক অধিকাৰ উলংঘন হ'লে সেই অধিকাৰ বলৱৎ বা সুৰক্ষিত কৰাৰ বাবে ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ কায চাপিবলৈ সুযোগ দিয়ে। উচ্চতম ন্যায়ালয়ৰ মৌলিক অধিকাৰ বলৱৎ কৰাৰ অধিকাৰ আছে আৰু অধিকাৰ উলংঘনৰ ক্ষেত্রত ক্ষতিগ্রস্ত ব্যক্তিক ক্ষতিপূৰণো প্রদান কৰিব পাৰে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ভাৰতীয় সংবিধানৰ কোনবোৰ ব্যৱস্থাই জনসাধাৰণৰ অধিকাৰসমূহ প্রতিনিধিত্ব কৰে, লিখক।

প্রশ্ন নং ৭ ঃ ভাৰতীয় সংবিধানৰ তৃতীয় খণ্ডত অন্তর্ভুক্ত অধিকাৰসমূহ উল্লেখ কৰক।

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ অধিকাৰ হৈছে সকলো মানুহৰ জন্মগত অধিকাৰ। লিংগ, জাতীয়তা, বাসস্থান, যৌনতা, জাতিগত পৰিচয়, ধর্ম, বর্ণ বা আন কোনো শ্রেণীবিভাজন নির্বিশেষে সকলো মানুহেই এই অধিকাৰৰ অধিকাৰী।
- মানৱ অধিকাৰ বৈষম্যহীন; অর্থাৎ সকলো মানুহেই এই অধিকাৰসমূহৰ অধিকাৰী আৰু কাকো ইয়াৰ পৰা বঞ্চিত কৰিব নোৱাৰি।
- সকলো মানুহে মানৱ অধিকাৰৰ অধিকাৰী হ'লেও সমগ্র বিশ্বতে সকলোৱে সমানে এই অধিকাৰ উপভোগ কৰিব নোৱাৰে।
- মানৱ অধিকাৰৰ বিভিন্ন প্রকাৰ আছে— নাগৰিক, ৰাজনৈতিক, অর্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু সামূহিক অধিকাৰ।
- মানৱ অধিকাৰৰ সার্বজনীন ঘোষণা (UDHR) মানৱ অধিকাৰৰ ইতিহাসৰ এক গুৰুত্বপূর্ণ দলিল। ইয়াক ১৯৪৮ চনৰ ১০ ডিচেম্বৰত পেৰিছত ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই গ্রহণ কৰিছিল।
- ভাৰত বিশ্বৰ কেইখনমান দেশৰ ভিতৰত অন্যতম, যাৰ মানৱ অধিকাৰ আন্দোলনৰ ইতিহাস যথেষ্ট বৈচিত্র্যপূর্ণ। ভাৰতৰ মানৱ অধিকাৰ আন্দোলনৰ পথপ্রদর্শকসকলৰ ভিতৰত সমাজ সংস্কাৰক ৰাজা ৰামমোহন ৰায়ৰ অৱদান বিশেষ উল্লেখযোগ্য।
- ভাৰতীয় সংবিধানত জনসাধাৰণৰ অধিকাৰৰ সৈতে প্রত্যক্ষ বা পৰোক্ষভাৱে জড়িত ব্যৱস্থাসমূহ হৈছে— প্রস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাষ্ট্রৰ নির্দেশাত্মক নীতি।
- মৌলিক অধিকাৰসমূহ লিংগ, জাতি, ধর্ম বা বিশ্বাস আদি নির্বিশেষে সকলো নাগৰিকৰ মৌলিক মানৱ অধিকাৰ হিচাপে গণ্য কৰা হয়। এই অধিকাৰসমূহ ভাৰতীয় সংবিধানৰ অতি গুৰুত্বপূর্ণ অংশ।

১০.৭ অধিক জানিবলৈ

1. Alston, Philip, ed. (2005). Non-State Actors and Human Rights. Oxford University Press, USA.
2. Alston, Philip, and James Crawford, eds. (2000). The Future of UN Human Rights Treaty Monitoring. Cambridge University Press.
3. Bayefsky, Anne Fruma (2003). How to Complain to the UN Human Rights Treaty System. Martinus Nijhoff Publishers.
4. Brysk, Alison (2009). Global Good Samaritans: Human Rights as Foreign Policy. Oxford University Press, USA.
5. Dembour, Marie-Bénédicte (2006). Who Believes in Human Rights?: Reflections on the European Convention. Ist ed. Cambridge University Press.

১০.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰ হৈছে সকলো মানুহৰ জন্মগত অধিকাৰ। লিংগ, জাতীয়তা, বাসস্থান, যৌনতা, জাতিগত পৰিচয়, ধর্ম, বর্ণ বা আন যিকোনো শ্রেণীবিভাজন নির্বিশেষে সকলো মানুহেই এই অধিকাৰৰ অধিকাৰী। ই বৈষম্যহীন, অর্থাৎ সকলো মানুহেই এই অধিকাৰ লাভৰ যোগ্য আৰু কাকো ইয়াৰ পৰা বঞ্চিত কৰিব নোৱাৰি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ UDHR-ৰ সম্পূৰ্ণ ৰূপ হৈছে Universal Declaration of Human Rights (মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা)।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৪৮ চনৰ ১০ ডিচেম্বৰত পেৰিছত UDHR গ্ৰহণ কৰিছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ঔপনিৱেশিক কালত ভাৰতীয় সমাজত থকা অমানৱীয় সামাজিক প্ৰথাসমূহ আছিল- সতী প্ৰথা, বহুবিবাহ, বাল্যবিবাহ, দেৱদাসী প্ৰথা আদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় সমাজৰ অমানবীয় সামাজিক প্ৰথাসমূহ বিলোপ কৰাৰ বাবে ৰাজা ৰামমোহন ৰায়ে আগবঢ়োৱা দুটা প্ৰগতিশীল ব্যৱস্থা আছিল- বিধৱা পুনৰ্বিবাহ আৰু সম্পত্তিৰ ওপৰত মহিলাৰ সমান অধিকাৰ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ জনসাধাৰণৰ অধিকাৰসমূহ প্ৰতিনিধিত্ব কৰা ভাৰতীয় সংবিধানৰ ব্যৱস্থাসমূহ হৈছে— প্ৰস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় সংবিধানৰ তৃতীয় খণ্ডত ছয়টা মৌলিক অধিকাৰ অন্তৰ্ভুক্ত আছে। সেইবোৰ হ'ল—

১. সমতাৰ অধিকাৰ
২. স্বাধীনতাৰ অধিকাৰ
৩. শোষণৰ বিৰুদ্ধে অধিকাৰ
৪. ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ
৫. সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ
৬. সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ

১০.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰ দিৱস কেতিয়া পালন কৰা হয়?
প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা প্ৰথম মানৱ অধিকাৰ ঘোষণাপত্ৰ কোনখন?
প্ৰশ্ন ৩ ঃ UDHR কেতিয়া গ্ৰহণ কৰা হৈছিল?
প্ৰশ্ন ৪ ঃ UDHR প্ৰস্তুত কৰাত মুখ্য অৱদান আগবঢ়োৱা ব্যক্তিসকল কোন কোন?
প্ৰশ্ন ৫ ঃ আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ বিল (International Bill of Rights) কি?
প্ৰশ্ন ৬ ঃ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ বিষয়ে এটি টোকা লিখক।
প্ৰশ্ন ৭ ঃ ঔপনিৱেশিক কালত মানৱ অধিকাৰ আন্দোলনৰ বিষয়ে সংক্ষেপে ব্যাখ্যা কৰক।
প্ৰশ্ন ৮ ঃ ভাৰতৰ মানৱ অধিকাৰ আন্দোলনসমূহ সমালোচনামূলকভাৱে পৰীক্ষা কৰক।
প্ৰশ্ন ৯ ঃ সমসাময়িক ভাৰতত মানৱ অধিকাৰ আন্দোলনসমূহৰ অৱদান বিশ্লেষণ কৰক।

****

অধ্যায় ১১ ঃ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক আৰু আইনগত গাঁথনি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক গাঁথনি: প্ৰস্তাৱনা, মৌলিক অধিকাৰ আৰু ভাৰতৰ ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি

১১.৪ মানৱ অধিকাৰ সু�ৰক্ষাত ভাৰতৰ সংসদৰ ভূমিকা

১১.৫ মানৱ অধিকাৰ সু�ৰক্ষাত ভাৰতীয় ন্যায়পালিকাৰ ভূমিকা

১১.৬ ভাৰতৰ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ

১১.৬.১ আয়োগৰ গঠন

১১.৬.২ আয়োগৰ কাৰ্যাবলী

১১.৬.৩ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু মানৱ অধিকাৰৰ সু�ৰক্ষা

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৮ অধিক জানিবলৈ

১১.৯ অগ্ৰগতিৰ খতিয়ান

১১.১০ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক গাঁথনি ব্যাখ্যা কৰিব পাৰিব
- ভাৰতত মানৱ অধিকাৰ সুৰক্ষাত সংসদ আৰু ভাৰতীয় ন্যায়পালিকাৰ ভূমিকা বিশ্লেষণ কৰিব পাৰিব
- ভাৰতৰ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ কাৰ্যাৱলী আৰু গুৰুত্ব বৰ্ণনা কৰিব পাৰিব

১১.২ পৰিচয়

মানৱ অধিকাৰৰ ক্ষেত্ৰত সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণাপত্ৰ (UDHR)-ৰ ভাৰতত যথেষ্ট প্ৰভাৱ আছে আৰু ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলেও ইয়াৰ দ্বাৰা যথেষ্ট অনুপ্ৰাণিত হৈছিল। UDHR গ্ৰহণ আৰু ভাৰতীয় সংবিধান প্ৰণয়ন প্ৰায় একে সময়তে হৈছিল আৰু সেয়েহে ভাৰতীয় সংবিধানে এই সাৰ্বজনীন ঘোষণাপত্ৰৰ পৰা বহুতো বিষয় গ্ৰহণ কৰিছিল। ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে সংবিধানত ভাৰতীয় নাগৰিকসকলৰ অধিকাৰ আৰু সুবিধাৰ ক্ষেত্ৰত সৰ্বাধিক ব্যৱস্থা অন্তৰ্ভুক্ত কৰিছিল। সেইবাবে ভাৰতীয় সংবিধানক বিশ্বৰ অন্যতম অধিকাৰভিত্তিক সংবিধান হিচাপে প্ৰতিষ্ঠা কৰিব পৰা গৈছে। ইয়াৰ উপৰি, ভাৰতৰ বিধানমণ্ডল আৰু ন্যায়পালিকাইও জনসাধাৰণৰ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে। এই অধ্যায়ত আমি ভাৰতত নাগৰিকসকলৰ অধিকাৰ আৰু স্বাধীনতা সুৰক্ষিত কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন সাংবিধানিক, আইনগত আৰু ন্যায়িক ব্যৱস্থাসমূহ আলোচনা কৰিম।

১১.৩ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক গাঁথনি: প্ৰস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি

ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে অধিকাৰ আৰু স্বাধীনতাৰ সৈতে জড়িত বহুতো ব্যৱস্থা সংবিধানত অন্তর্ভুক্ত কৰিছে। সংবিধানৰ প্ৰস্তাৱনাত নিজেই জনসাধাৰণৰ অধিকাৰ আৰু স্বাধীনতাৰ সৈতে জড়িত বহুতো ব্যৱস্থা উল্লেখ কৰা হৈছে। সংবিধানৰ প্ৰস্তাৱনাই ঘোষণা কৰে যে ৰাষ্ট্ৰই সকলো ভাৰতীয় নাগৰিকৰ মাজত কোনো ধৰণৰ বৈষম্য নকৰাকৈ সমতা আৰু ন্যায় প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিব আৰু প্ৰতিগৰাকী ভাৰতীয় নাগৰিকৰ স্বাধীনতা নিশ্চিত কৰিব। ভাৰতীয় সংবিধানে ধর্ম, লিংগ, জাতি, বর্ণ বা জন্মস্থানৰ ভিত্তিত ৰাষ্ট্ৰৰ দ্বাৰা কৰা সকলো বৈষম্য অবৈধ কৰি আৰু আইনৰ আগত সমতা তথা আইনৰ সমান সুৰক্ষা নিশ্চিত কৰি সমতাৰ লক্ষ্য সুৰক্ষিত কৰিবলৈ চেষ্টা কৰিছে। প্ৰস্তাবনাত লগতে ঘোষণা কৰা হৈছে যে ৰাষ্ট্ৰই সকলো নাগৰিকৰ বাবে ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক ন্যায় নিশ্চিত কৰিব। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সকলো ভাৰতীয় নাগৰিকৰ বাবে চিন্তা, মত প্ৰকাশ, বিশ্বাস, ধর্মীয় বিশ্বাস আৰু উপাসনাৰ স্বাধীনতা সুৰক্ষিত কৰাৰ কথাও উল্লেখ কৰা হৈছে। এই সকলো সমতা, ন্যায় আৰু স্বাধীনতাৰ লক্ষ্য সুৰক্ষিত কৰাৰ বাবে ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে সংবিধানৰ তৃতীয় আৰু চতুর্থ অধ্যায়ত বহুতো ব্যৱস্থা অন্তর্ভুক্ত কৰিছে।

ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত (অনুচ্ছেদ ১২ৰ পৰা ৩৫লৈ) মৌলিক অধিকাৰৰ তালিকা সন্নিবিষ্ট কৰা হৈছে। এই মৌলিক অধিকাৰসমূহক মৌলিক মানৱ অধিকাৰ হিচাপে গণ্য কৰা হয়। প্ৰথম অৱস্থাত ভাৰতীয় সংবিধানত সাত প্ৰকাৰৰ মৌলিক অধিকাৰ অন্তর্ভুক্ত কৰা হৈছিল। কিন্তু ৪৪তম সংশোধনী, ১৯৭৮ৰ জৰিয়তে সম্পত্তিৰ অধিকাৰক অনুচ্ছেদ ৩০০ (ক) ৰ অধীনত আইনী অধিকাৰ হিচাপে পৰিগণিত কৰা হয়। বর্তমান সংবিধানত ছয়টা মৌলিক অধিকাৰ আছে। অনুচ্ছেদ ১৫, ১৬, ১৯ আৰু ২৯ত অন্তর্ভুক্ত মৌলিক অধিকাৰসমূহ কেৱল ভাৰতীয় নাগৰিকসকলৰ বাবে প্ৰযোজ্য আৰু অন্যান্য অনুচ্ছেদত সন্নিবিষ্ট অধিকাৰসমূহ নাগৰিক আৰু বিদেশী উভয়ৰে বাবে প্ৰযোজ্য।

সংবিধানত অন্তর্ভুক্ত মৌলিক অধিকাৰসমূহ তলত আলোচনা কৰা হৈছে—

- **সমতাৰ অধিকাৰ:** অনুচ্ছেদ ১৪-১৮ত সমতাৰ অধিকাৰৰ বিষয়ে উল্লেখ কৰা হৈছে। এই অধিকাৰসমূহ আন সকলো অধিকাৰ আৰু স্বাধীনতাৰ মূল ভেটি। অনুচ্ছেদ ১৪-এ জাতি, ধর্ম, বর্ণ, লিংগ, ভাষা আদি নির্বিশেষে সকলো ভাৰতীয় নাগৰিকৰ বাবে আইনৰ চকুত সমান সমতা নিশ্চিত কৰিছে। অনুচ্ছেদ ১৫ অনুসৰি কোনো ব্যক্তিৰ বিৰুদ্ধে জাতি, বর্ণ, লিংগ আৰু ভাষাৰ ভিত্তিত বৈষম্য কৰিব নোৱাৰি। ই সামাজিক সমতা আৰু সকলো শ্ৰেণীৰ লোকৰ বাবে ৰাজহুৱা স্থানত সমান প্ৰৱেশাধিকাৰ নিশ্চিত কৰে। অনুচ্ছেদ ১৬ অনুসৰি ৰাষ্ট্ৰৰ অধীনস্থ কোনো পদত নিযুক্তিৰ ক্ষেত্ৰত সকলো ভাৰতীয় নাগৰিকৰ বাবে সমান সুযোগ থাকিব আৰু কোনো ধৰণৰ বৈষম্য কৰা নহ'ব। অনুচ্ছেদ ১৭ৰ অধীনত অস্পৃশ্যতা বিলোপ কৰা হৈছে। এই ব্যৱস্থা কার্যকৰী কৰাৰ বাবে সংসদে নাগৰিক অধিকাৰ সুৰক্ষা আইন, ১৯৫৫ প্ৰণয়ন কৰে আৰু এই আইনখন ১৯৭৬ চনত সংশোধন কৰা হয়। ভাৰতীয় সংবিধানৰ ১৮ নং অনুচ্ছেদত সামৰিক আৰু শৈক্ষিক উপাধিৰ বাহিৰে অন্যান্য উপাধিৰ বিলোপৰ ব্যৱস্থা কৰা হৈছে।
- **স্বাধীনতাৰ অধিকাৰ:** অনুচ্ছেদ ১৯ৰ পৰা ২২লৈ স্বাধীনতাৰ অধিকাৰৰ বিষয়ে উল্লেখ কৰা হৈছে। অনুচ্ছেদ ১৯ অনুসৰি সকলো ভাৰতীয় নাগৰিকৰ- বাক্ আৰু মত প্ৰকাশৰ স্বাধীনতা; বিনা অস্ত্ৰই শান্তিপূর্ণভাৱে সমবেত হোৱাৰ স্বাধীনতা; সংঘ বা সংস্থা গঠন কৰাৰ স্বাধীনতা; ভাৰতৰ সমগ্ৰ ভূখণ্ডত মুক্তভাৱে চলাচল কৰাৰ স্বাধীনতা; দেশৰ যিকোনো অংশত বসবাস আৰু স্থায়ীভাৱে থকাৰ স্বাধীনতা; আৰু যিকোনো বৃত্তি গ্ৰহণ বা যিকোনো বাণিজ্য বা ব্যৱসায় কৰাৰ স্বাধীনতা আছে। অনুচ্ছেদ ২১ত ঘোষণা কৰা হৈছে যে আইনৰ দ্বাৰা প্ৰতিষ্ঠিত পদ্ধতিৰ বাহিৰে আনকোনো কাৰণত কোনো ব্যক্তিক তেওঁৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰিব নোৱাৰি।
- **শোষণৰ বিৰুদ্ধে অধিকাৰ:** অনুচ্ছেদ ২৩ আৰু ২৪ত শোষণৰ বিৰুদ্ধে অধিকাৰৰ বিষয়ে উল্লেখ কৰা হৈছে।

শোষণৰ বিৰুদ্ধে অধিকাৰৰ অধীনত শিশুশ্ৰমিক মূলতঃ নিষিদ্ধ কৰা হৈছে। অনুচ্ছেদ ২৩ ৰ জৰিয়তে মানৱ সৰবৰাহ আৰু সকলো ধৰণৰ বলপূৰ্বক শ্ৰম নিষিদ্ধ কৰা হৈছে আৰু এনে অপৰাধ আইনৰ অনুসৰি শাস্তিযোগ্য। অনুচ্ছেদ ২৪ অনুসৰি ১৪ বছৰৰ তলৰ কোনো শিশুক বিপজ্জনক কামত নিয়োগ কৰিব নোৱাৰি।

- **ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ:** অনুচ্ছেদ ২৫ৰ পৰা ২৮লৈ ভাৰতৰ সকলো নাগৰিকৰ ধৰ্মীয় স্বাধীনতা প্ৰদান আৰু নিশ্চিত কৰা হৈছে। সংবিধান অনুসৰি ৰাষ্ট্ৰৰ চকুত সকলো ধৰ্ম সমান আৰু কোনো ধৰ্মক আন কোনো ধৰ্মতকৈ অধিক গুৰুত্ব দিয়া নহ'ব। ইয়াত লগতে উল্লেখ কৰা হৈছে যে কোনো ব্যক্তিক কোনো বিশেষ ধৰ্মৰ প্ৰচাৰৰ বাবে কৰ দিবলৈ বাধ্য কৰিব নোৱাৰি।
- **সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ:** ভাৰত ভাষা, ধৰ্ম আৰু সংস্কৃতিৰ ক্ষেত্ৰত এখন বৈচিত্ৰ্যপূৰ্ণ দেশ। সেয়েহে সংবিধানে সংখ্যালঘুসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২৯ আৰু ৩০ত অন্তৰ্ভুক্ত কৰা হৈছে। অনুচ্ছেদ ২৯ অনুসৰি ধৰ্ম, জাতি, বৰ্ণ, ভাষা বা ইয়াৰ যিকোনো এটাৰ ভিত্তিত কোনো নাগৰিকক ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত বা ৰাষ্ট্ৰীয় পুঁজিৰ পৰা সাহায্য লাভ কৰা কোনো শিক্ষানুষ্ঠানত ভৰ্তিৰ পৰা বঞ্চিত কৰিব নোৱাৰি। অনুচ্ছেদ ৩০ অনুসৰি সকলো সম্প্ৰদায়ৰ নিজ পছন্দৰ শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰাৰ অধিকাৰ আছে আৰু ধৰ্ম, জাতি বা ভাষাৰ ভিত্তিত ৰাষ্ট্ৰই অনুদান প্ৰদানৰ ক্ষেত্ৰত তেওঁলোকৰ বিৰুদ্ধে বৈষম্য কৰিব নোৱাৰিব।
- **সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ:** মৌলিক অধিকাৰ ভংগ হ'লে নাগৰিকসকলে সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ ব্যৱস্থাৰ জৰিয়তে আদালতৰ কায চাপিব পাৰে। অনুচ্ছেদ ৩২ অনুসৰি মৌলিক অধিকাৰ বলৱৎ কৰাৰ বাবে উচ্চতম ন্যায়ালয়ে লেখ (writ) জাৰি কৰিব পাৰে। ইয়াৰ ভিতৰত বন্দী প্ৰত্যক্ষীকৰণ, পৰমাদেশ, প্ৰতিষেধ, উৎপ্ৰেষণ আৰু অধিকাৰ পৃচ্ছা আদি লেখ অন্তৰ্ভুক্ত।

এই মৌলিক অধিকাৰৰ উপৰি ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায়ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিৰ ৰূপত মানৱ অধিকাৰৰ সৈতে জড়িত কিছুমান ব্যৱস্থা আছে। এই নীতিসমূহে মূলতঃ ৰাষ্ট্ৰক নীতি প্ৰণয়ন আৰু কাৰ্যকৰী কৰাৰ সময়ত কিছু নিৰ্দেশনা প্ৰদান কৰে, যাতে নাগৰিকসকলৰ অধিকাৰ আৰু স্বাধীনতা সুৰক্ষিত থাকে। এই নীতিসমূহৰ কিছুমান হ'ল- পুৰুষ আৰু মহিলা নিৰ্বিশেষে সকলো নাগৰিকৰ বাবে পৰ্যাপ্ত জীৱিকাৰ উপায় নিশ্চিত কৰা; পুৰুষ আৰু মহিলাৰ বাবে সমান কামৰ সমান মজুৰি নিশ্চিত কৰা; ন্যায়সংগত আৰু মানবীয় কৰ্মপৰিস্থিতি নিশ্চিত কৰা; উপযুক্ত জীৱন-ধাৰণৰ মান নিশ্চিত কৰা; সম্পূৰ্ণ নিয়োগৰ সুযোগ প্ৰদান কৰা; অৱসৰ আৰু সামাজিক তথা সাংস্কৃতিক সুযোগ প্ৰদান কৰা; আৰু প্ৰাপ্তবয়স্ক আৰু শিশু শ্ৰমিকৰ সুৰক্ষা নিশ্চিত কৰা। ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে ভাৰতীয় সংবিধানত ভাৰতীয় জনসাধাৰণৰ মানৱ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে বহুতো ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে।

১১.৪ ভাৰতত মানৱ অধিকাৰ সুৰক্ষাত সংসদৰ ভূমিকা

ভাৰতত সংসদে কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ সৈতে যৌথভাৱে মানৱ অধিকাৰ প্ৰসাৰ আৰু সুৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ব্যক্তিৰ কল্যাণৰ বাবে আইন আৰু অন্যান্য নীতি ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সংসদে চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ অংগ হিচাপে কাম কৰে। মানৱ অধিকাৰ উলংঘন প্ৰতিৰোধৰ বাবে সংসদে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। সংসদৰ সদস্যসকলে দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মানৱ অধিকাৰ বাস্তৱায়নৰ ক্ষেত্ৰত অনুঘটক হিচাপে কাম কৰে। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩২ত তৃতীয় অধ্যায়ত প্ৰদান কৰা অধিকাৰসমূহ বলৱৎ কৰাৰ বাবে সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ বিষয়ে উল্লেখ কৰা হৈছে। সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ ক্ষেত্ৰত সংসদে আইনৰ জৰিয়তে অন্য কোনো আদালতকো ইয়াৰ অধিকাৰক্ষেত্ৰৰ ভিতৰত এনে ক্ষমতা প্ৰয়োগ কৰিবলৈ ক্ষমতা প্ৰদান কৰিব পাৰে। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩৫ই সংসদক সশস্ত্ৰ বাহিনীৰ মাজত কৰ্তব্য আৰু শৃংখলা নিশ্চিত কৰাৰ বাবে আইন প্ৰণয়নৰ ক্ষমতা প্ৰদান কৰিছে। অনুচ্ছেদ ৩৪ অনুসৰি কোনো অঞ্চলত সামৰিক আইন বলবৎ হৈ থকা সময়ত মৌলিক অধিকাৰ উলংঘন কৰা কোনো কাৰ্যৰ বাবে ৰাষ্ট্ৰৰ সেৱাত থকা

কোনো ব্যক্তিক সংসদে আইনৰ জৰিয়তে ক্ষতিপূৰণ বা দায়মুক্তি প্ৰদান কৰিব পাৰে। ভাৰতত সংসদ হৈছে এনে এক সক্ৰিয় সংস্থা যিয়ে ব্যক্তিৰ অধিকাৰৰ বিষয়টো সদায় গুৰুত্বসহকাৰে বিবেচনা কৰে। সংসদে কিছুমান ক্ষেত্ৰত ব্যক্তিক আটক কৰাৰ পৰা সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে, গ্ৰেপ্তাৰ কৰা প্ৰতিজন ব্যক্তিক গ্ৰেপ্তাৰৰ কাৰণ জনাব লাগিব আৰু তেওঁ নিজৰ পছন্দৰ আইনী বিশেষজ্ঞৰ সৈতে পৰামৰ্শ কৰাৰ অধিকাৰ লাভ কৰিব।

ভাৰতত সংসদ আৰু ৰাজ্যিক বিধানসভাসমূহে ভাৰতীয় জনসাধাৰণৰ মানৱ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে বহুতো আইন প্ৰণয়ন কৰিছে। ইয়াৰে কিছুমান হ'ল- মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩; তথ্য জনাৰ অধিকাৰ আইন, ২০০৫; কৰ্মক্ষেত্ৰত মহিলাৰ যৌন নিৰ্যাতন (প্ৰতিৰোধ, নিষেধাজ্ঞা আৰু প্ৰতিকাৰ) আইন, ২০১৩, ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আইন, ২০০৫; ৰাষ্ট্ৰীয় অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আয়োগ আইন; ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ আইন, ১৯৯২; ৰাষ্ট্ৰীয় মহিলা আয়োগ আইন, ১৯৯০; নাগৰিক অধিকাৰ সুৰক্ষা আইন, ১৯৫৫; the Person with Disabilities (Equal Opportunities, Protection of Rights and Full Prticipation) Act, ১৯৯৫; অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইন, ১৯৮৯; অনৈতিক সৰবৰাহ (প্ৰতিৰোধ) আইন, ১৯৫৬; Indecent Representation of Women(Prohibition) Act, ১৯৮৬; যৌতুক নিষেধাজ্ঞা আইন, ১৯৬১; Meternity Benefit Act, ১৯৬১; শিশু আইন, ১৯৬০; শিশু শ্ৰমিক (নিষেধাজ্ঞা আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬; ন্যূনতম মজুৰি আইন, ১৯৮৬; বন্ধকী শ্ৰমিক ব্যৱস্থা বিলোপ আইন, ১৯৭৬ আদি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত যিকোনো দুটা মৌলিক অধিকাৰৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন নং ২ ঃ ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিৰ যিকোনো দুটা উল্লেখ কৰক।

প্ৰশ্ন নং ৩ ঃ ভাৰতীয় জনসাধাৰণৰ মানৱ অধিকাৰ সুৰক্ষাৰ বাবে ভাৰতীয় সংসদে প্ৰণয়ন কৰা যিকোনো চাৰিখন আইন উল্লেখ কৰক।

১১.৫ মানৱ অধিকাৰ সুৰক্ষাত ভাৰতীয় ন্যায়পালিকাৰ ভূমিকা

ভাৰতীয় ন্যায়পালিকাই জনকেন্দ্ৰিক দৃষ্টিভংগীৰ জৰিয়তে ভাৰতত বসবাস কৰা প্ৰতিগৰাকী ব্যক্তিৰ অধিকাৰ সুৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ন্যায়াধীশ ভি. আৰ. কৃষ্ণ আইয়াৰৰ দ্বাৰা আৰম্ভ কৰা জনস্বাৰ্থ জড়িত গোচৰ (Public Interest Litigation বা PIL) আৰু ন্যায়াধীশ পি. এন. ভাগৱতীৰ দ্বাৰা আগবঢ়োৱা ন্যায়িক সক্ৰিয়তাই ভাৰতত মানৱ অধিকাৰৰ কাৰ্যকলাপৰ পৰিসৰ বহল কৰিছে। মানৱ অধিকাৰৰ সৈতে জড়িত বিষয়ত ন্যায়পালিকাৰ ভূমিকাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশটো ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩২ আৰু ২২৬ত থকা সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ সৈতে প্ৰত্যক্ষভাবে জড়িত। ব্যক্তিসকলে নিজৰ মৌলিক অধিকাৰ বলৱৎ কৰাৰ বাবে পোনপটীয়াকৈ উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ কাষ চাপিব পাৰে। অনুচ্ছেদ ২২৬ৰ অধীনত উচ্চ ন্যায়ালয়ে জনসাধাৰণৰ মানৱ অধিকাৰ সুৰক্ষাৰ বাবে বিভিন্ন ৰিট জাৰি কৰিব পাৰে। সেইবোৰ হ'ল বন্দী প্ৰত্যক্ষীকৰণ, পৰমাদেশ, প্ৰতিষেধ, উৎপ্ৰেষণ আৰু অধিকাৰ পৃচ্ছা। অনুচ্ছেদ ৩২ই ব্যক্তিক নিজৰ মৌলিক অধিকাৰ বলবৎ কৰাৰ বাবে উচ্চতম ন্যায়ালয়ৰ কাষ চপাৰ অধিকাৰ নিশ্চিত কৰে।

জনস্বাৰ্থমূলক গোচৰ (PIL)-এ চৰকাৰসমূহক প্ৰতিটো শ্ৰেণীৰ লোকৰ মানৱ অধিকাৰৰ প্ৰতি অধিক দায়বদ্ধ কৰি তোলাত যথেষ্ট সহায় কৰিছে। PILৰ ব্যৱস্থাই ক্ষমতাক প্ৰশ্ন কৰাৰ জৰিয়তে মানৱ অধিকাৰৰ পৰিসৰ বহল কৰিছে আৰু আদালতসমূহক জনসাধাৰণৰ অধিকাৰৰ সুৰক্ষাৰ বাবে অধিক সক্ৰিয় কৰি তুলিছে। PILৰ জৰিয়তে কোনো ব্যক্তিয়ে আন কোনো ব্যক্তি বা কোনো এটা শ্ৰেণীৰ অধিকাৰ বলবৎ কৰাৰ বাবে লেখ আবেদন দাখিল কৰিব পাৰে, যদিহে দৰিদ্ৰতা বা সামাজিক আৰু অৰ্থনৈতিক অসুবিধাৰ বাবে সেই ব্যক্তি বা শ্ৰেণীটোৰে নিজে আদালতৰ কাষ চাপিবলৈ সক্ষম নহয়। বৰ্তমান সময়ত জনস্বাৰ্থমূলক গোচৰ (PIL) ভাৰতত জনসাধাৰণৰ মানৱ অধিকাৰ সুৰক্ষাৰ এক গুৰুত্বপূৰ্ণ উপায় হিচাপে পৰিগণিত হৈছে।

১১.৬ ভাৰতৰ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ

ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহে মানৱ অধিকাৰ প্ৰসাৰ আৰু সু�ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ৰাষ্ট্ৰৰ অন্যান্য প্ৰতিষ্ঠানসমূহে কৰা মানৱ অধিকাৰ উলংঘনৰ ওপৰত নজৰ ৰাখি এই প্ৰতিষ্ঠানসমূহে ন্যায়পালিকাক সহায় কৰিব পাৰে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে (NHRC) ন্যায়পালিকাক ইয়াৰ দায়িত্ব সম্পাদনত সহায় কৰিব পাৰে। আয়োগে জনসাধাৰণক তেওঁলোকৰ অধিকাৰৰ বিষয়ে সচেতন কৰি মানৱ অধিকাৰভিত্তিক সংস্কৃতি গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টাত সহায় কৰিব পাৰে। ভাৰতত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ প্ৰতিষ্ঠা মানৱ অধিকাৰ প্ৰসাৰ আৰু সু�ৰক্ষাৰ প্ৰতি ভাৰতৰ উদ্বেগৰ এক বহিঃপ্ৰকাশ। ১২ অক্টোবৰ, ১৯৯৩ তাৰিখে মানৱ অধিকাৰ সু�ৰক্ষা আইন, ১৯৯৩ৰ অধীনত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ প্ৰতিষ্ঠা কৰা হৈছিল। এই আইনৰ দ্বিতীয়ৰ পৰা চতুৰ্থ অধ্যায়লৈ NHRCৰ সৈতে জড়িত ব্যৱস্থা আছে।

১১.৬.১ আয়োগৰ গঠন

মানৱ অধিকাৰ সুৰক্ষা আইনৰ দ্বিতীয় অধ্যায়ত NHRCৰ গঠনৰ বিষয়ে উল্লেখ কৰা হৈছে। আইনৰ ধাৰা ৩ অনুসৰি কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ নামেৰে এটা সংস্থা গঠন কৰিব। আয়োগটো তলত দিয়া সদস্যসকলক লৈ গঠিত—

- এজন অধ্যক্ষ, উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ হব লাগিব;
- এজন সদস্য, উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন বা কৰ্মৰত ন্যায়াধীশ হব লাগিব;
- এজন সদস্য, কোনো উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন বা কৰ্মৰত মুখ্য ন্যায়াধীশ হব লাগিব;
- মানৱ অধিকাৰৰ সৈতে জড়িত বিষয়ত জ্ঞান বা ব্যৱহাৰিক অভিজ্ঞতা থকা ব্যক্তিসকলৰ মাজৰ পৰা দুজন সদস্য;
- ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আয়োগ আৰু ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষসকলকো NHRCৰ সদস্য হিচাপে নিযুক্ত কৰা হয়।

আয়োগৰ অধ্যক্ষ আৰু অন্যান্য সদস্যসকলক প্ৰধানমন্ত্ৰীক অধ্যক্ষ হিচাপে লৈ গঠিত এখন ছয়জনীয়া সমিতিৰ পৰামৰ্শৰ ভিত্তিত ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে। সমিতিৰ আন সদস্যসকল হ'ল- লোকসভাৰ অধ্যক্ষ; ভাৰত চৰকাৰৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ দায়িত্বত থকা মন্ত্ৰী; লোকসভাৰ বিৰোধী দলৰ নেতা; ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা; আৰু ৰাজ্যসভাৰ উপাধ্যক্ষ।

১১.৬.২ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ কাৰ্যাৱলী

আইনৰ ধাৰা ১২ত আয়োগৰ কাৰ্যাৱলী নিৰ্ধাৰণ কৰা হৈছে। এই কাৰ্যাৱলীসমূহে মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত আয়োগৰ সক্ৰিয়তা আৰু দায়িত্ব প্ৰতিফলিত কৰে। আয়োগৰ কিছুমান গুৰুত্বপূৰ্ণ কাৰ্যাবলী হ'ল-

- কোনো আদালতত বিচাৰাধীন মানৱ অধিকাৰ উলংঘনৰ অভিযোগ জড়িত থকা কোনো গোচৰত সংশ্লিষ্ট আদালতৰ অনুমোদন সাপেক্ষে আয়োগে হস্তক্ষেপ কৰিব পাৰে।
- ৰাজ্য চৰকাৰক অৱগত কৰি আয়োগে ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰণাধীন যিকোনো কাৰাগাৰ বা এনে কোনো প্ৰতিষ্ঠান পৰিদৰ্শন কৰিব পাৰে, য'ত ব্যক্তিসকলক আটক, চিকিৎসা, সংস্কাৰ বা সুৰক্ষাৰ বাবে ৰখা হয়। আয়োগে তাত থকা লোকসকলৰ জীৱন-যাপনৰ পৰিস্থিতি অধ্যয়ন কৰি সেই সন্দৰ্ভত পৰামৰ্শ আগবঢ়াব পাৰে।
- সংবিধান বা বৰ্তমান বলৱৎ থকা কোনো আইনৰ অধীনত মানৱ অধিকাৰ সুৰক্ষাৰ বাবে থকা ব্যৱস্থাসমূহ পৰ্যালোচনা কৰি সেইবোৰ ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰাৰ বাবে পৰামৰ্শ আগবঢ়াব পাৰে।

- সন্ত্রাসবাদকে ধৰি মানৱ অধিকাৰ উপভোগত বাধা সৃষ্টি কৰা বিভিন্ন কাৰক পর্যালোচনা কৰি উপযুক্ত প্রতিকাৰৰ ব্যৱস্থাৰ পৰামর্শ আগবঢ়াব পাৰে।
- মানৱ অধিকাৰৰ সৈতে জড়িত সন্ধি আৰু অন্যান্য আন্তঃৰাষ্ট্রীয় দলিল অধ্যয়ন কৰি সেইবোৰ ফলপ্রসূভাৱে কার্যকৰী কৰাৰ বাবে পৰামর্শ আগবঢ়াব পাৰে।
- আয়োগে মানৱ অধিকাৰৰ ক্ষেত্রত গবেষণা কৰে আৰু গৱেষণাক উৎসাহিত কৰে।
- প্রকাশন, গণমাধ্যম, আলোচনা-চক্র আৰু অন্যান্য উপায়ৰ জৰিয়তে সমাজৰ বিভিন্ন শ্রেণীৰ মাজত মানৱ অধিকাৰ সম্পর্কে জ্ঞান আৰু সচেতনতা বৃদ্ধি কৰে আৰু এই অধিকাৰসমূহ সু�ৰক্ষাৰ বাবে উপলব্ধ ব্যৱস্থাসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰে।
- মানৱ অধিকাৰৰ ক্ষেত্রত কাম কৰা বেচৰকাৰী সংগঠন আৰু প্রতিষ্ঠানসমূহৰ প্রচেষ্টাক উৎসাহিত কৰে।
- মানৱ অধিকাৰ সু�ৰক্ষাৰ বাবে প্রয়োজনীয় বুলি বিবেচনা কৰা অন্যান্য কার্যও সম্পাদন কৰিব পাৰে।
- আয়োগে কেন্দ্রীয় চৰকাৰৰ ওচৰত ইয়াৰ বার্ষিক প্রতিবেদন দাখিল কৰে।

১১.৬.৩ মানৱ অধিকাৰৰ সুৰক্ষা আৰু ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগ

ভাৰতত মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্রত ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। আয়োগৰ কার্যপৰিসৰৰ ভিতৰত নাগৰিক, ৰাজনৈতিক, অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহ অন্তর্ভুক্ত হৈ আছে। সন্ত্রাসবাদ আৰু বিদ্রোহজনিত সমস্যাৰ সন্মুখীন হোৱা অঞ্চলসমূহ, আৰক্ষী বা অন্য কর্তৃপক্ষৰ জিম্মাত মৃত্যু, ধর্ষণ আৰু নির্যাতন, আৰক্ষী ব্যৱস্থাৰ সংস্কাৰ, কাৰাগাৰ আৰু অন্যান্য প্রতিষ্ঠান, যেনে কিশোৰ-কিশোৰীৰ আশ্রয়গৃহ, মানসিক চিকিৎসালয় আৰু মহিলাৰ আশ্রয়গৃহ আদিৰ সমস্যাসমূহৰ প্রতি আয়োগে বিশেষ গুৰুত্ব প্রদান কৰি আহিছে। মর্যাদাপূর্ণ জীৱন যাপনৰ বাবে অপৰিহার্য মাতৃ আৰু শিশুৰ কল্যাণ নিশ্চিত কৰিবলৈ আয়োগে প্রাথমিক স্বাস্থ্যসেৱাৰ সুবিধা প্রদানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ লগতে বিশুদ্ধ খোৱাপানী, খাদ্য আৰু পুষ্টিৰ দৰে মৌলিক প্রয়োজনীয়তাসমূহ পূৰণ কৰাৰ বাবেও আয়োগে আহ্বান জনাইছে। আয়োগে সমাজৰ সুবিধাবঞ্চিত শ্রেণী, বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকসকলৰ ক্ষেত্রত সমতা আৰু ন্যায় নিশ্চিত কৰাৰ লগতে তেওঁলোকৰ বিৰুদ্ধে সংঘটিত অত্যাচাৰ প্রতিৰোধৰ বিষয়টোও বিশেষভাৱে উত্থাপন কৰিছে। ইয়াৰ উপৰি দিব্যাংগ ব্যক্তিসকলৰ অধিকাৰ, ৰাজহুৱা সেৱা লাভৰ সুবিধা, জনসাধাৰণৰ স্থানচ্যুতি, খাদ্যৰ অভাৱ আৰু অনাহাৰত মৃত্যুৰ অভিযোগ, শিশুৰ অধিকাৰ, হিংসা, যৌন নির্যাতন আৰু বৈষম্যৰ সম্মুখীন হোৱা মহিলাসকলৰ অধিকাৰ আৰু সংখ্যালঘুসকলৰ অধিকাৰ আদি বিষয়সমূহেও বিভিন্ন সময়ত আয়োগৰ কার্যসূচীত বিশেষ স্থান লাভ কৰিছে।

আয়োগৰ অন্যতম গুৰুত্বপূর্ণ পদক্ষেপ হৈছে ৰাজ্যিক আৰু মহানগৰ আৰক্ষীৰ মুখ্য কার্যালয়সমূহত মানৱ অধিকাৰ কোষ স্থাপন কৰা। ইয়াৰ লগতে এইচ.আই.ভি. ত আক্রান্ত ব্যক্তিসকলৰ মানৱ অধিকাৰ সম্পর্কীয় বিষয়সমূহো আয়োগে বিবেচনা কৰে। উচ্চতম ন্যায়ালয়ৰ নির্দেশ অনুসৰি আয়োগে ৰাঁচী, আগ্রা আৰু গোৱালিয়ৰৰ মানসিক চিকিৎসালয়সমূহৰ লগতে আগ্রাৰ সুৰক্ষা গৃহৰ কার্যকলাপো নিৰীক্ষণ কৰিছে। ইয়াৰ উপৰি বৃন্দাবনৰ নিঃসহায় বিধৱাসকলৰ কল্যাণৰ বিষয়টোও আয়োগে বিবেচনা কৰি আহিছে। আয়োগে পৰামর্শ আগবঢ়াইছে যে অর্ধসামৰিক বাহিনী আৰু সেনাবাহিনীৰ জিম্মাত থকা কোনো ব্যক্তিৰ মৃত্যু বা ধর্ষণৰ ঘটনা সংঘটিত হ'লে সংশ্লিষ্ট বাহিনীয়ে সেই বিষয়ে পোনপটীয়াকৈ আয়োগক অৱগত কৰিব লাগে।

ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগে সর্বভাৰতীয় আয়ুবিজ্ঞান প্রতিষ্ঠানৰ (AIIMS) সঞ্চালকলৈ এখন জাননী জাৰি কৰি দুসপ্তাহৰ ভিতৰত এক তথ্যভিত্তিক প্রতিবেদন দাখিল কৰিবলৈ নির্দেশ দিছিল।

সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, চিকিৎসালয়খনৰ এজন চিকিৎসক ডাঃ এ. কে. বিছোইক নিলম্বন কৰাৰ ফলত অস্ত্ৰোপচাৰৰ বাবে অপেক্ষা কৰি থকা হেমন্ত, দীপক আৰু কাঞ্চন নামৰ শিশু ৰোগীকেইজনে যথেষ্ট অসুবিধাৰ সম্মুখীন হৈছিল। এই বিষয়ত আয়োগে প্ৰতিষ্ঠানটোৰ পৰা তথ্য বিচাৰিছিল। আয়োগে এলাহাবাদত সংঘটিত হোৱা বুলি অভিযোগ উত্থাপিত এটা ভুৱা আৰক্ষী সংঘৰ্ষৰ সন্দৰ্ভত উত্তৰ প্ৰদেশ চৰকাৰলৈও জাননী জাৰি কৰিছিল। একেদৰে পঞ্জাব চৰকাৰৰ অধীনস্থ এখন চিকিৎসালয়ত দুৰ্ঘটনাত আহত এজন ব্যক্তিক চিকিৎসা প্ৰদান কৰিবলৈ অস্বীকাৰ কৰাৰ বাতৰি সন্দৰ্ভতো আয়োগে পঞ্জাব চৰকাৰলৈ জাননী প্ৰেৰণ কৰিছিল। তিহাৰ কাৰাগাৰত ধাৰাবাহিকভাৱে সংঘটিত মৃত্যুৰ ঘটনাসমূহৰ বিষয়ে স্বতঃপ্ৰণোদিতভাৱে ব্যৱস্থা গ্ৰহণ কৰি ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ এটা দলে কাৰাগাৰখন পৰিদৰ্শন কৰি তদন্ত আৰম্ভ কৰিছিল। গোধৰাৰ ঘটনাৰ পৰৱৰ্তী সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়তো আয়োগে সংশ্লিষ্ট অঞ্চল পৰিদৰ্শন কৰিছিল। ৰাজস্থানত গুজ্জৰ আন্দোলনকাৰীসকলৰ ওপৰত আৰক্ষীয়ে চলোৱা গুলীচালনাৰ ফলত ৩৫ জন লোকৰ মৃত্যু হোৱা ঘটনাৰ সন্দৰ্ভত আয়োগে এক স্বতন্ত্ৰ তদন্তৰ নিৰ্দেশ দিছিল। ইয়াৰ লগতে তিহাৰ কাৰাগাৰৰ বন্দীসকলক প্ৰদান কৰা মজুৰিৰ সবিশেষ উল্লেখ কৰি কাৰাগাৰখনৰ হিচাপ-বিৱৰণী দাখিল কৰিবলৈ দিল্লী চৰকাৰক নিৰ্দেশ দিছিল। বৰদিনৰ সময়ছোৱাত ওড়িশাৰ কান্ধমাল জিলাত সংঘটিত সাম্প্ৰদায়িক হিংসাৰ পৰৱৰ্তী পৰিস্থিতি পৰ্যালোচনা কৰিবলৈও ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে ওড়িশা ভ্ৰমণ কৰিছিল। ইয়াৰ উপৰি বিভিন্ন চৰকাৰী সংস্থাই কঠোৰভাৱে অনুসৰণ কৰিবলগীয়া বিভিন্ন আইনী জাননীও আয়োগে জাৰি কৰিছিল। হাৰিয়ানাৰ হিছাৰ আৰক্ষীয়ে ভুল পৰিচয়ৰ ভিত্তিত সংঘটিত কৰা এটা আৰক্ষী সংঘৰ্ষত ২২ বছৰীয়া কুলদীপ নামৰ এজন ছাত্ৰৰ মৃত্যু হোৱা ঘটনাৰ সন্দৰ্ভত আয়োগে হাৰিয়ানাৰ আৰক্ষী সঞ্চালকপ্ৰধান, ভিৱানীৰ জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষকলৈ জাননী জাৰি কৰিছিল। আয়োগে তেওঁলোকক ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ নিৰ্দেশনা অনুসৰি তদন্ত সম্পন্ন কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৈছিল। মণিপুৰত সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন প্ৰয়োগৰ ফলত মানৱ অধিকাৰৰ ব্যাপক উলংঘনৰ অভিযোগ উত্থাপিত হৈছে। মনোৰমা দেৱী নামৰ এগৰাকী মহিলাক সেনাবাহিনীৰ জিম্মাত ধৰ্ষণ কৰা আৰু তেওঁৰ মৃত্যু হোৱা ঘটনাই মানৱ অধিকাৰ উলংঘনৰ এক গুৰুতৰ দৃষ্টান্ত দাঙি ধৰিছিল। জিম্মাত সংঘটিত এই নিৰ্যাতনৰ ঘটনাৰ ক্ষেত্ৰতো ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে হস্তক্ষেপ কৰিছিল, যাতে এনে ধৰণৰ মানৱ অধিকাৰ উলংঘন প্ৰতিৰোধ কৰিব পৰা যায়। উল্লেখিত সময়লৈকে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে সমগ্ৰ ভাৰতৰ পৰা বিভিন্ন শ্ৰেণীৰ ৭৪,০০০ৰো অধিক অভিযোগ লাভ কৰিছিল। আয়োগে মানৱ অধিকাৰ উলংঘনৰ কেইবাটাও গুৰুতৰ ঘটনাৰ তদন্ত কৰি এনে উলংঘন বোধ কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাসমূহৰ পৰামৰ্শসহ চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিছে। ভাৰতত মানৱ অধিকাৰৰ সম্পূৰ্ণ বাস্তবায়ন এতিয়াও এক দূৰৱৰ্তী লক্ষ্য হৈ আছে। সেয়েহে মানৱ অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম অধিক শক্তিশালীভাৱে অব্যাহত ৰখাৰ প্ৰয়োজন। মানৱীয় মৰ্যাদা আৰু মূল্যবোধৰ উন্নয়নৰ বাবে দৃঢ় ইচ্ছাশক্তি আৰু সংকল্পই মানৱ অধিকাৰ আন্দোলনক নিশ্চিতভাৱে সফলতাৰ দিশে আগুৱাই নিব পাৰে। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগেও এক নিৰ্দিষ্ট পৰিসৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ গঠন সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন নং ৫ ঃ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ যিকোনো চাৰিটা কাৰ্য উল্লেখ কৰক।

প্ৰশ্ন নং ৬ ঃ ভাৰতীয় জনসাধাৰণৰ মানৱ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ ক্ষেত্ৰত ন্যায়পালিকাৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখক।

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে অধিকাৰ আৰু স্বাধীনতা সম্পৰ্কীয় কেইবাটাও ব্যৱস্থা সংবিধানত অন্তৰ্ভুক্ত কৰিছে। সংবিধানৰ প্ৰস্তাৱনাতো জনসাধাৰণৰ অধিকাৰ আৰু স্বাধীনতা সম্পৰ্কীয় বিভিন্ন বিধান সন্নিৱিষ্ট কৰা হৈছে। সংবিধানৰ প্ৰস্তাৱনাত ঘোষণা কৰা হৈছে যে ৰাষ্ট্ৰই কোনো ধৰণৰ বৈষম্য নকৰাকৈ সকলো ভাৰতীয় নাগৰিকৰ মাজত সমতা আৰু ন্যায় প্ৰতিষ্ঠাৰ চেষ্টা কৰিব আৰু প্ৰতিজন ভাৰতীয় নাগৰিকৰ স্বাধীনতা নিশ্চিত কৰিব।
- ভাৰতীয় সংবিধানৰ তৃতীয় অংশত ৰচৰ পৰা ৩৫ নং অনুচ্ছেদলৈ মৌলিক অধিকাৰসমূহৰ ব্যৱস্থা কৰা হৈছে। এই মৌলিক অধিকাৰসমূহক প্ৰাথমিক মানৱ অধিকাৰ হিচাপে গণ্য কৰা হয়। এই অধিকাৰসমূহ হৈছে- সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ, শৈক্ষিক আৰু সাংস্কৃতিক অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ আৰু সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ।
- মৌলিক অধিকাৰসমূহৰ উপৰি ভাৰতীয় সংবিধানৰ চতুৰ্থ অংশত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহৰ ৰূপত মানৱ অধিকাৰ সম্পৰ্কীয় আন কিছুমান ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। এই নীতিসমূহে মূলতঃ নীতি প্ৰণয়ন আৰু কাৰ্যকৰীকৰণৰ সময়ত ৰাষ্ট্ৰক দিকনিৰ্দেশনা প্ৰদান কৰে, যাতে নাগৰিকসকলৰ অধিকাৰ আৰু স্বাধীনতা সু�ৰক্ষিত হয়।
- ভাৰতত মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সু�ৰক্ষাৰ ক্ষেত্ৰত সংসদে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই উদ্দেশ্যে সংসদে কেইবাখনো আইন প্ৰণয়ন কৰিছে।
- ভাৰতীয় ন্যায়পালিকাই জনমুখী দৃষ্টিভংগীৰ জৰিয়তে ভাৰতৰ ভূখণ্ডৰ ভিতৰত বসবাস কৰা প্ৰতিজন ব্যক্তিৰ অধিকাৰ সু�ৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- ভাৰতত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ প্ৰতিষ্ঠাই মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সু�ৰক্ষাৰ প্ৰতি দেশখনৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰে। মানৱ অধিকাৰ সু�ৰক্ষা আইন, ১৯৯৩ৰ অধীনত ১৯৯৩ চনৰ ১২ অক্টোবৰত আয়োগখন প্ৰতিষ্ঠা কৰা হৈছিল। এই আইনৰ দ্বিতীয়ৰ পৰা চতুৰ্থ অধ্যায়লৈ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ সম্পৰ্কীয় ব্যবস্থা সন্নিৱিষ্ট কৰা হৈছে।
- ভাৰতীয় জনসাধাৰণৰ অধিকাৰ আৰু স্বাধীনতাৰ প্ৰসাৰ তথা সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

১১.৮ অধিক জানিবলৈ

1. Agarwal, H. O. (2006). *Human Rights.* Allahabad: Central Law Publications.
2. Anuradh, K. P. (2010). *Human Rights Issues in India.* New Delhi: Adhyayan Publishers and Distributors.
3. Dev, Arjun et al. (Eds.). (1996). *Human Rights: A Source Book.* New Delhi: NCERT.
4. Gupta, D. C. (2010). *Indian Government and Politics.* Delhi: Vikas Publishing House Pvt. Ltd.
5. Saksena, K. P. (Ed.). (2003). *Human Rights and the Constitution: Vision and the Reality.* New Delhi: Gyan Publishing House!
6. Yasin, Adil-ul, & Upadhyay, Archana. (2004). *Human Rights.* New Delhi: Akansha Publishing House.

১১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

(i) স্বাধীনতাৰ অধিকাৰ: ভাৰতীয় সংবিধানৰ ১৯ৰ পৰা ২২ নং অনুচ্ছেদলৈ স্বাধীনতাৰ অধিকাৰ সম্পর্কীয় ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছে। ১৯ নং অনুচ্ছেদ অনুসৰি ভাৰতৰ সকলো নাগৰিকে বাক্ আৰু মত প্রকাশৰ স্বাধীনতা, অস্ত্র-শস্ত্র অবিহনে শান্তিপূর্ণভাৱে সমবেত হোৱাৰ স্বাধীনতা, সংঘ বা সংগঠন গঠন কৰাৰ স্বাধীনতা, ভাৰতৰ সমগ্র ভূখণ্ডত মুক্তভাৱে চলাচল কৰাৰ স্বাধীনতা, দেশৰ যিকোনো অংশত বসবাস আৰু স্থায়ীভাৱে বসতি স্থাপন কৰাৰ স্বাধীনতা আৰু যিকোনো বৃত্তি গ্রহণ বা ব্যৱসায়-বাণিজ্য চলোৱাৰ স্বাধীনতা লাভ কৰে। ২১ নং অনুচ্ছেদ অনুসৰি আইনত প্রতিষ্ঠিত পদ্ধতিৰ বাহিৰে কোনো ব্যক্তিক তেওঁৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰিব নোৱাৰি। অর্থাৎ কোনো ব্যক্তিৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতাত হস্তক্ষেপ কেৱল আইন অনুসৰি নির্ধাৰিত পদ্ধতিৰ জৰিয়তেহে কৰিব পাৰি।

(ii) শোষণৰ বিৰুদ্ধে অধিকাৰ: ভাৰতীয় সংবিধানৰ ২৩ আৰু ২৪ নং অনুচ্ছেদত শোষণৰ বিৰুদ্ধে অধিকাৰৰ ব্যৱস্থা কৰা হৈছে। এই অধিকাৰৰ অধীনত বিশেষকৈ শিশুশ্রমৰ কিছুমান ৰূপ নিষিদ্ধ কৰা হৈছে। ২৩ নং অনুচ্ছেদৰ জৰিয়তে মানৱ সৰবৰাহ আৰু সকলো ধৰণৰ বলপূর্বক শ্রম নিষিদ্ধ কৰা হৈছে। এনে কার্য আইন অনুসৰি শাস্তিযোগ্য অপৰাধ। ২৪ নং অনুচ্ছেদ অনুসৰি ১৪ বছৰৰ তলৰ কোনো শিশুক কাৰখানা, খনি বা অন্য কোনো বিপজ্জনক কামত নিয়োগ কৰিব নোৱাৰি।

২ নং প্রশ্নৰ উত্তৰ ঃ

(i) ৰাষ্ট্রই পুৰুষ আৰু মহিলা নির্বিশেষে সকলো নাগৰিকৰ বাবে জীৱিকা নির্বাহৰ পর্যাপ্ত উপায় নিশ্চিত কৰিব লাগে।

(ii) ৰাষ্ট্রই পুৰুষ আৰু মহিলা উভয়ৰে বাবে সমান কামৰ বিনিময়ত সমান মজুৰি নিশ্চিত কৰিব লাগে।

৩ নং প্রশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰ সুৰক্ষাৰ সৈতে জড়িত কেইখনমান গুৰুত্বপূর্ণ আইন হৈছে—

১. মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩।
২. তথ্য জনাৰ অধিকাৰ আইন, ২০০৫।
৩. কর্মক্ষেত্রত মহিলাৰ যৌন নির্যাতন (প্রতিৰোধ, নিষেধাজ্ঞা আৰু প্রতিকাৰ) আইন, ২০১৩।
৪. ৰাষ্ট্রীয় গ্রাম্য নিয়োগ নিশ্চয়তা আইন, ২০০৫।
৫. ৰাষ্ট্রীয় অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আয়োগ সম্পর্কীয় আইন।

৪ নং প্রশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩ৰ দ্বিতীয় অধ্যায়ত ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগৰ গঠন সম্পর্কে আলোচনা কৰা হৈছে। আইনখনৰ ৩ নং ধাৰা অনুসৰি কেন্দ্রীয় চৰকাৰে ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগ নামেৰে এটা সংস্থা গঠন কৰিব।

মূল পাঠ্যত উল্লেখ কৰা অনুসৰি আয়োগখনৰ গঠন এনেধৰণৰ—

- এগৰাকী অধ্যক্ষ, যিগৰাকী পূর্বতে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আছিল।
- এগৰাকী সদস্য, যিগৰাকী উচ্চতম ন্যায়ালয়ৰ বর্তমানৰ বা প্রাক্তন ন্যায়াধীশ।
- এগৰাকী সদস্য, যিগৰাকী কোনো উচ্চ ন্যায়ালয়ৰ বর্তমানৰ বা প্রাক্তন মুখ্য ন্যায়াধীশ।
- মানৱ অধিকাৰ সম্পর্কীয় বিষয়ত জ্ঞান বা ব্যৱহাৰিক অভিজ্ঞতা থকা ব্যক্তিসকলৰ মাজৰ পৰা নিযুক্ত দুগৰাকী সদস্য।
- ৰাষ্ট্রীয় সংখ্যালঘু আয়োগ, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আয়োগ তথা ৰাষ্ট্রীয় মহিলা আয়োগৰ অধ্যক্ষসকলকো ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগৰ সদস্য হিচাপে অন্তর্ভুক্ত কৰা হয়।
- আয়োগৰ অধ্যক্ষ আৰু অন্যান্য সদস্যসকলক প্রধানমন্ত্রীৰ অধ্যক্ষতাত গঠিত ছয়জনীয়া সমিতিৰ পৰামর্শ অনুসৰি ৰাষ্ট্রপতিয়ে নিযুক্তি দিয়ে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ

(i) কোনো আদালতত বিচাৰাধীন হৈ থকা মানৱ অধিকাৰ উলংঘনৰ অভিযোগ সম্পৰ্কীয় গোচৰত সংশ্লিষ্ট আদালতৰ অনুমতি সাপেক্ষে আয়োগে হস্তক্ষেপ কৰিব পাৰে।

(ii) আয়োগে ৰাজ্য চৰকাৰক অৱগত কৰি ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰণাধীন যিকোনো কাৰাগাৰ বা অন্য প্ৰতিষ্ঠান পৰিদৰ্শন কৰিব পাৰে, য'ত ব্যক্তিসকলক চিকিৎসা, সংশোধন বা সুৰক্ষাৰ উদ্দেশ্যে আটক বা আশ্ৰয় দিয়া হয়। আয়োগে তাত থকা ব্যক্তিসকলৰ জীৱন-যাপনৰ অৱস্থা অধ্যয়ন কৰি প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াব পাৰে।

(iii) মানৱ অধিকাৰ সুৰক্ষাৰ বাবে সংবিধান বা প্ৰচলিত আইনৰ অধীনত প্ৰদান কৰা সুৰক্ষামূলক ব্যৱস্থাসমূহ আয়োগে পৰ্যালোচনা কৰিব পাৰে আৰু সেইসমূহ ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰাৰ বাবে উপযুক্ত ব্যৱস্থাৰ পৰামৰ্শ দিব পাৰে।

(iv) সন্ত্ৰাসবাদী কাৰ্যকলাপকে ধৰি মানৱ অধিকাৰ উপভোগত বাধা সৃষ্টি কৰা বিভিন্ন কাৰক আয়োগে পৰ্যালোচনা কৰিব পাৰে আৰু সেইসমূহৰ প্ৰতিকাৰৰ বাবে উপযুক্ত ব্যৱস্থাৰ পৰামৰ্শ আগবঢ়াব পাৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় ন্যায়পালিকাই জনমুখী দৃষ্টিভংগীৰ জৰিয়তে ভাৰতৰ ভূখণ্ডৰ ভিতৰত বসবাস কৰা প্ৰতিজন ব্যক্তিৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ন্যায়াধীশ ভি. আৰ. কৃষ্ণ আয়াৰে আৰম্ভ কৰা জনস্বাৰ্থজড়িত গোচৰৰ ধাৰণা আৰু ন্যায়াধীশ পি. এন, ভগৱতীৰ ন্যায়িক সক্ৰিয়তাই ভাৰতত মানৱ অধিকাৰ সুৰক্ষাৰ পৰিসৰ সম্প্ৰসাৰিত কৰিছে। মানৱ অধিকাৰ সম্পৰ্কীয় বিষয়ত ন্যায়পালিকাৰ ভূমিকা বিশেষকৈ ভাৰতীয় সংবিধানৰ ৩২ আৰু ২২৬ নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। মৌলিক অধিকাৰ বলৱৎ কৰাৰ বাবে ব্যক্তিসকলে পোনপটীয়াকৈ উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ কায চাপিব পাৰে। সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়সমূহে জনসাধাৰণৰ অধিকাৰ সুৰক্ষাৰ বাবে বিভিন্ন লেখ জাৰি কৰিব পাৰে। এইসমূহ হৈছে- বন্দী প্ৰত্যক্ষীকৰণ, পৰমাদেশ, প্ৰতিষেধ, অধিকাৰ পৃচ্ছা আৰু উৎপ্ৰেষণ লেখ। সংবিধানৰ ৩২ নং অনুচ্ছেদে ব্যক্তিসকলক তেওঁলোকৰ মৌলিক অধিকাৰ বলৱৎ কৰাৰ উদ্দেশ্যে পোনপটীয়াকৈ উচ্চতম ন্যায়ালয়ৰ কায চপাৰ অধিকাৰ প্ৰদান কৰে।

১১.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ UDHRৰ সম্পূৰ্ণ ৰূপটো লিখক।

প্ৰশ্ন ২ ঃ ভাৰতীয় সংবিধানৰ কোনটো অংশত মৌলিক অধিকাৰসমূহৰ তালিকা সন্নিৱিষ্ট কৰা হৈছে?

প্ৰশ্ন ৩ ঃ জনস্বাৰ্থজড়িত গোচৰ (Public Interest Litigation)ৰ অৰ্থ উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক কাঠামো ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ গঠন সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ৬ ঃ ভাৰতৰ ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ৭ ঃ জনসাধাৰণৰ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কৰা ব্যৱস্থাসমূহ মূল্যায়ন কৰক।

প্ৰশ্ন ৮ ঃ মানৱ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ ক্ষেত্ৰত ভাৰতীয় সংসদৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ৯ ঃ মানৱ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ ক্ষেত্ৰত ভাৰতীয় ন্যায়পালিকাৰ ভূমিকা মূল্যায়ন কৰক।

প্ৰশ্ন ১০ ঃ মানৱ অধিকাৰৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকা আলোচনা কৰক।

****

অধ্যায় ১২ ঃ ভাৰতত মহিলাৰ অধিকাৰ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ মহিলাৰ সৈতে জড়িত আন্তঃৰাষ্ট্ৰীয় সন্মিলনসমূহ
১২.৪ ভাৰতত মহিলাৰ অধিকাৰ সু�ৰক্ষাৰ বাবে সাংবিধানিক ব্যৱস্থা
১২.৫ ভাৰতত মহিলাৰ অধিকাৰ সু�ৰক্ষাত বিধায়িকাৰ ভূমিকা
১২.৬ সমস্যা আৰু প্ৰত্যাহ্বানসমূহ
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবলৈ
১২. ৯ অগ্ৰগতিৰ খতিয়ান
১২.১০ সাম্ভাব্য প্ৰশ্নসমূহ

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মহিলাৰ অধিকাৰৰ সৈতে জড়িত আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব।
- ভাৰতত মহিলাসকলৰ সাংবিধানিক অধিকাৰসমূহ ব্যাখ্যা কৰিব পাৰিব।
- মহিলাৰ অধিকাৰৰ সৈতে জড়িত ভাৰতীয় সংসদে প্ৰণয়ন কৰা আইনসমূহ বিশ্লেষণ কৰিব পাৰিব।
- ভাৰতত বৰ্তমান মহিলাসকলে সন্মুখীন হোৱা সমস্যা আৰু প্ৰত্যাহ্বানসমূহ পৰ্যালোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

মহিলাৰ অধিকাৰৰ ধাৰণা ফৰাচী বিপ্লৱৰ সময়ৰ পৰাই আৰম্ভ হোৱা দেখা যায়। ফৰাচী বিপ্লৱৰ সময়ত মহিলা বিপ্লৱীসকলে দাবী কৰিছিল যে মানৱ অধিকাৰৰ ভিতৰত মহিলাৰ অধিকাৰো অন্তৰ্ভুক্ত হ'ব লাগিব। মানৱ অধিকাৰ আন্দোলনৰ সমান্তৰালভাৱে মহিলাসকলৰ অধিকাৰৰ বাবেও পৃথক আন্দোলন গঢ় লৈ উঠিছিল।

মহিলাসকলে পুৰুষৰ সমান কৰ্মসংস্থাপন, শিক্ষা, সমান কামৰ বাবে সমান দৰমহা, ৰাজনৈতিক অধিকাৰ আদি লাভৰ বাবে দীঘলীয়া সংগ্ৰাম কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত যুদ্ধ আৰু স্বাধীনতা সংগ্ৰামত মহিলাসকলৰ অৱদানক স্বীকৃতি দিয়া হয় আৰু মহিলাৰ অধিকাৰক আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰৰ অংশ হিচাপে গ্ৰহণ কৰা হয়।

মহিলাৰ অধিকাৰ আৰু মানৱ অধিকাৰ পৰস্পৰৰ সৈতে জড়িত। মানৱ অধিকাৰ যেনেকৈ সকলো মানুহৰ অবিচ্ছেদ্য অধিকাৰ, তেনেদৰে মহিলাৰ অধিকাৰো মহিলাসকলৰ অবিচ্ছেদ্য অধিকাৰ।

মহিলাসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘই ১৯৪৬ চনত মহিলাৰ মৰ্যাদা আয়োগ (Commission on the Status of Women — CSW) গঠন কৰে। ১৯৭৫-১৯৮৫ চনক "মহিলা উন্নয়ন দশক" হিচাপে

ঘোষণা কৰি মহিলাৰ বিৰুদ্ধে বৈষম্য দূৰ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰে।
১৯৭৫ চনত মেক্সিকো চহৰত অনুষ্ঠিত প্ৰথম বিশ্ব মহিলা সম্মিলনত মহিলাৰ সমতা আৰু শান্তি প্ৰতিষ্ঠাত তেওঁলোকৰ অৱদান সম্পৰ্কীয় ঘোষণা গৃহীত হয়। ইয়াৰ পিছত ১৯৭৬-১৯৮৫ সময়ছোৱাক "মহিলাৰ সমতা, উন্নয়ন আৰু শান্তিৰ বাবে ৰাষ্ট্ৰসংঘৰ দশক" হিচাপে ঘোষণা কৰা হয়।
১৯৮০ চনত কোপেনহেগেনত অনুষ্ঠিত দ্বিতীয় বিশ্ব মহিলা সম্মিলনত "শিক্ষা, নিয়োগ আৰু স্বাস্থ্য"ক মুখ্য বিষয় হিচাপে ধৰা হয়।
১৯৮৫ চনত নাইৰোবীত অনুষ্ঠিত তৃতীয় বিশ্ব মহিলা সম্মিলনে "২০০০ চনলৈকে মহিলাৰ উন্নয়নৰ বাবে অগ্ৰগামী কৌশল" গ্ৰহণ কৰে আৰু মহিলাৰ ওপৰত হিংসাৰ বিষয়টোক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গুৰুত্ব দিয়ে।
১৯৯৫ চনত বেইজিঙত অনুষ্ঠিত চতুৰ্থ বিশ্ব মহিলা সম্মিলনে "মহিলাৰ অধিকাৰ মানৱ অধিকাৰ" বুলি ঘোষণা কৰি মহিলাৰ মানৱ অধিকাৰ সুৰক্ষাৰ বাবে শক্তিশালী পৰামৰ্শ গ্ৰহণ কৰে।

১২.৩ মহিলাৰ অধিকাৰৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহ

ৰাষ্ট্ৰসংঘই মহিলাৰ অধিকাৰ ক্ষেত্ৰত বহু গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'ল-
১. ১৯৪৬ চনত মহিলাৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ উন্নয়নৰ বাবে মহিলাৰ মৰ্যাদা আয়োগ (CSW) গঠন।
২. ১৯৪৯ চনত মানৱ সৰবৰাহ আৰু যৌন শোষণ দমনৰ বাবে চুক্তি গ্ৰহণ।
৩. ১৯৫১ চনত আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাই সমান মূল্যৰ কামৰ বাবে পুৰুষ আৰু মহিলাক সমান পাৰিশ্ৰমিক দিয়াৰ চুক্তি গ্ৰহণ।
৪. ১৯৫২ চনত মহিলাৰ ভোটাধিকাৰসহ ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় চুক্তি গ্ৰহণ।
৫. ১৯৫৭ চনত বিবাহিত মহিলাৰ জাতীয়তা সম্পৰ্কীয় চুক্তি গ্ৰহণ।
৬. ১৯৬০ চনত কৰ্মসংস্থান আৰু পেছাত বৈষম্যবিৰোধী চুক্তি গ্ৰহণ।
৭. ১৯৬২ চনত বিবাহৰ সন্মতি, ন্যূনতম বয়স আৰু বিবাহ পঞ্জীয়ন সম্পৰ্কীয় চুক্তি গ্ৰহণ।
৮. ১৯৬৭ চনত মহিলাৰ বিৰুদ্ধে বৈষম্য নিৰ্মূলকৰণ ঘোষণা গ্ৰহণ।
৯. ১৯৭৯ চনত মহিলা সকলৰ ওপৰত সকলো প্ৰকাৰৰ বৈষম্য নিৰ্মূলকৰণ সন্মিলন (CEDAW) Convention on the Elimination of All Forms of Discrimination Against Women গ্ৰহণ।
১০. ১৯৯৩ চনত মহিলাৰ ওপৰত হিংসা নিৰ্মূলকৰণ ঘোষণা গ্ৰহণ।

এইদৰে ২১ শ শতিকাত প্ৰৱেশ কৰাৰ লগে লগে মহিলাৰ অধিকাৰৰ বাবে চলা আন্দোলনে অধিক গতি লাভ কৰি এক শক্তিশালী বৈশ্বিক গতিৰূপ ধাৰণ কৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে বহুতো চুক্তি সম্পাদিত হৈছে আৰু বিভিন্ন ৰাষ্ট্ৰীয় চৰকাৰেও নিজৰ নিজৰ অংশত মহিলাৰ সুৰক্ষা,সমতা আৰু ক্ষমতায়নৰ উদ্দেশ্যে বিভিন্ন আইন প্ৰণয়ন কৰিছে।

১২.৪ ভাৰতত মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে সাংবিধানিক ব্যৱস্থা

সমাজৰ প্ৰতিটো ক্ষেত্ৰতে মহিলাসকলে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। জীৱনৰ সকলো দিশত তেওঁলোকৰ অৱদান থাকিলেও বহু বাধা-বিঘিনিৰ বাবে তেওঁলোকে নীৰৱে কষ্ট ভোগ কৰিবলগীয়া হয় আৰু সমাজত এক বঞ্চিত শ্ৰেণীৰ অন্তৰ্গত হৈ থাকে। এই ক্ষেত্ৰত ভাৰতো ব্যতিক্ৰম নহয়।

ভাৰতত মহিলাক শক্তিৰ প্ৰতীক 'শক্তিস্বৰূপা' বুলি গণ্য কৰা হয়। বৈদিক যুগত মহিলাসকলক তেওঁলোকৰ জ্ঞান আৰু সৌন্দৰ্যৰ বাবে সন্মান জনোৱা হৈছিল। সমাজত তেওঁলোকৰ এক মৰ্যাদাপূৰ্ণ স্থান আছিল। সেই সময়ত বহু মহান মহিলা পণ্ডিতৰ উদ্ভৱ হৈছিল। কিন্তু মধ্যযুগৰ পৰা মহিলাসকলৰ অৱস্থাৰ অৱনতি হ'বলৈ আৰম্ভ কৰে আৰু

তেওঁলোকৰ ওপৰত বহু সামাজিক বাধা-নিষেধ আৰোপ কৰা হয়।

ব্রিটিছসকলৰ আগমনৰ পিছত মহিলাসকলৰ অৱস্থাত কিছু পৰিৱর্তন আহে। আধুনিক যুগত মহিলাসকলক সমাজত সক্রিয়ভাৱে অংশগ্রহণ কৰাৰ সুযোগ দিয়া হয়। নবজাগৰণৰ সময়ছোৱাত মহিলাসকলৰ সামাজিক মর্যাদা উন্নত হয়। তেওঁলোকক উপযুক্ত অধিকাৰ আৰু সুবিধা প্রদান কৰা হয়। ৰাজা ৰাম মোহন ৰায়ে সতীদাহ প্রথা বিলুপ্ত কৰে। ১৮৫৬ চনৰ হিন্দু বিধৱা পুনর্বিবাহ আইনে ভাৰতত হিন্দু বিধৱাসকলৰ পুনর্বিবাহক বৈধ স্বীকৃতি প্রদান কৰে।

ভাৰতৰ স্বাধীনতা আন্দোলনত মহিলাসকলে সক্রিয়ভাৱে অংশগ্রহণ কৰিছিল। তেওঁলোকক শিক্ষা গ্রহণ আৰু লিখা-পঢ়াৰ অধিকাৰ দিয়া হৈছিল। সমসাময়িক ভাৰতত বহু মহিলা পণ্ডিত আৰু শিক্ষাবিদৰ উত্থান ঘটিছে।

স্বাধীনতাৰ পিছৰ সময়ছোৱাত মহিলাৰ অধিকাৰ আন্দোলন অধিক সক্রিয় হৈ উঠে। আন্তঃৰাষ্ট্রীয় ক্ষেত্রত ৰাষ্ট্রসংঘৰ মহিলাৰ অধিকাৰৰ প্রতি অংগীকাৰ বিশেষভাৱে উল্লেখযোগ্য। ৰাষ্ট্রসংঘই মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে বহুতো সন্মিলন আৰু চুক্তি গ্রহণ কৰিছে। এইবোৰৰ ভাৰততো গভীৰ প্রভাৱ পৰিছে।

ভাৰতে ১৯৭৯ চনৰ মহিলাৰ ওপৰত সকলো ধৰণৰ বৈষম্য নির্মূলকৰণ সন্মিলন Convention on the Elimination of All Forms of Discrimination Against Women (CEDAW)- ৯ জুলাই, ১৯৯৩ তাৰিখে অনুমোদন কৰে।

ভাৰতৰ সংবিধানে মহিলাসকলক সমতাৰ অধিকাৰ প্রদান কৰিছে। সংবিধানৰ প্রস্তাৱনাই "আমি ভাৰতৰ জনসাধাৰণ" বুলি আৰম্ভ হয়, যাৰ অর্থ হ'ল সংবিধানৰ উৎস হৈছে ভাৰতৰ সকলো নাগৰিক-পুৰুষ আৰু মহিলা, জাতি, ধর্ম, সম্প্রদায় বা লিংগ নির্বিশেষে।

১) ৰাজনৈতিক অধিকাৰ

মহিলাসকলে স্বাধীনতা সংগ্রামত সমানে অংশগ্রহণ কৰিছিল। সংবিধান আৰু আইনৰ অধীনত তেওঁলোকৰ পুৰুষৰ সমান অধিকাৰ আছে, যাৰ ফলত তেওঁলোকে দেশৰ শাসন-প্রশাসনত ফলপ্রসূভাৱে অংশ ল'ব পাৰে। লোকসভা আৰু ৰাজ্য বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণৰ দাবী উত্থাপিত হৈছে। ৭৩ তম আৰু ৭৪তম সাংবিধানিক সংশোধনৰ জৰিয়তে গ্রাম পঞ্চায়ত আৰু পৌৰ সংস্থাসমূহত মহিলাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে, যিয়ে মহিলাৰ ৰাজনৈতিক ক্ষমতায়ন নিশ্চিত কৰিছে।

চ) অর্থনৈতিক অধিকাৰ

মহিলা আৰু পুৰুষক সমান অধিকাৰ প্রদান কৰিবলৈ বিভিন্ন আইন প্রণয়ন কৰা হৈছে। এই আইনসমূহ মৌলিক অধিকাৰ আৰু ৰাষ্ট্রীয় নীতি-নির্দেশক তত্ত্বৰ (Directive Principles of State Policy) ভিত্তিত গঢ় লৈ উঠিছে।

৩) সামাজিক অধিকাৰ

মহিলাসকলক সামাজিক ন্যায় প্রদানৰ বাবে ব্যক্তিগত আইনসমূহৰ সংহতকৰণ এক গুৰুত্বপূর্ণ পদক্ষেপ। ১৯৫৫ চনৰ হিন্দু বিবাহ আইন হিন্দু মহিলাসকলৰ বাবে এক উল্লেখযোগ্য সামাজিক সংস্কাৰ। একে সময়তে সমগ্র দেশৰ বাবে এক অভিন্ন নাগৰিক বিধি প্রৱর্তনৰ প্রচেষ্টা চলি আছে। বিশাখা বনাম ৰাজস্থান ৰাজ্য গোচৰৰ ৰায়ে কর্মস্থলীত যৌন নির্যাতন প্রতিৰোধৰ ক্ষেত্রত এক উল্লেখযোগ্য সামাজিক পৰিৱর্তন আনিছে।

৪)মৌলিক অধিকাৰ

মানৱ অধিকাৰ হৈছে প্রতিজন পুৰুষ, মহিলা আৰু শিশুৰ জন্মগত অধিকাৰ। ভাৰতত এই অধিকাৰসমূহ সাংবিধানিক বা মৌলিক অধিকাৰ হিচাপে স্বীকৃত।

অনুচ্ছেদ ১৪ অনুসৰি, "ৰাষ্ট্ৰই কোনো ব্যক্তিক আইনৰ আগত সমতা বা আইনৰ সমান সুৰক্ষাৰ পৰা বঞ্চিত নকৰিব।" এই ব্যৱস্থাই স্পষ্টভাৱে দেখুৱায় যে ভাৰতীয় মহিলাসকলে সমতাৰ অধিকাৰ ভোগ কৰে আৰু তেওঁলোকৰ বিৰুদ্ধে হোৱা বৈষম্য মানৱ মৰ্যাদা আৰু সমতাৰ অধিকাৰৰ লংঘন।

অনুচ্ছেদ ১৫ (৩) -এ মহিলাৰ কল্যাণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ অধিকাৰ ৰাষ্ট্ৰক প্ৰদান কৰে। অনুচ্ছেদ ১৬-এ চৰকাৰী চাকৰি বা পদ লাভৰ ক্ষেত্ৰত সকলো নাগৰিকৰ বাবে সমান সুযোগ নিশ্চিত কৰে। এনেদৰেই সংবিধানে মহিলাসকলক সমান মৰ্যাদা প্ৰদান কৰিছে।

৫) শোষণৰ বিৰুদ্ধে অধিকাৰ

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২৩-এ মানৱ সৰবৰাহ নিষিদ্ধ কৰিছে। ভাৰতত বহুদিন ধৰি বেশ্যা বৃত্তি ; মানুহৰ ক্ৰয়-বিক্ৰয় কৰা আদি ৰূপত মানৱ সৰবৰাহৰ প্ৰথা চলি আহিছিল।

এই অনুচ্ছেদ ২৩ ৰ উদ্দেশ্য বাস্তৱায়িত কৰিবলৈ মানৱ শোষণৰ বিভিন্ন ৰূপ ৰোধ কৰাৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰা হৈছে। ইয়াৰ ভিতৰত অন্যতম হৈছে অনৈতিক দেহ-ব্যৱসায় (প্ৰতিৰোধ) আইন,১৯৫৬। এই আইনৰ মূল উদ্দেশ্য হৈছে মহিলাসকল আৰু কিশোৰীসকলক যৌন শোষণ, বেশ্যাবৃত্তি আৰু মানৱ সৰবৰাহৰ পৰা সুৰক্ষা প্ৰদান কৰা। এইদৰে সংবিধান আৰু বিভিন্ন আইনৰ জৰিয়তে মহিলাসকলক শোষণৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা কৰা হৈছে।

৬) ৰাষ্ট্ৰীয় নীতি-নিৰ্দেশক তত্ত্ব

মৌলিক অধিকাৰে ব্যক্তিগত অধিকাৰ সুৰক্ষিত কৰে, আনহাতে নীতি-নিৰ্দেশক তত্ত্বসমূহে সামাজিক কল্যাণ নিশ্চিত কৰে। এই তত্ত্বসমূহ সংবিধানৰ চতুৰ্থ ভাগত সন্নিবিষ্ট আছে। যদিও এইবোৰ আদালতে বলবৎ কৰিব নোৱাৰে, তথাপিও দেশ শাসনৰ ক্ষেত্ৰত ই মৌলিক নীতি হিচাপে গণ্য হয়।

অনুচ্ছেদ ৩৯ (ক) পুৰুষ আৰু মহিলা উভয়ৰে জীৱিকাৰ উপযুক্ত উপায় লাভৰ সমান অধিকাৰ নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰক নিৰ্দেশ দিয়ে।

অনুচ্ছেদ ৩৯ (ঘ) সমান কামৰ বাবে সমান মজুৰি নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ ভিত্তিত সমান পাৰিশ্ৰমিক আইন ১৯৭৬ প্ৰণয়ন কৰিছিল। এই আইন অনুসৰি একে ধৰণৰ কামৰ বাবে পুৰুষ আৰু মহিলাক সমান পাৰিশ্ৰামিক প্ৰদান কৰাৰ ব্যৱস্থা কৰা হয়।

অনুচ্ছেদ ৩৯ (ঙ) পুৰুষ আৰু মহিলা শ্ৰমিকৰ স্বাস্থ্য আৰু শক্তিৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ নিৰ্দেশ দিয়ে।

অনুচ্ছেদ ৪২ ত ন্যায়সংগত আৰু মানৱীয় কৰ্মপৰিবেশ আৰু মাতৃত্বকালীন সুবিধা নিশ্চিত কৰাৰ কথা উল্লেখ কৰে।

অনুচ্ছেদ ৪৪ ত সমগ্ৰ দেশত এক অভিন্ন নাগৰিক বিধি (Uniform Civil Code) প্ৰৱৰ্তনৰ লক্ষ্য নিৰ্ধাৰণ কৰে, যাৰ মূল উদ্দেশ্য হৈছে লিংগ ন্যায় নিশ্চিত কৰা।

এইদৰে ভাৰতৰ সংবিধান, বিভিন্ন আইন আৰু নীতি-নিৰ্দেশক তত্ত্বৰ জৰিয়তে মহিলাসকলৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু মানৱ অধিকাৰ সুৰক্ষিত কৰাৰ চেষ্টা কৰা হৈছে।

মৌলিক কৰ্তব্য

৪২তম সংবিধান সংশোধন, ১৯৭৬-ৰ জৰিয়তে অনুচ্ছেদ ৫১-ক সংযোজন কৰা হয়।

অনুচ্ছেদ ৪১-ক(ঙ) অনুসৰি-

ভাৰতৰ প্ৰতিজন নাগৰিকৰ কৰ্তব্য হল ধৰ্ম, ভাষা, অঞ্চল বা অন্যান্য বিভেদ অতিক্ৰম কৰি সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধ বৃদ্ধি কৰা আৰু মহিলাৰ মৰ্যাদাহানিকৰ প্ৰথাসমূহ পৰিত্যাগ কৰা।

৬) স্থানীয় স্ব-শাসিত প্ৰতিষ্ঠানত মহিলাৰ প্ৰতিনিধিত্ব

৭৩ তম আৰু ৭৪ তম সংবিধান সংশোধনী ১৯৯২-ৰ জৰিয়তে পঞ্চায়ত আৰু পৌৰসভাৰ নির্বাচনত মহিলাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হয়।

মহিলাৰ বাবে ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ২৪৩-ঘ আৰু ২৪৩- ন পঞ্চায়ত আৰু পৌৰসভাত আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। ইয়াৰ উপৰিও, ২০২৩ চনত মহিলা সংৰক্ষণ বিধেয়ক লোকসভাত গৃহীত হয়, যাৰ অধীনত লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ বাবে এক-তৃতীয়াংশ ৩৩ আসন সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছে।
ভাৰতীয় সংবিধানে মহিলাৰ অধিকাৰ সুৰক্ষা আৰু সমতা নিশ্চিত কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু এই অধিকাৰসমূহ বাস্তৱত ফলপ্ৰসূ কৰিবলৈ সংসদে অধিক আইন প্ৰণয়ন কৰা আৰু সেইসমূহ আন্তৰিকতাৰে কাৰ্যকৰী কৰাটো অত্যন্ত প্ৰয়োজনীয়।

১২.৫ ভাৰতত মহিলাৰ অধিকাৰ সুৰক্ষাত বিধানসভাৰ ভূমিকা

ভাৰতৰ আইন প্ৰণেতাসকলে মহিলাসকলৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে বহুতো আইন প্ৰণয়ন কৰিছে। আন্তঃৰাষ্ট্ৰীয় সন্মিলনসমূহে ভাৰতীয় আইন প্ৰণেতাসকলৰ ওপৰত যথেষ্ট প্ৰভাৰ পেলাইছে। ভাৰতে ৯ জুলাই, ১৯৯৩ তাৰিখে মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য নির্মূলকৰণ সম্পৰ্কীয় সন্মিলন (CEDAW) (Convention on the Elimination of All Forms of Discrimination Against Women)-ত অনুমোদন জনাইছিল। CEDAW-ৰ নীতিসমূহ মনত ৰাখি ভাৰতে মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰিছে।

মহিলাসকলৰ আৰ্থিক আৰু সামাজিক মর্যাদা উন্নীত আৰু সুৰক্ষিত কৰাৰ উদ্দেশ্যে প্ৰণীত কিছুমান গুৰুত্বপূৰ্ণ আইন হ'ল-

- সতী প্ৰতিৰোধ আইন, ১৯৮৭ (Sati Prevention Act, ১৯৮৭)
- হিন্দু বিধৱা পুনর্বিবাহ আইন, ১৮৫৬ (Hindu Widow Remarriage Act, ১৮৫৬)
- নুন্যতম মজুৰি আইন, ১৯৫১ (Minimum Wages Act, ১৯৫১)
- হিন্দু বিবাহ আইন, ১৯৫৫ (Hindu Marriage Act, ১৯৫৫)
- হিন্দু উত্তৰাধিকাৰ আইন, ১৯৫৬ (Hindu Succession Act, ১৯৫৬)
- যৌতুক নিষেধ আইন, ১৯৬১ (Dowry Prohibition Act, ১৯৬১)
- মাতৃত্বকালীন সুবিধা আইন, ১৯৬১ (Maternity Benefit Act, ১৯৬১)
- গার্হস্থ্য হিংসা প্ৰতিৰোধ আইন, ২০০৫ (Domestic Violence Act, ২০০৫)

এই আইনসমূহ ৰাষ্ট্ৰীয়সংঘৰ মহিলাৰ অধিকাৰ সম্পৰ্কীয় সন্মিলনসমূহ আৰু ভাৰতীয় সংবিধানৰ নীতিসমূহৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে।

বর্তমান মহিলাসকলে গার্হস্থ্য হিংসা, যৌতুকসম্পৰ্কীয় নির্যাতন আদিৰ ক্ষেত্ৰত অভিযোগ দাখিল কৰিব পাৰে। কর্মৰত মহিলাসকলে মাতৃত্বকালীন সুবিধাও লাভ কৰে।

ভাৰতে মহিলাৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়ালেও লক্ষ্যত উপনীত হ'বলৈ এতিয়াও বহু দূৰ আগবাঢ়িবলগীয়া আছে। এ বি চি ডি আই পি চি
আইন থকাৰ পিছতো বহু মহিলাই নীৰৱে অত্যাচাৰ সহ্য কৰি আছে। ভাৰতীয় ফৌজদাৰী ন্যায় ব্যৱস্থাই ধর্ষণ (আইপিচি ধাৰা ৩৭৫, ৩৭৬, ৩৭৬ ক, ৩৭৬ খ , ৩৭৬ গ আৰু ৩৭৬ ঘ) যৌতুকজনিত মৃত্যু (আই পি চি ধাৰ ৩০৪-খ) আদি অপৰাধৰ পৰা মহিলাক সুৰক্ষা দিয়ে। ভাৰতীয় ন্যায় ব্যৱস্থাত প্ৰচলিত বিভিন্ন আইন-ব্যৱস্থা থকাৰ স্বত্ত্বেও কিন্তু আমি দেখা পাওঁ যে মহিলাসকল এতিয়াও বহু ক্ষেত্ৰত অত্যাচাৰ আৰু অন্যায়ৰ চিকাৰ হৈ আছে। এই ক্ষেত্ৰত বহুতো সমস্যা আৰু প্ৰত্যাহ্বান বিদ্যমান।

১২.৬ সমস্যা আৰু প্ৰত্যাহ্বান

সংবিধানে প্ৰদান কৰা অধিকাৰসমূহ আৰু অধিকাংশ মহিলাৰ দৈনন্দিন জীৱনত সেই অধিকাৰসমূহৰ বাস্তৱ প্ৰয়োগৰ মাজত এতিয়াও এক উল্লেখযোগ্য ব্যৱধান আছে। একে সময়তে এইটোও সত্য যে বহু মহিলাই এনে বহু কৰ্মক্ষেত্ৰত কাম কৰি আছে যিবোৰ পূৰ্বতে কেৱল পুৰুষসকলৰ ক্ষেত্ৰ বুলি গণ্য কৰা হৈছিল। তথাপিও, আজিও এনে বহু ঘটনা দেখা যায় যিয়ে মহিলাসকলৰ সক্ষমতা আৰু দক্ষতাৰ ওপৰত আস্থাৰ অভাৱক প্ৰতিফলিত কৰে। মহিলাসকলে বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ ক্ষমতা আছে নে নাই, সেই বিষয়ে এতিয়াও বহু লোকৰ মনত সন্দেহ বিৰাজমান।

প্ৰধান সমস্যাসমূহ হ'ল

- মহিলাসকলৰ বাবে পৰ্যাপ্ত পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু শৌচাগাৰ সুবিধাৰ অভাৱ।
- আইন থকাৰ পিছতো ধৰ্ষণ আৰু যৌতুকজনিত মৃত্যু আদি অপৰাধ সম্পূৰ্ণৰূপে ৰোধ কৰিব পৰা হোৱা নাই। বহু আইন প্ৰণয়ন কৰা সত্ত্বেও গাৰ্হস্থ্য হিংসা অব্যাহত আছে।
- সংসদত মহিলাৰ বাবে ৩৩ সংৰক্ষণ এতিয়াও সম্পূৰ্ণৰূপে বাস্তৱায়িত হোৱা নাই।
- গ্ৰাম্য অঞ্চলত মহিলাসকলে নগৰাঞ্চলৰ তুলনাত অধিক কষ্ট আৰু মানসিক যন্ত্ৰণা ভোগ কৰে। কিছুমান অঞ্চলত ডাইনী অপবাদ আদি কু-প্ৰথা এতিয়াও বিদ্যমান।

এইবোৰ ভা�ৰতীয় সমাজৰ মহিলাসকলে সন্মুখীন হোৱা কিছুমান গুৰুত্বপূৰ্ণ সমস্যা। চুড়ান্ত লক্ষ্য লাভ কৰিবলৈ এই প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰা প্ৰয়োজন। এখন ৰাষ্ট্ৰৰ প্ৰগতি তেতিয়াহে সাৰ্থক হয় যেতিয়া মহিলাসকলক পুৰুষৰ সমমৰ্যাদা আৰু সুযোগ প্ৰদান কৰা হয়।

ভাৰত চৰকাৰে "বেটি বচাও, বেটি পঢ়াও" আঁচনি গ্ৰহণ কৰিছে। এই অভিযান সঠিকভাৱে ৰূপায়ণ কৰিব পাৰিলে ই ভাৰতক উন্নয়নৰ এক নতুন উচ্চতালৈ লৈ যাব।

আজিৰ ভাৰত এখন যুৱ ভাৰত। পুৰুষ আৰু মহিলা একে মৰ্যাদাৰে কাম কৰিলে ভাৰত এখন উন্নত হিচাপে গঢ় লৈ উঠিব।

একবিংশ শতিকাত বিশ্বই বহু ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি সাধন কৰিছে। এখন ৰাষ্ট্ৰ হিচাপে ভাৰতেও মহিলাসকলক বিশ্ব মঞ্চত আগুৱাই নিয়াত নেতৃত্ব দিব লাগে, য'ত মহিলা চিকিৎসক, অভিযন্তা, বিজ্ঞানী, আইনজীৱী আৰু ন্যায়াধীশসকলে বিশ্বক নেতৃত্ব দি ইয়াক বাসোপযোগী আৰু সমাজক অধিক উন্নত কৰি তুলিব।

সংঘই মহিলাৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি সাধন কৰিছে। তথাপিও লক্ষ্যত উপনীত হ'বলৈ এতিয়াও বহু দুৰ আগবাঢ়িবলগীয়া আছে। এই লক্ষ্যত তেতিয়াহে পূৰণ হ'ব যেতিয়া সকলো সদস্য ই , বিশেষকৈ অনুন্নত আৰু উন্নয়নশীল দেশসমূহে, মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অৱদান আগবঢ়াব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ : প্ৰথম বিশ্ব মহিলা সম্মিলন কেতিয়া অনুষ্ঠিত হৈছিল?

.....

প্ৰশ্ন ২ : ভাৰতে ট্ৰড্ৰড্ডট্টদ্দ কেতিয়া অনুমোদন কৰিছিল?

.....

প্ৰশ্ন ৩ : ভাৰতীয় সংবিধানৰ কোন কোন অনুচ্ছেদে নাৰী-পুৰুষ সমতাৰ ব্যৱস্থা কৰিছে?

.....

প্ৰশ্ন ৪ : মানৰ সৰবৰাহ নিষিদ্ধ কৰা সংবিধানৰ অনুচ্ছেদটো কোনটো?

.....

প্রশ্ন ৫ : ভাৰতীয় সংবিধানৰ কোন অংশত মহিলাৰ সামাজিক অধিকাৰৰ ব্যৱস্থা আছে?

.....

প্রশ্ন ৬ : মহিলাৰ ওপৰত হিংসা নিষিদ্ধ কৰা দুখন আইনৰ নাম লিখক।

.....

১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

● মহিলাৰ অধিকাৰৰ ধাৰণাটো প্ৰথমে ফৰাচী বিপ্লৱৰ সময়ত দেখা যায়, য'ত মহিলা বিপ্লৱীসকলে নিজৰ অধিকাৰৰ বাবে দ াবী উত্থাপন কৰিছিল।

● ১৯৪৬ চনত ৰাষ্ট্ৰসংঘই মহিলাৰ মৰ্যদা আয়োগ ট্ৰেত্রদ্দগ্ন গঠন কৰে। যাতে মহিলাসকলৰ অৱস্থা পৰ্যবেক্ষণ আৰু তেওঁলোকৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে কাম কৰিব পাৰে।

● ১৯৭৫ চনত মেক্সিকোত প্ৰথম বিশ্ব মহিলা সম্মিলন অনুষ্ঠিত হয়। এই সম্মিলনে মহিলাসকলৰ সমতা আৰু শান্তি স্থাপনৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদানক স্বীকৃতি দি এক ঘোষণাপত্ৰ গ্ৰহণ কৰিছিল।

● ১৯৭৯ চনত CEDAW গ্ৰহণ কৰে, যাৰ উদ্দেশ্য আছিল মহিলাৰ ওপৰত হোৱা সকলো ধৰণৰ বৈষম্য দুৰ কৰা।

● ভাৰতীয় সংবিধানেও মহিলাৰ অধিকাৰ সুৰক্ষিত কৰিছে। অনুচ্ছেদ ১৪,১৫ (১),১৫ (২).১৬ (১) আৰু ১৬ (২)-ৰ জৰিয়তে নাৰী-পুৰুষৰ সমতাৰ কথা কৈছে। অনুচ্ছেদ ১৫(৩) এ মহিলাসকলৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ অনুমতি দিয়ে। অনুচ্ছেদ ২৩-এ মানৱ সৰবৰাহ নিষিদ্ধ কৰিছে। ৰাষ্ট্ৰীয় নীতি-নিৰ্দেশক তত্ত্বসমূহে মহিলাৰ সামাজিক অধিকাৰ সুৰক্ষিত কৰে। মহিলাৰ মৰ্যাদাহানিকৰ কাৰ্যকলাপ নকৰাটো নাগৰিকৰ মৌলিক কৰ্তব্য।

● মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে ভাৰতীয় সংসদে বিভিন্ন আইন প্ৰণয়ন কৰিছে। ৰাষ্ট্ৰসংঘৰ বিভিন্ন চুক্তি আৰু সম্মিলনৰ জৰিয়তে মহিলাৰ অধিকাৰ সুৰক্ষিত হৈছে। ইয়াৰ প্ৰভাৱ ভাৰততো দেখা যায়, য'ত সংবিধান আৰু বিভিন্ন আইনসমূহৰ মাধ্যমেৰে মহিলাৰ অধিকাৰ সুৰক্ষিত কৰা হৈছে।

১২.৮ অধিক জানিবলৈ

1. Agarwal, Dr H.O. (2009) International Law & Human Rights. Sixteenth Edition, Central Law Publications: Allahabad
2. Yasin, Adil-ul-Yasin & Upadhyay Archana.(2006) Human Rights. First Edition, Akansha Publishing House: New Delhi.
3. Kapoor, S.K. (2005) Human Rights under International Law & Indian Law: Third Edition, Central Law Agency: Allahabad.
4. Rao, Mamta. (2010) Law relating to Women & Children: Second Edition, Eastern Book Company:Lucknow.
5. Bare Act:
Bakshi, PM. (2017) The Constitution of India, Incorporating all amendments up to the Constitution (One Hundred and First Amendment)
Act, 2016: Fourteenth Edition, Universal Law Publishing, Lexis Nexis: Gurgaon (India).
6. Websites:

www.google.com

১২ .৯ অগ্রগতি খতিয়ান

উত্তৰ ১ ঃ প্ৰথম বিশ্ব মহিলা সম্মিলন ১৯৭৫ চনৰ জুন-জুলাই মাহত মেক্সিকোত অনুষ্ঠিত হৈছিল।

উত্তৰ ২ ঃ ভাৰতে মহিলাৰ ওপৰত সকলো ধৰণৰ বৈষম্য নিৰ্মূলকৰণ সম্মিলন ৯ জুলাই ১৯৯৩ তাৰিখে অনুমোদন কৰিছিল।

উত্তৰ ৩ ঃ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৪, ১৫(১), ১৫ (২), ১৫(৩), ১৬ (১) আৰু ১৬ (২)-এ পুৰুষ আৰু নাৰীৰ সমতাৰ অধিকাৰ নিশ্চিত কৰে।

উত্তৰ ৪ ঃ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২৩-এ মানৱ সৰবৰাহ নিষিদ্ধ কৰিছে।

উত্তৰ ৫ ঃ সংবিধানৰ চতুৰ্থভাগ অৰ্থাৎ ৰাষ্ট্ৰীয় নীতি-নিৰ্দেশক তত্ত্বসমূহে মহিলাসকলৰ সামাজিক অধিকাৰৰ ব্যৱস্থা আগবঢ়ায়।

উত্তৰ ৬ ঃ ১৯৬১ চনৰ যৌতুক নিষেধ আইন আৰু ২০০৫ চনৰ মহিলাসকলক ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা আইনে মহিলাৰ ওপৰত হোৱা হিংসা আৰু অত্যাচাৰ নিষিদ্ধ কৰে।

১২. ১০ সম্ভাৱ্য প্ৰশ্নসমূহ

১. CEDAW সম্পূৰ্ণ নাম লিখক ।
২. ১৯৮০ চনত কোপেনহেগেনত অনুষ্ঠিত দ্বিতীয় বিশ্ব মহিলা সম্মিলনৰ তিনিটা উপ বিষয় কি আছিল?
৩. ১৯৮০ চনত অনুষ্ঠিত হোৱা দ্বিতীয় বিশ্ব মহিলা সম্মিলনৰ তিনিটা মূখ্য উপ বিষয় কি আছিল?
৪ ভাৰতত মহিলাৰ সাংবিধানিক অধিকাৰৰ বিষয়ে এটি টোকা লিখক।
৫. মহিলাৰ অধিকাৰ সুৰক্ষাত বিধায়িকাৰ ভূমিকা ব্যাখ্যা কৰক।
৬. ভাৰতীয় সমাজত মহিলাসকলে সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ বাবে কেইটামান ব্যৱস্থা উল্লেখ কৰক।
৭ . মহিলাৰ অধিকাৰ আন্দোলন গঢ়ি তোলাত ভূমিকা লোৱা বিশ্ব মহিলা সম্মিলনসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰক।
৮ . ভাৰতত মহিলাৰ অধিকাৰৰ সাংবিধনিক সুৰক্ষাসমূহ কি কি? আলোচনা কৰক।
৯. মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে প্ৰণীত আইনসমূহৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াওক।
১০. ভাৰতীয় সমাজত মহিলাসকলে সন্মূখীন হোৱা সমস্যা আৰু প্ৰত্যাহ্বানসমূহ আলোচনা কৰক।

অধ্যায় ১৩ ঃ ভাৰতত শিশুৰ অধিকাৰ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে সাংবিধানিক ব্যৱস্থা
১৩.৪ ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষাত বিধায়িকাৰ ভূমিকা
১৩.৫ ভাৰতত শিশুশ্ৰমৰ সমস্যা
১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৭ অধিক জানিবলৈ
১৩. ৮ অগ্ৰগতিৰ খতিয়ান
১৩.৯ সাম্ভাব্য প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে থকা সাংবিধানিক ব্যৱস্থাসমূহ ব্যাখ্যা কৰিব পাৰিব।
- শিশুৰ অধিকাৰ সুৰক্ষাত বিধায়িকাৰ ভূমিকা আলোচনা কৰিব পাৰিব।
- ভাৰতত শিশুশ্ৰমৰ সমস্যা বিশ্লেষণ কৰিব পাৰিব।

১৩.২ পৰিচয়

শিশুৰ অধিকাৰৰ বিষয়টো ভাৰতীয় সমাজৰ প্ৰেক্ষাপটত অত্যন্ত গুৰুত্বপূৰ্ণ। আজিৰ শিশুৱেই কাইলৈৰ ৰাষ্ট্ৰ নিৰ্মাতা বুলি ধৰা হয়। সেয়েহে তেওঁলোকক এনে এক পৰিৱেশ প্ৰদান কৰিব লাগিব য'ত তেওঁলোকে নিজৰ সম্পূৰ্ণ বিকাশ সাধন কৰিব পাৰে। আৰু ইয়াৰ বাবে তেওঁলোকক বিভিন্ন অধিকাৰ আৰু স্বাধীনতা প্ৰদান কৰাটো প্ৰয়োজন। কিন্তু বাস্তৱত বিভিন্ন কাৰণত শিশুসকলৰ অধিকাৰ বহু ক্ষেত্ৰত লংঘিত হৈছে। শীতল যুদ্ধোত্তৰ যুগত বিশ্বজুৰি আৰু ভাৰতত বৃদ্ধি পোৱা সামাজিক-ৰাজনৈতিক হিংসাই শিশুসকলৰ মানৱ অধিকাৰৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে।
শিশুৰ অধিকাৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহু ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পূৰ্বৱৰ্তী অধ্যায়সমূহত আমি শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে আন্তঃৰাষ্ট্ৰীয় স্তৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰিছিলোঁ। এতিয়া এই অধ্যায়ত ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষা আৰু প্ৰচাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাসমূহ আৰু পদক্ষেপসমূহ পৰ্যালোচনা কৰা হৈছে।

১৩.৩ ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে সাংবিধানিক ব্যৱস্থা

১৯৮৯ চনৰ ২০ নৱেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই শিশুৰ অধিকাৰ সম্পৰ্কীয় সন্মিলন (Convention on the Rights of the Child - CRC) গ্ৰহণ কৰে আৰু ১৯৯০ চনৰ ২ ছেপ্টেম্বৰত ই কাৰ্যকৰী হয়। ই শিশুৰ নাগৰিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সুৰক্ষাৰ প্ৰথম বাধ্যতামূলক আন্তঃৰাষ্ট্ৰীয় চুক্তি।
ভাৰতৰ সংবিধানত শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে বহু ব্যৱস্থা আছে-

অনুচ্ছেদ ২৩

মানৰ সৰবৰাহ আৰু বলপূৰ্বক শ্ৰম নিষিদ্ধ কৰিছে। এই বিধান উলংঘন কৰাটো আইন অনুসৰি দণ্ডনীয় অপৰাধ।

অনুচ্ছেদ ২৪

১৪ বছৰৰ তলৰ কোনো শিশুক কাৰখানা, খনি বা অন্য কোনো বিপজ্জনক কামত নিয়োগ কৰিব নোৱাৰি।

অনুচ্ছেদ ৩৯

ৰাষ্ট্ৰই এনে নীতি গ্ৰহণ কৰিব যাতে পুৰুষ, মহিলা আৰু কোমল বয়সৰ শিশুসকলৰ স্বাস্থ্য আৰু শক্তিৰ অপব্যৱহাৰ নহয়। লগতে কোনো নাগৰিকক অৰ্থনৈতিক প্ৰয়োজনীয়তাৰ বাবে তেওঁলোকৰ বয়স বা শাৰিৰীক সামৰ্থ্যৰ অনুপযুক্ত কামত নিযুক্ত হ'বলৈ বাধ্য কৰা নহয়। এই অনুচ্ছেদত আৰু কোৱা হৈছে যে শিশুসকলক সুস্থ পৰিৱেশত, স্বাধীনতা আৰু মৰ্যদাৰ সৈতে বিকাশ লাভৰ সুযোগ দিব লাগে আৰু শৈশৱ আৰু যুৱ অৱস্থাক নৈতিক আৰু বস্তুগত অৱহেলাৰ পৰা সুৰক্ষিত ৰাখিব লাগে।

অনুচ্ছেদ ৪৫

এই অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰই সকলো শিশুক প্ৰাৰম্ভিক শৈশৱকালীন যত্ন আৰু শিক্ষা প্ৰদানৰ বাবে চেষ্টা চলাব। বিশেষকৈ ছয় বছৰৰ তলৰ সকলো শিশুৰ যত্ন আৰু শিক্ষাৰ ব্যৱস্থা নিশ্চিত কৰাটো ৰাষ্ট্ৰৰ দায়িত্ব।

১৪ বছৰ বয়সলৈকে সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰাৰ কথা উল্লেখ কৰিছে। ২০০২ চন সংবিধানৰ ৮৬ তম সংশোধনী গৃহীত হয়, যাৰ দ্বাৰা সংবিধানত অনুচ্ছেদ ২১ক সংযোজন কৰা হয়। এই অনুচ্ছেদে শিক্ষাৰ অধিকাৰক এক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়ে আৰু উল্লেখ কৰে যে ৬-১৪ বছৰৰ প্ৰতিটো শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আছে। ভাৰতীয় সংবিধানৰ চতুৰ্থ-ক অংশত অন্তৰ্ভুক্ত মৌলিক কৰ্তব্যসমূহত শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে কিছুমান ব্যৱস্থাও সন্নিৱিষ্ট আছে। ২০০২ চনৰ ৮৬ তম সংশোধনৰ জৰিয়তে সংযোজিত ১১ নং মৌলিক কৰ্তব্য অনুসৰি, ৬-১৪ বছৰ বয়সৰ শিশুক শিক্ষা প্ৰদান কৰাটো পিতৃ-মাতৃ বা অভিভাৱকৰ কৰ্তব্য।

অগ্ৰগতি নিৰীক্ষণ

১. শিশুৰ অধিকাৰ সম্পৰ্কীয় সন্মিলন গ্ৰহণ কৰা হৈছিল.....

২. কোন চনত শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছিল?

.....

৩. শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে ভাৰতীয় সংবিধানৰ যিকোনো দুটা ব্যৱস্থাৰ বিষয়ে সংক্ষেপে লিখক।

.....

১৩.৪ ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষাত বিধায়িকাৰ ভূমিকা

শিশুৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতীয় সংসদে বহু গুৰুত্বপূৰ্ণ আইন প্ৰণয়ন কৰিছে। শিশুৰ অধিকাৰৰ গুৰুত্ব উপলব্ধি কৰি ভাৰতে সংবিধানৰ বিভিন্ন বিধান আৰু আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহ কাৰ্যকৰী কৰাৰ উদ্দেশ্যে বহুতো আইন প্ৰণয়ন কৰিছে। এই ক্ষেত্ৰত ভাৰতে প্ৰণয়ন কৰা উল্লেখযোগ্য আইন হ'ল -

১) শিশু বিবাহ নিয়ন্ত্ৰণ আইন, ১৯২৯

২) শিশু (শ্ৰম বন্ধক) আইন, ১৯৩৩

৩) শিশু নিয়োগ আইন, ১৯৩৮

৪) শিশু আইন, ১৯৬০
৫) শিশুশ্রম নিষেধাজ্ঞা আৰু নিয়ন্ত্রণ আইন, ১৯৮৬
৬) কিশোৰ ন্যায় যত্ন আৰু সুৰক্ষা আইন, ২০০০
৭) শিশু বিবাহ নিষেধ আইন, ২০০৬
৮) শিশু যৌন অপৰাধৰ পৰা সুৰক্ষা আইন (POCSO), ২০১২

শিশুসকলৰ স্বার্থ আৰু কল্যাণ সুৰক্ষিত কৰাৰ বাবে আৰু শিশুৰ অধিকাৰ সম্পৰ্কীয় আন্তর্জাতিক চুক্তিসমূহে নির্দ্ধাৰণ কৰ ন্যূনতম মানদণ্ডসমূহ কার্যকৰী কৰাৰ উদ্দেশ্যে ভাৰতে ডিচেম্বৰ ২০০০ চনত কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) আইন ,২০০০ প্রণয়ন কৰে। এই আইনে শোষিত আৰু অসহায় শিশুসকলৰ পুনর্বাসনৰ বিভিন্ন ব্যৱস্থা আগবঢ়ায়।

আন এক গুৰুত্বপূর্ণ আইন হৈছে শিশুৰ অধিকাৰ সুৰক্ষা আয়োগ আইন, ২০০৫। এই আইনৰ অধীনত ৰাষ্ট্রীয় শিশুৰ অধিকাৰ সুৰক্ষা আয়োগ (NCPCR) গঠন কৰা হয়, যিয়ে ২০০৭ চনৰ পৰা কাম আৰম্ভ কৰে।
এই আয়োগ মহিলা আৰু শিশু উন্নয়ন মন্ত্রালয়ৰ অধীনত কাম কৰে। আয়োগে ১৮ বছৰৰ তলৰ সকলোকে শিশু হিচাপে সংজ্ঞায়িত কৰে।
আয়োগৰ মুখ্য কার্যসমূহ
(ক) শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে থকা আইনসমূহ পর্যালোচনা কৰা আৰু ইয়াৰ ফলপ্রসূ প্রয়োগৰ বাবে পৰামর্শ আগবঢ়োৱা। অধিকাৰ উলংঘনৰ ঘটনা তদন্ত কৰি ব্যৱস্থা গ্রহণৰ পৰামর্শ দিয়া।
(খ) কেন্দ্রীয় চৰকাৰলৈ বার্ষিক আৰু সময়ে সময়ে প্রতিবেদন দাখিল কৰা।
(গ) শিশুসকলৰ অধিকাৰ উপভোগত বাধা সৃষ্টি কৰা নেতিবাচক কাৰকসমূহ পৰীক্ষা কৰি উপযুক্ত সমাধানৰ পৰামর্শ আগবঢ়োৱা।
(ঘ) শিশুৰ অধিকাৰ বিষয়ক গৱেষণা কৰা আৰু সমাজৰ বিভিন্ন স্তৰত সচেতনতা বৃদ্ধি কৰা। বিদ্যালয়ৰ পাঠ্যক্রমত শিশুৰ অধিকাৰ অন্তর্ভূক্ত কৰাৰ লগতে শিক্ষক আৰু শিশু সম্পৰ্কীয় প্রশিক্ষণ দিয়াত উৎসাহ যোগোৱা।
(ঙ) বিশেষ যত্নৰ প্রয়োজন হোৱা শিশুসকলৰ সমস্যা অধ্যয়ন কৰি উপযুক্ত সংশোধনমূলক ব্যৱস্থাৰ পৰামর্শ আগবঢ়োৱা।
(চ) কিশোৰ সংশোধনাগাৰ, শিশুৰ বাবে স্থাপিত অন্যান্য প্রতিষ্ঠানসমূহ পৰিদর্শন কৰি উন্নয়নৰ বাবে পৰামর্শ দিয়া।
(ছ) শিশুৰ অধিকাৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে প্রয়োজনীয় বুলি বিবেচিত যিকোনো অন্য কার্য সম্পাদনা কৰা।
এইদৰে ভাৰতত শিশুসকলৰ অধিকাৰৰ সুৰক্ষা, কল্যাণ নিশ্চিতকৰণ আৰু সর্বাংগীণ বিকাশৰ বাবে এক শক্তিশালী বিধানিক ব্যৱস্থা গঢ়ি তোলা হৈছে। কিন্তু এই আইনসমূহৰ ফলপ্রসূ প্রয়োগৰ বাবে সমাজৰ মানসিকতা আৰু দৃষ্টিভংগীৰ পৰিৱর্তন নহ'লে, তেন্তে শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে কৰা সকলো প্রচেষ্টা বিফল হ'ব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে ভাৰতত প্রণীত যিকোনো দুখন আইনৰ নাম লিখক।
.....
প্রশ্ন ৫ঃ ৰাষ্ট্রীয় শিশুৰ অধিকাৰ সুৰক্ষা আয়োগ কোন চনত স্থাপন কৰা হৈছিল?
.....

প্রশ্ন ৬ঃ ৰাষ্ট্রীয় শিশুৰ অধিকাৰ সুৰক্ষা আয়োগৰ যিকোনো চাৰিটা কার্য লিখক।
.....

১৩.৫ ভাৰতত শিশুশ্ৰমৰ সমস্যা

শিশুশ্ৰম ভাৰতৰ এক গুৰুত্বপূৰ্ণ সামাজিক আৰু অৰ্থনৈতিক সমস্যা। বিশেষকৈ কৃষি, কাৰ্পেট উদ্যোগ, সৰু উদ্যোগ, ইটা ভাটা,হোটেল,দোকান আদিত শিশুশ্ৰমৰ সমস্যা অধিক দেখা যায়।
শিশু শ্ৰম (নিষিদ্ধকৰণ আৰু নিয়ন্ত্ৰণ) আইন,১৯৮৬ অনুসৰি , শিশু বুলিলে ১৪ বছৰৰ তলৰ শিশুক বুজায়। এই আইনে ঘৰুৱা কাম-কাজকে ধৰি যিকোনো ধৰণৰ কামত শিশুক নিয়োগ কৰাটো নিষিদ্ধ কৰিছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি, ভাৰতত ৫-১৪ বছৰ বয়সৰ ২৫৯.৬৪ মিলিয়ন শিশুৰ ভিতৰত মুঠ ১০.১ মিলিয়ন শিশু শ্ৰমিক চিনাক্ত কৰা হৈছিল। UNICEF অনুমান অনুসৰি বৃহৎ জনসংখ্যাৰ বাবে ভাৰতত ১৪ বছৰৰ তলৰ শিশুশ্ৰমিকৰ সংখ্যা বিশ্বত সৰ্বাধিক। শিশু শ্ৰমৰ মূখ্য কাৰণসমূহ হ'ল- দৰিদ্ৰতা, ভোক, শিক্ষাৰ অভাৱ, অনানুষ্ঠানিক অৰ্থনীতিৰ বৃদ্ধি , সামাজিক আৰু অৰ্থনৈতিক পশ্চাদপদতা, সস্তীয়া শ্ৰমৰ চাহিদা আদি। ভাৰতৰ দৰে উন্নয়নশীল দেশত নিয়োগকৰ্তা সকলে সাধাৰণতে কম খৰচত শ্ৰম পোৱাৰ উদ্দেশ্যে শিশুসকলক নিয়োগ কৰিবলৈ আগ্ৰহী হয়। বিশেষকৈ কাঁচ উদ্যোগ, কাৰ্পেট উদ্যোগ, ইটা উদ্যোগ,হোটেল, চাহৰ দোকান আদি সৰু উদ্যোগসমূহত মালিকসকলে ন্যূনতম মজুৰিত শিশু শ্ৰমিক নিযুক্ত কৰিব পৰা বাবে সস্তীয়া শ্ৰমশক্তি হিচাপে তেওঁলোকক ব্যৱহাৰ কৰে। ভাৰতত ১৫ বছৰৰ তলৰ বহু ল'ৰা-ছোৱালীক বিশেষকৈ অসংগঠিত খণ্ডত কাম কৰিবলৈ বাধ্য কৰা হয়, য'ত তেওঁলোকে দীঘলীয়া সময়ৰ বাবে কাম কৰা, বিপজ্জনক কৰ্মক্ষেত্ৰত নিযুক্তি,কম মজুৰি আৰু অস্বাস্থ্যকৰ পৰিবেশত কাম কৰাৰ দৰে সমস্যাৰ সন্মুখীন হয়। এনে অৱনমিত কৰ্ম পৰিৱেশৰ ফলত শিশুসকলে স্বাস্থ্যজনিত গুৰুতৰ সমস্যাত ভোগে আৰু তেওঁলোকৰ সুৰক্ষা বিপদাপন্ন হয়। ভাৰতৰ অধিকাংশ নগৰাঞ্চলত সৰু চাহৰ দোকান আদি স্থানত কাম কৰা শিশুৰ সংখ্যা বৃদ্ধি পাইছে,যাৰ ফলত তেওঁলোক অধিক অসুৰক্ষিত পৰিস্থিতিত পৰে।
কেতিয়াবা বহু দৰিদ্ৰ পৰিয়ালে জীৱিকাৰ বাবে নিজৰ সন্তানক বিদ্যালয়লৈ নপঠিয়াই কামত নিয়োজিত কৰে। ভাৰতত বহু ক্ষেত্ৰত সস্তীয়া শ্ৰমশক্তি লাভ কৰাৰ উদ্দেশ্যে কিছুমান স্বাৰ্থান্বেষী গোটে ইচ্ছাকৃতভাৱে শিশুশ্ৰমক উৎসাহিত কৰে। শিশু শ্ৰম কেৱল দৰিদ্ৰ পৰিয়ালসমূহৰ আৰ্থিক বাধ্যবাধকতাই নহয় , ই সামাজিক শোষণৰো এক পৰিণতি। আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনৰ মতে, শিক্ষামূলক হস্তক্ষেপ শিশুশ্ৰমৰ আটাইতকৈ ক্ষতিকাৰক ৰূপসমূহ প্ৰতিৰোধ আৰু নিৰ্মূল কৰাৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ। শিক্ষাৰ অভাৱ ভাৰতত শিশুশ্ৰমৰ অন্যতম মুখ্য কাৰণ।

আধুনিক ৰাষ্ট্ৰব্যৱস্থাতো শিশু শ্ৰম উন্নয়নশীল আৰু অনুন্নত দেশসমূহৰ এক গুৰুত্বপূৰ্ণ সমস্যা হৈ আছে। নব্য-উদাৰবাদী ৰাষ্ট্ৰীয় গাঁথনিয়ে তৃতীয় বিশ্বৰ দেশসমূহত উন্নয়নৰ গতি বৃদ্ধি কৰিলেও এই অঞ্চলসমূহত শিশু শ্ৰমৰ সমস্যাও বৃদ্ধি পাইছে। ভাৰতো এই সমস্যাৰ ব্যতিক্ৰম নহয়।
ভাৰতত শিশু শ্ৰম পৰিয়ালৰ আৰ্থিক অৱস্থা আৰু কৰ্মক্ষম সদস্যৰ সংখ্যাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। পৰিয়ালত নিৰ্ভৰশীল সদস্যৰ সংখ্যা যিমান বেছি হয়, সেই পৰিয়ালৰ শিশুসকল জীৱিকাৰ বাবে বিভিন্ন বিপজ্জনক কামত জড়িত হ'বলৈ বাধ্য হ'ব লাগে, যাৰ ফলত শিশু শ্ৰমৰ সমস্যা অধিক বৃদ্ধি পায়।
স্বাধীনতাৰ বহু দশক পাৰ হোৱাৰ পিছতো বহু শিশু তেওঁলোকৰ মৌলিক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। বহু সময়ত দৰিদ্ৰ শিশুসকলৰ বাবে সুলভ বিদ্যালয়ৰ অভাৱত তেওঁলোক অশিক্ষিত আৰু অসহায় হৈ পৰে। ফলস্বৰূপে, তেওঁলোকে শিক্ষা লাভ নকৰি জীৱন যাপন কৰিবলৈ বাধ্য হয় আৰু শেষত শিশু শ্ৰমৰ ফান্দত পৰে। ভাৰতত শিশু শ্ৰম বৃদ্ধি পোৱাৰ মূল কাৰণ হৈছে দাৰিদ্ৰ্য আৰু সামাজিক-অৰ্থনৈতিক পশ্চাৎপদতা। দাৰিদ্ৰ্যতাৰ বাবে দুৰ্বল পৰিয়ালসমূহৰ আৰ্থিক অৱস্থাৰ ক্ৰমাৎ অৱনতি ঘটে, যাৰ ফলত শিশু শ্ৰমিকৰ সংখ্যা বৃদ্ধি পায়। এনে পৰিয়ালৰ অভিভাৱকসকলে সন্তানক বিদ্যালয়লৈ পঠিওৱাৰ পৰিৱৰ্তে হোটেল, দোকান, কাৰখানা, ঘৰুৱা কাম বা কৃষিক্ষেত্ৰত কাম কৰিবলৈ পঠিয়ায়।

দৰিদ্ৰ পৰিয়ালসমূহৰ সামাজিক-অৰ্থনৈতিক অৱস্থা স্থবিৰ হৈ থাকে, কিয়নো আৰ্থিক নিৰ্ভৰশীলতাৰ বাবে তেওঁলোকে সন্তানৰ শিক্ষাৰ কথা চিন্তা নকৰি তেওঁলোকক বিভিন্ন ধৰণৰ শ্ৰমত নিয়োজিত কৰে। সম্পদৰ অভাৱত শিক্ষাৰ সুযোগ নথকাটো ভাৰতত শিশু শ্ৰম অব্যাহত থকাৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰণ। শিশু শ্ৰম হ্ৰাস কৰাৰ বাবে

শিক্ষাৰ প্ৰসাৰ অতি প্ৰয়োজনীয়। যিমান বেছি মানুহ শিক্ষিত হ'ব, সিমানেই কম তেওঁলোকে সন্তানক কামলৈ পঠিয়াব।

ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহত মজুৰিভিত্তিক শ্ৰমৰ চাহিদা বৃদ্ধি পাইছে। সেয়ে দৰিদ্ৰ পৰিয়ালসমূহে অধিক উপাৰ্জনৰ আশাত সন্তানসকলক বিভিন্ন ধৰণৰ মজুৰিভিত্তিক কামত নিযুক্ত কৰে। শিশুসকলৰ মজুৰি কম হোৱাৰ বাবে বজাৰত তেওঁলোকৰ চাহিদা বৃদ্ধি পায়, যাৰ ফলত শিশু শ্ৰমৰ মাত্ৰাও বৃদ্ধি পায়। দাৰিদ্ৰ্যৰ পৰিস্থিতিত শিশুসকলৰ ওপৰত পৰিয়ালৰ জীৱনধাৰণত সহায় কৰাৰ বাবে যিকোনো ধৰণৰ কামত জড়িত হোৱাৰ প্ৰচণ্ড চাপ থাকে। বিশ্বায়ন আৰু নব্য-উদাৰবাদী ৰাষ্ট্ৰীয় ব্যৱস্থাৰ যুগত উদাৰীকৰণ , ব্যক্তিগতকৰণ আৰু ভোগবাদ -এ সস্তীয়া শ্ৰমৰ চাহিদা বৃদ্ধি কৰিছে। ফলস্বৰূপে, সস্তীয়া শ্ৰমৰ প্ৰয়োজনীয়তা আৰু দৰিদ্ৰ জনগোষ্ঠীৰ আৰ্থিক প্ৰয়োজনীয়তাই ভাৰতত শিশু শ্ৰমৰ সমস্যাক অধিক তীব্ৰ কৰি তুলিছে। সৰু উদ্যোগ আৰু দোকান-মালিকসকলে অধিক লাভৰ আশাত শিশুসকলক নিয়োগ কৰে, কিয়নো শিশুসকলে প্ৰাপ্তবয়স্ক শ্ৰমিকৰ তুলনাত প্ৰায় আধা মজুৰিত কাম কৰে।

ভাৰতত শিশু শ্ৰম নিৰ্মূলৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰা হৈছে। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২৩ আৰু অনুচ্ছেদ ২৪-এ শিশু শ্ৰমৰ বিষয়টো স্পষ্টভাৱে উল্লেখ কৰিছে। অনুচ্ছেদ ২৪ অনুসৰি, ১৪ বছৰৰ তলৰ কোনো শিশুক কোনো কাৰখানা, খনি বা আন কোনো বিপজ্জনক কৰ্মক্ষেত্ৰত নিয়োগ কৰিব নোৱাৰিব।

অনুচ্ছেদ ৪৫-ত উল্লেখ কৰা হৈছে যে ৰাষ্ট্ৰই ১৪ বছৰ বয়সলৈকে সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব। শিশু শ্ৰমৰ সমস্যা মোকাবিলা কৰিবলৈ ভাৰতীয় সংসদে বহুতো আইন প্ৰণয়ন কৰিছে। এই আইনসমূহে বিভিন্ন খণ্ডত শিশুৰ নিয়োগ নিষিদ্ধ কৰিছে। এই আইনসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে-

ভাৰতীয় কাৰখানা আইন ১৯৪৮, ভাৰতীয় খনি আইন ১৯৫২ , বিড়ি আৰু চিগাৰ শ্ৰমিক (নিয়োগৰ চৰ্ত) আইন১৯৬৬ , শিশু শ্ৰম (নিষেধাজ্ঞা আৰু নিয়ন্ত্ৰণ) আইন ১৯৮৬

১৯৮৮ চনত ভাৰত চৰকাৰে শিশু শ্ৰম আৰু নিৰক্ষৰতা দূৰীকৰণৰ উদ্দেশ্যে এক বিশেষ প্ৰকল্প আৰম্ভ কৰিছিল। শিশু শ্ৰম (নিষেধাজ্ঞা আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬ ভাৰতীয় সংসদে চ্ব ডিচেম্বৰ ৰজ্মজ্জ্বছ তাৰিখে গৃহীত কৰে আৰু কেন্দ্ৰীয় চৰকাৰে ২৬ মে' ১৯৯৩ তাৰিখে ইয়াক কাৰ্যকৰী কৰে।

এই আইনৰ মূল উদ্দেশ্যসমূহ হ'ল-

•১৪ বছৰ পূৰ্ণ নকৰা শিশুসকলক নিৰ্দিষ্ট পেচা আৰু কৰ্মক্ষেত্ৰত নিয়োগ কৰাত নিষেধাজ্ঞা আৰোপ কৰা।

• নিষিদ্ধ পেচা আৰু প্ৰক্ৰিয়াসমূহৰ তালিকাত সংশোধন আনি নতুন সিদ্ধান্ত লোৱাৰ বাবে এক পদ্ধতি নিৰ্ধাৰণ কৰা।

• যিসমূহ কৰ্মক্ষেত্ৰত শিশুৰ কাম কৰাটো নিষিদ্ধ নহয়, সেই ক্ষেত্ৰসমূহত তেওঁলোকৰ কৰ্ম পৰিস্থিতি নিয়ন্ত্ৰণ কৰা।

•এই আইন আৰু শিশু নিয়োগ নিষিদ্ধ কৰা অন্যান্য আইনৰ বিধান উলংঘন কৰি শিশুক নিয়োগ কৰা ব্যক্তিৰ বাবে অধিক কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা।

• শিশু-সম্পৰ্কীয় আইনসমূহত "শিশু" শব্দটোৰ সংজ্ঞাত একৰূপতা স্থাপন কৰা।

ভাৰতত সংবিধান আৰু আইনসভাই শিশু শ্ৰম নিৰ্মূলৰ বাবে বহু ব্যৱস্থা গ্ৰহণ কৰিলেও, এই সমস্যা এতিয়াও বিদ্যমান আৰু ই ভাৰতত শিশুৰ মানৱ অধিকাৰৰ বাস্তৱায়নৰ ক্ষেত্ৰত এক গুৰুতৰ বাধা হিচাপে থিয় দিছে ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন·৭ শিশু শ্ৰম সমস্যাৰ বৃদ্ধিৰ বাবে দায়ী যিকোনো দুটা কাৰণ উল্লেখ কৰক।

.....

প্ৰশ্ন ৮ ঃ শিশু শ্ৰম (নিষেধাজ্ঞা আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬-ৰ যিকোনো দুটা উদ্দেশ্য উল্লেখ কৰক।

.....

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজৰ এক দুর্বল অংশ হিচাপে ভাৰতৰ বহু ঠাইত শিশুৰ অধিকাৰ গুৰুতৰভাৱে লংঘিত হয়।
- শিশুৰ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় দুয়োটা স্তৰত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় স্তৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই-এ ২০ নৱেম্বৰ, ১৯৮৯ তাৰিখে শিশুৰ অধিকাৰ বিষয়ক সন্মিলন (CRC) গ্ৰহণ কৰে আৰু ই ২ ছেপ্টেম্বৰ, ১৯৯০ তাৰিখে কাৰ্যকৰী হয়। এইখনেই শিশুসমূহৰ নাগৰিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সুৰক্ষাৰ বাবে বিশ্বব্যাপী বাধ্যতামূলক প্ৰথম চুক্তি।
- ভাৰতেও শিশুৰ অধিকাৰ সুৰক্ষা আৰু প্ৰসাৰৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰতীয় সংবিধানত শিশুৰ অধিকাৰ নিশ্চিত কৰাৰ উদ্দেশ্যে বিভিন্ন বিধান সন্নিবিষ্ট কৰা হৈছে। সংবিধানৰ প্ৰস্তাৱনাত সকলো নাগৰিকৰ বাবে ন্যায়, স্বাধীনতা আৰু সমতা নিশ্চিত কৰাৰ কথা ঘোষণা কৰা হৈছে, য'ত শিশুসকলো অন্তৰ্ভুক্ত।
- ভাৰতীয় সংবিধানৰ বিভিন্ন অনুচ্ছেদত শিশু অধিকাৰৰ বিষয়সমূহ প্ৰতিফলিত হৈছে। উদাহৰণস্বৰূপে- অনুচ্ছেদ ২৩ আৰু ২৪ মানৱ সৰবৰাহ আৰু শিশু শ্ৰমৰ সমস্যাৰ সৈতে জড়িত। অনুচ্ছেদ ৩৯-এ ৰাষ্ট্ৰক এনে নীতি গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে যাতে পুৰুষ-মহিলা শ্ৰমিকৰ স্বাস্থ্য আৰু শক্তি সুৰক্ষিত থাকে, শিশুৰ কোমল বয়সৰ অপব্যৱহাৰ নহয় আৰু কোনো নাগৰিকক আৰ্থিক বাধ্যবাধকতাৰ বাবে নিজৰ বয়স বা শক্তিৰ অনুপযুক্ত পেচাত সোমাবলৈ বাধ্য কৰা নহয়। অনুচ্ছেদ ৪৫-এ সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ বাবে ৰাষ্ট্ৰক প্ৰচেষ্টা চলাবলৈ নিৰ্দেশ দিয়ে। ভাৰতত শিশু অধিকাৰ সুৰক্ষাৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰা হৈছে আৰু শিশু শ্ৰম, শিশুৰ শোষণ, শিক্ষা আৰু কল্যাণৰ ক্ষেত্ৰত বহুতো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।
- শিক্ষাৰ অধিকাৰে ২০০২ চনত ভাৰতত মৌলিক অধিকাৰ হিচাপে স্বীকৃতি লাভ কৰে। সংবিধানৰ ৮৬ তম সংশোধনীৰ জৰিয়তে অনুচ্ছেদ ২১ক সংযোজন কৰা হয়। একে সংশোধনীৰ দ্বাৰা ১১ নং মৌলিক কৰ্তব্যও সংযোজন কৰা হয়, য'ত কোৱা হৈছে যে ছ বছৰৰ পৰা ৰচ্ছ্ৰ বছৰৰ ভিতৰৰ শিশুসকলক শিক্ষা প্ৰদান কৰাটো পিতৃ-মাতৃ বা অভিভাৱকৰ কৰ্তব্য।
- ভাৰতীয় সংসদে শিশুৰ অধিকাৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে বহুতো আইন প্ৰণয়ন কৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য আইনসমূহ হ'ল- শিশু বিবাহ নিয়ন্ত্ৰণ আইন, ১৯২৯ (Child Marriage Restraint Act, 1929), শিশু শ্ৰম বন্ধক আইন,১৯৩৩ [Children (Pledging of Labour) Act, 1933], শিশু নিয়োগ আইন, ১৯৩৮ (Employment of Children Act, 1938), শিশু আইন, ১৯৬০ (Children Act, 1960), শিশু শ্ৰম (নিষেধাজ্ঞা আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬ (Child Labour (Prohibition and Regulation) Act, 1986), কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) আইন, ২০০০(Juvenile Justice (Care and Protection of Children) Act, 2000), শিশু বিবাহ নিষেধ আইন, ২০০৬ (Prohibition of Child Marriage Act, 2006), যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইন, ২০১২ (Protection of Children from Sexual Offences Act, 2012) ।
- ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগ (NCPCR) ২০০৫ চনৰ শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধীনত গঠন কৰা হয়। এই আয়োগে শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে বিভিন্ন গুৰুত্বপূৰ্ণ কাম সম্পাদন কৰে।
- ভাৰতত শিশু শ্ৰম শিশুৰ অধিকাৰৰ প্ৰতি এক গুৰুতৰ ভাবুকি। দাৰিদ্ৰ্য, ক্ষুধা, শিক্ষাৰ অভাৱ আৰু অসংগঠিত অৰ্থনীতিৰ বিস্তাৰক শিশু শ্ৰমৰ মূল কাৰণ বুলি ধৰা হয়।
- শিশু শ্ৰমৰ সমস্যা দূৰ কৰিবলৈ ভাৰতীয় সংসদে বিভিন্ন আইন প্ৰণয়ন কৰিছে, যেনে- ভাৰতীয় কাৰখানা আইন, ১৯৪৮ ভাৰতীয় খনি আইন, ১৯৫২, বিড়ি আৰু চিগাৰ শ্ৰমিক (নিয়োগৰ চৰ্ত) আইন, ১৯৬৬ ,শিশু শ্ৰম (নিষেধাজ্ঞাআৰু নিয়ন্ত্ৰণ) আইন,১৯৮৬ ইত্যাদি।

১৩.৭ অধিক জানিবলৈ

1. Agarrwal, H.O. (2006), Human Rights; Allahabad,Central Law Publications.
2. Sanajoaba, N. (1994) Human Rights; Principles, Practices and Abuses; New Delhi; Omsons Publication.
3. Syed, M.H.(2003). Human Rights; The New Era; New Delhi; Kilaso Books
4.3. Yasin, Adil-ul& Upadhayay Archana (2004); Human Rights; New Delhi; Akansha Publishing House.

১৩.৮ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ : ২০ নৱেম্বৰ, ১৯৮৯ তাৰিখে গৃহীত হৈছিল।
প্রশ্ন নং ২ উত্তৰ: ২০০২ চনত।
প্রশ্ন নং ৩ উত্তৰ: অনুচ্ছেদ ২৩ অনুসৰি মানুহৰ সৰবৰাহ , বেগাৰ আৰু অন্যান্য বলপূর্বক শ্রম নিষিদ্ধ। এই বিধান উলংঘা কৰিলে আইন অনুসৰি শাস্তিযোগ্য অপৰাধ বুলি গণ্য কৰা হয়।
অনুচ্ছেদ ২৪ অনুসৰি ১৪ বছৰৰ তলৰ কোনো শিশুক কাৰখানা, খনি বা অন্য কোনো বিপজ্জনক কামত নিয়োগ কৰিব নোৱাৰি।
প্রশ্ন নং ৪ উত্তৰ: শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে প্রণীত দুটা আইন হ'ল- শিশু বিবাহ নিষেধ আইন, ২০০৬ , শিশুক যৌন অপৰাধৰ পৰা সুৰক্ষা আইন, ২০১২
প্রশ্ন নং ৫ উত্তৰ: ২০০৫ চনত।
প্রশ্ন নং ৬ উত্তৰ: ৰাষ্ট্রীয় শিশু অধিকাৰ সুৰক্ষা আয়োগৰ (NCPCR) কার্যসমূহ-
১) শিশু অধিকাৰ সুৰক্ষাৰ বাবে থকা আইনসমূহ পর্যালোচনা কৰি ইয়াৰ ফলপ্রসূ কার্যকৰীকৰণৰ বাবে পৰামর্শ আগবঢ়ায়। শিশু অধিকাৰ উলংঘনৰ ঘটনাৰ তদন্ত কৰে আৰু উপযুক্ত ব্যৱস্থা গ্রহণৰ বাবে পৰামর্শ দিয়ে।
২) কেন্দ্রীয় চৰকাৰলৈ বার্ষিক আৰু সময়ে সময়ে প্রতিবেদন দাখিল কৰে।
৩) শিশু অধিকাৰ উপভোগৰ ক্ষেত্রত বাধা সৃষ্টি কৰা কাৰকসমূহ পৰীক্ষা কৰি সমাধানৰ উপায় পৰামর্শ দিয়ে।
৪) শিশু অধিকাৰৰ ক্ষেত্রত গৱেষণা, সচেতনতা বৃদ্ধি আৰু প্রচাৰমূলক কার্যসূচী গ্রহণ কৰে। বিদ্যালয়ৰ পাঠ্যক্রমত শিশু অধিকাৰ অন্তর্ভুক্তকৰণ আৰু শিক্ষকসকলৰ প্রশিক্ষণক উৎসাহিত কৰে।
প্রশ্ন নং ৭ উত্তৰঃ ভাৰতত শিশু শ্রমৰ দুটা মুখ্য কাৰণ হ'ল- দাৰিদ্র্যতা , শিক্ষাৰ অভাৱ
প্রশ্ন নং ৮ উত্তৰ : ১) ১৪ বছৰৰ তলৰ শিশুসকলক নির্দিষ্ট বিপজ্জনক পেচা আৰু কামত নিয়োগ নিষিদ্ধ কৰা।
২) আইনখনৰ সূচী সংশোধন বা পৰিবর্তনৰ বাবে এক প্রক্রিয়া নির্ধাৰণ কৰা।

১৩.৯ সাম্ভাব্য প্রশ্ন

প্রশ্ন নং ১ ঃ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২৪-বিধান উল্লেখ কৰক।
প্রশ্ন নং ২ ঃ ভাৰতীয় সংবিধানৰ কোন সংশোধনীৰ দ্বাৰা শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছিল?
প্রশ্ন ন ৩ঃ শিশুবিবাহ নিষেধ আইন কোন চনত প্রণয়ন কৰা হৈছিল?
প্রশ্ন নং ৪ঃ শিশুশ্রম নিষেধাজ্ঞা আৰু নিয়ন্ত্রণ আইন,ৰজ্মজ্জ্বছ ৰচাৰিটা উদ্দেশ্য লিখক।
প্রশ্ন নং ৫ঃ ভাৰতত শিশুশ্রম নির্মূলৰ বাবে কিছুমান ব্যৱস্থা উল্লেখ কৰক।
প্রশ্ন নং ৬ঃ শিশুৰ অধিকাৰ সুৰক্ষা আৰু প্রসাৰৰ বাবে সাংবিধানিক বিধানসমূহ ব্যাখ্যা কৰক।

প্রশ্ন নং ৭ঃ শিশুৰ অধিকাৰ সুৰক্ষাত ভাৰতীয় সংসদৰ ভূমিকা আলোচনা কৰক।
প্রশ্ন নং ৮ঃ শিশুৰ অধিকাৰ সুৰক্ষা আয়োগৰ কার্যসমূহ ব্যাখ্যা কৰক ।
প্রশ্ন নং ৯ঃ ভাৰতত শিশু শ্রম সমস্যাৰ বিশ্লেষণ কৰা আৰু ইয়াৰ মুখ্য কাৰণসমূহ উল্লেখ কৰক।
প্রশ্ন নং ১০ঃ শিশু শ্রম সমস্যা মোকাবিলাত ভাৰতীয় সংবিধান আৰু সংসদৰ ভূমিকা বিশ্লেষণ কৰক।

অধ্যায় ১৪: ভাৰতত সংঘাত আৰু মানৱ অধিকাৰ উলংঘনৰ সমস্যা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ সংঘাতৰ পৰিস্থিতিত মানৱ অধিকাৰ উলংঘন
১৪.৪ সংঘাতজনিত মানৱ অধিকাৰ উলংঘনৰ পৰিস্থিতিত ৰাজ্যৰ ভূমিকা
১৪.৫ অ-ৰাজ্যিক সংস্থা আৰু সংঘাতকালীন মানৱ অধিকাৰ উলংঘনৰ সমস্যা
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪. ৮ অগ্রগতি খতিয়ান
১৪.৯ সাম্ভাব্য প্রশ্নসমূহ

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতৰ বিভিন্ন সংঘাতপ্রৱণ অঞ্চলত সংঘটিত মানৱ অধিকাৰ উলংঘনৰ ঘটনাসমূহ ব্যাখ্যা কৰিব পাৰিব।
- সংঘাতজনিত মানৱ অধিকাৰ উলংঘনৰ পৰিস্থিতিত ৰাজ্যৰ ভূমিকাৰ বিষয়ে ব্যাখ্যা আলোচনা পাৰিব।
- সংঘাতৰ সময়ত মানৱ অধিকাৰ উলংঘনৰ ক্ষেত্রত অ-ৰাজ্যিক সংস্থাসমূহৰ ভূমিকা বিশ্লেষণ কৰিব পাৰিব।

১৪.২ পৰিচয়

বিশ্ব পৰিপ্রেক্ষিতত শীতল যুদ্ধৰ সমাপ্ত হোৱাৰ পিছত আন্তঃৰাষ্ট্রীয় যুদ্ধৰ সম্ভাৱনা কিছু হ্রাস পালেও বিশ্বৰ বিভিন্ন অঞ্চলত সশস্ত্র সংঘাত বৃদ্ধি পাইছে। ভাৰতো ইয়াৰ ব্যতিক্রম নহয়। স্বাধীনতাৰ পিছৰে পৰা ভাৰতীয় সমাজে বিভিন্ন ধৰণৰ সংঘাতৰ সন্মুখীন হৈ আহিছে।

বিশেষকৈ জম্মু আৰু কাশ্মীৰ আৰু উত্তৰ-পূর্বাঞ্চলৰ দৰে অশান্ত অঞ্চলসমূহে যোৱা প্রায় সাত দশক ধৰি সশস্ত্র সংঘাতৰ অভিজ্ঞতা লাভ কৰি আহিছে। এই সংঘাতসমূহৰ মূল কাৰণসমূহ হ'ল- থলুৱা পৰিচয় সুৰক্ষিত কৰাৰ প্রয়াস, অর্থনৈতিক অনুন্নয়ন, ধর্মীয় অসহিষ্ণুতা, সংখ্যাগৰিষ্ঠ আৰু সংখ্যালঘু সংঘাত সম্প্রদায়ৰ মাজৰ সংঘর্ষ আদি।

এই সংঘাতসমূহে সমাজত হিংসাৰ সংস্কৃতি গঢ়ি তুলিছে আৰু সাধাৰণ জনসাধাৰণৰ মাজত অনিৰাপত্তা আৰু মানৱ অধিকাৰ উলংঘনৰ পৰিস্থিতি সৃষ্টি কৰিছে। এই ইউনিটত সংঘাতজনিত মানৱ অধিকাৰ উলংঘনৰ ক্ষেত্রত ৰাজ্য আৰু অ-ৰাজ্যিক সংস্থাসমূহৰ ভূমিকা আলোচনা কৰা হৈছে।

১৪.৩ সংঘাতৰ পৰিস্থিতিত মানৱ অধিকাৰ উলংঘন

সমসাময়িক সময়ত সশস্ত্র সংঘাতে সমাজৰ বিভিন্ন ক্ষেত্র আৰু জনসাধাৰণৰ জীৱনত বিৰূপ প্রভাৱ পেলাইছে। ইয়াৰ ফলত মানুহৰ সুৰক্ষা আৰু অধিকাৰ গুৰুতৰভাৱে বিপদাপন্ন হৈছে। বিশ্বজুৰি লাখ লাখ লোক সংঘাতৰ ফলত প্রভাৱিত হৈছে আৰু বহুতে প্রাণ হেৰুৱাইছে। হিংসাত্মক সংঘাতপ্রৱণ অঞ্চলত বাস কৰা লোকসকলে সকলো দিশৰ পৰা নানা সমস্যাৰ সন্মুখীন হব লগা হয়। আচলতে, সশস্ত্র সংঘাতৰ আটাইতকৈ স্পষ্ট মূল্য হৈছে মানৱ অস্তিত্বৰ ওপৰত সৃষ্টি হোৱা

ভাবুকি।

ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন জাতিগত গোটৰ নেতৃত্বত চলা সশস্ত্ৰ আন্দোলনে হিংসাৰ এক সংস্কৃতি গঢ়ি তুলিছে। সশস্ত্ৰ গোটসমূহ আৰু ৰাজ্যৰ সশস্ত্ৰ বাহিনীৰ মাজত হোৱা প্ৰত্যক্ষ হিংসাত্মক সংঘাতে সাধাৰণ জনসাধাৰণৰ জীৱনধাৰাক গভীৰভাৱে প্ৰভাৱিত কৰিছে।

প্ৰয়াত এডৱার্ড এজাৰে ১৯৯০-ৰ দশকত বহু হিংসাত্মক সংঘাতৰ অধ্যয়ন কৰি এক বিশেষ ধৰণৰ সংঘাত চিনাক্ত কৰিছিল, যাক তেওঁ "Protracted Social Conflict (PSC)" বা দীৰ্ঘস্থায়ী সামাজিক সংঘাত নামে অভিহিত কৰিছিল। এই ধৰণৰ সংঘাত সাধাৰণতে জাতিগত-ধৰ্মীয় আৰু জাতিগত-জাতীয় গোটসমূহৰ পৰিচয়ভিত্তিক চাহিদা আৰু দাবীৰ সৈতে জড়িত। সকলো ধৰণৰ হিংসাত্মক কাৰ্যকলাপে ব্যক্তি আৰু জাতি দুয়োটাৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলায়। যিকোনো সংঘাতৰ সময়ত মানুহৰ অধিকাৰ আৰু মৰ্যাদা গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হয়।

হিংসাত্মক সংঘাতে সমগ্ৰ মানৱ অধিকাৰৰ বিষয়টোক দুৰ্বল কৰি তোলে। বৃহৎ পৰিসৰৰ হিংসাত্মক সংঘাতৰ ফলত সংঘাতপ্ৰৱণ অঞ্চলত বসবাস কৰা সাধাৰণ নাগৰিকসকলে অসুৰক্ষিত জীৱন যাপন কৰিবলগীয়া হয়। এনে পৰিস্থিতিত মানৱ অধিকাৰ উলংঘনৰ ঘটনা বৃদ্ধি পায় আৰু ৰাজ্যিক ব্যৱস্থাই এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ চেষ্টা কৰে।

বিভিন্ন সংঘাতজনক পৰিস্থিতিত সংঘটিত হোৱা ব্যাপক মানৱ অধিকাৰ উলংঘনৰ ঘটনাসমূহে বিদ্যমান ৰাজ্যিক ব্যৱস্থাৰ কঠোৰ পুনৰ মূল্যায়নৰ প্ৰয়োজনীয়তা স্পষ্ট কৰি তোলে। বৰ্তমানৰ ৰাজ্যিক ব্যৱস্থাসমূহে বিভিন্ন সামাজিক-ৰাজনৈতিক পৰিপ্ৰেক্ষিতত কেতিয়াবা কিছুমান মানৱ অধিকাৰৰ নীতি-নিয়মক দুৰ্বল কৰি তোলে। জাতিগত জাগৰণ, সাম্প্ৰদায়িক হিংসা, ধৰ্মীয় পুনৰুত্থানবাদ, প্ৰান্তীয়কৃত লোকসকলৰ কণ্ঠস্বৰ, সাংস্কৃতিক পৰিচয়ৰ দাবী আদি হৈছে জাতিগত চেতনাৰ বিভিন্ন প্ৰকাশ।

উত্তৰ-পূব ভাৰতৰ প্ৰেক্ষাপটত, জাতিগত সংখ্যালঘু আৰু ধৰ্মীয় সংখ্যালঘুসকলৰ সৈতে জড়িত বিষয়সমূহ প্ৰতিফলিত কৰা সংঘাতমূলক ৰাজনীতিয়ে বহু সমস্যাপূৰ্ণ সময়ৰ সৃষ্টি কৰিছে, যাৰ ফলত ব্যাপক মানৱ অধিকাৰ উলংঘন সংঘটিত হৈছে। ভাৰতৰ বহু অঞ্চলত এতিয়াও হিংসাত্মক সংঘাত চলি আছে, আৰু ইয়াৰ ফলত জনসাধাৰণৰ জীৱনত গভীৰ নিৰাপত্তাৰ সৃষ্টি হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ দীৰ্ঘস্থায়ী সামাজিক সংঘাত বুলিলে কি বুজে?

.....

প্ৰশ্ন ২ ঃ উত্তৰ পূৱ ভাৰতত সংঘাত মূলতঃ..... বিষয়ৰ সৈতে জড়িত। (খালী স্থান পুৰ কৰক)

১৪.৪ সংঘাতজনিত মানৱ অধিকাৰ উলংঘনৰ পৰিস্থিতিত ৰাজ্যৰ ভূমিকা

সংঘাতৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত ব্যাপক মানৱ অধিকাৰ উলংঘন আৰু মানৱীয় অনিৰাপত্তাৰ সৃষ্টি হৈছে। জাতীয় নিপীড়ন, বিদ্ৰোহ (Insurgency), সামৰিক দমন, জাতিগত হিংসা, দীঘলীয়া সামাজিক সংঘাত (Protracted Social Conflict) আদি মানৱ অধিকাৰ উলংঘনৰ মূল কাৰণ। ৰাজ্যই গ্ৰহণ কৰা বিদ্ৰোহ দমন ব্যৱস্থাসমূহেও বিভিন্ন মাত্ৰাত সাধাৰণ লোকৰ মানৱ অধিকাৰ আৰু সুৰক্ষাক প্ৰভাৱিত কৰিছে।

ৰাজ্য আৰু অ-ৰাজ্যীয় গোটৰ মাজত সংঘাতৰ সময়ত সংঘাতপীড়িত অঞ্চলত বসবাস কৰা অসামৰিক লোকসকলক প্ৰায়ে অ-ৰাজ্যীয় গোটসমূহে বন্দুকৰ মুখত সহায়ক বা আশ্ৰয়দাতা হিচাপে ব্যৱহাৰ কৰে, আনহাতে সুৰক্ষা সংস্থাসমূহে

তেওঁলোকক তথ্যদাতা বা সহযোগী বুলি সন্দেহ কৰে। হিংসা আৰু নিষ্ঠুৰ মৃত্যুৰ অভিজ্ঞতাই এনে পৰিস্থিতিত ডাঙৰ হোৱা বহু যুৱ-প্ৰজন্মৰ মনোজগতত গভীৰ আঘাত হানে।

'সশস্ত্ৰ সংগ্ৰাম'ৰ নামত বহু অ-ৰাজ্যীয় গোটেও গুৰুতৰ মানৱ অধিকাৰ উলংঘনত জড়িত হয়। এনে পৰিস্থিতিত ৰাজ্যই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে আৰু প্ৰতিষ্ঠানগত ব্যৱস্থা অধিক আক্ৰমণাত্মক হৈ পৰে। উদাহৰণস্বৰূপে, উত্তৰ-পূব ভাৰতত বিভিন্ন উগ্ৰপন্থী সংগঠনৰ কাৰ্যকলাপ দমনৰ বাবে চৰকাৰে বৃহৎ সংখ্যক সুৰক্ষা বাহিনী মোতায়েন কৰিছে। কিন্তু বহু ক্ষেত্ৰত সেনাবাহিনী আৰু অন্যান্য সুৰক্ষা বাহিনীৰ কিছুমান কাৰ্যকলাপেও মানৱ অধিকাৰ উলংঘনৰ অভিযোগৰ সৃষ্টি কৰিছে। সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন ১৯৫৮, (Armed Forces (Special Powers) Act, 1958 (AFSPA) উত্তৰ-পূব ভাৰতত মানৱ অধিকাৰ উলংঘনৰ অন্যতম বিতৰ্কিত আইন হিচাপে বিবেচিত। সুৰক্ষা বাহিনীয়ে বহু সময়ত সন্দেহৰ ভিত্তিত লোকক আটক কৰে, স্বীকাৰোক্তি আদায়ৰ বাবে নিৰ্যাতন চলায় বা ভুৱা সংঘৰ্ষ (Fake Encounter) সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হয়, যিবোৰ মানৱ অধিকাৰ উলংঘনৰ গুৰুতৰ উদাহৰণ।

ভাৰতত বিদ্ৰোহ দমনৰ অভিযানৰ সময়ত অত্যধিক বল প্ৰয়োগৰ ফলত বহু লোকৰ ন্যায়বিচাৰ বহিৰ্ভূত হত্যা সংঘটিত হোৱা বুলি অভিযোগ আছে। এই কাৰ্যকলাপসমূহে বিশ্বজনীন মানৱ অধিকাৰ ঘোষণা (UDHR)-১ ৩ নং অনুচ্ছেদৰ পৰিপন্থী, য'ত প্ৰতিজন ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু ব্যক্তিগত সুৰক্ষাৰ অধিকাৰ স্বীকাৰ কৰা হৈছে। ৰাষ্ট্ৰীয় সুৰক্ষা আইন ১৯৮০ (National Security Act, 1980 (NSA), সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন,১৯৫৮ (AFSPA) আৰু ফৌজদাৰী কাৰ্যবিধি সংহিতাৰ ১৪৪ ধাৰা আদি আইনৰ প্ৰয়োগে উত্তৰ-পূব ভাৰতৰ সাধাৰণ জনসাধাৰণৰ, বিশেষকৈ অসমৰ, মানৱ অধিকাৰত বাধা সৃষ্টি কৰা বুলি সমালোচনা কৰা হয়। AFSPA-ই সন্দেহৰ ভিত্তিত লোকক গ্ৰেপ্তাৰ কৰাৰ ক্ষমতা প্ৰদান কৰে আৰু জনসাধাৰণৰ অভিযোগ প্ৰকাশৰ ক্ষেত্ৰ সংকুচিত কৰে।

সেনাবাহিনীৰ দ্বাৰা আটক হোৱা বহু অসামৰিক লোকে অমানৱীয় নিৰ্যাতনৰ সন্মুখীন হোৱা বুলি অভিযোগ আছে, যাৰ ফলত কেতিয়াবা নিৰ্দোষী লোকৰ মৃত্যুও ঘটে। এনে নিৰ্যাতনৰ ফলত বহু লোকে মানসিক ভাৰসাম্য হেৰুৱায়, সমাজত ভয়ৰ পৰিৱেশ সৃষ্টি হয় আৰু স্বাভাৱিক জীৱনযাপন ব্যাহত হয়। মহিলাসকলেও এই পৰিস্থিতিত বিশেষভাৱে ক্ষতিগ্ৰস্ত হয়। তালাচী অভিযানৰ নামত যৌন নিৰ্যাতন, শাৰীৰিক অত্যাচাৰ আৰু অন্যান্য হিংসাত্মক ঘটনাৰ অভিযোগ উত্থাপিত হৈছে। এনে ঘটনাই মহিলাসকলৰ মনত গভীৰ মানসিক আৰু আবেগিক আঘাতৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও, ৰাজ্যৰ অধিকাংশ মনোযোগ বিদ্ৰোহ দমনৰ দিশত কেন্দ্ৰীভূত হোৱাৰ ফলত উন্নয়নমূলক কাৰ্যসূচীসমূহো ক্ষতিগ্ৰস্ত হয় আৰু অঞ্চলসমূহৰ সামগ্ৰিক উন্নয়নত বাধাৰ সৃষ্টি হয়।

উন্নয়নমূলক কাম-কাজৰ বাবে মূলতঃ আৰণ্টন কৰা সম্পদৰ এক বৃহৎ অংশ সশস্ত্ৰ বাহিনীৰ পিচত ব্যয় কৰা হয়, ফলত অৰ্থনৈতিক উন্নতি সীমিত হৈ পৰে। দুখজনকভাৱে মানৱ অধিকাৰ সুৰক্ষা আইন ১৯৯৩, -এ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু ৰাজ্যিক মানৱ অধিকাৰ আয়োগসমূহক সেনা আৰু অৰ্ধসামৰিক বাহিনীৰ দ্বাৰা সংঘটিত মানৱ অধিকাৰ উলংঘনৰ অভিযোগৰ ওপৰত প্ৰত্যক্ষভাৱে ব্যৱস্থা লোৱাৰ ক্ষমতা প্ৰদান নকৰে। ই ভাৰতৰ মানৱ অধিকাৰ আন্দোলনৰ বাবে এক গুৰুতৰ আঘাত বুলি গণ্য কৰা হয়।

সংঘাত মূলতঃ বিপৰীত স্বাৰ্থৰ প্ৰকাশ। আজিৰ বিশ্বায়িত পৃথিৱীত সংগঠিত হিংসাৰ ধাৰণাই আন্তঃৰাষ্ট্ৰীয় সংঘাতৰ পৰা দেশৰ ভিতৰুৱা সংঘাতলৈ স্থানান্তৰিত হৈছে। ইয়াৰ ফলত বিশ্বৰ বিভিন্ন প্ৰান্তত, বিশেষকৈ ভাৰতত, মানৱ অধিকাৰ উলংঘনৰ ঘটনা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে।

শান্তি গৱেষণা প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক জোহান গাল্টুং-এ সংঘাতক এটা ত্ৰিভুজ হিচাপে ব্যাখ্যা কৰিছে। এই ত্ৰিভুজৰ তিনিটা মূল উপাদান হৈছে-

বিৰোধ — সংঘাতৰ অন্তৰ্নিহিত কাৰণ।

মনোভাৱ — পক্ষসমূহে পৰস্পৰৰ প্ৰতি গঢ়ি তোলা ধাৰণা।

আচৰণ — সহযোগিতা বা বলপ্ৰয়োগমূলক ব্যৱহাৰ।

গাল্টুংৰ মতে, সংঘাত সমাধানৰ বাবে এই তিনিওটা দিশত কাম কৰিব লাগিব- হিংসাত্মক আচৰণ হ্ৰাস, মনোভাৱৰ

পৰিৱৰ্তন আৰু সংঘাতৰ মূলত থকা স্বাৰ্থৰ দ্বন্দ্বৰ সমাধান।
কিন্তু ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহত বিভিন্ন সামাজিক-ৰাজনৈতিক পৰিস্থিতিত সৃষ্টি হোৱা হিংসাত্মক সংঘাতসমূহ মোকাবিলা কৰাত প্ৰতিষ্ঠানগত ব্যৱস্থাই বহু সময়ত ব্যৰ্থ হৈছে। ফলস্বৰূপে, ভাৰতৰ বিভিন্ন সংঘাতপ্ৰৱণ অঞ্চলত, বিশেষকৈ জম্মু আৰু কাশ্মীৰ আৰু উত্তৰ পূৰ ভাৰতত ব্যাপক মানৰ অধিকাৰ উলংঘন সংঘটিত হৈছে। উত্তৰ-পূব ভাৰত, বিশেষকৈ অসমৰ ক্ষেত্ৰত অভিবাসনৰ সমস্যা সংঘাতৰ এক মুখ্য কাৰণ বুলি বিবেচিত হয়। থলুৱা জনগোষ্ঠী আৰু অভিবাসীসকলৰ মাজৰ সংঘাতৰ ফলত দুয়োপক্ষৰ প্ৰান্তীয় লোকসকলৰ মানৰ অধিকাৰ ক্ষুণ্ণ হয়। চাকৰি, অৰ্থনৈতিক সুযোগ-সুবিধা আৰু নাগৰিক সুবিধা হেৰুৱাৰ আশংকাই থলুৱা সমাজৰ মাজত ক্ষোভৰ সৃষ্টি কৰে, যি কেতিয়াবা হিংসাৰ ৰূপ লয়। ইয়াৰ বিপৰীতে আক্ৰমণ আৰু প্ৰত্যাক্ৰমণৰ ধাৰা চলি সমাজত হিংসাৰ সংস্কৃতি গঢ় লৈ উঠে।
এই সংকটজনক সময়ত ৰাজ্যিক প্ৰতিষ্ঠানসমূহৰ বৈষম্যমূলক মনোভাৱে পৰিস্থিতি অধিক জটিল কৰি তোলে। আইন-শৃংখলা ৰক্ষাৰ নামত কেতিয়াবা ৰাজ্যই এনে কাৰ্যকলাপত লিপ্ত হয়, যিবোৰ পিছত ৰাজ্য-পৃষ্ঠপোষক হিংসা হিচাপে পৰিগণিত হয়। ৰাজ্য-পৃষ্ঠপোষক হিংসা মানৰ অধিকাৰ উলংঘনৰ এক মুখ্য কাৰণ।
উদাহৰণস্বৰূপে, অসমৰ বিটিএডি অঞ্চলত ভূমি অধিকাৰ, ভাষা আৰু চৰকাৰী চাকৰিৰ ক্ষেত্ৰত দীৰ্ঘদিনীয়া বৈষম্যমূলক নীতিৰ ফলত বড়ো জনগোষ্ঠীৰ মাজত অসন্তুষ্টি বৃদ্ধি পায়। ইয়াৰ ফলত বিদ্ৰোহ, ভ্ৰাতৃঘাতী সংঘৰ্ষ আৰু জাতিগত নিধনৰ দৰে ঘটনা সংঘটিত হয়।
ভাৰতত সংঘাতজনিত মানৰ অধিকাৰ উলংঘনৰ অধিকাংশ ঘটনাই বিদ্ৰোহ আৰু বিদ্ৰোহ দমন অভিযানৰ সৈতে æÃ¶ÊÂ“Mapping Human Security in Conflict Zones: The Case of North East In ” শীৰ্ষক অধ্যয়নে দেখুৱাইছে যে বিদ্ৰোহপ্ৰৱণ অঞ্চলসমূহত ছজ্জৰক্ষ লোক কোনো নহয় কোনো ধৰণে বিদ্ৰোহৰ দ্বাৰা প্ৰভাৱিত হৈছে। তেওঁলোকে হত্যা, উচ্ছেদ, ঘৰ-বাৰী আৰু সম্পত্তি হেৰুৱা, আত্মীয়ৰ নিখোঁজ হোৱা, দৰিদ্ৰতা, পৰিয়াল বিচ্ছেদ, ধৰ্ষণ আৰু যৌন নিৰ্যাতনৰ দৰে সমস্যাৰ সন্মুখীন হয়। ফলত তেওঁলোকে সদায় ভয়, উদ্বেগ আৰু সন্দেহৰ মাজত জীৱন অতিবাহিত কৰে।
এনকাউণ্টাৰ হত্যাকাণ্ডও সংঘাতকালীন এক হিংসাত্মক পদ্ধতি, যিয়ে ভুক্তভোগীৰ অধিকাৰ উলংঘন কৰে। ভাৰতত এই ধাৰণাটো মূলতঃ দস্যু দমনৰ বাবে আৰক্ষীয়ে ব্যৱহাৰ কৰা কৌশলৰ পৰা বিকশিত হৈছিল। বহু সময়ত অ-ৰাজ্যীয় গোটসমূহক দুৰ্বল কৰাৰ উদ্দেশ্যে এই কৌশল ব্যৱহাৰ কৰা হয়।
উদাহৰণস্বৰূপে, ১৯৬৯ চনত ভাৰতৰ কমিউনিষ্ট দল (মাৰ্ক্সবাদী)-ৰ পৰা পৃথক হৈ নক্সাল আন্দোলন আৰম্ভ হোৱাৰ পিছত আৰক্ষীয়ে সন্দেহভাজন ব্যক্তিসকলৰ বিৰুদ্ধে এনকাউণ্টাৰ হত্যাৰ কৌশল গ্ৰহণ কৰিছিল। আন্তঃৰাষ্ট্ৰীয় ক্ষমা সংস্থা (Amnesty International)এও এনে বহু অভিযোগ লাভ কৰিছে।
পাঞ্জাবত সেনা অভিযানৰ সময়তো বহু এনকাউণ্টাৰ হত্যাৰ অভিযোগ উত্থাপিত হৈছিল। ১৯৮৪ চনৰ ৪ জুন স্বৰ্ণ মন্দিৰত সেনা অভিযানত বহু অসামৰিক লোক আৰু সৈনিক নিহত হৈছিল।
সামগ্ৰিকভাৱে, সংঘাত মোকাবিলাত উপযুক্ত নীতি গ্ৰহণ কৰাত ৰাজ্যিক ব্যৱস্থাৰ ব্যৰ্থতাই ভাৰতত সংঘাত আৰু মানৰ অধিকাৰ উলংঘনৰ পৰিস্থিতিক অধিক জটিল কৰি তুলিছে।

১৪.৫ সংঘাতজনিত মানৱ অধিকাৰ উলংঘনত অ-ৰাষ্ট্ৰীয় গোটসমূহৰ ভূমিকা

ভাৰতত মানৱ অধিকাৰ উলংঘন বৃদ্ধিৰ ক্ষেত্ৰত অ-ৰাষ্ট্ৰীয় গোটসমূহ অধিক দায়ী বুলি ধৰা হয়। উদ্দেশ্যহীন হত্যা, নিৰ্দয় হত্যাকাণ্ড,বোমা বিস্ফোৰণত গণহত্যা আদি কাৰ্যকলাপে সাধাৰণ লোকৰ মানৱ অধিকাৰ উলংঘন কৰে। ভাৰতত, বিশেষকৈ উত্তৰ-পূব ভাৰতত, চাঁ সংগ্ৰহ , অপহৰণ, আৰু সাধাৰণ নাগৰিকক হাৰাশাস্তি কৰাটো এক গুৰুত্বপূৰ্ণ মানৱ অধিকাৰ সমস্যা। বিভক্ত বিদ্ৰোহী গোটসমূহৰ মাজৰ সংঘৰ্ষত বহু সাধাৰণ লোক ক্ষতিগ্ৰস্ত হয়। আত্মসমৰ্পণ কৰা বিদ্ৰোহীসকলৰ পৰিয়ালৰ সদস্যসকলক লক্ষ্য কৰি প্ৰতিশোধমূলক হত্যাকাণ্ডও সংঘটিত হয়। বিৰোধাভাসজনকভাৱে, যিসকলে আত্মনিৰ্ণয়ৰ অধিকাৰৰ দাবী কৰে, তেওঁলোকেই বহু সময়ত সমাজত বাস কৰা

নির্দোষী আৰু সাধাৰণ লোকৰ মানৱ অধিকাৰক সন্মান নকৰে।
২০০৪ চনৰ ১৫ আগষ্টত আলফাই ধেমাজিত সংঘটিত এক বোমা বিস্ফোৰণত নির্দোষী শিশু আৰু মহিলাক হত্যা কৰিছিল। আজিলৈকে আলফাৰ সন্ত্রাসবাদী কার্যকলাপৰ ফলত ৫,০০০-তকৈ অধিক পৰিয়াল প্রত্যক্ষভাৱে ক্ষতিগ্রস্ত হৈছে।
২০০৮ চনৰ ৩০ অক্টোবৰ তাৰিখে নেশ্বনেল ডেমক্রেতিক ফ্রন্ট অৱ বড়োলেণ্ডে গুৱাহাটী, বৰপেটা, বঙাইগাঁও আৰু কোকৰাঝাৰ জিলাত সংঘটিত নটা সমন্বিত বোমা বিস্ফোৰণত ৮৯ জন লোকক হত্যা কৰিছিল।
১৯৯২ চনৰ পৰা চল্লুল্লুল্ল চনলৈকে অসমত বিদ্রোহ-সংক্রান্ত হিংসাত্মক ঘটনাত ৩,৮৬৭ জন সাধাৰণ নাগৰিক আৰু ৭৭৮ জন নিৰাপত্তা বাহিনীৰ সদস্য নিহত হৈছিল। একে সময়ছোৱাত ২,৬২১ জন বিদ্রোহীও নিহত হৈছিল।
ইয়াৰ উপৰিও, হিংসাত্মক সংঘাতৰ ফলত মানুহৰ চলাচলৰ স্বাধীনতা গুৰুতৰভাৱে বাধাগ্রস্ত হয়। সংঘাতপ্রৱণ অঞ্চলত শিশুসকলে শিক্ষাৰ অধিকাৰৰ পৰাও বঞ্চিত হয়। মানুহে সদায় ভয়, আশংকা আৰু অনিশ্চয়তাৰ মাজত বাস কৰিবলগীয়া হয়, যাৰ ফলত মানসিক আঘাত আৰু মনোবৈজ্ঞানিক ৰোগ বৃদ্ধি পায়।

অগ্রগতি নিৰীক্ষণ

প্র নং ৩ উত্তৰ-পূৱ ভাৰতত মানৱ অধিকাৰ উলংঘনৰ সৈতে জড়িত যি কোনো এখন আইনৰ নাম লিখক।

.....

প্র নং .৪. সংঘাতজনিত মানৱ অধিকাৰ উলংঘনৰ পৰিস্থিতিত অ-ৰাষ্ট্রীয় গোট সমূহৰ ভূমিকা চমুকৈ বর্ণনা কৰক।

.....

প্র নং ৫. অসমৰ বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়া ডিষ্ট্রিক্ত অঞ্চলত থলুৱা জনগোষ্ঠী আৰু অভিবাসীসকলৰ মাজত সংঘাতৰ মুখ্য কাৰণ কি?

.....

প্র নং .৬. জোহান গাল্টুংৰ মতে সংঘাতৰ তিনিটা উপাদান চমুকৈ উল্লেখ কৰক।

.....

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

• আধুনিক যুগত সশস্ত্র সংঘাতে মানুহৰ জীৱন, সুৰক্ষা আৰু অধিকাৰৰ ওপৰত গভীৰ নেতিবাচক প্রভাৱ পেলাইছে। সংঘাতৰ ফলত বিশ্বজুৰি লাখ লাখ লোক ক্ষতিগ্রস্ত হৈছে। সংঘাতপ্রৱণ অঞ্চলত বসবাস কৰা লোকসকলে বিভিন্ন দিশৰ পৰা অত্যাচাৰ, ভয় আৰু অসুৰক্ষাৰ সন্মুখীন হয়।
• ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন জাতিগত নেতৃত্বত চলা সশস্ত্র আন্দোলনসমূহে হিংসাৰ এক সংস্কৃতি সৃষ্টি কৰিছে।
• সংঘাতজনিত পৰিস্থিতিত ব্যক্তিৰ জীৱনৰ অধিকাৰ, সুৰক্ষাৰ অধিকাৰআৰু স্বাধীনতাৰ অধিকাৰ গুৰুতৰভাৱে উলংঘিত হয়। মহিলাসকলৰ অধিকাৰো সংঘাতৰ সময়ত বিৰূপভাৱে প্রভাৱিত হয়। মহিলাসকলেশাৰিৰীক ,যৌন আৰু মানসিক হিংসাৰ সন্মুখীন হ'ব লগা হয়।
• ভাৰতত সংঘাতজনিত মানৱ অধিকাৰ উলংঘনৰ বাবে ৰাষ্ট্রীয় আৰু অ-ৰাষ্টীয় উভয় পক্ষই দায়ী। দুয়োপক্ষৰ কার্যকলাপৰ ফলত সাধাৰণ নাগৰিকৰ জীৱন, সুৰক্ষা আৰু মৌলিক অধিকাৰ ক্ষতিগ্রস্ত হয়।

১৪.৭ অধিক জানিবলৈ

1. Agarrwal, H.O. (2006), Human Rights; Allahabad,Central Law Publications.
2. Sanajoaba, N. (1994) Human Rights; Principles, Practices and Abuses; New Delhi; Omsons Publication.
3. Syed, M.H.(2003). Human Rights; The New Era; New Delhi; Kilaso Books
4. Yasin, Adil-ul& Upadhayay Archana (2004); Human Rights; New Delhi; Akansha Publishing House.

১৪.৮ অগ্রগতি খতিয়ান

প্রশ্ন ১. উত্তৰ ঃ দীর্ঘস্থায়ী সামাজিক সংঘাত মূলতঃ জাতিগত-ধর্মীয় আৰু জাতিগত-ৰাষ্ট্রীয় গোটসমূহৰ পৰিচয়ভিত্তিক প্রয়োজনীয়তা আৰু স্বার্থৰ সৈতে জড়িত।
প্রশ্ন নং ২.উত্তৰ ঃ জাতিসত্ত্বা।

প্রশ্ন নং ৩. উত্তৰ ঃ সশস্ত্র বাহিনী (বিশেষ ক্ষমতা) আইন,১৯৫৮

প্রশ্ন নং ৪. উত্তৰ ঃ অ-ৰাষ্ট্রীয় গোটসমূহে ভাৰতত মানৱ অধিকাৰ উলংঘন বৃদ্ধিৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। উদ্দেশ্যহীন হত্যা, নির্মম হত্যাকাণ্ড, বোমা বিস্ফোৰণত গণহত্যা আদি কার্যকলাপে সাধাৰণ লোকৰ মানৱ অধিকাৰ উলংঘন কৰে। চাঁন্দাবাজি, অপহৰণ আৰু নাগৰিকসকলক হাৰাশাস্তি কৰাটো ভাৰতত, বিশেষকৈ উত্তৰ-পূব ভাৰতত, এক গুৰুত্বপূর্ণ মানৱ অধিকাৰ সমস্যা। বিভিন্ন গোটৰ মাজৰ সংঘর্ষত সাধাৰণ লোকসকল ক্ষতিগ্রস্ত হয়। আত্মসমর্পণ কৰা বিদ্রোহীৰ পৰিয়ালৰ সদস্যসকলৰ ওপৰতো প্রতিশোধমূলক হত্যাকাণ্ড সংঘটিত হয়। হিংসাত্মক সংঘাতৰ ফলত চলাচলৰ স্বাধীনতা আৰু শিক্ষাৰ অধিকাৰো বাধাগ্রস্ত হয়। মানুহে সদায় ভয়, আতংক আৰু উদ্বেগৰ মাজত বাস কৰিবলগীয়া হয়, যাৰ ফলত মানসিক আঘাত আৰু মনোবৈজ্ঞানিক সমস্যাৰ সৃষ্টি হয়।
প্রশ্ন নং ৫. উত্তৰ ঃ অসমৰ বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়া ডিষ্ট্রিক্ট অঞ্চলত থলুৱা জনগোষ্ঠী আৰু অভিবাসীসকলৰ মাজত সংঘাতৰ মুখ্য কাৰণ হৈছে ভূমি অধিকাৰ, ভাষা আৰু চৰকাৰী চাকৰিৰ ক্ষেত্রত দীর্ঘদিনীয়া বৈষম্যমূলক চৰকাৰী নীতি। এই নীতিসমূহে বড়ো জনগোষ্ঠীৰ মাজত বঞ্চনা আৰু অসন্তুষ্টিৰ অনুভূতি সৃষ্টি কৰিছিল, যিয়ে পিছলৈ সংঘাতৰ ৰূপ লৈছিল।
প্রশ্ন নং ৬ উত্তৰ ঃ জোহান গাল্টুঙৰ মতে সংঘাতক বিৰোধ, মনোভাৱ আৰু আচৰণ এই তিনিটা উপাদানৰ ত্রিভুজ হিচাপে ব্যাখ্যা কৰিব পাৰি। বিৰোধ হৈছে সংঘাতৰ মূল কাৰণ, মনোভাৱত পক্ষসমূহৰ পাৰস্পৰিক ধাৰণা অন্তর্ভুক্ত থাকে আৰু আচৰণত সহযোগিতা বা বলপ্রয়োগ অন্তর্ভুক্ত হয়। গাল্টুঙৰ মতে, সংঘাত সমাধানৰ বাবে তিনিটা দিশত কাম কৰিব লাগিব-
হিংসাত্মক আচৰণ হ্রাস কৰা। পক্ষসমূহৰ মনোভাৱৰ পৰিৱর্তন ঘটোৱা। সংঘাতৰ মূলত থকা স্বার্থগত বিৰোধ বা সম্পর্কৰ ৰূপান্তৰ সাধন কৰা। এই তিনিওটা উপাদানৰ সমন্বয়ৰ জৰিয়তেই স্থায়ী শান্তি আৰু সংঘাত সমাধান সম্ভৱ।

১৪.৯ সাম্ভাব্য প্রশ্নসমূহ

১. কোনে 'দীর্ঘস্থায়ী সামাজিক সংঘাতৰ ধাৰণাটো চিনাক্ত কৰিছিল?
২. AFSPA সম্পূর্ণকৈ লিখক।
৩. জোহান গাল্টুঙৰ সংঘাত সম্পর্কীয় মতামত উল্লেখ কৰক।
৪. ১৯৮০ চনৰ ৰষ্ট্রীয় সুৰক্ষা আইন সম্পর্কে এটি টোকা লিখক।
৫. সংঘাতজনিত পৰিস্থিতিত সাধাৰণ লোকৰ মানৱ অধিকাৰৰ অৱস্থা পর্যালোচনা কৰক।

৬. মানৰ অধিকাৰ উলংঘনৰ প্ৰসংগত সংঘাতজনিত পৰিস্থিতিত ৰাষ্ট্ৰীয় ব্যৱস্থাৰ ভূমিকা আলোচনা কৰক।
৭. সংঘাতজনিত পৰিস্থিতিত মানৰ অধিকাৰ উলংঘনত অ-ৰাষ্ট্ৰীয় পক্ষসমূহৰ ভূমিকা পৰ্যালোচনা কৰক।

REFERENCE BOOKS

1) Agarwal, H.O. (2005): Human Rights, (8th edition) Allahabad, Central Law Publications.
2) Yasin, A. U. & Upadhyay (2004): Human Rights, Akansha Publishing House, New Delhi-110059.
3) Agarwal, Dr H.O. (2009): International Law & Human Rights. Sixteenth Edition, Central Law Publications: Allahabad.
4) Kapoor, S.K. (2005): Human Rights under International Law & Indian Law: Third Edition, Central Law Agency: Allahabad.
5) Childers Erskine (ed.) (1994). Challenges to the United Nations: building a safer world, London: Catholic Institute of International Relations.
6) Haq Mahbub ul (1995). Reflections on Human Development, New York: Oxford University Press.
7) Stephen, R.M. (2002). Human Rights: Concepts and Perspectives. New Delhi: Concept Publishing Company.
8) Latha,K.S. (2011). "Elder Abuse and Neglect: A Review',in Ageism and Elder Abuse, Lary McDonald and K.L Sharma (edt.) Jaipur, Rawat, Publication.
9) Strauss Peter J. and Nancy M. Laderman (1996). The Elder law Handbook: A Legal and Financial survival guide for caregivers and services, Facts on File.
10) lston, Philip, ed. (2005). Non-State Actors and Human Rights. Oxford University Press, USA, Alston, Philip, and James Crawford, eds. (2000). The Future of UN Human Rights Treaty Monitoring. Cambridge University Press.
11) Dembour, Marie-Bénédicte (2006). Who Believes in Human Rights?: Reflections on the European Convention. 1st ed. Cambridge University Press.